পৌৰাণিক ভক্তিধাৰাৰ বিভিন্ন ৰূপৰেখা

শ্ৰীধৰণীধৰ চৌধুৰী

চন্দ্ৰালয় প্ৰকাশন

POURANIC BHAKTIDHARAR BIVINNA RUP-REKHA– *A study of the Pouranic Debatas and Tantra Sastra by Sri Dharanidhar Choudhury, Published by Dr. Pranita Choudhury on behalf of Chandralaya Prakashan.*
Price Rs. 100 (One hundred only)

প্ৰকাশিকা : ড° প্ৰণীতা চৌধুৰী
চন্দ্ৰালয় প্ৰকাশন (পূব শৰণীয়া) ৰ হৈ

পৰিবেশক : নীহাৰেন্দ্ৰ চৌধুৰী
গ্ৰন্থপীঠ, পাণবজাৰ

প্ৰথম প্ৰকাশ : আগষ্ট, ২০০৬

মূল্য : ১০০.০০ টকা

বেটুপাত : দীপক দাস

ডি টি পি : মিতালী কম্পিউটাৰ
কামাখ্যা, গুৱাহাটী-১০

ছপা : পূৰ্বজ্যোতি প্ৰেছ
মালিগাঁও, গুৱাহাটী-১২

গ্ৰন্থখন ছপাহৈ ওলোৱাৰ পিছত বহু ভুল দৃষ্টিগোচৰ হ'ল। সেয়ে অশুদ্ধ শব্দবোৰৰ শুধৰণি তালিকা গ্ৰন্থৰ শেষত দিয়া হ'ল।

- প্ৰকাশিকা

উছৰ্গা

যিজনী মহীয়সী নাৰীয়ে সমাজৰ নিৰ্ম্মম শাসনত সাত বছৰ বয়সতে বিবাহপাশত আৱদ্ধ হৈ নবছৰ বয়সত বিধৱা সাজ পিন্ধি মাকৰ ঘৰলৈ উভতি আহি গোটেই জীৱন ভ্ৰাতৃৰ সতি-সন্ততি কেইটাক তালি-তুলি ডাঙৰ কৰি মাতৃত্বৰ মৰমেৰে আপ্লুত কৰিছিল সেই মমতাময়ী আমাৰ পেহীদেউ স্বৰ্গীয়া ৰাধাপ্ৰিয়া ৰায়চৌধুৰী, যাক বিনিময়ত আমি একো দিবলৈ সক্ষম নহ'লো, তেওঁৰ পবিত্ৰ পুণ্য স্মৃতিত—

সেৱক শ্ৰীধৰণীধৰ

আগকথা

কৃত্যবিদ্য চিন্তাশীল লেখক শ্ৰীধৰণীধৰ চৌধুৰীৰ কাপ নিসৃত 'পুৰাণ প্ৰভা (তৃতীয় খণ্ড) গ্ৰন্থখনৰ পূৰ্বপৰ্বত ৰুদ্ৰ-শিৱ আৰু শৈৱধৰ্ম, সূৰ্য্যদেৱতা আৰু সৌৰ ধৰ্ম, গণেশ-গণপতি আৰু গানপত্য ধৰ্ম, শিৱ শক্তি আৰু তন্ত্ৰোক্ত ধৰ্মৰ প্ৰত্যেকৰ এটি তত্ত্ব আৰু তথ্য সম্বলিত আলোচনা উপস্থাপন কৰিছে। ইতিপূৰ্বে শ্ৰীচৌধুৰীয়ে 'পুৰাণ প্ৰভা' আৰু 'ভাৰতীয় ভক্তিধাৰা বিভিন্ন প্ৰান্তত' নামৰ গ্ৰন্থ দুখনত ভাৰতীয় আধ্যাত্মিক চিন্তাধাৰাৰ ছবি অংকন কৰিছে। বৰ্তমানে প্ৰণয়ন কৰা গ্ৰন্থখনৰ উত্তৰ পৰ্বত চৌধুৰীয়ে ১২খন পুৰাণৰ চমু পৰিচয় দাঙি ধৰি এটা ডাঙৰ অভাৱ পূৰণ কৰিছে। উত্তৰ পৰ্বত অষ্টাদশ পুৰাণৰ অন্তৰ্গত (১) বায়ু পুৰাণ, (২) বামন পুৰাণ, (৩) ব্ৰহ্মাণ্ড পুৰাণ, (৪) কূৰ্ম পুৰাণ, (৫) গৰুড় পুৰাণ, (৬) নাৰদীয় পুৰাণ, (৭) মাৰ্কণ্ডেয় পুৰাণ, (৮) ভৱিষ্যৎ পুৰাণ, (৯) স্কন্দ পুৰাণ, (১১) বৰাহ পুৰাণ আৰু (১২) লিংগ পুৰাণৰ প্ৰত্যেকৰে একোটা সংক্ষিপ্ত আৰু স্থূল বিৱৰণ দি গ্ৰন্থখন সম্পূৰ্ণ কৰি গ্ৰন্থখনৰ গৌৰৱ বৰ্দ্ধন কৰিছে।

হিন্দু ধৰ্মৰ বিভিন্ন শাখা বা সম্প্ৰদায়ৰ মৌলিক তত্ত্বসমূহৰ সম্যক আলোচনা কৰি শ্ৰীচৌধুৰীয়ে আধ্যাত্মিকতাবাদৰ ছবি অংকন কৰিছে। সকলো সম্প্ৰদায়ৰ তত্ত্ববোৰৰ আলোচনাৰ পৰা কৰ্ম-ভক্তি-জ্ঞানেৰে যে আত্মাৰ মুক্তি সাধন হয় সেই কথা গ্ৰন্থখনত প্ৰতিপন্ন কৰা হৈছে। শ্ৰীচৌধুৰীৰ গ্ৰন্থখনৰ প্ৰতিপাদ্য বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি সেই বিষয়সমূহৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে এটি স্থূল বিৱৰণ তলত আগকথাৰূপে উপস্থাপন কৰাৰ প্ৰয়াস কৰা হৈছে।

পুণ্যভূমি ভাৰতবৰ্ষত আৰ্য ঋষিসকলে বহুদেৱবাদত বিশ্বাস কৰিছিল যদিও কালক্ৰমত তেওঁলোকে এক সিদ্ধান্তত উপনীত হৈছিল যে বিশ্বজগত কোনো এক নৈৰ্ব্যক্তিক মহাশক্তিৰ দ্বাৰা পৰিচালিত; ঈশ্বৰ সমগ্ৰ জগততে সৰ্বব্যাপকৰূপে বিদ্যমান, সমস্ত জগত তেওঁৰ ভিতৰতেই অনুপ্ৰৱিষ্ট; তেৱেঁই সৰ্বেসৰ্বা, সমগ্ৰ বিশ্ব তেওঁৰেই লীলা। এই মহাশক্তিয়েই পুৰুষ, আত্মা, সৎ

আদি বিভিন্ন নামেৰে অভিহিত। ঋগবেদৰ প্ৰথম মণ্ডলত মন্ত্ৰদ্ৰষ্টা ঋষিৰ মনত উদ্ভাসিত হৈছে—

একং সদ বিপ্ৰা বহুধা বদন্তি
অগ্নিং যমং মাতৰিশ্বানমাহুঃ। ঋগ্‌বেদ ১।১৬৪।৪৬

অৰ্থাৎ— এই অখণ্ড অব্যাকৃত সৎ ব্ৰহ্মক বিপ্ৰসকলে (জ্ঞানীসকলে) বহু নামেৰে অভিহিত কৰে, যেনে অগ্নি, যম, মাতৰিশ্বা (বায়ু) ইত্যাদি।

ব্ৰহ্ম এক এই চিন্তাৰ পূৰ্ণ বিকাশ ঘটিছে বেদৰ উপনিষদ ভাগত। উপনিষদৰ যুগত পৰমাৰ্থ জিজ্ঞাসু ঋষিসকলে এক পৰম শক্তিৰ অন্বেষণত অগ্ৰসৰ হৈ প্ৰাৰ্থনা কৰিছে যেন বিশ্বস্ৰষ্টাই তেওঁলোকক এনে ধীশক্তি প্ৰদান কৰে যাৰ দ্বাৰা তেওঁলোকে বিশ্ব স্ৰষ্টাৰ বৰেণ্য প্ৰকাশময় ৰূপৰ ধাৰণা কৰিব পাৰে—'বিধেয়ঃ যো নঃ প্ৰচোদয়াৎ'। ঋষিসকলে এই পৰমাৰ্থিক জিজ্ঞাসাৰ অন্তত এক সৰ্বব্যাপক প্ৰচ্ছন্ন শক্তিৰ সত্তা উপলব্ধি কৰিব পাৰিছে সকলো মানুহ সকলো জীৱ, সকলো বস্তুতেই এই প্ৰচ্ছন্ন শক্তি বিৰাজমান— সেই শক্তি সৰ্বত্ৰ বিদ্যমান; সেই শক্তিক প্ৰাৰ্থনা জনাইছে এইদৰে—

যো দেৱোহগ্নৌ যোহপ্সু
যো বিশ্বং ভুৱনমাৱিৱেশ
য ওষধিষু যো বনস্পাউষু
তস্মৈ দেবায় মনো মনঃ। (শ্বেতাশ্বতৰোপনিষদ-২।১৭)

যিজন দেৱ অৰ্থাৎ যিজন প্ৰকাশময় পৰমাত্মা—অগ্নি, জল, গছ-লতা আদিত আৰু বিশ্বজগতত অন্তৰ্যামীৰূপে প্ৰৱিষ্ট হৈ আছে সেই জনক বাৰে বাৰে প্ৰণাম জনাওঁ।

এইয়েই সেই পৰম প্ৰচ্ছন্ন শক্তি যাক ব্ৰহ্ম বুলি অভিহিত কৰা হয়। ইয়াতেই আৰম্ভ হ'ল ভাৰতীয় দৰ্শনৰ। উপনিষদত ব্ৰহ্মজিজ্ঞাসাৰ আৰম্ভ হৈছিল বিশুদ্ধ কৌতূহল চৰিতাৰ্থ কৰাৰ কাৰণে। কিন্তু যেতিয়া কৰ্মফল ভোগ আৰু তাৰ কাৰণে জন্মান্তৰৰ বন্ধনৰ চিন্তা সংস্কাৰৰূপে পৰিগণিত হ'ল তেতিয়াই জন্মবন্ধন দুঃখময়, সুখকৰ নহয় এই মতে প্ৰতিষ্ঠা লাভ কৰিলে। গতিকে ভৱবন্ধন বা জন্মবন্ধনৰ পৰা পৰিত্ৰাণ বা মুক্তি লাভৰ প্ৰবল আকাঙ্খা প্ৰতিভাত হ'ল। সেই মুক্তি লাভৰ উপায় স্বৰূপে জ্ঞানমাৰ্গৰ পথ গ্ৰহণ কৰিলে ঋষিসকলে। ইয়াতেই আৰম্ভ হ'ল হিন্দুৰ ষড়দৰ্শন (বেদান্ত, মীমাংসা, সাংখ্য, যোগ, ন্যায়, বৈশেষিক) বৌদ্ধ আৰু জৈন দৰ্শন।

দৰ্শন শাস্ত্ৰত পাৰমাৰ্থিক জ্ঞান লাভৰ গূঢ় বিচাৰধাৰাই সৰ্বসাধাৰণ মানুহৰ কৌতূহল নিবাৰণ কৰিব নোৱাৰাৰ ফলত মনীষীসকলে সুদীৰ্ঘ চিন্তাৰ পথত অগ্ৰসৰ হ'ল। তেওঁলোকৰ হৃদয় আকাশত উদ্ভূত হ'ল এক পৰম সৰ্বশক্তিমান ঈশ্বৰৰ ব্যক্তিসত্তাময় ৰূপ আৰু সেই ব্যক্তিৰূপী ঈশ্বৰৰ চৰণপদ্মত আশ্ৰয় গ্ৰহণ কৰিব পাৰিলেই পৰম আনন্দ বা মোক্ষ লাভৰ বাসনা পূৰ্ণ হোৱাৰ দুৰ্বাৰ আকাঙ্খা। ইয়াতেই আৰম্ভ হ'ল পুৰাণত বৰ্ণিত ঈশ্বৰপ্ৰাপ্তিৰ প্ৰকৃত সাধন মাৰ্গ। এই মাৰ্গ বিভাজিত আস্থা-নিষ্ঠা-বিশ্বাসৰ মূলাধাৰত।

পুৰাণৰ যুগত প্ৰধানতঃ পৰম ব্ৰহ্মৰ তিনিটা প্ৰকটময় ৰূপৰ কল্পনা কৰা হৈছে যাক বোলা হয় ত্ৰিমূৰ্তি। ইয়াৰে ব্ৰহ্মা হৈছে সৃষ্টিকৰ্তা, বিষ্ণু হৈছে পালন কৰ্তা আৰু মহেশ্বৰ বা শিৱ সংহাৰ কৰ্তা।

পৰমব্ৰহ্মৰ সৃষ্টিভাৱগ্ৰস্ত ৰূপটো হ'ল ব্ৰহ্মা; ব্ৰহ্মাই ৰজোগুণৰ প্ৰভাৱত সৃষ্টি প্ৰক্ৰিয়াত প্ৰবৃত্ত হয়; সত্বগুণৰ স্বভাৱ হ'ল প্ৰকাশময়তা—সত্বগুণৰ প্ৰভাৱত বিষ্ণু সমগ্ৰ স্থিতি অৰ্থাৎ সৃষ্টি ৰক্ষাৰ অৰ্থে কৰুণাময় ৰূপেৰে কৰ্মত ব্যাপৃত হয় অৰ্থাৎ সমগ্ৰ জাগতিক ৰূপটোক জ্ঞানৰ বিষয়ীভূত কৰি ৰাখে। আনফালে মহেশ্বৰে তমোগুণৰ প্ৰভাৱত সংহাৰ কাৰ্যত প্ৰবৃত্ত হয়; মহেশ্বৰ ৰূপে বহুত্বৰ ধ্বংস সাধন কৰি একত্বৰ পুনঃ প্ৰতিষ্ঠাৰ কাৰ্যত ব্ৰতী হয়; সেই কাৰণে তেওঁ শিৱ—পৰম মংগলময়।

মায়া বা শক্তি ঃ শাক্তধৰ্ম

বিভিন্ন পুৰাণ আৰু উপ-পুৰাণত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মাহাত্ম্য কীৰ্তন কৰা হৈছে যদিও এই তিনিও এক পৰম সত্তাৰ ভিন্ন ৰূপ মাথোন।

উপনিষদত যি ওঙ্কাৰতত্ত্বৰ অৱতাৰণা কৰা হৈছিল তাতেই পুৰাণোক্ত ত্ৰিমূৰ্তিৰ ৰূপৰ সূচনা কৰা হৈছে। অ, উ, ম—এই তিনিটা অক্ষৰৰ দ্বন্দ্ব সমাস নিষ্পন্ন পদ 'ওম্'। অকাৰ, উকাৰ আৰু মকাৰ যথাক্ৰমে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ—এই ত্ৰিমূৰ্তিৰ সূচক। উপনিষদত মূলতঃ যি ব্ৰহ্মবাদৰ স্বৰূপ ব্যাখ্যা কৰা হৈছে তাৰ মূলতে এই ওঙ্কাৰতত্ত্ব নিহিত হৈ আছে।

এই ত্ৰিমূৰ্তিৰ অন্তৰালত এক পৰমা প্ৰকৃতি যাক বোলা হয় মায়া বা শক্তি বিদ্যমান। এই পৰমা প্ৰকৃতি বা মায়া অবিহনে ব্ৰহ্মাৰ সৃষ্টি কাৰ্য অসম্ভৱ;

অৰ্থাৎ ব্ৰহ্মাই মায়াক আশ্ৰয় কৰিহে সৃষ্টি কৰিব পাৰে অন্যথা তেওঁ নিষ্ক্ৰিয়। অদ্বৈতবাদী আদি শংকৰাচাৰ্যই ব্ৰহ্মসূত্ৰৰ ভাষ্যতো শক্তি বা মায়াৰ অবিহনে সৃষ্টি সম্ভৱ নহয় বুলি অভিহিত কৰিছে।

ঋগ্‌বেদৰ কেইবা ঠাইতো আদ্যা শক্তিৰ স্তুতি আছে। তাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হৈছে ঋগবেদৰ দশম মণ্ডলৰ ১২৫ নং সূক্তটো য'ত বাগ্‌দেৱীৰ মহত্ত্ব কীৰ্তিত হৈছে। এই সূক্তটো দেৱীসূক্ত নামেৰে প্ৰসিদ্ধ। এই সূক্তৰ আঠটা মন্ত্ৰৰ প্ৰতিটোতে দেৱীৰ মাহাত্ম্য পৰিস্ফুট। বাগ্‌দেৱীয়ে নিজমুখে কৈছে—

অহং ৰাষ্ট্ৰী সংগমনী বসূনাং
চিকিতুষী প্ৰথমা যজ্ঞিয়ানাম।
তাং মা দেৱা ব্যদধুঃ পুৰুত্ৰা।
ভূৰিস্থাত্ৰাং ভূৰ্যাৱেশয়ন্তীম।।

— মই সমগ্ৰ জগতৰ ঈশ্বৰী, উপাসকবৃন্দৰ সম্পদদাত্ৰী দেৱী আৰু পৰব্ৰহ্ম শক্তি। এতেকে যজ্ঞাৰ্হসমূহৰ মাজত ময়েই সৰ্বশ্ৰেষ্ঠ। ময়েই প্ৰপঞ্চৰূপে বহুভাৱে অৱস্থিতা আৰু সৰ্বভূততেই জীৱৰূপে সংপ্ৰবিষ্টা। মোকেই সকলোতে দেৱতা, মানৱ, যজমানসকলে ভিন্ন ভিন্নৰূপে আৰাধনা কৰে।

দশম মণ্ডলৰ ১২৭ নং সূক্তটো ৰাত্ৰিসূক্ত নামেৰে অভিহিত। এই সূক্তটোত ৰাত্ৰিদেৱীক স্তুতি কৰা হৈছে।

উপনিষদৰ ব্ৰহ্মতত্ত্বৰ আলোচনা প্ৰসংগত কেনোপনিষদত উমাৰূপিণী ব্ৰহ্মবিদ্যাৰ আৱিৰ্ভাৱেও শক্তিৰ মহত্ত্বৰ সূচনা কৰে। মুণ্ডক উপনিষদতো শক্তিৰ মহত্ত্ব স্বীকাৰ কৰা হৈছে। এইখন উপনিষদৰ প্ৰথম মুণ্ডকৰ দ্বিতীয় খণ্ডৰ চতুৰ্থ শ্লোকটোত শক্তিৰ উপাস্যতাৰ আভাস পৰিস্ফুট। শ্লোকটো হ'ল এই—

কালী কৰালী চ মনোজৱা চ সুলোহিতা যা চ সুধূম্ৰবৰ্ণা।
স্ফুলিঙ্গিনী বিশ্বৰুচী চ দেৱী লেলায়মানা ইতি সপ্ত জিহ্‌বা।

— কালী, কৰালী, মনোজৱা, সুলোহিতা, সুধূম্ৰাবৰ্ণা, স্ফুলিঙ্গিনী আৰু দীপ্তিশালিনী বিশ্বৰুচী—অগ্নিৰ এই সাতখন লেলিহান জিহ্বা (আহুতি গ্ৰহণ কৰিবলৈ সমৰ্থ)।

ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহত আদ্যাশক্তিৰ উপাসনাৰ উদাহৰণ আছে। আনকি শ্ৰীমদ্ভাগৱতৰ নিচিনা এখন সৰ্বতোভাৱে বৈষ্ণৱ মাৰ্গৰ সৰ্বশ্ৰেষ্ঠ

গ্ৰন্থৰূপে স্বীকৃত মহৎ গ্ৰন্থখনতো শক্তিৰ উপাস্যতাৰ প্ৰয়োজন নিৰ্ণয় কৰা হৈছে। **মাৰ্কণ্ডেয়, বামন, বৰাহ, কূৰ্ম** আদি মহাপুৰাণত শক্তি বা দেৱীৰ মহত্ব বৰ্ণনা কৰা হৈছে। ইয়াৰ বাহিৰেও **দেৱীপুৰাণ, কালিকাপুৰাণ, দেৱীভাগৱত, ভগৱতীপুৰাণ** আদিতো দেৱীৰ সৰ্বময় কৰ্তৃত্ব স্বীকাৰ কৰা হৈছে। এই পুৰাণসমূহত দুৰ্গা, কালী, চণ্ডী, সতী আদি বিভিন্ন নামেৰে আদ্যাশক্তিৰ উপাসনাৰ মাজেৰে ভাৰতবৰ্ষত শাক্ত ধৰ্মৰ পৰম্পৰা প্ৰতিষ্ঠিত হৈছে। আদ্যশক্তিৰ প্ৰভাৱতে যে সমস্ত বিশ্বজগতৰ সৃষ্টি হৈছে সেই কথা মাৰ্কণ্ডেয় পুৰাণৰ শ্ৰীশ্ৰীচণ্ডীৰ প্ৰথম অধ্যায়ত ব্ৰহ্মাই দেৱীক স্তুতি কৰি কৈছে—

ত্বয়ৈৱ ধাৰ্য্যতে সৰ্ব্বং ত্বয়ৈতৎ সৃজ্যতে জগৎ।
ত্বয়ৈতৎ পাল্যতে দেৱি ত্বমৎসৎন্তে চ সৰ্বদা।।
বিসৃষ্টৌ সৃষ্টিৰূপা ত্বং স্থিতিৰূপা চ পালনে।
তথা সংহৃতিৰূপান্তে জগতোঽস্য জগন্নাথে।।

—হে দেৱী, তুমিয়েই এই জগৎ ধাৰণ কৰি আছা। তুমিয়েই এই জগৎ সৃষ্টি কৰিছা, তুমিয়েই এই জগত পালন কৰিছা আৰু সৰ্বদা প্ৰলয় কালত তুমি এই জগত সংহাৰ কৰা। হে জগতস্বৰূপা তুমি এই জগতৰ সৃষ্টিকালত সৃষ্টি শক্তিৰূপা, পালন কালত স্থিতিশক্তিৰূপা আৰু প্ৰলয়কালত সংহাৰ শক্তিৰূপা।। ১/৭৫-৭৬

সেই চণ্ডীগ্ৰন্থৰে চতুৰ্থ অধ্যায়ত ঋষিসকলে আদ্যাশক্তিৰ অনন্ত শক্তিৰ কীৰ্তন কৰিছে এইদৰে—

হেতুঃ সমস্ত জগতাং ত্ৰিগুণাপি দোষৈ
ৰ্ন জ্ঞায়সে হৰিহৰাদিভিৰপ্যপাৰা।
সৰ্বাশ্ৰয়াখিলমিদং জগদংশভূত
মব্যাকৃতা হি পৰমা প্ৰকৃতিস্ত্বমাদ্যা।। ৪/৭

—তুমি সমগ্ৰ জগতৰ মূল কাৰণ, তুমি সত্ত্ব, ৰজঃ তমঃ—এই তিনি গুণময়ী হ'লেও ৰাগদ্বেষাদি দোষমুক্ত লোকে তোমাক জানিব নোৱাৰে। তুমি বিষ্ণু-শিৱ প্ৰভৃতি দেৱতাসকলৰো অজ্ঞাত। ব্ৰহ্মাৰপৰা কীট পৰ্য্যন্ত এই নিখিল বিশ্ব তোমাৰেই অংশ, কাৰণ, তুমিয়েই সকলোৰে আশ্ৰয় স্বৰূপ। তুমি ষড়বিকাৰৰহিতা (জন্ম, অস্তিত্ব, বৃদ্ধি, বিপৰিনাম, অপক্ষয় আৰু বিনাশ—এই কেইটা ষড়বিকাৰ) পৰমা আদ্যা প্ৰকৃতি।

আদ্যা প্ৰকৃতিৰ ব্যাখ্যা প্ৰসংগত ভাষ্যকাৰে কৈছে—এই দেৱীক অৰ্থাৎ আদ্যা প্ৰকৃতিক সাংখ্যমতাৱলম্বীসকলে 'প্ৰকৃতি' আৰু বেদান্তবিদসকলে অনিৰ্বচনীয়া অনাদি 'অবিদ্যা' বোলে। ব্যাকৰণবিদসকলে তেওঁক 'শব্দশক্তি', মীমাংসকসকলে তেওঁক 'কৰ্মৰ অপূৰ্ব উপাদান সামৰ্থ্যলক্ষণা ফলগতি' আৰু নৈয়ায়িকসকলে তেওঁক 'বস্তুতত্ত্বাবসিতি সিদ্ধিভেদা' (বস্তুতত্ত্ব নিশ্চয়ৰূপ জ্ঞান বিশেষ) বোলে। তেওঁক শৈৱসকলে 'শৈৱশক্তি' বৈষ্ণৱসকলে 'বিষ্ণুমায়া' শাক্তসকলে 'মহামায়া' আৰু পৌৰাণিকসকলে 'দেৱী' বোলে। (শান্তনৱী টীকা)

এতেকে দেখা যায় যে শক্তি আৰু পৰম ব্ৰহ্মাৰ মাজত কোনো ভেদাভেদ নাই। সেই কাৰণেই দেখা যায় যে হিন্দু ধৰ্মত দেৱীৰ উপাসনা ভক্তসকলে নিৰৱচ্ছিন্ন গতিত নানা ৰূপত কৰি অহা দেখা যায়।

এই প্ৰসংগত উল্লেখ কৰা সমীচীন হ'ব যে কালক্ৰমত আৰ্যসকলৰ মাজত প্ৰচলিত সকলো ধৰ্ম সম্প্ৰদায়ৰ মাজতেই আৰ্য্যভিন্ন সমাজৰ আচাৰ-বিধি ব্যৱস্থাৰ সংমিশ্ৰণ ঘটিছে। তন্ত্ৰ আৰু আগম গ্ৰন্থসমূহত আদ্যাশক্তিৰ পূজাপদ্ধতি, সৃষ্টিস্থিতি সংহাৰকাৰিণী ৰূপৰ অতি বিস্তৃত বিৱৰণ উপস্থাপন কৰা হৈছে। সেইবোৰৰ আলোচনাই এই আগকথাৰ পৰিসৰ অতিকৈ বৃদ্ধি কৰাৰ আশংকাত বিশদ বিৱৰণ দিয়াৰ পৰা বিৰতি লোৱা হ'ল।

অৱশ্যে এটি উল্লেখনীয় দিশ হ'ল এই যে তন্ত্ৰৰ লগত শক্তি বা শাক্তধৰ্মৰ সম্বন্ধ ওতপ্ৰোত। সেই বিষয়ে পিছত তন্ত্ৰৰ আলোচনা প্ৰসংগত চমুকৈ কোৱা হ'ব।

শৈৱ ধৰ্ম ঃ

ভাৰতবৰ্ষত শৈৱ ধৰ্ম কেতিয়াৰ পৰা প্ৰচলিত হৈছে সেই সম্পৰ্কে কোনো চূড়ান্ত সিদ্ধান্তত পণ্ডিত আৰু গৱেষকসকল উপনীত হ'ব পৰা নাই। প্ৰাকবৈদিক যুগতে শৈৱ ধৰ্মৰ উদ্ভৱ হোৱা বুলি বহুতো গৱেষক-সমালোচকে মত পোষণ কৰে। সিন্ধু সভ্যতাৰ উদ্‌ঘাটনৰ সময়ত মহেঞ্জদাৰোৰ খনন কাৰ্য্যৰ ফলত আৱিষ্কৃত যোগাসনস্থ ত্ৰিমুখমুক্ত মূৰত দুটা শিঙ থকা আৰু চতুস্পাৰ্শে গৰু আৰু জন্তুৰ ছবি ঢালাই কৰা এটি মোহৰ তন্নতন্নকৈ পৰীক্ষা-নিৰীক্ষা কৰি শৈৱ ধৰ্মৰ আদিম স্তৰৰ পাশুপত সম্প্ৰদায়ৰ অস্তিত্ব এই মোহৰে সূচনা কৰে বুলি পণ্ডিতসকলে অনুমান কৰে। এই খনন কাৰ্যত শিৱলিঙ্গৰ সদৃশ

কিছুমান মূৰ্তি পোৱা গৈছে। মোহৰবিলাকত থকা লিপিৰ পাঠ এতিয়াও উদ্ধাৰ কৰিব পৰা নাই; সম্ভৱতঃ এই লিপিয়েই ভাৰতবৰ্ষৰ প্ৰথম লিপি। কোনো কোনোৱে এই লিপিক আদিম দ্ৰাৱিড়লিপি বুলি অনুমান কৰে আৰু কোনো কোনোৱে আৰ্য ভাৰতীয় লিপিৰ নিদৰ্শন বুলি ভাবে। সিন্ধু সভ্যতাৰ কাল অন্ততঃ খ্ৰীঃপূঃ ৪০০০ ৰ পৰা ২৫০০ৰ ভিতৰত বুলি ঠাৱৰ কৰা হৈছে।

বৈদিক যুগত শৈৱ ধৰ্মৰ অস্তিত্বৰ সন্ধান পোৱা যায় ঋগ্‌বেদত। ঋগবেদত ৰুদ্ৰ নামৰ এগৰাকী দেৱতাৰ উদ্দেশ্যে প্ৰণয়ন কৰা এটা সূক্ত আছে। এই ৰুদ্ৰ দেৱতাই পিছত শিৱ বুলি জনাজাত হৈছে। এই ৰুদ্ৰ দেৱতাক ঋগ্‌বেদত ৰোগ বিমুক্ত কাৰক আৰু মানুহ তথা জন্তুৰ ৰক্ষক বুলি বৰ্ণনা কৰা হৈছে। সামবেদৰ সামবিধান সংহিতাত ৰুদ্ৰ-শিৱক স্তুতি কৰা কিছুমান মন্ত্ৰ আছে, সেই মন্ত্ৰবোৰ বৰ্তমান যুগতো পাঠ কৰা হয়। যজুৰ্বেদৰ শতৰুদ্ৰীয়ত শিৱক পৰম মংগলময়ৰূপে বৰ্ণনা কৰা হৈছে; তেওঁ পশুপতি অৰ্থাৎ পশুৰ (জীৱাত্মাৰ) অধিপতি; তেওঁক বিশ্বজগতৰ নিয়ন্ত্ৰক বোলা হৈছে। শতৰুদ্ৰীয়ত শিৱৰ এশ নাম উল্লেখ কৰি প্ৰাৰ্থনা কৰা হৈছে। কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত মৈত্ৰায়নী সংহিতাত শিৱক মহাদেৱ শিৱ আখ্যা দিয়া হৈছে আৰু তেওঁক এই বিশ্বৰ সৰ্বশ্ৰেষ্ঠ সৰ্বময় কৰ্তাৰূপে প্ৰতিষ্ঠা কৰা হৈছে। তৈত্তিৰীয় সংহিতাত শিৱ বা ৰুদ্ৰক সোমলতাৰ অধিপতি বোলা হৈছে। অথৰ্ববেদত শিৱৰ বহুতো নাম পোৱা যায়। যেনে—**ভৱ, সৰ্ব, পশুপতি, উগ্ৰ, মহাদেৱ** আৰু **ঈশান**। শিৱৰ অষ্টমূৰ্তিৰ পূজাত সৰ্বায় ক্ষিতিমূৰ্তয়ে নমঃ ; ভৱায় জলমূৰ্তয়ে নমঃ, ৰুদ্ৰায় অগ্নিমূৰ্তয়ে নমঃ, উগ্ৰায় বায়ুমূৰ্তয়ে নমঃ, ভীমায় আকাশমূৰ্তয়ে নমঃ পশুপতয়ে যজমান মূৰ্ত্তয়ে নমঃ, মহাদেৱায় সোমমূৰ্তয়ে নমঃ, ঈশামায় সূৰ্যমূৰ্তয়ে নমঃ এই আঠটা মন্ত্ৰেৰে পূজা কৰা হয়। শ্বেতাশ্বেতৰ উপনিষদৰ তৃতীয় অধ্যায়ত আছে—

একোহি ৰুদ্ৰো ন দ্বিতীয়ায় তস্থুঃ
য ইমাঁল্লোকান্ ঈশত ঈশনীভিঃ।
প্ৰত্যঙ্‌জনাং তিষ্ঠতি সঞ্চুকোপান্তকালে
সংসৃজ্য বিশ্বা ভুৱনানি গোপাঃ।

—যিহেতু একমাত্ৰ ৰুদ্ৰই বিদ্যমান, সেই কাৰণে ব্ৰহ্মবিদসকলে অন্য আৰু কোনো বস্তুৰ কাৰণে অপেক্ষা নকৰে। যি ৰুদ্ৰই নিজৰ শক্তিসমূহৰ দ্বাৰা

এই সমুদায় প্ৰাণীসমূহক নিয়ন্ত্ৰণ কৰে, সেই ৰুদ্ৰই প্ৰত্যেক জীৱৰ অন্তৰত অৱস্থিত। তেৱেঁই এই সমগ্ৰ বিশ্ব সৃষ্টি কৰিছে আৰু প্ৰলয়কালত সংহাৰ কৰে।

ব্ৰহ্মা, বিষ্ণু আৰু শিৱ যে যথাক্ৰমে ৰজঃ সত্বঃ আৰু তমঃ—এই গুণত্ৰয়ৰ প্ৰতিভূ তাক বৰ্ণনা কৰা হৈছে। সম্ভৱতঃ শিৱ আৰু বিষ্ণুৰ উপাস্যতা হিন্দু ধৰ্মত দুটা প্ৰধান স্ৰোতৰূপে তেতিয়াৰে পৰা প্ৰৱাহিত হ'বলৈ ধৰে।

আগমশাস্ত্ৰসমূহত শিৱৰ সৰ্বময় কৰ্তৃত্ব প্ৰতিপাদিত হৈছে। আগমসমূহৰ ৰচনা কাল সম্পূৰ্ণভাৱে নিৰ্ণয় হোৱা নাই। পণ্ডিতসকলে ব্ৰাহ্মণ গ্ৰন্থৰ ৰচনা কালৰ সমসাময়িকভাৱে আগমবোৰ প্ৰণীত হোৱা বুলি মত প্ৰকাশ কৰিছে। খ্ৰীষ্টীয় তৃতীয়-চতুৰ্থ শতকৰ ভিতৰত আগমবোৰৰ ৰচনাকাল বুলি ধৰা হয়। আগমসমূহৰ বেদৰ সমানেই মৰ্যাদা। আগম শাস্ত্ৰবোৰ সংস্কৃত, প্ৰাকৃত আৰু দ্ৰাৱিড় ভাষাত ৰচিত। বৰ্তমানে একমাত্ৰ সংস্কৃতত ৰচিত আগমবোৰহে পোৱা যায়। তামিলভাষাত শৈৱসিদ্ধান্ত গ্ৰন্থ আছে। শৈৱ সম্প্ৰদায়ৰ ২৮খন আগম গ্ৰন্থ সংস্কৃতত ৰচিত। শিৱই পাৰ্বতী বা উমাক আৰু তেওঁৰ শিষ্য নন্দিকেশ্বৰক কথোপকথনৰ মাজেৰে আগমৰ জ্ঞানবাদ আৰু কৰ্মবাদৰ বিষয়বস্তুৰ অৱতাৰণা কৰা বুলি ধৰা হয়। প্ৰথম অৱস্থাত দহ নিযুত শ্লোকেৰে শিৱই কোৱা বুলি উল্লেখ আছে আৰু পিছত শিৱৰ অন্যতম অৱতাৰ অনন্তই একলাখ শ্লোকত সংক্ষিপ্ত ৰূপত প্ৰকাশ কৰে। দাক্ষিণাত্যৰ মন্দিৰসমূহত আগমৰ পৰা সংগ্ৰহ কৰা মন্ত্ৰেৰে শিৱৰ আৰাধনা কৰা হয়। শিৱক সৰ্বশ্ৰেষ্ঠ দেৱতাৰূপে বৰ্ণনা কৰা পুৰাণসমূহ হ'ল— **বায়ু, লিঙ্গ, স্কন্দ, অগ্নি, মৎস্য** আৰু **কূৰ্ম**। এই পুৰাণসমূহক তামোগুণাশ্ৰয়ী পুৰাণো বোলা হয়। ইয়াত বাহিৰেও **ভৱিষ্য, মাৰ্কণ্ডেয়, বৰাহ, বামন, ব্ৰহ্মাণ্ড** পুৰাণতো শিৱৰ মাহাত্ম্য আৰু প্ৰাধান্য কীৰ্তন কৰা হৈছে। **শিৱপুৰাণত** (বায়ু পুৰাণ) শিৱৰ নানা কাহিনী, শিৱৰ পূজা পদ্ধতি, শৈৱধৰ্ম সম্পৰ্কে বিস্তৃত আৰু বিশদ বিৱৰণ আছে। শিৱৰ ত্ৰিপুৰদাহন, সমুদ্ৰমন্থন, শিৱৰ জ্যোতিৰ্ময় ৰূপৰ অতুলনীয় বৰ্ণনা আগমমূলক ৰচনা তথা পুৰাণসমূহত পোৱা যায়। সেইদৰে **শিৱধৰ্ম, সৌৰ, পৰাশৰ, বশিষ্ঠ, লৈঙ্গ, শিৱৰহস্য** আদি উপ পুৰাণতো শিৱৰ উপাস্যতাৰ বিষয়ে বিশদ বিৱৰণ আছে।

ৰামায়ণৰ বালকাণ্ডৰ ৩৫ তম মৰ্গত শিৱ আৰু উমাৰ পৰিণয় বৰ্ণনা কৰা হৈছে, ভগীৰথৰ গংগা আনয়ন প্ৰসংগত গংগাক শিৱৰ জঁটত ধাৰণ কৰিবলৈ কৰা স্তুতি, ৰামে হৰধনু ভংগ কৰা কাহিনী। ৰামায়ণৰ **যুদ্ধকাণ্ডত** ৰামে সীতাক লৈ অযোধ্যালৈ প্ৰত্যাবৰ্তন কৰাৰ সময়ত সমুদ্ৰৰ পাৰত

মহাদেৱে তেওঁক দিয়া আশীৰ্বাদৰ কথা সুঁৱৰিছিল। ৰাৱণ যে শিৱভক্ত আছিল তাৰো বিৱৰণ ৰামায়ণত আছে।

মহাভাৰতৰ অনুশাসন পৰ্ব, শান্তি পৰ্ব, বনপৰ্ব আদিত শিৱৰ মাহাত্ম্যৰ বিশদ বৰ্ণনা আছে।

পৰৱৰ্তীকালৰ ধ্ৰুপদী সাহিত্যসমূহতো শিৱৰ কৃপা প্ৰাৰ্থনা কৰা অসংখ্য উদাহৰণ আছে। কালিদাসৰ কুমাৰসম্ভৱ, ভাৰবিৰ **কিৰাতাৰ্জুনীয়**, বানৰ **কাদম্বৰী** আৰু **হৰ্ষচৰিত** আদিত শিৱৰ শক্তি আৰু মাহাত্ম্যৰ বৰ্ণনা আছে।

আকুমাৰিকা হিমালয় পৰ্যন্ত ভাৰতবৰ্ষৰ বিভিন্ন শিৱ মন্দিৰত শিৱৰ উপাসনাৰ অৰ্থে অসংখ্য শিৱস্তোত্ৰ বিৰচিত হৈ আহিছে।

দৰ্শন শাস্ত্ৰৰ বিভিন্ন ভাষ্যত শিৱক সৰ্বদেৱাদিদেৱ বুলি অভিহিত কৰা হৈছে। বাদৰায়ণৰ **ব্ৰহ্মসূত্ৰৰ** কেইবাটাও শৈৱভাষ্য আছে। তাৰ ভিতৰত ত্ৰয়োদশ শতিকাত শ্ৰীকণ্ঠ বিৰচিত **শৈৱভাষ্য** উল্লেখযোগ্য। চতুৰ্দশ শতিকাৰ শ্ৰীপতি পণ্ডিতৰ ব্ৰহ্মসূত্ৰৰ ওপৰত লিখা **শ্ৰীকৰভাষ্যত** উপনিষদ, আগম আৰু মীমাংসাৰ সমন্বয় স্থাপন কৰি **বীৰশৈৱতত্ত্ব** প্ৰতিষ্ঠা কৰিছে। এই ভাষ্যটো **শিৱাদ্বৈত** আৰু শক্তি **বিশিষ্টাদ্বৈত** নামেৰেও জনাজাত। শ্ৰীপতিয়ে **ব্ৰহ্মসূত্ৰৰ জীৱমুখ্যপ্ৰাণলিঙ্গান্নেতি** চেৎ... ব্যাখ্যা প্ৰসংগত এই সূত্ৰটোৱে **বীৰশৈৱ** লিঙ্গায়ত সম্প্ৰদায়ক বুজোৱা বুলি অভিমত ব্যক্ত কৰিছে। মহামুনি পাণিনিৰ **অষ্টাধ্যায়ীৰ** প্ৰাৰম্ভত উদ্ধৃত কৰা চতুৰ্দশ **মাহেশ্বৰ সূত্ৰ** মহাদেৱৰ হাতত থকা ডম্বৰুটো চৈধ্যবাৰ বজাই মুনি পাণিনিক শিৱই নিজে শুনাইছিল। এই সূত্ৰবোৰৰ অৰ্থ নন্দিকেশ্বৰে ২৬টা শ্লোকত ব্যাখ্যা কৰিছিল। ৰামানুজে তেওঁৰ ব্ৰহ্মসূত্ৰৰ ভাষ্যত শৈৱধৰ্মৰ চাৰিটা সম্প্ৰদায়ৰ উল্লেখ কৰিছে (১) **কাপালিক**, (২) **কালামুখ**, (৩) **পাশুপত** আৰু (৪) **শৈৱ**।

পাশুপত সম্প্ৰদায়ৰ প্ৰতিষ্ঠাতা **লাকুলীলা শিৱপুৰাণত** উল্লিখিত ২৪জন যোগাচাৰ্যৰ অন্যতম। পাশুপাত সম্প্ৰদায়ৰ পবিত্ৰ গ্ৰন্থ এখন ষষ্ঠ শতিকাৰ পূৰ্বেই ৰচিত হৈছিল। এই গ্ৰন্থখনক **আম্নায়** বোলা হৈছিল। কৌণ্ডিল্যই **পঞ্চাৰ্থভাষ্য** নামেৰে পাশুপত সূত্ৰৰ ভাষ্য প্ৰণয়ন কৰিছিল।

শৈৱধৰ্মৰ আন এটা বিশিষ্ট ৰূপ কাশ্মীৰত উদ্ভৱ হৈছিল। কাশ্মীৰীয় শৈৱধৰ্মৰ ইতিহাস অতি প্ৰাচীন। সংস্কৃত ভাষাত শৈৱধৰ্মৰ বহুতো গ্ৰন্থ নিৰ্মিত হৈছে। অতি প্ৰাচীনৰূপে স্বীকৃত **শিৱসূত্ৰ** অতি প্ৰামাণিক গ্ৰন্থ। স্বয়ং শিৱই নৱম-দশম শতিকাত বসুগুপ্তক নিজমুখে এই গ্ৰন্থৰ প্ৰতিপাদ্য সূত্ৰসমূহ কৈছিল

বুলি বিশ্বাস কৰা হয়। কাশ্মীৰৰ শৈৱধৰ্মক **'ত্ৰিক'** বোলা হয়, কিয়নো এই ধৰ্মত শিৱ, শক্তি আৰু নৰ এই তিনিটাকে সামৰি লোৱা হৈছে। **আগমশাস্ত্ৰ, স্পন্দশাস্ত্ৰ** আৰু **প্ৰত্যভিজ্ঞা** শাস্ত্ৰত কাশ্মীৰ শৈৱধৰ্মৰ ব্যাখ্যা দাঙি ধৰা হৈছে। কাশ্মীৰীয় শৈৱধৰ্মৰ তত্ত্ব সম্বলিত অতি উল্লেখযোগ্য গ্ৰন্থখন হ'ল বাৰ খণ্ডত বিভাজিত অভিনৱগুপ্তৰ **তন্ত্ৰালোক**।

অভিনৱগুপ্তই অদ্বৈত ধৰ্মতত্ত্ব ব্যাখ্যা কৰি কাশ্মীৰৰ শৈৱধৰ্ম যে একেশ্বৰবাদৰ আধাৰত প্ৰতিষ্ঠিত তাক প্ৰতিপন্ন কৰিছে। ক্ষেমৰাজৰ শৈৱধৰ্ম সম্পৰ্কীয় ৰচনা বিপুল। ক্ষেমৰাজৰ প্ৰধান গ্ৰন্থ **শিৱসূত্ৰবিমৰ্ষিণী, প্ৰত্যাভিজ্ঞাহৃদয়** প্ৰভৃতিত প্ৰত্যভিজ্ঞা পদ্ধতিৰ ব্যাখ্যা উপস্থাপন কৰা হৈছে। দ্বাদশ শতিকাত মহেশ্বৰানন্দই **মহাৰ্থমঞ্জুৰী** আৰু **পৰিমল** নামৰ গ্ৰন্থ দুখনত প্ৰত্যভিজ্ঞা সম্প্ৰদায়ৰ মৌলিক তথ্য উদঘাটন কৰিছে।

বীৰশৈৱধৰ্ম বা লোকায়ত সম্প্ৰদায় ঃ আগমসমূহ হ'ল এই ধৰ্মৰ মূলাধাৰ। বীৰশৈৱধৰ্মৰ পাঁচজন আচাৰ্য (পঞ্চাচাৰ্য)। শিৱৰ পঞ্চমুখৰ পৰা উদ্ভৱ হৈছিল বুলি জনবিশ্বাস আছে। **সুপ্ৰভেদ** আৰু **স্বয়ম্ভুৱ** আগমত ইয়াৰ বিৱৰণ আছে। **মৃগেন্দ্ৰাপম** গ্ৰন্থত শিৱভক্তসকলে নিজৰ শৰীৰত শিৱলিঙ্গৰ প্ৰতীক ধাৰণ কৰাৰ বিষয়ে উল্লেখ আছে। আগম গ্ৰন্থৰ পূৰ্বে প্ৰণীত উপনিষদত বীৰশৈৱধৰ্ম সম্প্ৰদায়ৰ একেশ্বৰাবদ তত্ত্ব ব্যাখ্যা কৰা হৈছে। তেওঁলোকৰ মতে শিৱেই সৃষ্টি কৰ্তা একমেৱ অদ্বিতীয়ম্। আনন্দগিৰিৰ **শংকৰবিজয়** গ্ৰন্থত বীৰশৈৱসকলে লিঙ্গৰ প্ৰতীক শৰীৰত ধাৰণ কৰাৰ উল্লেখ আছে। হৰিভদ্ৰৰ **ষড়দৰ্শন সমুচ্চয়** গ্ৰন্থত বীৰশৈৱসকলে লিঙ্গৰ প্ৰতীক ধাৰণ কৰে বুলি নিশ্চিত কৰিছে। ত্ৰয়োদশ শকিতাক ৰেণুকাচাৰ্যই লিখা **সিদ্ধান্তশিক্ষামণি** বীৰশৈৱ সম্প্ৰদায়ৰ অতি প্ৰামাণিক মূল্যবান গ্ৰন্থ। এই গ্ৰন্থত শিৱাদ্বৈতবাদ বীৰশৈৱ-ধৰ্মতত্ত্ব বিচাৰ কৰা হৈছে।

এই গ্ৰন্থত ষট্‌চক্ৰ অতিক্ৰম কৰি আত্মাৰ মিলন শিৱলিঙ্গৰ লগত কেনেকৈ ঘটে তাৰ সূক্ষ্ম বিশ্লেষণ দাঙি ধৰা হৈছে। **অল্লাম প্ৰভুৱে** তেওঁৰ শিষ্য **বাসৱৰ** সৈতে হোৱা কথোপকথনৰ মাজেৰে বীৰশৈৱধৰ্মৰ বৈশিষ্ট্যসমূহ প্ৰকাশ কৰি দ্বাদশ শকিতাত এই সম্প্ৰদায়লৈ সঞ্জীৱনী শক্তি ঘূৰাই আনে। বাসৱৰ মুখনিসৃত বাণীৰে তেওঁ বীৰশৈৱসকলক অনুপ্ৰেৰণা যোগাইছিল। বাসৱৰ অনুগামী মায়িদেৱৰ **অনুভৱসূত্ৰ** গ্ৰন্থত বীৰশৈৱ সম্প্ৰদায়ৰ বৈশিষ্ট্য বিচাৰ কৰা হৈছে। **বাতুলোত্তৰ তন্ত্ৰ** আৰু **শিৱসিদ্ধান্ত তন্ত্ৰৰ** ভিতৰত উক্ত

গ্ৰন্থখন অন্তৰ্ভুক্ত কৰা হৈছে। **অনুভৱসূত্ৰ** গ্ৰন্থখনত **গুৰুপৰম্পৰা, স্থূল, লিঙ্গস্থূল, অঙ্গস্থূল, লিঙ্গ সংযোগ বিধি, লিঙ্গপানসদভাৱ, সৰ্বাঙ্গলিঙ্গ** সাহিত্য আৰু **ক্ৰিয়া-বিশ্ৰান্তিৰ** বিশদ আলোচনা আছে। ইয়াত লিঙ্গ আৰু অঙ্গৰ কোনো ভেদাভেদ নাই— এই তত্ত্ব নিৰ্ণয় কৰা হৈছে। বীৰশৈৱ সম্প্ৰদায়ৰ বহু গ্ৰন্থত শিৱ আৰু জীৱৰ অভেদত্ব প্ৰতিপন্ন কৰা হৈছে। **লিঙ্গধাৰণচন্দ্ৰিকা** নামৰ গ্ৰন্থত নন্দিকেশ্বৰে বেদ, আগম আৰু উপনিষদৰ সংমিশ্ৰণ আৰু সমন্বয় সাধন কৰি লিংগায়ত সম্প্ৰদায়ৰ বিশেষত্ব ব্যাখ্যা কৰিছে। প্ৰভু লিঙ্গলীলা নামৰ গ্ৰন্থৰ ২৫টা অধ্যায়ত **আল্লাম প্ৰভুৰ** আৱিৰ্ভাৱ সম্পৰ্কে বিস্তৃত বিৱৰণ আৰু বীৰশৈৱসকলৰ আচৰণীয় বিধি ব্যৱস্থা সন্নিৱিষ্ট কৰা হৈছে।

দাক্ষিণাত্যৰ শৈৱধৰ্ম বা শৈৱ সিদ্ধান্ত ঃ প্ৰথমতে শৈৱ সিদ্ধান্ত শব্দটো তিৰুমূলাৰে পঞ্চম শতিকাতে দাক্ষিণাত্যৰ শৈৱধৰ্ম বুজাবলৈ প্ৰয়োগ কৰিছিল। এই শৈৱধৰ্মৰ মূল হৈছে বেদ আৰু আগম। ব্ৰহ্মসূত্ৰৰ ভাষ্যকাৰ শ্ৰীকণ্ঠই উদাত্তকণ্ঠে ঘোষণা কৰিছিল যে বেদ আৰু আগমৰ কোনো পাৰ্থক্য নাই। পঞ্চম শতিকাতে তিৰুমূলাৰে তামিলত ৰচিত **তিৰুমন্তিৰম্** গ্ৰন্থৰ ২৩৯৭ শ্লোকত কৈছে, 'বেদ আৰু আগম স্বয়ং ভগৱানৰ মুখনিসৃত বাণী। বেদ হৈছে সাধাৰণ বাণী আৰু আগম হৈছে বিশেষ বাণী। কোনো কোনোৰ মতে দুয়োখনৰ শেষ লক্ষ্য বেলেগ বেলেগ। কিন্তু মহৎসকলৰ মানত দুয়োবিধেই সদৃশ, কোনো পাৰ্থক্য নাই।'

আৰুই নন্দিদেৱে শাস্ত্ৰবোৰক দুভাগত ভগাইছে। বেদ আৰু শিৱাগম, ইয়াৰে পূৰ্বৰ বিধ সৰ্বসাধাৰণ ক্ষেত্ৰত প্ৰযোজ্য, আনফালে আগম হৈছে যিসকলে ঈশ্বৰৰ অনুগ্ৰহ লাভৰ কাৰণে যোগ্য হৈ উঠিছে তেওঁলোকৰ কাৰণে উপযুক্ত। যুক্তিৰ আধাৰত আগমসমূহত সত্যৰ উপলব্ধি নিশ্চিত কৰা হৈছে। সেই কাৰণে এইবোৰক **সিদ্ধান্ত** বোলা হয়।

সিদ্ধান্তপদ্ধতিত ঈশ্বৰ, আত্মা বা উপাদান বা পদাৰ্থ চিৰবিদ্যমান অনন্ত। ঈশ্বৰ সচ্চিদানন্দ অৰ্থাৎ তেওঁ সৎ-চিৰবিদ্যমান-চিৎ অৰ্থাৎ চৈতন্যময় আৰু আনন্দ—অৰ্থাৎ আনন্দময়। আত্মা আৰু পদাৰ্থ ঈশ্বৰৰ দ্বাৰা নিয়ন্ত্ৰিত। আত্মাৰ সংখ্যা সীমাহীন সেই আত্মা তিনি ভাগত বিভক্ত—**সকল, প্ৰলয়াকল** আৰু **বিজ্ঞানকল**। এই তিনিটা ক্ৰমান্বয়ে আৰোহীক্ৰমত আধ্যাত্মিক মাৰ্গত উপনীত হোৱাত অৰ্থাৎ পৰমাত্মাৰ লগত মিলন হোৱাৰ সহায়ক হয়। প্ৰকৃতি বহুধা বৈশিষ্ট্যপূৰ্ণ। পঞ্চস্থূল মহাভূত ক্ষিতি, অপ্, তেজ, মৰুৎ, ব্যোম তথা সূক্ষ্ম—

এই উপাদানসহ শৰীৰ, মন, জ্ঞানৰ আয়ত্তীকৰণ, সকলো আত্মাৰ উৰ্দ্ধাৰোহণৰ কাৰণে প্ৰকৃতিৰ মাজতে আছে। আত্মা আৰু ঈশ্বৰ চেতন, কিন্তু উপাদান বা পদাৰ্থ অচেতন। ঈশ্বৰ আত্মা আৰু উপাদান (চৰাচৰ পদাৰ্থ) সকলোতে পৰিব্যাপ্ত। অৱশ্যে একে সময়তে ঈশ্বৰ কিন্তু উভয়ৰে জ্ঞানাতীত। শৈৱসকলৰ আত্মাৰ মুক্তিয়েই হ'ল মূল লক্ষ্য, তেওঁলোকৰ মতে শিৱসাযুজ্যা লাভ কৰি ভূমানন্দ লাভ কৰাতেই মুক্তি। শৰীৰ, জ্ঞান লাভৰ উপায়, অভিজ্ঞতাৰ লক্ষ্যীভূত বস্তুসহ সমগ্ৰ প্ৰকৃতিয়ে আত্মাক উৰ্ধ্বতৰ স্তৰলৈ লৈ গৈ সত্যত উপনীত হোৱাত সহায় কৰে। অৰ্থাৎ প্ৰকৃতিৰ গতি-প্ৰকৃতি নিৰীক্ষণ কৰে আৰু আত্মাৰ কৰ্মানুসাৰে যথাসময়ত যোগ্য স্থানত অধিষ্ঠিত কৰে। উপাদান বা পদাৰ্থৰ সৈতে আৰু ঈশ্বৰৰ সৈতে আত্মাৰ সম্পৰ্ক মৰ্যাদা বিদ্যমান হৈ থাকে। পৰমেশ্বৰে নিৰৱচ্ছিন্নভাৱে তেওঁৰ সৃষ্টিৰ পাঞ্চভৌতিক, সৃষ্টি, স্থিতি, সংহাৰ, তিৰোভাৱ চৈতন্যযুক্ত আৰু অনুগ্ৰহ শক্তিৰ সহায়ত সম্পন্ন কৰি আত্মাক প্ৰকৃতিৰ বন্ধনৰ পৰা মুক্ত কৰিবলৈ প্ৰয়াস কৰি থাকে। আত্মাই শ্ৰেয়ম্ অৰ্থাৎ পৰমাৰ্থ লাভৰ অৰ্থে অথবা প্ৰেয়স্ অৰ্থাৎ পাৰ্থিৱ সুখ সম্ভোগ লাভৰ কাৰণে চেষ্টা কৰিব। প্ৰত্যেক আত্মাকে নিজৰ সামৰ্থ্য অনুসাৰে চৰম লক্ষ্যত উপনীত হোৱাৰ পন্থা বেদ আৰু আগমত যথাযথভাৱে নিৰ্দিষ্ট কৰা আছে। শৈৱ সিদ্ধান্তত আগমত উল্লেখ কৰা মত অনুসৰি চাৰিটা মাৰ্গ নিৰ্দিষ্ট কৰা আছে। সেইকেইটা হ'ল— (১) চৰ্য্যা (সেৱা), (২) ক্ৰিয়া (ধৰ্মাচাৰ-অনুষ্ঠানদিৰ কাৰ্য্য), (৩) যোগ (ধ্যান) আৰু (৪) জ্ঞান— আত্মাৰ উৰ্দ্ধগতিৰ অৰ্থে এই চাৰিটা মাৰ্গ প্ৰদৰ্শন কৰা হৈছে। প্ৰকৃতি যিহেতু নিষ্ক্ৰিয় সেইকাৰণে ঈশ্বৰেহে প্ৰকৃতিক সক্ৰিয় কৰিব পাৰে আৰু প্ৰকৃতিক নিজ ইচ্ছানুসাৰে ধ্বংসও কৰিব পাৰে। এই কাৰ্য্য-প্ৰক্ৰিয়া কল্পে কল্পে চলি থাকে আৰু আত্মাইও জন্মান্তৰৰ মাজেৰে মুক্তিৰ পথত আগবাঢ়ে। প্ৰত্যেক কল্পতে প্ৰকৃতিৰ বুকুত আত্মাক বিশ্ৰাম দিয়া হয় যাতে পুনঃ পুনঃ শক্তি লাভ কৰি মুক্তিৰ পথত অগ্ৰগতি কৰিব পাৰে। **শতৰত্নসংগ্ৰহ** নামৰ গ্ৰন্থত আগমসমূহৰ পৰা এশটা সূত্ৰৰ মাধ্যমেৰে শৈৱসিদ্ধান্তৰ মূল বিষয়বস্তু নিৰ্দিষ্ট কৰা হৈছে।

পতি (ঈশ্বৰ), পশু (আত্মা) আৰু পাশৰ (উপাদান বা পদাৰ্থ) সম্পৰ্ক এই গ্ৰন্থখনত অতি যথাৰ্থভাৱে বিশ্লেষণ কৰা হৈছে। ঈশ্বৰৰ অনুগ্ৰহ শক্তি ব্যতিৰেকে আত্মাৰ মুক্তি সম্ভৱ নহয়— এইয়েই প্ৰতিপাদ্য বিষয়। শিৱসাযুজ্য লাভ কৰিবলৈ হ'লে আত্মাই '**কেৱল**', '**সকল**' আৰু '**অমল**' স্তৰৰ মাজেৰে

অতিক্ৰম কৰিব লাগিব। আনৰ মল এনে এটা বস্তু যাৰ আৰম্ভ নাই কিন্তু ইয়াৰ সংখ্যাতীত শক্তি সহস্ৰ সহস্ৰ আত্মাৰ লগত সম্পৃক্ত হৈ আছে। আনৰ মলৰপৰা শক্তিসমূহ আত্মাই (জীৱাত্মা) মুক্তি লাভ কৰাৰ লগে লগে ধ্বংস হৈ যায়; একমাত্ৰ মল হে চিৰবিদ্যমান হৈ থাকে।

বেদ আৰু আগমৰ বাহিৰেও উপনিষদ আৰু শৈৱ পুৰাণবোৰৰ প্ৰভাবো দাক্ষিণাত্যৰ শৈৱ ধৰ্মত পৰিছে। তামিল ভাষাত ৰচিত বহুতো মূল্যবান গ্ৰন্থত দাক্ষিণাত্যৰ শৈৱধৰ্মৰ বিষয়ে বহুতো তথ্য আৰু তত্ত্ব নিহিত হৈ আছে।

তন্ত্ৰশাস্ত্ৰ ঃ

হিন্দু ধৰ্মত তন্ত্ৰৰ প্ৰাধান্য কেতিয়া আৰম্ভ হ'ল সেইটো নিশ্চিতভাৱে নিৰ্ণয় হোৱা নাই। কোনো কোনো সমালোচকে মন্তব্য আগবঢ়াই কয় যে বৈদিক যুগৰ যাগ-যজ্ঞ কৰ্মাদিৰ প্ৰভাৱ কলিযুগত হ্ৰাস পাবলৈ ধৰাত উপাসকসকলে তন্ত্ৰ নামৰ এক শ্ৰেণীৰ গ্ৰন্থ প্ৰণয়ন কৰি তান্ত্ৰিক উপাসনাৰ মাধ্যমেৰে চৰম সত্যত উপনীত হোৱাৰ কল্পনা কাৰ্য্যত পৰিণত কৰিবলৈ তান্ত্ৰিক ক্ৰিয়াৰ প্ৰচলন কৰে। আন কথাত তন্ত্ৰই বেদৰ স্থান দখল কৰিবলৈ অগ্ৰসৰ হৈছিল। কিন্তু তন্ত্ৰৰো কিছুমান সীমাবদ্ধতা আছিল। তন্ত্ৰশাস্ত্ৰবোৰত সাধকসকলক দীক্ষিত কৰাৰ ক্ষেত্ৰত কিছুমান কঠোৰ বিধি অৱলম্বন কৰিছিল। এই প্ৰসঙ্গত আমি মনত ৰখা উচিত যে তন্ত্ৰ আৰু আগম শাস্ত্ৰৰ সম্পৰ্ক অতি নিবিড়। কালিকাগমত তন্ত্ৰৰ সংজ্ঞা নিৰূপন কৰি লিখিছে—

তনোতি বিপুলান্ অৰ্থান্ তন্ত্ৰমন্ত্ৰসমাশ্ৰিতান্।
ত্ৰাণাঞ্চ কুৰুতে যস্মাৎ তন্ত্ৰমিত্যভিধীয়তে।।

হিহেতুকে সত্যৰ বহুধা অৰ্থ ই প্ৰকাশিত কৰে আৰু ধৰ্মৰ তত্ত্ব কিছুমান সূত্ৰৰদ্বাৰা অৱগত কৰায় আৰু যিহেতুকে ই নিজ গুণেৰে মুক্তিৰ পথ নিৰ্দেশ কৰে সেই কাৰণেই ইয়াক তন্ত্ৰ বোলা হয়।

তন্ত্ৰই কিছুমান গুপ্ত আৰু ৰহস্যময় আচৰণৰ শিক্ষা দিয়ে। হিন্দু ধৰ্মৰ প্ৰচলিত মূল ধৰ্মীয় মত আৰু নীতিৰ লগত তন্ত্ৰৰ পাৰ্থক নাই বুলিলেই হয়। কিন্তু তান্ত্ৰিকসকলে পূজা পদ্ধতিত ব্যৱহাৰ কৰা মন্ত্ৰ, বীজমন্ত্ৰ, যন্ত্ৰ ন্যাস, মুদ্ৰা, মণ্ডল, যাগ, যোগ, উপাসনা আৰু যাত্ৰা আদি ক্ৰিয়াসমূহৰ বিশেষত্ব আছে।

পূজাৰ বিভিন্ন বিধি ব্যৱস্থা আৰু উৎসৱমুখৰ আনুষ্ঠানিকতা তন্ত্ৰৰ এক

বিশেষত্ব। আনফালে মন্দিৰ নিৰ্মাণ, মূৰ্তি নিৰ্মাণ আদিও তন্ত্ৰৰ অন্তৰ্ভুক্ত বিষয়। বিশেষ বিশেষ সম্প্ৰদায়ৰ মাজত গঢ় লৈ উঠা উপনিষদ কিছুমানত তন্ত্ৰৰ মূল তত্ত্ব নিহিত আছে। পুৰাণ কিছুমানতো তন্ত্ৰৰ প্ৰভাৱ মনকৰিবলীয়া। তন্ত্ৰ শাস্ত্ৰবোৰৰ নিৰ্মাতা কোন সেই বিষয়ে একো জনা নাযায়। অজ্ঞাত লেখকৰ তন্ত্ৰসমূহৰ চাৰিটা প্ৰধান অঙ্গ বা পাদ চকুত পৰে। পাদবোৰত (১) **বিদ্যা বা জ্ঞান**, (২) **ক্ৰিয়া** (তান্ত্ৰিকসকলে কৰা আচৰণমূলক কাৰ্য্য), (৩) **চৰ্য্যা** (ব্যক্তিগত তথা সামাজিকভাৱে কৰা আচাৰব্যৱহাৰ) আৰু (৪) **যোগ** (কায়িক আৰু মানসিক শৃঙ্খলা) — আদি বিধি ব্যৱস্থাবোৰ সন্নিবিষ্ট হৈ আছে।

তন্ত্ৰবোৰ সাধাৰণতে সম্প্ৰদায়গত বিধি ব্যৱস্থা পৰিপূৰ্ণ। সাধাৰণতে তন্ত্ৰ শৈৱ, বৈষ্ণৱ আৰু শাক্ত সম্প্ৰদায়ৰ লগত জড়িত। শৈৱ সম্প্ৰদায়ৰ তন্ত্ৰবোৰ **আগম** নামেৰে পৰিচিত; বৈষ্ণৱ সম্প্ৰদায়বোৰ **সংহিতা** আৰু শাক্ত সম্প্ৰদায়ৰবোৰ **তন্ত্ৰ** নামেৰে অভিহিত। এই তিনিটা সম্প্ৰদায়ৰ গ্ৰন্থক যথাক্ৰমে **আগম, সংহিতা** আৰু **তন্ত্ৰ** বোলা হয়। আগমসমূহ বহুতো পণ্ডিতে কাশ্মীৰতে উদ্ভৱ হোৱা বুলি অনুমান কৰে; কিন্তু দাক্ষিণাত্যৰ শৈৱ ধৰ্মীসকলে দাক্ষিণাত্যতে আগমসমূহৰ উদ্ভৱ হোৱা বুলি মত প্ৰকাশ কৰিছে। ইতিপূৰ্বে দাক্ষিণাত্যৰ আগমৰ বিষয়ে আলোচনা কৰা হৈছে। সংহিতাসমূহ ভাৰতৰ বিভিন্ন স্থানত আৰু তন্ত্ৰশাস্ত্ৰসমূহ প্ৰাচীন কামৰূপত ৰচিত হোৱা বুলি জনা যায়; অৱশ্যে পুৰণি বঙ্গদেশতো তন্ত্ৰ ৰচিত হোৱা বুলি উল্লেখ আছে।

পঞ্চৰাত্ৰ সম্প্ৰদায় ঃ

বৈষ্ণৱ তান্ত্ৰিক সম্প্ৰদায় পঞ্চৰাত্ৰ সম্প্ৰদায় বুলি জনাজাত। স্বয়ং নাৰায়ণে পাঁচ ৰাতিত পাঁচটা উপদেশ যথাক্ৰমে শিৱ, ব্ৰহ্মা, ইন্দ্ৰ, ঋষি আৰু বহস্পতিক প্ৰদান কৰিছিল। পৰম্পৰাগতভাৱে পঞ্চৰাত্ৰ সম্প্ৰদায়ৰ সংহিতাৰ সংখ্যা ১০৮; অৱশ্যে কিছুমানে এই সংখ্যা ২১৫; আৰু এনেকি ২৯০ বুলি অভিমত প্ৰকাশ কৰে। পঞ্চৰাত্ৰ সম্প্ৰদায়ৰ ১৫ নিযুত শ্লোক গ্ৰন্থসমূহত থকা বুলি জনা যায়।

বৈখানস সম্প্ৰদায় ঃ

পঞ্চৰাত্ৰ সম্প্ৰদায়ৰ বাহিৰেও বৈষ্ণৱ তান্ত্ৰিক সম্প্ৰদায় এটি আছে। এই সম্প্ৰদায়টোক বৈখানস সম্প্ৰদায় বুলি জনা যায়। দাক্ষিণাত্যৰ বিষ্ণু

মন্দিৰ, উৰিষ্যা আৰু ৰাজস্থানৰ বিষ্ণু মন্দিৰত পঞ্চৰাত্ৰ বা বৈখানস পদ্ধতিৰে পূজা কৰা হয়।

তন্ত্ৰগ্ৰন্থবোৰৰ উদ্ভৱ আৰু বিকাশ সম্পৰ্কে সঠিক সিদ্ধান্তত উপনীত হোৱা নাই। বহুতো পণ্ডিতে ৬৪ খন তন্ত্ৰ গ্ৰন্থৰ উল্লেখ কৰিছে যদিও আৰু বহুতো তন্ত্ৰ গ্ৰন্থ থকা বুলি হৰপ্ৰসাদ শাস্ত্ৰীয়ে অভিমত প্ৰকাশ কৰিছে। শাক্ত সম্প্ৰদায়ৰ তন্ত্ৰ বহু শাখাত বিভক্ত। **কাডীমাতা, হাডীমাতা, কাহাডী মাতা, কৌলমাতা** ইত্যাদি শাখাবোৰ শাক্ত ধৰ্মত প্ৰচলিত আছে। আকৌ এই দেৱীসকলৰ উপাসনাৰ পদ্ধতিও বেলেগ বেলেগ। উপাসনাৰ পদ্ধতি কিছুমান আচাৰৰ ওপৰত প্ৰতিষ্ঠিত। **দক্ষিণাচাৰ, বামাচাৰ, দিব্যাচাৰ, বীৰাচাৰ, পশ্বাচাৰ, কুলাচাৰ, সময়াচাৰ, চিনাচাৰ** ইত্যাদি বিভিন্ন বিধি প্ৰচলিত হৈ আহিছে। এই বিভিন্ন আচাৰ সম্পৰ্কে লিখা গ্ৰন্থৰ সংখ্যা বহুতো। শাক্তধৰ্মত ভিন ভিন দেৱীৰ পূজা পদ্ধতি বেলেগ হোৱা কাৰণে তান্ত্ৰিক গ্ৰন্থৰ সংখ্যা বাঢ়িছে। ইয়াৰে ভিতৰত দশমহাবিদ্যাৰ বিষয়ে লিখা পুথিবোৰ প্ৰধানভাৱে উল্লেখযোগ্য। এই দশমহাবিদ্যা হ'ল—

কালীতাৰা মহাবিদ্যা ষোড়শী ভৱনেশ্বৰী
ভৈৰৱী ছিন্নমস্তা চ বিদ্যা ধূমাৱতী তথা।
এতাঃ দশাঃ মহাবিদ্যাঃ সিদ্ধবিদ্যাঃ প্ৰকীৰ্তিতাঃ

উক্ত দহ গৰাকী দেৱীৰ পূজাপদ্ধতি সম্পৰ্কে নানা গ্ৰন্থ ৰচিত হৈছে। তন্ত্ৰ গ্ৰন্থৰ তালিকা বৰ দীঘলীয়া। সেইবোৰ ইয়াত উল্লেখ কৰাটো সম্ভৱ নহ'ল।

তন্ত্ৰত সাধাৰণতে পঞ্চতত্ত্ব ব্যাখ্যা নিৰ্দিষ্ট কৰা দেখা যায়। **মহানিৰ্বাণ তন্ত্ৰত** আছে— **পঞ্চতত্ত্ব, পঞ্চমকাৰ- মৎস্য, মুদ্ৰা মদ্য, মাংস, মৈথুন** ইত্যাদিৰ ব্যাখ্যা। চক্ৰপূজা আৰু শক্তিৰ প্ৰতীক ধৰ্মী ধ্যান তন্ত্ৰৰ অন্য বৈশিষ্ট্য। পঞ্চমকাৰৰ বিস্তৰ ব্যাখ্যাৰ প্ৰয়োজন আছে; ইয়াৰ লগত আধ্যাত্মিক তত্ত্ব নিহিত হৈ আছে।

কৌল সম্প্ৰদায় ঃ

তন্ত্ৰৰ ভিতৰতে এটা কৌল সম্প্ৰদায় আছে। কৌল সম্প্ৰদায়ক বৈদিকসকলে শ্ৰদ্ধাৰ চকুৰে নাচায়, কিয়নো এই সম্প্ৰদায়ত কিছুমান অবৈদিক

আৰু অশালীন আচাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। এই সম্প্ৰদায়ৰ অতি উচ্চ আধ্যাত্মিক স্তৰৰ গ্ৰন্থ হ'ল **কুলাৰ্ণৱ, কুলাচূড়ামণি, কুল গহ্বৰ, কুলদীপিনী, কুলপঞ্চাশিকা, কুল প্ৰকাশ, কুলমাতা, কুলকমলা, কুলতত্ত্বসাৰ, কুলামৃত, কুলৰত্নমালা, কুলৰত্নমাতৃকা, কুলপ্ৰদীপ, ৰুদ্ৰযামল, দেৱীযামল** ইত্যাদি। এই খিনিতে এটা প্ৰণিধানযোগ্য বিষয় এই যে বিভিন্ন তন্ত্ৰত উল্লিখিত দশমহাবিদ্যাৰ বাহিৰে আৰু বহু দেৱীৰ নাম উল্লেখ কৰা হৈছে আৰু সেইসকল দেৱীৰ পূজা ভাৰতৰ নানা স্থানত প্ৰচলিত হৈ আহিছে। উদাহৰণস্বৰূপে **মালিনীবিজয় তন্ত্ৰত মহা দুৰ্গা, অন্নপূৰ্ণা, বাগ্‌ৱাদিনী প্ৰতাঙ্গিৰা, ত্বৰিতা, নীলা, বচলা** আদি দেৱীৰ উপস্যতাৰ বিষয়ে বৰ্ণনা কৰা হৈছে। 'তন্ত্ৰকৌমুদী তন্ত্ৰত ২৭ গৰাকী দেৱীৰ পূজা অৰ্চনাৰ বিষয়ে বিৱৰণ আছে। **মহিষমৰ্দিনী, ত্ৰিপুটা, মহামায়া, ভৈৰণ্ডা, চামুণ্ডা, শূলিনী, কাত্যায়নী** ইত্যাদি দেৱীৰ বিভিন্ন ৰূপৰ বৰ্ণনা **তন্ত্ৰকৌমুদী**ত দিয়া হৈছে। **মায়াতন্ত্ৰ, কালীবিলাস তন্ত্ৰ, ৰুদ্ৰযামল, মৎস্যসূক্ত** আদিত দুৰ্গাৰ উপাসনাৰ বিৱৰণ আছে। মায়াতন্ত্ৰত জগদ্ধাত্ৰী নামেৰে দুৰ্গাৰো অন্য এক ৰূপৰ বিৱৰণ আছে। দেৱী দুৰ্গাৰ ৯ টা ভিন্ন ভিন্ন ৰূপৰ বিষয়েও পোৱা যায়। **কালী, কত্যায়নী ঈশানী, মুণ্ডমৰ্দিনী, চামুণ্ডা, ভদ্ৰকালী, ভদ্ৰা, ত্বৰিতা** আৰু **বৈষ্ণৱী**— এই নৱ দুৰ্গাৰ নটা ৰূপ বৰ্ণিত আছে। **মাৰ্কণ্ডেয়পুৰাণ**তো নৱ দুৰ্গাৰ বৰ্ণনা আছে এইদৰে—

প্ৰথমং শৈলীপুত্ৰীতি দ্বিতীয়ং ব্ৰহ্মচাৰিণী।
তৃতীয়ং চন্দ্ৰঘণ্টেতি কুষ্মাণ্ডেতি চতুৰ্থকম্।।
পঞ্চমং স্কন্দমাতেতি ষষ্ঠং কাত্যায়নী তথা।
সপ্তমং কালৰাত্ৰীতি মহাগৌৰীতি চাষ্টমম্।
উক্তান্যেতানি নামানি ব্ৰহ্মণৈৱ মহাত্মনা।।

কাশীত নগৰাকী দেৱীৰ উপাসনাৰ্থে বেলেগ বেলেগকৈ নৱদুৰ্গা মন্দিৰ এতিয়াও আছে।

কালক্ৰমত দেৱীৰ বেলেগ বেলেগ ৰূপ আৰু ঐশ্বৰ্য্য বৰ্ণনাক লৈ তন্ত্ৰগ্ৰন্থ ৰচিত হৈছে। **মুণ্ডমালা তন্ত্ৰ**ত দেৱীৰ একশ নাম আছে। পঞ্চদশ শতিকাত **প্ৰণীত তন্ত্ৰকমুচ্চয়** গ্ৰন্থখন বহুকেইখন তন্ত্ৰৰ সংগ্ৰহ গ্ৰন্থ। শঙ্কৰাচাৰ্য্যৰ **প্ৰপঞ্চসাৰ তন্ত্ৰ**ত শিৱ আৰু শক্তিৰ আৰাধনাৰ বাহিৰেও বিষ্ণু আৰু বিষ্ণুৰ অৱতাৰসমূহৰ বিৱৰণ সন্নিবিষ্ট হৈছে। **মহানিৰ্বাণ তন্ত্ৰ, যোগিনীতন্ত্ৰ, কালিকাপুৰাণ**

আদি শক্তি উপাসনাৰ অতি প্ৰামাণিক গ্ৰন্থ। ব্ৰহ্ম আৰু শক্তি যে একেই তাক তন্ত্ৰত প্ৰতিপন্ন কৰা হৈছে। তেঁৱেই ব্ৰহ্মা, তেঁৱেই বিষ্ণু আৰু তেঁৱেই শিৱ। জ্ঞানাৰ্ণৱতন্ত্ৰত দেৱীৰ কুমাৰী ৰূপৰ বৰ্ণনা প্ৰসঙ্গত কোৱা হৈছে কুমাৰীসকলক পূজা কৰিলেই দেৱী পূজাৰ সমান ফল লাভ হয়।

দেৱীৰ মাহাত্ম্য প্ৰকাশক গ্ৰন্থ কামৰূপত বহুতো ৰচিত হৈছিল যে তাত সন্দেহ নাই। কিয়নো স্থাপত্য ভাস্কৰ্য্যৰ যিবোৰ নিদৰ্শন এই পৰ্য্যন্ত আবিষ্কৃত হৈছে সেইবোৰে প্ৰমাণ কৰে যে কামৰূপত দেৱী বা শক্তিৰ পূজা তান্ত্ৰিক পদ্ধতিত অন্ততঃ দুহেজাৰ বছৰ কাল চলি আছে। নীলাচল পৰ্বতত অৱস্থিত কামাখ্যা মন্দিৰেই তাৰ উৎকৃষ্ট নিদৰ্শন। 'অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে।' বোলা উক্তিয়ে তাৰ প্ৰমাণ। প্ৰাচীন কামৰূপ ৰাজ্যত শক্তিপূজা সম্পৰ্কে লিখিবলৈ গলে এক বৃহৎ আকাৰৰ গ্ৰন্থ হ'ব। গতিকে সেইবিষয়ে ইয়াত আলোচনা কৰা নাই।

শেষত এটি প্ৰণিধানযোগ্য দিশৰ প্ৰতি দৃষ্টিপাত কৰি কব পাৰি যে সমগ্ৰ তন্ত্ৰৰ মূল উদ্দেশ্য হৈছে আত্মাৰ মুক্তি লাভৰ উপায় নিৰ্দেশ কৰা। শৈৱ, শাক্ত, বৈষ্ণৱ আদি নানা ভাবৰ সমন্বয় সাধন কৰি 'সোঽহম্' এই চৰম সত্যত উপনীত হোৱাটোৱে তন্ত্ৰৰ লক্ষ্য। এই প্ৰসঙ্গত লালন প্ৰসাদ সিঙৰ এষাৰ কথা উল্লেখযোগ্য তেওঁ লিখিছে—

In our view Tantra is an integral Yoga and is an intuitive science. The Sakta, Vaisnava and Saiva Tantra constitute an organic whole. They are complementary to each other. There is no hostility between them. They cannot be isolated from each other. Each presents a phase of the ascent of the human consciousness. Each represents a phase of spiritual life. One cannot be divorced from the other. The Sakta, Vaisnava and Saiva should be regarded as following one another in spiritual prayers and perfection. –(**Tantra, Its Myotic and Scientific Basis**– L.P. Sing P.128.)

গাণপত্য ধৰ্ম ঃ

পুৰাণসমূহৰ বৰ্ণিত দেৱদেৱীসকলৰ ভিতৰত গণপতি বা গণেশ সৰ্বপূজ্যআৰু সৰ্বাগ্ৰ পূজনীয় দেৱতাৰূপে পৰিগণিত। ভাৰতবৰ্ষৰ আকুমাৰিকা

হিমালয় পৰ্য্যন্ত বিভিন্ন নামেৰে গণেশৰ পূজ-উপাসনা কৰা হয়। **সিদ্ধিদাতা, বিনায়ক, হেৰম্ব, গণেশ্বৰ, গণপতি, গণনায়ক** আদি গণেশৰ বিভিন্ন নামেৰে গণেশৰ পূজা কৰা দেখা যায়। ভাৰতৰ বাহিৰেও তিব্বত, চীন, জাপান, ম্যানমাৰ, কাম্বোডিয়া আদি দেশতো গণেশ দেৱতাৰ পূজা কৰা হয়।

বেদৰ সংহিতা ভাগত গণেশৰ কোনো উল্লেখ নাই। খ্ৰীষ্টপূৰ্ব কালতে নিৰ্মিত **মানৱগৃহ্যসূত্ৰত** গণেশৰ বিনায়ক নামেৰে চাৰিটা বিশেষত্বৰ বিৱৰণ পোৱা যায় আৰু তেওঁলোকক উপাসনা কৰা পদ্ধতিৰো বৰ্ণনা পোৱা যায়। ষষ্ঠ শতিকাত ৰচিত **যাজ্ঞবল্ক্য স্মৃতিত** গণেশৰ পূজাপদ্ধতিৰ উল্লেখ আছে। কিন্তু দুইখনৰ বিৱৰণত কিছু পাৰ্থক্য আছে— বোধহয় বহু কালৰ ব্যৱধানৰ ফলত এই পাৰ্থক্য ঘটিছে। যাজ্ঞবলক্য স্মৃতিত গণেশৰ ৰূপ ছয়টা আনফালে গৃহ্যসূত্ৰখনত চাৰটা বুলি উল্লেখ আছে। যাজ্ঞবলক্য স্মৃতিত গণেশক অম্বিকাৰ পুত্ৰ বোলা হৈছে। পৰম্পৰা অনুসৰি গণেশক শিৱ-পাৰ্বতীৰ পুত্ৰ বুলি উপাসনা কৰা হয়। ৰুদ্ৰ আৰু ব্ৰহ্মাই গণেশক গণসকলৰ নেতা পাতিছিল। **বৌধায়ন গৃহ্যসূত্ৰতো** গণেশৰ উপাসনাৰ প্ৰয়োজনীয়তাৰ বিবৰণ আছে। **নাৰায়ণ উপনিষদত** গণপতি গায়ত্ৰী মন্ত্ৰেৰে গণেশক বক্ৰতুণ্ড আৰু দন্তী নামেৰে উপাসনা কৰাৰ বিবৃতি আছে। **গণপতিতপনীয় উপনিষদত** গণেশক পৰমব্ৰহ্ম বুলি অভিহিত কৰা হৈছে। **অথৰ্ব শিৰস** উপনিষদত বিনায়কক ৰুদ্ৰ বোলা হৈছে। ৰামায়ণ আৰু মহাভাৰতত গণেশৰ উপাস্যতাৰ বিৱৰণ নাই। কিংবদন্তী অনুসৰি গণেশে ব্যাসদেৱৰ পৰা শ্ৰুতলিপি লৈ মহাভাৰত লিখিছিল। অৱশ্যে উত্তৰ আৰু দক্ষিণ ভাৰতৰ মহাভাৰতৰ পাঠত গণেশ আৰু গণেশ্বৰ শব্দ দুটাৰে শিৱক বুজোৱা হৈছে। পণ্ডিত আৰ. জি. ভাণ্ডাৰকাৰে গণেশৰ আৰু বিনায়ক মানুহৰ সমগ্ৰ কাৰ্য্যাৱলীৰ সাক্ষীৰূপে দেৱত্বৰ আসনত অধিষ্ঠিত দেৱতা বুলি মহাভাৰতৰ অনুশাসন পৰ্বত থকা কথাটো উল্লেখ কৰিছে।

পুৰাণৰ যুগত গণেশ অতি জনপ্ৰিয় দেৱতাৰূপে পৰিগণিত হৈছে। **পদ্মপুৰাণৰ** সৃষ্টিখণ্ডত ৬১-৬৩ অধ্যায়ত গণেশক **গণেশ সম্প্ৰদায়ৰ** বা **গাণপত্য সম্প্ৰদায়ৰ** প্ৰধান দেৱতাৰূপে অধিষ্ঠিত কৰা হৈছে। **ব্ৰহ্মবৈবৰ্ত্তপুৰাণৰ গণেশ খণ্ডত** হাতীৰ মূৰটো গণেশৰ দেহত সংলগ্ন হোৱাৰ আখ্যান আছে। অতি কৌতূহলৰ বিষয় এইয়ে যে গণেশক শ্ৰীকৃষ্ণৰ অৱতাৰ বুলিও এই

পুৰাণত প্ৰতিপন্ন কৰা হৈছে। **গৰুড় আৰু অগ্নিপুৰাণত** গণেশৰ পূজা পদ্ধতি বিবৰণ, **লিঙ্গপুৰাণ, শিৱপুৰাণ** আৰু **বৰাহ পুৰাণত** গণেশৰ মাহাত্ম্য কীৰ্তন কৰা হৈছে। **গণেশপুৰাণত** গাণপত্য সম্প্ৰদায়ৰ ধৰ্মতত্ত্ব আৰু উপাসনা পদ্ধতিৰ লগতে গণেশৰ সহস্ৰ নামৰ মাহাত্ম্যও বৰ্ণনা কৰা হৈছে। **ভাৰ্গৱ পুৰাণ** নামৰ উপ পুৰাণখনত গণেশৰ কাহিনী, তেওঁৰ ভক্তসকলৰ আৰু লগতে ভক্তসকলে পালন কৰিবলগীয়া ব্ৰতৰ বৰ্ণনা সুন্দৰভাৱে আছে। **মুড়্গল পুৰাণত** গণেশক সৰ্বশ্ৰেষ্ঠ দেৱতা বুলি অভিহিত কৰা হৈছে। **তন্ত্ৰসাৰ, সাৰদাতিলকতন্ত্ৰ, ৰুদ্ৰযামল, মহানিৰ্বাণ তন্ত্ৰত** গণেশ উপাস্যতাৰ আৰু পূজা পদ্ধতিৰ বিষয়ে তাত্ত্বিক দিশ সন্নিবিষ্ট কৰা হৈছে। **গায়ত্ৰীতন্ত্ৰত** শিৱৰ মুখেৰে কোৱা সমগ্ৰ তন্ত্ৰ গণেশৰদ্বাৰা লিপিবদ্ধ কৰা বুলি উল্লেখ আছে। **গণেশসংহিতা** গাণপত্য সম্প্ৰদায়ৰ আন এখন আদৰণীয় গ্ৰন্থ। ভাৰতৰ সকলো ঠাইতে থকা গণেশ মন্দিৰ বোৰত গণেশৰ উদ্দেশ্য প্ৰণীত ধ্যান আৰু স্তোত্ৰ অলেখ পোৱা যায়। ইয়াৰ বহুতবিলাক স্তোত্ৰ পুৰাণ আৰু তন্ত্ৰৰ আধাৰত ৰচনা কৰা হৈছে।

নৱম শতিকাত আনন্দগিৰিৰ **শঙ্কৰবিজয়** গন্থত গাণপত্য সম্প্ৰদায়ৰ ছটা শাখাৰ উল্লেখ আছে যদিও সেইবোৰ বৰ্তমান প্ৰচলিত হৈ থকা নাই। কিন্তু ভাৰতবৰ্ষৰ সকলো পূজা পাৰ্বণত গণেশক প্ৰথমতে পূজা কৰাটো অৱশ্য কৰ্তব্য বুলি বিবেচনা কৰা হয় আৰু সেই কাৰণে প্ৰথমেই গণেশক স্তুতি-পূজা কৰা হয়। মহাৰাষ্ট্ৰত ভাদ মাহৰ শুক্লা গণেশ চতুৰ্থীত গণপতিৰ পূজাৰ আয়োজন অতি মনোমুগ্ধকৰ আৰু ভক্তসকলৰ উৎসাহ-উদ্দীপনা অতুলনীয়। উত্তৰপূৰ্বাঞ্চলত মাঘ মাহৰ শুক্লা চতুৰ্থীত গণেশ পূজা কৰা হয়।

সৌৰ সম্প্ৰদায় ঃ

সৌৰ সম্প্ৰদায়ৰ উপাস্য দেৱতা সূৰ্য্য। বৈদিক যুগত আৰ্য্য ঋষিসকলে সূৰ্য্যৰ উপাসনা নানাভাৱে কৰা দেখা যায়। ঋগ্‌বেদত দহটা সূক্ততে সূৰ্য্যৰ অমোঘ ক্ষমতা আৰু প্ৰাধান্য বৰ্ণনা কৰা হৈছে। সমগ্ৰ পাপৰাশিৰ নাশ কৰ্তা, মান-যশস্যা সম্পদৰ দাতা। সাতোটা ঘোঁৰাৰে টনা ৰথত উঠি বিশ্বব্ৰহ্মাণ্ড বিচৰণ কৰা দেৱতাৰূপে সূৰ্য্যক স্তুতি কৰা হৈছে। কোনো কোনো ঠাইত উষা দেৱীক তেওঁৰ ভাৰ্য্যা, কোনো কোনো ঠাইত মাতৃ আৰু কোনো কোনো ঠাইত চঞ্চলা যুৱতী হৈ সূৰ্য্যক লাভ কৰিবলৈ বা কৰাৰ উল্লেখ আছে। ঋগ্‌বেদৰ প্ৰথম মণ্ডলৰ ১১৫ সূক্তত সূৰ্য্যৰ মাহাত্ম্য আছে এইদৰে—

চিত্ৰং দেৱানামুদগাদনীকং চক্ষুৰ্মিত্ৰস্য ৱৰুণস্যাগ্নেঃ।
আপ্ৰা দ্যাৱাপৃথিৱী অন্তৰিক্ষৎ সূৰ্য্য আত্মা জগতস্তস্থুষশ্চ।।

—বিশিষ্ট তেজপুঞ্জৰূপ, মিত্ৰ, ৱৰুণ আৰু অগ্নিৰ চক্ষুস্বৰূপ সূৰ্য্য উদয় হৈছে, স্বৰ্গ-পৃথিৱী আৰু অন্তৰিক্ষ নিজস্ব আলোকেৰে পৰিপূৰ্ণ কৰিছে, সূৰ্য্য স্থাবৰ আৰু জঙ্গম সকলোৰে আত্মা।

আৰ্য্য ঋষিসকল যি গায়ত্ৰী মন্ত্ৰেৰে সূৰ্য্যক উপাসনা কৰিছিল সি সৰ্বজনবিদিত। **সূৰ্য্য উপনিষদ** নামৰ অৰ্বাচীন উপনিষদখনত সূৰ্য্যৰ সৰ্বময়ত্ব আৰু গায়ত্ৰী মন্ত্ৰৰ ব্যাখ্যা কৰা হৈছে আৰু ব্ৰহ্মতত্ত্ব জ্ঞানৰ বিষয়ে উপাসকসকলক উপদেশ দিয়া হৈছে।

ৰামায়ণ আৰু মহাভাৰতত সূৰ্যক এগৰাকী প্ৰধান দেৱতাৰূপে উপাসনা কৰাৰ উদাহৰণ আছে। ঋষি অগস্ত্যই ৰামক **আদিত্যহৃদয়স্তৱ** পাঠ কৰিববলৈ দিয়া কথা যুদ্ধকালত বাল্মীকিয়ে বৰ্ণনা কৰিছে। এই স্তৱত সূৰ্যক ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰো অধিষ্ঠাতা দেৱতাৰূপে বৰ্ণনা কৰা হৈছে। সূৰ্যৰ উপাসকসকলৰ উল্লেখ মহাভাৰতৰ বহু ঠাইত আছে। ঋষি ধৌম্য আৰু যুধিষ্ঠিৰে পাঠ কৰা দুটা সূৰ্য্য স্তৱ অতি প্ৰখ্যাত। যুধিষ্ঠিৰে পাঠ কৰা স্তৱত সূৰ্য্যক 'ব্ৰহ্মশাশ্বত' বুলি প্ৰাৰ্থনা কৰিছে। সূৰ্য্যক পৰমব্ৰহ্ম, সকলো দেৱতাৰ অধিপতি, সকলো প্ৰাণীৰ আত্মা, সকলোৰে জনক, সৰ্বলোকালোকৰ প্ৰকাশক স্বয়ম্ভূ আৰু অযোনিসম্ভৱ বুলি অভিহিত কৰা হৈছে। **ব্ৰহ্মপুৰাণ** আৰু **মাৰ্কণ্ডেয়পুৰানৰ** বহুকেইটা অধ্যায়ত সূৰ্যৰ মহত্ত্ব আৰু মাহাত্ম্য বৰ্ণনা কৰা হৈছে। **শ্ৰীমদ্ভাগৱত**পুৰাণতো সূৰ্য্যক বিষ্ণুৰ প্ৰকাশমান ৰূপ বোলা হৈছে। **বিষ্ণু, অগ্নি, কূৰ্ম, গৰুড়, ভৱিষ্য, মৎস্য** আৰু **স্কন্দ পুৰাণ**সমূহত সূৰ্য্যৰ মাহাত্ম্য আৰু সূৰ্য্য পূজাৰ বিৱৰণ বিদ্যমান। শাম্ভ নামৰ উপপুৰাণত মূলস্থানত (বৰ্তমানৰ মূলতান) সূৰ্য্য মন্দিৰ নিৰ্মাণ আৰু শাকদ্বীপৰ (বৰ্তমানৰ ইৰান) পৰা মাগী পুৰোহিত সূৰ্য্যৰ পূজাৰ কাৰণে আমন্ত্ৰণ কৰি অনা বুলি বৰ্ণনা কৰা হৈছে।

সম্মোহনতন্ত্ৰতো সৌৰ সম্প্ৰদায়ৰ বহুতো তন্ত্ৰৰ উল্লেখ পোৱা যায়। তন্ত্ৰসাৰ গ্ৰন্থত সৌৰ সম্প্ৰদায়ৰ সূৰ্য উপাসনাৰ পদ্ধতি উপস্থাপন কৰা হৈছে।

বাণৰ **হৰ্ষচৰিতত** (সপ্তম শতিকাত) হৰ্ষৰ পিতৃ প্ৰভাকৰ বৰ্ধন আৰু হৰ্ষ উভয়ে যে সূৰ্যোপাসক আছিল তাৰ বিৱৰণ আছে। হৰ্ষবৰ্ধনৰ তাম্ৰশাসনতো সূৰ্য্যৰ উল্লেখ মন কৰিবলগীয়া। সপ্তম শতকৰ ময়ূৰ কবিৰ **সূৰ্য্যশতকত** এশটা

অতি মনোৰম সূৰ্যস্তুতি সন্নিৱিষ্ট হৈছে। সৌৰসংহিতা নামৰ আন এখন গ্ৰন্থত সৌৰ সম্প্ৰদায়ৰ সূৰ্য্য উপাসনাৰ বিস্তৃত বিৱৰণ থকা বুলি পণ্ডিতসকলে অভিমত প্ৰকাশ কৰিছে। কৃষ্ণ মিশ্ৰৰ প্ৰবোধচন্দ্ৰোদয় গ্ৰন্থত সৌৰসকলৰ বিষয়ে প্ৰশংসাসূচক বিৱৰণ পোৱা যায়। এই প্ৰসংগত উল্লেখ কৰা উচিত হ'ব যে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ দ্ৰুতভাৱে আগবঢ়াৰ লগে লগে সৌৰ ধৰ্মৰ প্ৰভাৱ স্তিমিত হ'বলৈ ধৰে। অন্য এটা কাৰণ হ'ল যে বিষ্ণুকেই আদিত্য বা সূৰ্য্য বুলি উপাসনা কৰাটোও পৰিলক্ষিত হৈছিল। শৈৱধৰ্ম আৰু পাশুপত সম্প্ৰদায়ৰ লোকসকলেও সৌৰ ধৰ্মৰ প্ৰচাৰত বাধাৰ সৃষ্টি কৰিছিল। সাম্প্ৰতিক কালত সৌৰ সম্প্ৰদায়ৰ লোকৰ সংখ্যা বহুপৰিমাণে হ্ৰাস পাইছে। মধ্যপ্ৰদেশ আৰু দাক্ষিণাত্যৰ কোনো কোনো অঞ্চলত সৌৰ সম্প্ৰদায়ৰ লোক আছে।

বৈদিক যুগত পাৰিপাৰ্শ্বিক জগতখনত সূৰ্য্য অন্তৰিক্ষৰে দেৱতা বুলি পূজা-স্তুতি কৰা হৈছিল। কিন্তু পৰৱৰ্তী কালত জ্যোৰ্তিময়দেৱতা ৰূপে কল্পিত সূৰ্য্যৰ উপাসনা আৰু মন্দিৰত সূৰ্য্যৰ মূৰ্তিস্থাপন কৰা পদ্ধতি প্ৰচলিত হ'বলৈ ধৰে। বিষ্ণুপুৰাণ, ভৱিষ্যপুৰাণ, শাম্বপুৰাণ আৰু বৰাহমিহিৰৰ বৃহৎসংহিতা আদিৰ বাহিৰেও মুদ্ৰা, মোহৰ আৰু শিলালিপি আদিৰ পৰা অন্য এটা বিশেষ তাৎপৰ্যপূৰ্ণ দিশ প্ৰতিভাত হয় যে খ্ৰীষ্টীয় প্ৰথম কেইটামান শতকত পাৰস্য দেশৰ পৰা আমদানি কৰা সূৰ্য্য উপাসনাৰ এটা ধাৰা উত্তৰ-পশ্চিম ভাৰতত প্ৰৱেশ কৰিছিল। ছিথিয় কুশানসকলৰ শাসনকালত পৃষ্ঠপোষকতা লাভ কৰি এই ধাৰাটো প্ৰবলতৰ হৈ উঠিছিল। কালক্ৰমত উত্তৰ-ভাৰতত বৌদ্ধ ধৰ্মৰ সৈতে সূৰ্য্যোপাসনা সংলগ্নিত হৈ পৰে। বোধগয়া আৰু ভাজত বুদ্ধৰ জ্যোতিৰ্ময় ৰূপৰ প্ৰকাশৰ কাৰণে সূৰ্যমূৰ্তিও খোদিত কৰা হৈছিল। এনেকি আদিম স্তৰত বৌদ্ধধৰ্মত বুদ্ধৰ পিতৃ শাক্যমুনিক সূৰ্য্যদেৱতা বুলিও অভিহিত কৰা হৈছিল। দাক্ষিণাত্যৰ সৌৰ সম্প্ৰদায়ে বৰ্তমানেও বৈদিক যুগৰ সূৰ্য্যোপাসনাৰ পদ্ধতি অনুসৰণ কৰে। কিছুমান সূৰ্যমূৰ্তি লক্ষ্য কৰি দাক্ষিণাত্য আৰু উত্তৰ ভাৰতৰ সৌৰ সম্প্ৰদায়ৰ মাজত থকা পাৰ্থক্য ধৰিব পাৰি। দাক্ষিণাত্যৰ সৌৰ সম্প্ৰদায়ে লাহে লাহে কালৰ গতিত তান্ত্ৰিক পদ্ধতিলৈ গতি কৰিছে। আদি শংকৰাচাৰ্যৰ কালত ছয় প্ৰকাৰৰ সৌৰ সম্প্ৰদায় থকা বুলি শংকৰবিজয় গ্ৰন্থত আনন্দগিৰিয়ে উল্লেখ কৰিছে। সৌৰ ভক্তসকলে

ৰক্তচন্দনৰ ফোটলয়, ৰক্তপুষ্পৰ মালা পিন্ধে আৰু সূৰ্য্যৰ অষ্টাক্ষাৰী মন্ত্ৰ জপ কৰে। সূৰ্য দেৱতাক তেওঁলোকে বিষ্ণু আৰু শিৱৰ বাহিৰে অন্য নহয় বুলি গণ্য কৰে।

সূৰ্য যে একালত অতি জনপ্ৰিয় দেৱতা আছিল সেইটো ভাস্কৰ্য্যশিল্পত সূৰ্য্যৰ মূৰ্তি খোদিত কৰা কাৰ্যই আৰু বহুতো সূৰ্য মন্দিৰৰ অস্তিত্বই প্ৰমাণ কৰে। মুলতানত থকা সূৰ্য্য মন্দিৰ হিউয়েনচাং, আলবেৰুণী আৰু অন্যান্য বহুতেই দৰ্শন কৰিছিল। সপ্তদশ শতিকালৈ এই মন্দিৰটো আছিল, ঔৰঙ্গজেৱে এই মন্দিৰটো ধ্বংস কৰিছিল। উৰিষ্যাৰ কনাৰ্কৰ মন্দিৰটোত সূৰ্য্যদেৱতাৰ মহত্ত্ব প্ৰকাশৰ কাৰণেই নিৰ্মাণ কৰিছিল বুলি পণ্ডিতসকলে অনুমান কৰে।

আমি ওপৰত যিবিলাক ধৰ্ম আৰু সম্প্ৰদায়ৰ কথা আলোচনা কৰিলো সেই সকলোবিলাকৰ সাৰমৰ্ম বিচাৰ কৰিলে দেখা যায় যে প্ৰতিটো ধৰ্ম বা সম্প্ৰদায়ৰে মূল লক্ষ্য হৈছে পৰম সত্যৰ উপলব্ধি কৰা আৰু ত্ৰিতাপক্লিষ্ট জগতৰ মানুহক দিব্যজ্ঞানেৰে উদ্ভাসিত কৰি সুখ-শান্তি প্ৰদান কৰা। এই সকলো ধৰ্ম বা সম্প্ৰদায়ৰ ঈশ্বৰ বা পৰমা শক্তিৰ উপাসনাৰ মাৰ্গ মাত্ৰ বেলেগ কিন্তু শেষ লক্ষ্য একেই। মুণ্ডমালা তন্ত্ৰত কোৱা এষাৰ উক্তি প্ৰণিধানযোগ্য। তাত কোৱা হৈছে এইদৰে—

দেৱী বিষ্ণু শিৱাদীনামেকত্বং পৰিচিন্তয়েৎ।
ভেদকৃন্নৰকং যাতি ৰৌৰৱং পাপপুৰুষঃ।

স্বৰ্গে মৰ্তে চ পাতালে নহি শাক্তাৎ পৰংপ্ৰিয়ঃ।
সৌৰাণাং গাণপত্যানাং বৈষ্ণৱানাং তথৈৱচ
ততোহন্তে চৈৱ শাক্তানাং ক্ৰমশঃ ক্ৰমশঃ প্ৰিয়ঃ।।

এইদৰে শক্তিৰ প্ৰাধান্য প্ৰতিপন্ন কৰা হৈছে যদিও বিষ্ণু, শিৱ, সূৰ্য্য আৰু গণেশৰ উপাসকসকলক লঘু কৰি দেখুওৱা হোৱা নাই কিয়নো তন্দ্ৰতে উল্লেখ কৰা হৈছে—'শক্তিযুক্ত ভৱেদ্ বিষ্ণুৰথৱা বিষ্ণুৰেৱ হি' অৰ্থাৎ বিষ্ণু শক্তিযুক্ত হ'ব পাৰে বা বিষ্ণুৱেই শক্তি হ'ব পাৰে। শিৱ, সূৰ্য্য, গণেশৰ ক্ষেত্ৰতো একেই কথা। কোনোবাই শক্তিযুক্ত বিষ্ণুকো উপাসনা কৰিব পাৰে নাইবা বিষ্ণুতেই শক্তি আৰোপ কৰি পূজা কৰিব পাৰে। যি যেনেকৈয়ে নকৰক তন্ত্ৰৰ তত্ত্বগত বিশ্লেষণ একেই।

নাৰদপঞ্চৰাত্ৰাগম গ্ৰন্থত কোৱা হৈছে যে শক্তি বিষ্ণুৰ অন্তৰস্থ অথচ পৰিত্যক্ত সত্ত্বা। শক্তি নাৰায়ণৰ নিত্য সংগী; তেওঁক নাৰায়ণী বুলি জনা যায়। সেই শক্তি দিব্যা আৰু তন্ত্ৰৰ বিভিন্ন শাখাই শক্তিৰ অস্তিত্ব স্বীকাৰ কৰে। শক্তি নিত্য আৰু স্বতন্ত্ৰ। তেওঁৰ বিষ্ণুৰ দিব্যসঙ্গিনী। তন্ত্ৰসাৰ গ্ৰন্থত উল্লেখ কৰা হৈছে যে এগৰাকী পৰম শাক্তহে পৰম বৈষ্ণৱ হ'ব পাৰে আৰু এজন পৰম বৈষ্ণৱহে পৰম শৈৱ হ'ব পাৰে। উক্ত গ্ৰন্থত কোৱা হৈছে এইদৰে—

অন্তঃশাক্তা বহিঃ শৈৱাঃ সভায়াং বৈষ্ণৱমতাঃ।
নানা ৰূপধৰা কৌলা বিচৰন্তি মহীতলে।।
আকৌ সেইখন তন্ত্ৰতে কোৱা হৈছে—
কুলাচাৰেণে পূতাত্মা সাক্ষাচ্ছিৱাময়ো ভৱেৎ।

কুলাচাৰীসকল সাক্ষাৎ শিৱময়। এনে কুলাচাৰী প্ৰকৃততে শাক্ত শৈৱ আৰু বৈষ্ণৱ ভাবৰ সমন্বয় মাথোন। এই কাৰণেই কুলাচাৰীজনক আচাৰ ব্যৱহাৰত আৰু কাৰ্যকলাপত বৈষ্ণৱ যেন দেখা যায়, কিন্তু অন্তৰত শক্তিৰ প্ৰবলতা আৰু বাহিৰত শিৱোহম্ অৰ্থাৎ অসীম মঙ্গলময় শিৱৰ আনন্দময় ৰূপ ধাৰণ কৰে।

থূলমূলভাৱে ইয়াকেই ক'ব পাৰি যে শাক্ত, বৈষ্ণৱ, শৈৱ প্ৰত্যেকেই এক লক্ষ্যত উপনীত হ'বলৈ আকাঙ্খা কৰে। প্ৰথম অৱস্থাত নিৰ্ভীকভাৱে সংযতচিত্তেৰে আধ্যাত্মিক মাৰ্গত অগ্ৰসৰ হ'ব লাগে, এই অৱস্থাত প্ৰতিজনেই শাক্ত, শক্তিৰ সহায়ত দুৰ্গম সাধনাৰ পথত আগবাঢ়ি যেতিয়া এক সুন্দৰ স্থানত অৱস্থিতি লাভ কৰে তেতিয়া তেওঁৰ মনত আনন্দৰ অনুভূতি জাগ্ৰত হয় আৰু অন্তৰাত্মা প্ৰেম আৰু ভক্তিৰে উপচি পৰে আৰু তেওঁ তেওঁৰ উপাস্য বা ইষ্টদেৱতাক লাভ কৰে—এই অৱস্থাটোৱে হ'ল তেওঁৰ বৈষ্ণৱ ৰূপ। ইয়াৰ পাছৰ অৱস্থাটো হ'ল এক নিশ্চল-নীৰৱ সমাধিভাবাপন্ন অৱস্থা যিটোক তন্ত্ৰত বোলা হৈছে 'সোঽহম' অৱস্থা। এই অৱস্থাত শক্তিৰ উপাসক ব্ৰহ্মময়ী শিৱা, শিৱৰ উপাসক শিৱ, বিষ্ণুৰ উপাসক বিষ্ণু। ইয়াতেই এক ব্ৰহ্মাৰ সৎ, চিৎ আৰু আনন্দময় ৰূপৰ উপলব্ধি ঘটে সাধকৰ।

গ্ৰন্থাকাৰ শ্ৰীচৌধুৰীয়ে ওপৰত উল্লেখ কৰি অহা বিষয়বোৰ অতি সাবলীল ভাষাৰে সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ ব্যাখ্যা কৰি তেওঁৰ শাস্ত্ৰাধ্যয়নলব্ধ জ্ঞানৰ পৰিচয় দিছে। পাঠকসকলে এই গ্ৰন্থখন অধ্যয়ন কৰি

ভাৰতৰ প্ৰাচীন সভ্যতা-সংস্কৃতিৰ বহুতো মূল্যবান তথ্য লাভ কৰিব পাৰিব। তদুপৰি ভাৰতৰ আৰ্য্য ঋষি-মুনিসকলৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰ আভাস পোৱাৰ উপৰি হিন্দু ধৰ্মৰ পৰম্পৰা আৰু ঐতিহ্য ৰক্ষাৰ অনুপ্ৰেৰণা লাভ কৰিব। সহৃদয় পাঠকসকলে গ্ৰন্থখন গঢ়ি বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ আলোড়নৰ মাজতে মানসিক শান্তি আৰু আধ্যাত্মিক চিন্তাৰ পথত আগবাঢ়িব পাৰিব।

শেষত শ্ৰীচৌধুৰীক ভগবানে আৰু কিছুমান আধ্যাত্মিক তত্ত্বমূলক গ্ৰন্থ ৰচনা কৰিবলৈ দীৰ্ঘায়ু প্ৰদান কৰক। এই প্ৰাৰ্থনাৰে আগকথাৰ সামৰণি মাৰিলোঁ।

শ্ৰীবাণীকান্ত শৰ্মা

২৮ খাৰঘুলি হিলছাইড, গুৱাহাটী-৪

অৱসৰপ্ৰাপ্ত অধ্যাপক, আধুনিক ভাৰতীয় ভাষা বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়।

ভূমিকা

এইখন গ্ৰন্থ প্ৰকৃততে ,পুৰাণপ্ৰভাৰ (তৃতীয় খণ্ড) শ্ৰীযুত বাণীকান্ত শৰ্মাদেৱেও আগকথাত পুথিখন পুৰাণপ্ৰভা (তৃতীয় খণ্ড) বুলিয়েই উল্লেখ কৰিছে। কিন্তু শুভকাংশী কেবাজনো বন্ধুৱে মত প্ৰকাশ কৰিলে যে পুৰাণপ্ৰভা নামৰ কেবাখনো গ্ৰন্থ থাকিলে পাঠক-পাঠিকাৰ মনত বিভ্ৰান্তিৰ সৃষ্টি হ'ব পাৰে। সেয়ে এই গ্ৰন্থৰ নামাকৰণ কৰিলো "**পৌৰাণিক ভক্তিধাৰাৰ বিভিন্ন ৰূপৰেখা**"। মুঠৰ ওপৰত এইখন পুৰাণৰ বিষয়ে লিখা শেষ গ্ৰন্থ আৰু এই বিষয়ৰ তিনিখন পুথিত যেনে— 'পুৰাণপ্ৰভা প্ৰথম খণ্ড', 'ভাৰতীয় ভক্তিধাৰাৰ বিভিন্ন প্ৰান্তত' (পুৰাণপ্ৰভা দ্বিতীয় খণ্ড) আৰু 'পৌৰাণিক ভক্তিধাৰাৰ বিভিন্ন ৰূপৰেখা' (পুৰাণপ্ৰভা তৃতীয় খণ্ড)ত পুৰাণ সম্বন্ধে জানিবলগীয়া সকলোখিনি কথা সন্নিবিষ্ট কৰা হ'ল। কেৱল বাকী থাকিল ৰজা আৰু ঋষিসকলৰ বংশ পৰম্পৰা। বৰ্তমান কালত সেইকালৰ ৰজা-ঋষিৰ বংশ পৰম্পৰা বুৰঞ্জীবিদসকলৰ কাৰণে আৱশ্যকীয নহয় যদিও সেইবোৰ প্ৰবন্ধ আকাৰত প্ৰকাশ কৰাৰ ইচ্ছা থাকিল।

মই পুৰাণৰ বিষয়ে লিখাৰ উদ্দেশ্য হ'ল অসমীয়া ভাষাত পুৰাণ সম্বন্ধে লিখা কোনো গ্ৰন্থ মোৰ চকুত পৰা নাই। কিন্তু ভাগৱত পুৰাণৰ অসমত যথেষ্ট জনপ্ৰিয়তা আছে। সংস্কৃত ভাষাত লিখা গ্ৰন্থবিলাক প্ৰধানত দুটা কাৰণ আজিও অদ্বিতীয়। প্ৰথমতে, লেখকৰ সূক্ষ্মাতি-সূক্ষ্ম আৰু অতি গভীৰ বিচাৰবোধ আৰু দ্বিতীয়তে, গ্ৰন্থৰ সৰ্ব-ব্যাপকতা আৰু অতি বিশালতা। ইয়াৰ ভিতৰত পুৰাণ মূলতঃ দ্বিতীয় শ্ৰেণীৰ অন্তৰ্ভুক্ত। পুৰাণৰ পৰিধি কেৱলমাত্ৰ মহাপুৰাণৰে আবদ্ধ নহয়। অষ্টাদশ মহাপুৰাণৰ উপৰিও অষ্টাদশ উপপুৰাণ, অষ্টাদশ উপোপপুৰাণ, অষ্টাদশ ঔপপুৰাণ আৰু অসংখ্য মাহাত্ম্যবিবেচন, শতনাম, সহস্ৰনাম গ্ৰন্থও প্ৰচলিত। কিন্তু যিখিনি পুৰাণ বা পুৰাণ বিষয়ৰ গ্ৰন্থ মুদ্ৰিত হৈছে তাতকৈ আৰু বিপুলতাৰ অংশ এতিয়ালৈ মুদ্ৰিত হোৱা নাই। এই সকলোবোৰ মুদ্ৰিত হ'লে সমগ্ৰ পুৰাণ সাহিত্যৰ ব্যাপ্তি আৰু বিস্তৃতি বিচাৰ কৰিলে বোধকৰো পৃথিৱীৰ সকলো সাহিত্যৰ ভাণ্ডাৰত নিতান্ত গৌণ স্থান লাভ নকৰিব।

পুৰাণসমূহৰ ইমান বিশাল ব্যাপকত্ব আৰু গুৰুত্ব থাকিলেও দুঃখৰ বিষয় এয়ে যে দেশৰ আৰু বিদেশৰ পণ্ডিতসকলে পুৰাণ সম্বন্ধে আলোচনা কৰিবলৈ অনীহা প্ৰকাশ কৰা যেন অনুমান হয়। বেদ, বেদাঙ্গ, ষড়দৰ্শন, ৰাজনীতি, ধৰ্মশাস্ত্ৰ প্ৰভৃতিয়ে বহু পণ্ডিতক আকৰ্ষিত কৰিছে আৰু সেই বিষয়ৰ বিভিন্ন ভাষাত গ্ৰন্থও প্ৰচুৰ। সেই তুলনাত পুৰাণৰ বিষয়ে আলোচনা গ্ৰন্থ নিতান্তই নগণ্য। এই প্ৰসংগত প্ৰধানতঃ পাৰ্জিটাৰ, উইলমন, হৰপ্ৰসাদ শাস্ত্ৰীৰ কেইখনমান গ্ৰন্থ, জাৰ্মানীত কিৰোমেন আৰ হাকাৰৰ চাৰিখন পুস্তক, সংস্কৃতত মধুসূদন ওঝা, মাধৱাচাৰ্য্য শাস্ত্ৰী আৰু শ্ৰীকৃষ্ণমণি ত্ৰিপাঠীৰ তিনিখন পুস্তক, পুৰাণ-পত্ৰিকাৰ প্ৰকাশিত ৰাজ্যেশ্বৰ শাস্ত্ৰী আদিৰ কেইটামান মূল্যৱান প্ৰবন্ধ, হিন্দী ভাষাত বলদেৱ উপাধ্যায়ৰ গ্ৰন্থ আৰু বঙলা ভাষাত ক্ষীৰিন্দ্ৰ শেখৰ বসু "আৰু ডক্টৰ অশোক চট্টোপাধ্যায়ৰ গ্ৰন্থ উল্লেখ কৰিব পাৰি। সাধাৰণ পাঠকৰ মনত পুৰাণে ৰেখাপাত কৰিব নোৱাৰাৰ কাৰণ হয়তো পাশ্চাত্যৰ নিৰ্মম বিশ্লেষণক আক্ৰমণ।

এই গ্ৰন্থখন অধ্যায়ত ভাগ কৰা হোৱা নাই। ভাগ কৰা হৈছে দুটা পৰ্বত, যেনে— পূৰ্ব পৰ্ব আৰু উত্তৰ পৰ্ব। পূৰ্ব পৰ্বত আছে ৰুদ্ৰশিৱ=শৈৱ ধৰ্ম, সূৰ্য্য দেৱতা=সৌৰ ধৰ্ম, গণেশ গণপতি=গণপত্য ধৰ্ম আৰু তন্ত্ৰ ধৰ্ম=শিৱশক্তি; অৱশ্যে তন্ত্ৰ ধৰ্ম পুৰাণৰ বিষয়বস্তু নহয়। কিন্তু তন্ত্ৰ সম্বন্ধে অসমত আলোচনা একেবাৰে নোহোৱা কাৰণে আৰু তন্ত্ৰৰ শিৱশক্তিৰ লগত প্ৰত্যক্ষ সম্বন্ধৰ কাৰণে ইয়াত অন্তৰ্ভুক্ত কৰা হ'ল।

উত্তৰ খণ্ডত আছে বাৰখন পুৰাণৰ বিশ্লেষণাত্মক বিৱৰণ। পুৰাণকেইখন হ'ল— (১) বায়ু পুৰাণ, (২) বামন পুৰাণ, (৩) ব্ৰহ্মাণ্ড পুৰাণ, (৪) কূৰ্ম পুৰাণ, (৫) গৰুড় পুৰাণ, (৬) মাৰ্কণ্ডেয় পুৰাণ, (৭) অগ্নি পুৰাণ, (৮) ভৱিষ্যৎ পুৰাণ, (৯) স্কন্দ পুৰাণ, (১০) বৰাহ পুৰাণ, (১১) লিংগ পুৰাণ আৰু (১২) নাৰদ পুৰাণ।

এই গ্ৰন্থ লিখাৰ সহায়ৰ কাৰণে মোৰ প্ৰিয় বান্ধৱ ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য্যদেৱে মোক বহু কিতাপৰ যোগান ধৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰিডাৰ মোৰ বৰপুত্ৰ মনোজেও বিশ্ববিদ্যালয়ৰ পুথিভঁড়ালৰ পৰা বহু কিতাপ আনি দিছে। তেওঁলোকেলৈ মোৰ কৃতজ্ঞতা জনালো।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঋষিবৰ

প্ৰিয়াংশু প্ৰবল উপধ্যায়দেৱে লেখাখিনি ওপৰে ওপৰে চাই দিছে আৰু ড° বাণীকান্ত শৰ্মাদেৱে এটি পাণ্ডিত্যপূৰ্ণ ৰচনা আগকথা হিচাবে আগবঢ়াইছে। তেওঁলোক দুয়োজনলৈকে মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জনালো।

এই গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব লৈছে চন্দ্ৰালয় প্ৰকাশনৰ হৈ ড° প্ৰণীতা চৌধুৰী আৰু পৰিবেশনৰ দায়িত্ব লৈছে গ্ৰন্থপীঠৰ মালিক, মোৰ সম্বন্ধত নাতি শ্ৰীমান নীহাৰেন্দ্ৰ চৌধুৰীয়ে।

বেটুপাত অংকন আৰু ডিটিপি কৰিছে শিল্পী শ্ৰীমান দীপক দাসে। এওঁলোক সকলোলৈকে মোৰ কৃতজ্ঞতা জনালো।

শ্ৰীধৰণীধৰ চৌধুৰী

পূব শৰণীয়া
গুৱাহাটী-৩

সূচীপত্ৰ

পৃষ্ঠা

ৰুদ্ৰ শিব-শৈৱ ধৰ্ম — ৩৫

বেদত ৰুদ্ৰ শিৱ

পুৰাণত শিৱ

মহাভাৰত আৰু ৰামায়ণত শিৱ

কাব্য সাহিত্যত শিৱ

শৈৱ ধৰ্মৰ বিভিন্ন ধাৰাৰ দাৰ্শনিক অভিব্যক্তি

অৰ্ধনাৰীশ্বৰ শিৱ

শৈৱধৰ্মৰ বিভিন্ন শাখা ঃ বীৰ শৈৱ বা লিংগায়ত

পাশুপাত শাখা

শৈৱ সিদ্ধান্ত বা তামিল শৈৱ ধৰ্ম

কাশ্মীৰী শৈৱবাদ

কাপালিক ধাৰা

আগমান্ত শৈৱ ধৰ্ম

প্ৰাচীন কামৰূপত শৈৱ ধৰ্মৰ প্ৰভাৱ

অসমীয়া লিখিত সাহিত্যত শিৱ

সূৰ্য্য দেৱতা ঃ সৌৰ ধৰ্ম — ৬৩

গণপতি গণেশ ঃ গাণপত্য ধৰ্ম — ৭৯

তন্ত্ৰশাস্ত্ৰ আৰু শিৱশক্তি — ৯০

অষ্টাদশ পুৰাণৰ নাম, তালিকা আৰু বিৱৰণ — ১০৫

১। বায়ু পুৰাণ

২। বামন পুৰাণ

৩। ব্ৰহ্মাণ্ড পুৰাণ

৪। কুৰ্ম পুৰাণ

৫। গৰুড় পুৰাণ

৬। মাৰ্কণ্ডেয় পুৰাণ

৭। অগ্নি পুৰাণ

৮। ভৱিষ্য পুৰাণ

৯। স্কন্দ পুৰাণ

১০। বৰাহ পুৰাণ

১১। লিংগ পুৰাণ

১২। নাৰদ পুৰাণ

ৰুদ্ৰ শিৱ-শৈৱ ধৰ্ম

সভ্যতাৰ আৰম্ভণিতে মানুহে প্ৰকৃতিৰ প্ৰচণ্ড শক্তিশালী ৰূপৰ প্ৰাবল্য দেখি কেতিয়াবা আনন্দ লভিছিল আৰু কেতিয়াবা ভীত হৈছিল। তেওঁলোকে টোপনিৰ পৰা সাৰ পাইছিল অন্ধকাৰ বিনাশী পোহৰৰ সহায়ত। দেখিছিল সেই পোহৰে স্বৰ্গ-মৰ্ত্য সকলোতে আলোক বিতৰণ কৰি মানুহৰ জীৱন ধাৰণৰ পদ্ধতি নিৰ্ধাৰণ কৰিছিল আৰু জীৱনী শক্তি দান কৰিছিল। এইবোৰ গুণ-গৰিমাৰ কাৰণে সেই শক্তিৰ নাম দিছিল সূৰ্য্য অথবা মিত্ৰ, মানুহৰ সৰ্বসুখৰ দেৱতা। আনহাতে, দেখিছিল প্ৰচণ্ড ধুমুহা বতাহ, বৰষুণ, বজ্ৰ আৰু বানপানী আদিৰ তাণ্ডৱ। যাৰ ফলত ঘৰ-বাৰী ধ্বংস, মানুহ, পশু-পক্ষীৰ মৃত্যু আৰু আন অজস্ৰ ক্ষতি। সেয়ে নাম দিছিল ৰুদ্ৰ বা মাৰুত। এনেদৰে ভিন্ন ৰূপ আৰু নাম লৈ তেত্ৰিশ কোটি দেৱতাৰ কল্পনা কৰা হৈছিল। মানুহে বিশ্বাস কৰিবলৈ আৰম্ভ কৰিছিল যে দেৱতাবোৰ ৰুষ্ট হ'লেহে মানুহ আৰু প্ৰকৃতিৰ ওপৰত প্ৰতিশোধ লয়। সেয়ে বৈদিক ঋষিসকলে দেৱতাসকলৰ উৎপত্তি সম্বন্ধে বহু মতবাদ সৃষ্টি কৰিলে। দেৱতাৰ সন্তুষ্টিৰ কাৰণে তপ-জপ যজ্ঞাদি আৰম্ভ কৰিলে। সেযে সংখ্যাত, ঐশ্বৰ্য্যত, বিভূতিত বৈদিক দেৱতাৰ চৰ্চা অতি আকৰ্ষণীয় হৈ পৰিল।

কিন্তু এইসকল অমিত পৰাক্ৰমী, অতিবৈভৱমণ্ডিত বৈদিক দেৱতাৰ কালৰ পৰিৱৰ্তনৰ ফলত জনমানসত পূৰ্বৰ আধিপত্য বহুখিনি হ্ৰাস পালে। পৌৰাণিক কালত সেয়ে দেখা যায় বহু দেৱতা একেবাৰে নিশ্চিহ্ন হৈ গ'ল আৰু কিছুদিন নিষ্প্ৰভ হৈ বৰ্তী থাকিল। এই ক্ষেত্ৰত বৰুণ, ইন্দ্ৰ আৰু ব্ৰহ্মা আদি দেৱতাৰ নাম থব পাৰি। যিসকল এসময়ত অতি বিক্ৰমশালী আৰু প্ৰভাৱশালী দেৱতাৰূপে পৰিগণিত হৈছিল। আজি বৰুণদেৱ জলাধিপতি হিচাপে, ইন্দ্ৰ স্বৰ্গৰ সিংহাসনৰ অধিকাৰী হিচাপেহে মান্য। ব্ৰহ্মাৰ মন্দিৰ কেৱল পুস্কৰ তীৰ্থতহে অৱস্থিত। পক্ষান্তৰে এনে কিছুমান বৈদিক দেৱতা যিবিলাক পৌৰাণিক যুগতো তেওঁলোকৰ প্ৰভাৱ অক্ষুণ্ণ ৰখাই নহয় আগতকৈও বেছি প্ৰভাৱশালী আৰু ঐশ্চৰ্য্যমান ৰূপে প্ৰতিষ্ঠিত হৈছে। এওঁলোকৰ অন্যতম হ'ল বিষ্ণু আৰু শিৱ। যিহেতু আমি 'দ্বিতীয় খণ্ড

পুৰাণপ্ৰভা' যাৰ নামাকৰণ কৰা হৈছে 'ভাৰতীয় ভক্তিধাৰা বিভিন্ন প্ৰান্তত' ৰূপে সেই গ্ৰন্থত বিষ্ণু সম্বন্ধে যথেষ্ট আলোচনা আগঢ়াই আহিছো। সেয়ে এই গ্ৰন্থৰ প্ৰথমতে শিৱৰ বিষয়ে আলোচনা আৰম্ভ কৰিছো।

শিৱ পূজাৰ ঐতিহাসিক তথ্য পোৱা যায় খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতকৰ পৰাই। ভাৰতত বসবাস কৰা গ্ৰীকসকলে তেওঁলোকৰ দেৱতা দিওনিমোসক শিৱৰ লগত অভিন্ন বুলি ভাবিছিল। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতকত উপজাতীয় ৰজাসকলৰ মুদ্ৰাত শিৱৰ মূৰ্তি আৰু লিংগ খোদিত কৰা দেখা যায়। শব, পহ্লব আৰু কুষান ৰজাসকলৰ মুদ্ৰাটো শিৱমূৰ্তি বৰ্তমান। গুপ্তযুগত বহু শিৱলিংগ আৱিষ্কৃত হৈছে। ভাৰতৰ বাহিৰতো শিৱপূজাৰ ব্যাপ্তি ঘটিছিল। মধ্য এচিয়াৰ বৃষবাহন শিৱ আৰু হৰ-পাৰ্বতীৰ মূৰ্তি পোৱা গৈছে। চীন দেশতো বৃষবাহন শিৱমূৰ্তি পোৱা যায়। দক্ষিণ-পূব এচিয়াত শৈৱ ধৰ্মৰ ব্যাপক প্ৰচলন ঘটিছিল।

বেদত ৰুদ্ৰ শিৱ

ঋগ্‌বেদত ৰুদ্ৰ ধ্বংসৰ দেৱতা। বেদৰ সুক্তবিলাকৰ পৰা ৰুদ্ৰৰে শাৰীৰিক বৈশিষ্টৰো পৰিচয় পোৱা যায়। তেওঁৰ হস্ত, বাহু আৰু অন্যান্য অংগ-প্ৰত্যংগ অতি দৃঢ়। তেওঁ জঁটাধাৰী, বহুৰূপী আৰু সোণৰ নিচিনা বা সূৰ্য্যৰ নিচিনা সমুজ্বল। তেওঁৰ অংগত সুবৰ্ণমণ্ডিত অলংকাৰ পিন্ধি ৰথত পৰিভ্ৰমণ কৰে। তেওঁৰ হস্তনিক্ষিপ্ত বিদ্যুৎ অতি দ্ৰুতবেগে আকাশ, অন্তৰীক্ষ অতিক্ৰম কৰি ভূ-পৃষ্ঠত প্ৰৱেশ কৰে। তেওঁ অতি শক্তিশালী ধনুৰ্বান বহন কৰে। ঋকবেদত তিনিটি সম্পূৰ্ণ সুক্ত আৰু চতুৰ্থৰ কিছু অংশ তেওঁৰ স্তুতি কৰা হৈছে আৰু এটি সুত্ৰত সোমৰ লগত যুক্তভাৱে তেওঁ স্ত্ৰোত্ৰ হৈছে। ঋকবেদৰ মতে ৰুদ্ৰ ভয়াৱহ আৰু পশুৰ নিচিনা বিনাশক, তেওঁ অতি শক্তিমান, ৰথীৰ ভিতৰত আটাইতকৈ বেগী, অজেয়, পৰাক্ৰমত অনতিক্ৰমা, অতি দ্ৰুতগতি সম্পন্ন যুৱক আৰু জৰাৰহিত। তেওঁ নিখিল বিশ্বৰ নিয়ামক, ত্ৰিভূৱনৰ ঈষান আৰু সৰ্বজগতৰ পিতৃ। ৰুদ্ৰ বুদ্ধিমান আৰু পৰম জ্ঞানী। তেওঁ সংসাৰক উপকাৰ কৰা ৰূপেও বৰ্ণিত হৈছে।

ৰুদ্ৰৰ ত্ৰিনয়ণৰ কথা পৰৱৰ্তীকালত অধিক প্ৰসিদ্ধি লাভ কৰিছে। তৈতিৰিয় সংহিতাৰ ষোড়ষ অধ্যায় ৰুদ্ৰাধ্যায় নামে খ্যাত। অথৰ্ববেদৰ একাদশ

কাণ্ডৰ দ্বিতীয় সূত্ৰটো ৰুদ্ৰস্তুতি কৰা হৈছে। অথৰ্ব বেদত তেওঁৰ স্থান অতি উৰ্দ্ধত। ইয়াত তেওঁ ভগ, শৰ্ব, পশুপতি আৰু ভূপতি, পশুৰ মাজত মানুহো অন্তৰ্ভুক্ত। ৰুদ্ৰৰ নিবাস কেৱলমাত্ৰ অগ্নিত, জলত, ঔষধিত আৰু লতাতেই নহয়, বৰঞ্চ ৰুদ্ৰই সমস্ত ভূৱন ৰচনা কৰি ইয়াক সমৃদ্ধ কৰিছে। অথৰ্ববেদ আৰু ৰাজসৈনেয়ী সংহিতাত ৰুদ্ৰক সহস্ৰ চক্ষু কল্পিত হৈছে। তেওঁ নীলকণ্ঠ, ৰক্তবৰ্ণ আৰু গিৰিশ। ঋকবেদৰ পিছত, অথৰ্ববেদত তেওঁৰ চৰিত্ৰৰ পৰিৱৰ্তন দেখা যায়। এই বেদত তেওঁ জগতপতি হিচাপে বন্দিত হৈছে আৰু কৃষি, পশু, অৰণ্য আৰু পৰ্বতৰ লগত সম্পৰ্কিত বুলি কোৱা হৈছে। অৱশ্যে যৰ্জুবেদতেই ৰুদ্ৰ আৰু শিৱ অভিন্ন বুলি কোৱা হৈছিল। তৈতিৰিয় সাহিত্যৰ ৰুদ্ৰধ্যায় খণ্ডত ৰুদ্ৰৰ বিভিন্ন নাম আৰু গুণাৱলী বৰ্ণিত হৈছে। ব্ৰাহ্মণ গ্ৰন্থসমূহত কোৱা হৈছে যে দেৱতাসকলক ক্ৰোধৰ পৰাই ৰুদ্ৰৰ উৎপত্তি। তৈতিৰীয় অৰণ্যত ৰুদ্ৰক সৰ্বভূতাৰাত্মা বুলি উল্লেখ কৰিছে। শ্বেতাশ্বতৰ উপনিষদত ৰুদ্ৰ আৰু শিৱ সংযুক্তভাৱে আৰু অভিন্ন পৰিচয়ত এক দেৱতাকেই বুজাইছে আৰু তেওঁকেই অক্ষৰব্ৰহ্ম বুলি কোৱা হৈছে। সাম বেদতো শিৱমূৰ্তিৰ বৰ্ণনা আছে।

পুৰাণত শিৱ

বেদৰ উগ্ৰৰূপী ৰুদ্ৰই পৌৰাণিক যুগৰ মংগলময় শিৱ। বেদৰকালত প্ৰলয়ংকৰ ৰুদ্ৰ পুৰাণত শুভংকৰ শিৱ। পৌৰাণিক শিৱৰ লগত বহু মাহাত্ম্যসূচক আৰু দক্ষতাপূৰ্ণ কৰ্মৰ যোগ হৈছে। ব্ৰহ্মাৰ অনুৰোধত তেওঁ পৃথিৱীক ধ্বংসৰ পৰা ৰক্ষা কৰিবলৈ দেৱতা-দানৱৰ সমুদ্ৰমন্থজাত হলাহল পাণ কৰি নীলকণ্ঠ নামে খ্যাত হৈছে। অন্ধ অসুৰক বধ কৰি অন্ধকান্তক সংজ্ঞা লাভ কৰিছে। তেৱেঁই ভগৰ চক্ষু উৎপাদিত কৰিছিল, কামদেৱক ভস্ম কৰিছিল আৰু দক্ষৰ যজ্ঞ বিনষ্ট কৰিছিল। আকাশৰ পৰা পতিত প্ৰবল শ্ৰোতস্বতী গংগাৰ সযত্নে নিজ মস্তকত ধাৰণ কৰি জগতৰ মংগল সাধন কৰিছিল। এক সহস্ৰ সিংহবাহিনীৰ দ্বাৰা পৰিচালিত ৰথত উঠি ত্ৰিপুৰ ৰাজ্য আক্ৰমণ কৰি সেই ৰাজ্যৰ তিনি দানৱ ৰজাকো হত্যা কৰিছিল। দক্ষ যজ্ঞ ধ্বংসৰ সময়ত তেওঁৰ ৰুদ্ৰৰূপ দেখি যজ্ঞই মৃগৰূপ ধাৰণ কৰি পলায়ণ কৰিছিল। সবিতাৰ বাহু ভংগ

কৰিলে, পুষাৰ দাঁত উফৰি গ'ল আৰু যিসকল দেৱতাই তেওঁৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰা নাছিল তেওঁলোকো ভস্মীভূত হ'ল।

শিৱৰ অস্ত্ৰৰ ভিতৰত পাশুপাত আৰু ব্ৰহ্মশিৰা বিখ্যাত। ইয়াৰ দ্বাৰাই তেওঁ দানৱসকল নিধন কৰিছিল। কুৰুক্ষেত্ৰ যুদ্ধৰ আগতে অৰ্জুনৰ তপস্যাত সন্তুষ্ট হৈ অধৰ্মী কৌৰৱসকলক পৰাস্ত কৰিবলৈ তেওঁ কিৰাটৰ বেশ লৈ অৰ্জুনক পাশুপাত অস্ত্ৰ দান কৰিছিল। তেওঁৰ পিনাক ধনু বা গদা সৰ্প নিৰ্মিত। ত্ৰিশূলৰ নাম বিজয়। তেওঁ বৃষবাহন, কেতিয়াবা তেওঁ শ্বেতগজাৰূঢ়। সেই গজৰ কৰ্ণ ৰঙা আৰু দাঁতৰ সংখ্যা চাৰি। কেতিয়াবা তেওঁ কুঠাৰ, খৰ্গ আৰু চক্ৰও ধাৰণ কৰে। কেতিয়াবা তেওঁ অশ্বত আৰোহণ কৰি দহ হাতত দহটি অস্ত্ৰ ধাৰণ কৰে। শিৱৰ আকৃতি আৰু প্ৰকৃতি সম্বন্ধে পুৰাণকাৰ সকলে যথেষ্ট আলোকপাত কৰিছে। তেওঁ চতুৰানন সতাজিহ্ব আৰু সহস্ৰপাদ। তেওঁ ত্ৰিনয়ণ। কেতিয়াবা তেওঁ মালাধাৰী। মেৰু পৰ্বতৰ গুহাবন্দৰত উমাৰ লগত লীলাবিলাস কৰে। তেওঁ প্ৰাণীসকলৰ ভয়হাৰক, দুখনিবাৰক, অশুদ্ধি বিনাশক আৰু একমাত্ৰ পালক। তেওঁ মায়াবী, অষ্টমূৰ্তি আৰু একাদশতনু আৰু কেতিয়াবা (কালপুৰুষ আৰু ব্ৰাহ্মণ) তেৱেঁই অষ্টধাতু, সপ্তসাগৰ, সপ্তৰ্ষি আৰু মহাজ্ঞানী। তেওঁ বহু গ্ৰন্থ আৰু সূত্ৰ ৰচনাৰ লগত সংলিষ্ট। নাৰদক গায়কৰূপে তেৱেঁই অলংকৃত কৰিছিল। তেওঁ বেদকৰ্তা, ব্যাকৰণ আৰু অন্যান্য বেদাঙ্গ তেওঁৰে সৃষ্টি। তেওঁৰ নৃত্য আৰু সংগীতৰ প্ৰতি অনুৰাগ পুৰাণত বিস্তৃতভাৱে আলোচিত বা বৰ্ণিত হৈছে।

লিংগপুজা মাহাত্ম্য, লিংগ প্ৰকাৰভেদ এইবোৰৰ চৰ্চা প্ৰায় সকলো পুৰাণত পোৱা যায়। ভাৰতৰ প্ৰায় সকলো প্ৰান্ততে শিৱলিংগ গৃহীত আৰু পূজিত হৈছে। পদ্মপুৰাণ আৰু শিৱপুৰাণত লিংগ মাহাত্ম্যৰ চমকপ্ৰদ বিৱৰণ পোৱা যায়। শৈলসূতা পাৰ্বতীয়ে শিবানী উমা আৰু ৰুদ্ৰানী। সেই কাৰণেই শিৱ উমাপতি, উমাধৱ। পাৰ্বতীৰ আন কেতবোৰ নাম হ'ল— ত্ৰ্যংক্ষপত্নী শিৰিৰাজ পুত্ৰী, গিৰিৰাজ পুত্ৰী, শৈলৰাজ পুত্ৰী, নাগৰাজ পুত্ৰী, গিৰিজা, নাগকন্যা আৰু গিৰিশা। এঠাইত কোৱা হৈছে যে শ্ৰী কীৰ্তি, দ্যুতি, পুষ্টি, উমা, লক্ষ্মী সৰস্বতী। কেতিয়াবা তেওঁ দেৱী মহেশ্বৰী, সুৰ কাৰ্যকাৰী আৰু লোকসন্তান ধাৰিনী। সাধ্বী স্ত্ৰী সম্পৰ্কেও তেন্তে উপদেশ দান কৰে।

পুৰাণসমূহত বহু লোক কথাৰ মাধ্যমত শিৱ সৰ্বত্যাগী সন্নাসীৰূপে প্ৰস্ফুটিত হৈছে। শিৱৰ আন এক ৰূপ অৰ্ধনাৰীৰূপ। পুৰাণৰ আখ্যান অনুসাৰে

কোনো শিষ্য ভক্তৰ দৈন্য দেখি তেওঁ ব্যথিত হৈছিল আৰু নিজ শৰীৰৰ অৰ্ধভাগত পাৰ্বতীৰ ৰূপ ধাৰণ কৰিছিল। উপৰ ভাগত তেওঁৰ নিজ ৰূপ বৰ্তমান আছিল। জঁটাযুক্ত মণ্ডিত, বিভূতিধাৰী, শ্বেতসৰ্পৰ দ্বাৰা আবৃত শ্বেত উপবীত ধাৰণ কৰি অক্ষমালা পৰিধান কৰি নন্দীৰ ওপৰত সমাৰূঢ় হৈ ভূত-প্ৰেত পৰিবৃত হৈ যাত্ৰা কৰিছিল। ললাটত চন্দ্ৰকলা আৰু মস্তকত গংগা ৰক্তচক্ষু শিৱই ত্ৰিশূল লৈ ভক্তৰ সন্মুখত উপস্থিত হয় আৰু ভক্তক উপদ্ৰৱকাৰী শত্ৰুক নিধন কৰি ভক্তক ৰক্ষা কৰিছিল।

লিংগৰূপে শিৱৰ পৰিণতি আৰু প্ৰসিদ্ধিৰ কথা পুৰাণকাৰসকলে বহু কাহিনীৰ মাজেদি আলোচনা কৰিছে। পদ্ম পুৰাণৰ এক আখ্যানৰ পৰা জনা যায় যে ভৃগুমুনিৰ অভিশাপৰ ফলতেই শিৱই লিংগৰূপ ধাৰণ কৰিব লগা হৈছিল। ভৃগুৱে এক সময়ত ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ ভিতৰত কোন শ্ৰেষ্ঠ সেই কথা নিৰূপণৰ কাৰণে শিৱলোকত উপস্থিত হৈছিল। শিৱপুৰীত প্ৰৱেশৰ সময়ত দ্বাৰপালে তেওঁক বাধা প্ৰদান কৰি ক'লে যে শিৱ তেতিয়া উষাৰ লগত লীলাবিলাসত মগ্ন আৰু সেয়ে কোনেও তাত প্ৰৱেশ কৰিব নোৱাৰে। বহু সময় অপেক্ষা কৰি ভৃগুৰ ধৈৰ্য্যচ্যুতি ঘটিল আৰু এই বুলি অভিশাপ দিলে যে যিহেতু শিৱই পাবৰ্তীৰ আলিংগণত মত্ত হৈ ঋষিক অৱমাননা কৰিছে সেয়ে ভৱিষ্যতে শিৱ লিংগৰূপেহে পূজিত হ'ব। বামণ পুৰাণৰ আখ্যানভাগ অৱশ্যে অলপ বেলেগ। ইয়াৰ মতে ঋষিসকলৰ অভিশাপত শিৱৰ লিংগত্বপ্ৰাপ্তি।

শিৱলিংগ পূজা শিৱৰেই আৰাধনা। বস্তুতঃ শিৱলিংগই শিৱ আৰু শিৱলিংগৰ অপমানকাৰীয়ে শিৱৰ ক্ৰোধৰ পৰা ৰক্ষা নাপায়, এই কথা পুৰাণকাৰসকলে নানা আখ্যান-উপাখ্যানৰ দ্বাৰা প্ৰতিপন্ন কৰিছে। পুৰাণৰ মতে নিৰ্গুণ আৰু সগুণ ভেদে তেওঁৰ দুই ৰূপ। নিৰ্গুণভাৱে তেওঁ নিৰ্বিকাৰ, সচ্চিদানন্দ পৰম ব্ৰহ্ম আৰু সগুণৰূপে তেওঁৰ ধৰ্ম হ'ল সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ কাৰ্যবিধান, ভক্তৰক্ষণ আৰু শত্ৰুবিনাশ। সত্য, জ্ঞান, অনন্তৰূপ শিৱৰ পৰাই সংসাৰৰ উৎপত্তি। সত্য, ৰজ, তম গুণৰ বৈষম্য হ'লেই সৃষ্টি প্ৰক্ৰিয়া আৰম্ভ হয়। তেতিয়া শিৱৰ পৰাই ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰ উৎপত্তি হয়। পুৰাণকাৰসকলৰ মতে হৰিৰ আবিৰ্ভাৱ শিৱৰ বাম অংগৰ পৰা। ব্ৰহ্মাৰ জন্ম দক্ষিণ অংগৰ পৰা আৰু হৃদয়ৰ পৰা জাত হ'ল ৰুদ্ৰ। এইভাৱে এই তিনিওৰে মূল আধাৰ হ'ল শিৱ। শিৱপুৰাণৰ ৰুদ্ৰ সংহিতাত আকৌ বৰ্ণিত হৈছে যে শিৱ আৰু বিষ্ণুৰ কোনো প্ৰভেদ নাই। শিৱ বিষ্ণুৰ হৃদয়ত আৰু বিষ্ণু শিৱৰ

হৃদয়ত বৰ্তমান। এই কথা যি ভক্তই নাজানে তেওঁ শিৱৰ প্ৰকৃত তত্ত্ব উপলব্ধি কৰিব পৰা নাই। কেৱল শিৱ পুৰাণতেই নহয় বিষ্ণু পুৰাণতো অনুৰূপ সুৰ প্ৰতিধ্বনিত হৈছে।

শিৱৰ অষ্টমূৰ্তি পুৰাণত বিশেষ খ্যাতি লাভ কৰিছে। বায়ু পুৰাণৰ মতে প্ৰভু স্বয়ম্ভু কল্পাদিকাল আত্মতুল্য পুত্ৰ কামনা কৰি ধ্যনস্ত হোৱাত নীললোহিত নামৰ এটি কুমাৰ তেওঁৰ কোলাত আবিৰ্ভাৱ হয়। কুমাৰ প্ৰাদুৰ্ভূত হৈয়ে ক্ৰন্দন কৰি আঠবাৰ নিজৰ নামৰ কাৰণে প্ৰাৰ্থনা কৰিলে। ভগৱান স্বয়ংস্তুৱে তেওঁক যথাক্ৰমে ৰুদ্ৰ, ভৱ, শৰ্ব, পশুপতি, ঈশান, ভীম, উগ্ৰ আৰু মহাদেৱ এই আঠ নামেৰে নামাকৰণ কৰিছে। পুৰাণত শিৱ ভক্তিৰ কথাও আলোচিত হৈছে। বহু প্ৰকাৰ শিৱ ভক্তিৰ ভিতৰত কায়, বাক্য আৰু মনৰ লগত সম্বন্ধ থকা কায়িক, বাচিক আৰু মানসিক ভক্তিয়েই প্ৰধান। অনুৰূপভাৱে লৌকিক বৈদিক আৰু আধ্যাত্মিক ভক্তি নিৰ্দিষ্ট হৈছে। ইয়াৰ ভিতৰত গোঘৃত ৰত্নাদি উপহাৰ প্ৰদান শিৱমূৰ্তিৰ সন্মুখত নৃত্য গীতাদি প্ৰদৰ্শন লোকিকী, বেদমন্ত্ৰ উচ্চাৰণৰ দ্বাৰা আহুতি প্ৰদান ক্ৰিয়া বৈদিকী ভক্তি আৰু আধ্যাত্মিক ভক্তিত মুখ্য অৱলম্বন জ্ঞান। শিৱপূজা পৰৱৰ্তীকালত তন্ত্ৰৰ কবলত পৰি কীল, কবচ, অৰ্গধা, শতনাম আৰু সহস্ৰনাম ইত্যাদি বৈশিষ্টমণ্ডিত হৈছে।

পুৰাণত মহাযোগী, মহাজ্ঞানী আৰু নৃত্যগীতাদি ললিতকলা সংক্ৰান্তত শিৱৰ কথা বাৰে বাৰে উচ্চাৰিত হৈছে। পুৰাণসন্মত শিৱমূৰ্তি বহুপ্ৰকাৰ যেনে—যোগদক্ষিণামূৰ্তি, বীণাধৰ দক্ষিণামূৰ্তি, জ্ঞানদক্ষিণামূৰ্তি আৰু ব্যাখ্যানুদক্ষিণামূৰ্তি আৰু এইবোৰ ভাৰতৰ বহু স্থানত পোৱা গৈছে। উত্তৰ প্ৰদেশৰ কেৰালাত প্ৰাচীন শিৱ মন্দিৰত শিৱৰ জ্ঞানদক্ষিণামূৰ্ত অতি সুন্দৰ, কাঞ্চী পুৰাণত নটৰাজ মূৰ্তিৰ বামপাদ দক্ষিণাপাদৰ ওপৰত ন্যস্ত। পিছফালৰ দক্ষিণ হাতত অক্ষমালা, সন্মুখৰ বামহাতত বিতৰ্কমুদ্ৰা।

মহাভাৰত আৰু ৰামায়ণত শিৱ

মহাভাৰতৰ অনুশাসন পৰ্বত শিৱৰ বিষয়ে মহত্বপূৰ্ণ বৰ্ণনা পোৱা যায়। য'ত কোৱা হৈছে যে কৃষ্ণ আৰু আন বহুতে কঠোৰ তপস্যা কৰি তেওঁক সন্তুষ্ট কৰিছিল। শান্তিপৰ্বত দেখা যায় যে ইয়াত শিৱ আৰু বিষ্ণুৰ মাজৰ

ব্যৱধান কমাবলৈ চেষ্টা কৰা হৈছে। অৰ্জুন আৰু অশ্বত্থমাই শিৱক সন্তুষ্ট কৰি তেওঁৰ পৰা অস্ত্ৰলাভ কৰাৰ কথা মহাভাৰতত বৰ্ণিত হৈছে। মহাভাৰতৰ বহু উপাখ্যানত শিৱৰ বিষয়ে আৰু তেওঁৰ দীক্ষা পদ্ধতিৰ বিষয়েও উল্লেখ আছে। বন-পৰ্বত শিৱ সংক্ৰান্ত বহু তীৰ্থস্থানৰো বৰ্ণনা পোৱা যায়।

ৰামায়ণৰ বাল কাণ্ডত শিৱ আৰু উমাৰ বিবাহৰ কথা উল্লেখিত হৈছে। ভগীৰথৰ গংগা আনয়নৰ সময়ত তেওঁৰ শিৱৰ প্ৰতি কাকুতি-মিনতিৰ কাৰণে খৰস্ৰোতা প্ৰবাহিনী গংগাক শিৱই মূৰত জঁটৰ ভিতৰত ধাৰণ কৰাৰ কথাও পোৱা যায়। জনকৰ গৃহত সীতাৰ স্বয়ম্বৰ সভাত ৰামে হৰধনু ভংগ কৰি সীতাৰ পানিগ্ৰহণৰ বৰ্ণনা আছে। মিথিলাৰ পৰা সীতাক লৈ উভতি অহাৰ সময়ত ৰামে সীতাৰ আগত বৰ্ণাইছে কিদৰে ৰামেশ্বৰত শিৱই তেওঁক আশীৰ্বাদ দিছিল। উত্তৰকাণ্ডত কোৱা হৈছে যে ৰাৱণে যলৈকে গৈছিল তেওঁ পূজা কৰিবলৈ শিৱলিংগ লগত লৈ গৈছিল। ষোড়ষ অধ্যায়ত কিদৰে ৰাৱণে শিৱস্থান কৈলাশৰ সৈতে শিৱক তুলি আনিবলৈ বৃথা চেষ্টা কৰিছিল সেই বিষয়ে আলোচিত হৈছে।

কাব্য সাহিত্যত শিৱ

প্ৰাচীন কবি-সাহিত্যিকসকলৰ মনত শিৱ এজন অতি জনপ্ৰিয় দেৱতা। নাট্য শাস্ত্ৰকাৰ ভৰত মুনিৰ (খ্ৰীঃ পূঃ ২০০০)ৰ পৰা আৰম্ভ কৰি বৰ্তমান কাললৈকে শিৱৰ বিভিন্ন গুণ আৰু ক্ৰিয়া সম্পৰ্কে বৰ্ণনা থকা কাব্য-সাহিত্য প্ৰচুৰ। শিৱ কালিদাসৰ বিশেষ প্ৰিয়ভাজন দেৱতা আছিল। এই সংক্ৰান্তত আমি 'কুমাৰ সম্ভৱ' কাব্যলৈ আঙুলিয়াব পাৰো, য'ত শিৱই হ'ল মূল চৰিত্ৰ। প্ৰকৃততে কালিদাসৰ কোনো এখন কাব্য নাই য'ত শিৱৰ উল্লেখ নাই। কালিদাসে শিৱপূজা, অনুশাসন আৰু ব্ৰত সম্পৰ্কেও উল্লেখ কৰিছে। বিখ্যাত সংস্কৃত লেখক বাণৰ 'হৰ্ষচৰিত' আৰু কাদম্বৰীৰ পৰা বুজা যায় যে তেওঁ শিৱ পুৰাণৰ এজন অতি শ্ৰদ্ধাশীল ছাত্ৰ আদি, সেই শতিকাৰে শ্ৰীহৰ্ষই তেওঁৰ 'ৰত্নাবলী' আৰু প্ৰিয়দৰ্শিতা সংস্কৃত শাস্ত্ৰত শিৱ-পাৰ্বতীৰ প্ৰতি অসীম

শ্ৰদ্ধা প্ৰদৰ্শন কৰিছে। ইয়াৰ উপৰিও ভৱভূতি (অষ্টম শতাব্দী), মহেন্দ্ৰ বিক্ৰম (সপ্তম শতাব্দী) সোমদেৱ (একাদশ শতাব্দী) আদি ৰচনাত শিৱৰ বিভিন্ন বিষয়ৰ বৰ্ণনা পোৱা যায়। ভৰত মুনিয়ে তেওঁৰ নাট্যশাস্ত্ৰত শিৱ আৰু পাৰ্বতীয়ে তাণ্ডৱ আৰু হাস্য নৃত্যৰ আৱিষ্কাৰক সেই কথা স্বীকাৰ কৰিছে।

শিৱ বেদ আৰু পুৰাণৰ দেৱতা হ'লেও আৰু তেওঁ কেন্দ্ৰ কৰি নানান দাৰ্শনিক তত্ত্ব গঢ়ি উঠিলেও সু-প্ৰাচীন কালৰ পৰা বৰ্তমান কাললৈ শিৱৰ এটি লৌকিক চৰিত্ৰ বিদ্যমান আছে। যিটো 'ভীম চৰিত' আদি গ্ৰন্থৰ পৰা উমান পাওঁ। শিৱৰ নানা প্ৰকাৰ কৰ্মৰ লৌকিক বৰ্ণনা আমি পুৰাণসমূহতো পাওঁ। সেই সম্বন্ধে কেইটামান আমোদজনক ঘটনা আমি পুৰাণ প্ৰভাৰ প্ৰথম খণ্ডত উল্লেখ কৰিছো।

কিছুমান পণ্ডিতে শৈৱ ধৰ্ম বা শিৱত প্ৰাক ঐতিহাসিক বা প্ৰাকবৈদিক বুলি ক'ব খোজে আৰু তাৰ সমৰ্থনত তেওঁলোকে আগবঢ়োৱা যুক্তি হ'ল যে হৰপ্পা মহেঞ্জোদাৰোত খনন কাৰ্য্যৰ সহায়ত এটা মূৰ্তি পোৱা গৈছিল যিটো যোগাসনত অৱস্থিত আছিল আৰু চাৰিওফালে পশুৰদ্বাৰা পৰিবেষ্টিত আছিল। মূৰ্তিটোৰ মূৰ তিনিটা আছিল আৰু মূৰত শিঙো আছিল। সেই খননত লিংগ আকৃতিৰ এটি পদাৰ্থও পোৱা গৈছিল। তেওঁলোকে মূৰ্তিটোক শিৱ আৰু লিংগ আকৃতিৰ পদাৰ্থটোক শিৱলিংগ বুলি ধাৰণা কৰিছিল। কিন্তু আন বহু পণ্ডিতে উক্ত পণ্ডিতসকলৰ মন্তব্যৰ বিৰোধিতা কৰি কৈছিল যে কেৱল অনুমানৰ ওপৰত ভিত্তি কৰিয়েই কোনো তথ্য সাব্যস্ত কৰিব নোৱাৰি। তেওঁলোকে কৈছিল যে তিনিটা মূৰ থকা মূৰ্তিটো প্ৰাচীন কালৰ পৰাই প্ৰচলিত ব্ৰহ্মা, বিষ্ণু আৰু হৰৰ ত্ৰিমূৰ্তি বুলিহে ধাৰণা হয়। দ্বিতীয়তে লিংগ সম্বন্ধে তেওঁলোকে কয় যে অতি প্ৰাচীনকালৰ আদিমবাসী সকলে কেৱল ভাৰতৰে নহয় বিশ্বৰ আন আন দেশৰো বিশেষকৈ ইজিপ্ত আৰু ৰোমানবাসীসকলে প্ৰজননৰ প্ৰতীক হিচাপে লিংগ পূজা কৰাৰ প্ৰমাণ আছে। তেওঁলোকৰ মতে শিৱৰ লিংগ পূজা পুৰাণৰ সময়তহে প্ৰৱৰ্তিত হৈছে। হৰপ্পা সভ্যতাৰ কাল খ্ৰীঃ পূঃ ৪০০০ হাজাৰ বৰ্ষৰ পৰা খ্ৰীঃ পূঃ ২৪০০ পৰ্য্যন্ত। আৰ্যসকল ভাৰতলৈ অহাৰ সময় খ্ৰীঃ পূঃ ১০০০ আৰু বেদ নিৰ্মাণৰ সময়ত খ্ৰীঃপূঃ ৮০০ পৰ আৰম্ভ হয়।

শৈৱ ধৰ্মৰ বিভিন্ন ধাৰাৰ দাৰ্শনিক অভিব্যক্তি

শৈৱ ধাৰাৰ বিভিন্ন মতসমূহৰ ভিতৰত চাৰিটাই প্ৰধান বুলি বিভিন্ন সংহিতাত পোৱা যায়। যেনে—

(১) সিদ্ধান্ত মাৰ্গীয়

(২) পাশুপাত

(৩) মহাব্ৰত ধাৰা

(৪) কাল্পনিক

শৈৱ দৰ্শন আৰু শিৱ মাহাত্ম্য জানিবলৈ হ'লে আগম শাস্ত্ৰৰ অত্যন্ত প্ৰয়োজন আৰু এই শাস্ত্ৰ উপনিষদৰ দৰে প্ৰামাণ্য। কিছুমান আগম শাস্ত্ৰত শিৱ আৰু তেওঁৰ পত্নীৰ কথোপকথনৰ মনোৰম বৰ্ণনা পোৱা যায়। আগম শাস্ত্ৰ ব্ৰাহ্মণ শাস্ত্ৰৰ নিচিনা প্ৰাচীন কিন্তু ইয়াত অষ্টম শতাব্দীলৈ আৰু বহুত নতুন শাস্ত্ৰ যোগ গৈ পাঠকক কিছু বিমোৰত পেলাইছে। এই শাস্ত্ৰবোৰ সংস্কৃত, প্ৰাকৃত আৰু কিছুমান দ্ৰাৱিড় দেশৰ ভাষাতো ৰচিত হৈছে। কিন্তু সংস্কৃত ভাষাৰ আগমহে বৰ্তমান প্ৰচলিত আছে। সংগীত, স্থপতি বিদ্যা আৰু শিল বা ধাতুৰ ওপৰত নক্সা কটা কামৰ হুবহু বিৱৰণ পোৱা যায়। শৈৱ আগম সংখ্যাত ২৮ খন আৰু ই সংস্কৃত সাহিত্যৰ বিৰাট অংশ আগুৰি আছে। প্ৰায় এক সহস্ৰ পদত শিৱই তেওঁৰ শিষ্য আৰু ভক্তিবৃন্দৰ আগত প্ৰকাশ কৰা বুলি কোৱা হৈছে। ইয়াৰ বিদ্যাপদ অধ্যায়ত শৈৱ দৰ্শনৰ বিষয়ে আলোচিত হৈছে আৰু আন অধ্যায়বোৰত শাস্ত্ৰসন্মত আনুষ্ঠানিক ক্ৰিয়া পদ্ধতি আৰু বিভিন্ন পদ্ধতিৰ নিয়ম যেনে শিৱমূৰ্তি স্থাপন, মন্দিৰ আদি নিৰ্মাণৰ বিষয়ে বিতৰ্কভাৱে আলোচিত হৈছে। আগম শাস্ত্ৰৰ বিষয়ে মহাভাৰত আৰু কিছুমান পুৰাণতো উল্লেখ আছে। সেয়ে শৈৱ ধৰ্মৰ পৰিভাষা আগম শাস্ত্ৰৰ জ্ঞানৰ অবিহনে হৃদয়ংগম কৰাটো কঠিন। আগম শাস্ত্ৰই ন্যায়— বৈশেষিক তত্ত্বৰ যুক্তি-তৰ্ক মানি লয়। ইয়াৰ প্ৰধান তত্ত্ববোৰ সাংখ্যদৰ্শনৰ পৰা লোৱা যেন লাগে। আগমৰ শাস্ত্ৰ সন্মত আনুষ্ঠানিক ক্ৰিয়বোৰ পাশুপাত ধাৰাৰ পঞ্চাৰ্থ বিদ্যা বোলা হয় আৰু এই ধাৰাটো উচ্চধাৰা বুলি বহুতে মান্য কৰে।

বামন পুৰাণৰ মতে শৈৱ ধাৰাৰ চাৰিটা ভাগ—

(১) শৈৱ (শৈৱ সিদ্ধান্তিকা)

(২) পাশুপাত

(৩) কালবদন আৰু কালমুখ

(৪) কাল্পনিক

কায়বীয় সাহিত্যৰ মতো একেই আৰু এই চাৰিধাৰাৰ সাধকবোৰেই হ'ল শিৱ।

যমুনাচাৰ্যৰ আগম প্ৰামান্যৰ মতেও ভাগ চাৰিটা— কাল্পনিক, কালমুখ, পাশুপাত আৰু শৈৱ। যমুনাচাৰ্যৰ সময়তে মহেশ্বৰ তন্ত্ৰ নামটোও প্ৰতিষ্ঠা লাভ কৰে। বাচস্পতি মিশ্ৰৰ মতেও মহেশ্বৰৰ শাখা চাৰিটা শৈৱ, পাশুপাত, কাৰুনিকা সিদ্ধান্ত আৰু কাল্পনিক।

ৰামানুজৰ শ্ৰীভাষ্যমতে পশুপতি মত অবৈদিক, প্ৰচলিত মত বিৰোধী। এই মাৰ্গৰ সাধকসকল চাৰি ভাগত বিভক্ত ঃ কাপাল, কালমুখ, পাশুপাত আৰু শৈৱ।

সুপ্ৰভেদাগমে শৈৱ পাশুপাত, সৌম আৰু লাকুল এই চাৰিটা ভাগ কৰিলে। লকুলী ধাৰা পাশুপাত ধাৰাৰ পৰা ফাটি অহা বুলি সাধাৰণতে ধৰা হয়। আৰ চি ভাণ্ডাকাৰৰ মতে লাজুলীকে পাশুপাত মত প্ৰথমতে প্ৰতিষ্ঠা কৰে। অন্যমতত শ্ৰীকণ্ঠই এই মত প্ৰচলন কৰে। কোনো কোনোৱে শ্ৰীকণ্ঠ আৰু লকুলীশক গুৰু-শিষ্য বুলিও ক'ব খোজে। শিলালিপি, তাম্ৰলিপি আৰু কোনো সাহিত্যত অৱশ্য এই বিষয়ৰ উল্লেখ নাই। খ্ৰীঃপূঃ দ্বিতীয় শতিকা লাজুলীশৰ আবিৰ্ভাৱ কাল বুলি ধৰা হয়। কিছুমান পুৰাণৰ মতে লকুলী আঠাইশতম তথা শেষ অৱতাৰ। লিংগায়ত আৰু বীৰ শৈৱ ইয়াৰ পাছত উদ্ভৱ হোৱা শাখা।

লাজুকীশক মত মান্য কৰা সকলে হাতত দণ্ড আৰু কমণ্ডলু লয়। বহল কাপোৰেৰে অংগ ঢাকে। মূৰত জঁটা ৰাখে আৰু জঁটাত লিংগ ৰাখে। গাত ভস্ম সানে, উপবীত ধাৰণ কৰে আৰু অৰণ্যত বাস কৰে। সোৱাদ নলগা খাদ্য বা ফলমূল ভক্ষণ কৰে। মানুহৰ ৰোগ আদি হ'লে শুশ্ৰূষা কৰি ভাল পায়। কিছুমান সাধকৰ পত্নী থাকে আৰু কিছুমান অবিবাহিত। বিখ্যাত পণ্ডিত নীলকান্ত শাস্ত্ৰীৰ মতে দাক্ষিণাত্যৰ লিংগায়ত আৰু কাশ্মীৰী এই দুটাই

শৈৱ ধৰ্মৰ প্ৰধান শাখা। কাশ্মীৰী শাখাৰ সাহিত্য নৰম শতিকাতে পোৱা গৈছে কাৰণে এই শাখ সুপ্ৰাচীন শাখা বুলি গণ্য কৰা হয়।

কাশ্মীৰী শাখা আদৈতবাদী শাখা। এই শাখাক বহুতে আভাসবাদ বুলিও কয়। আনহাতে, লিংগায়ত শাখাত অদ্বৈতবাদী বুলি ক'ব নোৱাৰি। নানাতত্ত্ববাদ এওঁলোকে বিশ্বাস কৰে।

দাৰ্শনিক সিদ্ধান্তৰ কালৰ পৰা শৈৱতত্ত্ব যদি ভাগ কৰা হয় তেন্তে দুটা সম্প্ৰদায় বিভক্ত কৰিব পাৰি। যেনে—(১) সিদ্ধান্ত সম্প্ৰদায়, (২) প্ৰত্যভিজ্ঞা সম্প্ৰদায়। পৰৱৰ্তীকালত তান্ত্ৰিক কবলিত হৈ কীল কবচ অৰ্গষা, সতনাম, সহস্ৰনাম ইত্যাদি বৈশিষ্টমণ্ডিত হৈছে। কিন্তু মধ্যযুগৰ পূৰ্বত বিশেষ কোনো তান্ত্ৰিক প্ৰভাৱ পৰিলক্ষিত নহয়। তান্ত্ৰিক প্ৰভাৱৰ ফলত বহু ব্যভিচাৰী প্ৰথাৰো উদ্ভৱ হৈ বিশুদ্ধ শৈৱ ধৰ্ম কলংকিত কৰাও দেখা গৈছে। বৌদ্ধ তন্ত্ৰৰ প্ৰভাৱো ইয়াৰ কাৰণে কম দায়ী নহয়।

অৰ্ধনাৰীশ্বৰ শিৱ

শিৱৰ এটি বিশেষ ৰূপ অৰ্ধনাৰীশ্বৰ। এই ৰূপটো হিন্দু দেৱ-দেৱীৰ ভিতৰত অনন্য। ইয়াৰ এটি ধৰ্মীয় আৰু দাৰ্শনিক তাৎপৰ্য নথকা নহয়।

মহাকবি কালিদাসে তেওঁৰ প্ৰসিদ্ধ মহাকাব্য ৰঘুবংশৰ সূচনাত লিখিছে—

'বাগৰ্থাবিব সম্পৃক্তো বাগাৰ্থ প্ৰতিপত্তমে।
জগতঃ পিতৰৌ বন্দে পাৰ্বতী পৰমেশ্বৰো।।'

কালিদাসে কৈছে যে শব্দ আৰু অৰ্থ যিদৰ পৰস্পৰৰ লগত নিত্য সম্বন্ধযুক্ত, জগতৰ জননী আৰু জনক পাৰ্বতী আৰু মহেশ্বৰো তেনেদৰে সদায় পৰস্পৰৰ লগত সংযুক্ত। কালিদাস সম্বন্ধে কিংবদন্তীয়ে, তেওঁ গুপ্ত সম্ৰাট, দ্বিতীয় চন্দ্ৰগুপ্ত বা বিক্ৰমাদিত্যৰ (চতুৰ্থ আৰু পঞ্চম শতাব্দী) নৱৰত্নৰ অন্যতম আছিল। গুপ্তযুগৰ অৰ্ধনাৰীশ্বৰ মূৰ্তি আৰু কালিদাসৰ শিৱ-পাৰ্বতীৰ সংপৃক্ত ৰূপকল্পনাৰ দ্বাৰা এইটো প্ৰমাণিত হয় যে শিৱৰ এই বিশেষ ৰূপটি কালিদাসৰ আগৰ পৰাই জনপ্ৰিয়তা লাভ কৰিছিল। ত্ৰিপুৰা আৰু নেপালত কিছু মুদ্ৰা আৰু মূৰ্তিত দেখা পোৱা যায় লক্ষ্মী নাৰায়ণৰ অৰ্ধনাৰীশ্বৰ মূৰ্তি;

এইবোৰ বহু পিছৰ কালৰ আৰু ই শিৱ-পাৰ্বতীৰ অৰ্ধনাৰীশ্বৰ কল্পনাৰ দ্বাৰা প্ৰভাৱিত বুলি অনুমান কৰিব পাৰি। ষষ্ঠ শতাব্দীৰ জ্যোতিৰ্বিদ বৰাহ মিহিৰে তেওঁৰ বৃহৎসংহিতাত শিৱ মূৰ্তিৰ প্ৰতিমালক্ষণ বৰ্ণনাকালত অৰ্ধনাৰীশ্বৰ মূৰ্তিৰো বৰ্ণনা দিছে। দাৰ্শনিক দৃষ্টিকোণৰ পৰা দেখা যায় অৰ্ধনাৰীশ্বৰ বেদান্তৰ অদ্বয় তত্বৰেই প্ৰতীক। তান্ত্ৰিক দৰ্শন অনুসাৰেই শিৱ আৰু শক্তি স্বৰূপত অভেদ।

অৰ্ধনাৰীশ্বৰৰ কল্পনাত আৰু ৰূপভাৱনাত এটা গুৰুত্বপূৰ্ণ সামাজিক তাৎপৰ্যও আছে। সভ্যতাৰ চালিকা শক্তিৰ সূত্ৰটি কেৱল পুৰুষৰ হস্তগত হোৱাটো উচিত নহয়। তাত সমানভাৱে নাৰীৰো অধিকাৰ থকা উচিত। প্ৰচলিত সমাজ ব্যৱস্থাত নাৰীৰ ভূমিকা প্ৰায় নেপথ্যচাৰিনীৰ। কিন্তু নেপথ্য হ'লেও গুৰুত্বৰ দিশৰ পৰা নাৰীৰ ভূমিকা কোনো গুণেই কম নহয়। যি সমাজৰ নাৰী আৰু পুৰুষৰ ভূমিকা স্বীকৃত আৰু শক্তি সুদ্ধভাৱে সন্মিলিত সেই সমাজেই আদৰ্শ সমাজ। এই উপলব্ধি আমাৰ প্ৰাচীন পূৰ্বপুৰুষসকলে আন সকলোকে অৱহিত কৰিবৰ প্ৰয়াসেৰে অৰ্ধনাৰীশ্বৰ তত্ব আৰু মূৰ্তি ভাৱনাৰ সৃষ্টি কৰিছিল। আধুনিক কালত স্বামী বিবেকানন্দই বলিষ্ঠভাৱে প্ৰকাশ কৰিছিল যে নাৰী আৰু পুৰুষ সমাজ পক্ষীৰ দুটি পাখী। দুয়োখন পাখী সমান বা সবল নহ'লে চৰাই যিদৰে উৰিবলৈ সক্ষম নহয় ঠিক তেনেদৰে নাৰী আৰু পুৰুষৰো সমান গুৰুত্ব আৰু উভয়ৰ অবিহনে সমাজৰ প্ৰগতি অসম্ভৱ।

শৈৱধৰ্মৰ বিভিন্ন শাখা : বীৰ শৈৱ বা লিংগায়ত

দক্ষিণ ভাৰতৰ কৰ্ণাটকত এক প্ৰকাৰ উগ্ৰ শৈৱ ধৰ্ম গঢ়ি উঠিছিল। নাম আছিল বীৰ শৈৱ বা লিংগায়ত। এই ধৰ্ম প্ৰাচীন ঐতিহ্যবাদী ৰচক নামৰ এজন কানাড়ী ব্ৰাহ্মণে সুনিৰ্দিষ্ট ৰূপ দিছিল। কৰ্ণাটকৰ ৰা জৈনধৰ্মীসকলক উৎখাত কৰা আৰু এখন আদৰ্শ সমাজ গঢ়াই ইয়াৰ লক্ষ্য আছিল। এই দুয়োটা উদ্দেশ্য বহু পৰিমাণে সফলো হৈছিল।

বীৰ শৈৱসকলে নাৰী পুৰুষ নিৰ্বিশেষে শৰীৰত শিৱলিংগ ধাৰণ কৰিছিল। এই লিংগ ধাৰণেই তেওঁলোকৰ উপনয়ন বা দীক্ষা। এওঁলোকে

উপবীত ধাৰণ নকৰে আৰু গায়ত্ৰীও পাঠ নকৰে। বীৰ শৈৱসকলে ইষ্ট লিংগৰ বাহিৰে আন কোনো মূৰ্তিৰেই পূজা নকৰে। বেদ সম্পৰ্কে তেওঁলোক আছিল উদাসীন। বেদৰ বিৰোধিতাও নকৰে আৰু ইয়াৰ প্ৰাধান্যও স্বীকাৰ নকৰে। সমাজ সংস্কাৰেই আছিল তেওঁলোকৰ মূল লক্ষ্য। দৰিদ্ৰ শ্ৰেণীৰ উন্নতি, জলদান, অন্নদান, ঔষধদান আৰু বিদ্যাদান আদিক তেওঁলোকে পালনীয় কৰ্তব্য বুলি ধৰি লৈছিল।

বীৰ শৈৱসকলে জাতি-ভেদ নামানিছিল। ধুমপান, মদ্যপান আৰু মাংস ভক্ষণ নকৰিছিল। নাৰীক তেওঁলোকে উচ্চ স্থান দিছিল। স্ত্ৰী-পুৰুষৰ সমান অধিকাৰৰ প্ৰাধান্য দিছিল। বাল্য বিবাহৰ বিৰোধী আছিল, বিধৱা বিবাহক সন্মান কৰিছিল। অনগ্ৰসৰ আৰু জড় সমাজক গতিশীল কৰিবলৈ প্ৰয়োজন হ'লে বলো প্ৰয়োগ কৰিছিল।

বাসৱ আছিল ৰজৱ বিজ্জলৰ সময়ৰ পুৰুষ। তেওঁ শৈৱধৰ্মৰ বৰ্ণাশ্ৰমৰ পৰা মুক্ত কৰি নতুন দৃষ্টিভংগী দান কৰিছিল। বাসৱৰ নিজে লিখা কোনো গ্ৰন্থ নাছিল। কিন্তু তেওঁৰ বাণীসমূহ 'বচন' নামে সংগৃহীত হৈছিল। কানাড়ী সাহিত্যত ই মূল্যবান সম্পদ। বীৰ শৈৱসমূহৰ পবিত্ৰতম আৰু প্ৰামাণিক শাস্ত্ৰ লৈ কানাড়ী ভাষাত ৰচিত বসব পুৰাণ (ত্ৰয়োদশ শতিকা) আৰু দুন্ব বসব পুৰাণ যাক আচাৰ্য বীৰপক্ষই ষোড়শ শকিতাত ৰচনা কৰিছিল।

বীৰ শৈৱসকলৰ মূল কথা হ'ল দৃশ্যমান জগতৰ যি আদি কাৰণ আৰু আধাৰ সমস্ত জাগতিক ক্ৰমবিকাশৰ মূল আৰু চৰম গতি, তেওঁ হ'ল স্থল। 'স্থ'ৰ অৰ্থ স্থিতি য'ত বিশ্ব জগতৰ কাৰণ স্থিত, 'ল'ৰ অৰ্থ হ'ল লীন য'ত সৃষ্ট বিশ্ব চৰাচৰ প্ৰলয়কালত লীন হৈ যায়। অন্তৰ্নিহিত শক্তিৰ আলোড়নৰ ফলত এই মূল লিংগস্থল আৰু অংগস্থল নামৰ দুটি ভাগত বিভক্ত হয়, লিংগস্থল উজাস্য শিৱ বা পৰমাত্মা। অংগস্থল জীৱ বা জীৱাত্মা। আকৌ লিংগ শব্দটোৰ ধাতুগত অৰ্থ লী ধাতু (দ্ৰৱীভূত হোৱা) গম্ ধাতু (যোৱা) এই চৰম সত্যকে নিৰ্দেশ কৰে য'ত, সকলো লয় প্ৰাপ্ত হয়। আকৌ যাৰ পৰাই সকলো উদ্ভৱ হয়। শিৱভক্তিৰ প্ৰথমটোৰ সম্পৰ্ক পৰমাত্মাৰ লগত, দ্বিতীয়টোৰ জীৱাত্মাৰ লগত, সমস্ত সদবস্তুৰ মাজত উপাদানতকৈ আকাৰৰ গুৰুত্ব বেছি। উপাদানগত অংশ শিৱ। আনহাতে, আকাৰগত অংশ শক্তি। বীৰ শৈৱমতে এটা আদি সত্ত্ববাদ নিজৰ শক্তিৰ ক্ৰিয়া পৰম্পৰা আৰু জীৱাত্মাই ঈশ্বৰ আৰু জীৱত ৰূপান্তৰিত হয়। বীৰ শৈৱসকলে মায়াবাদ স্বীকাৰ

নকৰে। কাৰণ জগত চৈতন্যৰ মিথ্যা বিৱৰ্তন হ'ব নোৱাৰে। কাৰণ জগতবাদৰ লগত এই মতবাদৰ মূল পাৰ্থক্য বিদ্যমান। বীৰ শৈৱমতে ঈশ্বৰৰ এক বিশেষ শক্তি আৰু তাৰেই বিভিন্ন ক্ৰমৰ পৰাই জীৱ আৰু জগতৰ উদ্ভৱ হয়।

পাশুপাত শাখা

শৈৱতত্ত্বৰ পাশুপাত ধাৰা বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰিবলৈ সম্বলৰ একেবাৰে অভাৱ। খ্ৰীষ্টীয় শতিকাৰ প্ৰথম ভাগৰ যি সাহিত্যিক আৰু আৰ্কিঅলজিকেল সম্বল পোৱা গৈছে তাৰ পৰাহে কিছু অধ্যয়ন কৰিব পাৰি।

শিৱ শ্ৰীকণ্ঠ (শ্ৰীকান্ত)ৰ মহাভাৰতত প্ৰথম এই পাশুপাত মতবাদৰ বিষয়ে লিপিবদ্ধ হৈছে। নাকুলীয় শিৱ শ্ৰীকণ্ঠৰে শিষ্য। শিৱৰ ২৮শ অৱতাৰ লাকুলীৰূপে এই পাশুপাত শাখা প্ৰতিষ্ঠা কৰে বুলি আৰু জি ভাণ্ডাৰকাৰৰ দৰে পণ্ডিতে মত প্ৰকাশ কৰিছে। লাকুলী পাতঞ্জলিৰ সময়ৰ। আন কিছু পণ্ডিতৰ মতে গুৰু-শিষ্য দুয়োজনৰ যুগ্ম প্ৰচেষ্টাত পাশুপাত শাখাৰ প্ৰতিষ্ঠা হয়।

প্ৰথম পতঞ্জলিয়েই শিৱ ভাগৱতৰ কথা উল্লেখ কৰিছিল বুলি কোৱা হয়। দ্বিতীয় চন্দ্ৰগুপ্তৰ মথুৰাৰ স্তম্ভৰ পৰা পোৱা তথ্যৰ আধাৰত ক'ব পাৰি যে লকুলীৰ ধাৰাই দ্বিতীয় শতিকাৰ পৰা প্ৰাধান্য পাইছিল।

সিন্ধু উপত্যকাৰ মানুহৰ মাজত প্ৰচলিত পশুপতিৰ ধাৰণা বহুদেৱতাৰ দিনৰে পৰা বুলি নিঃসন্দেহে ক'ব পাৰি। বৈদিক সাহিত্যত অৱশ্য পশুপতিৰ কোনো উল্লেখ নাই। 'পাশুপাত সূত্ৰত' এই ধাৰাৰ লোকৰ জীৱন কেনে আছিল বৰ্ণিত হৈছে। এই ধাৰাৰ যিসকল সন্ন্যাসীয়ে নগ্নৰূপত, হাত যোৰ কৰি ওমঃ নমঃ শিবায় আবৃত্তি কৰে, গাত ভস্ম সানি পঞ্চ অগ্নিৰ সাধনা কৰে, ডম্বৰুৰ শব্দত নৃত্য কৰি গীত পায় তেওঁলোককে প্ৰাকৃত পাশুপাত বোলা হৈছিল। কূৰ্ম পুৰাণ, ৰামায়ণ, মহাভাৰততো এই ধাৰাৰ কিছু বৰ্ণনা আছে। গাত ভস্ম সানি, নগ্ন হৈ জঁটাধাৰী ৰূপত ৰক্ত চকুৰে দেৱদাৰু বনত ভ্ৰমী ফুৰা শিৱক উন্মাদ বুলিও কোৱা হৈছে।

মহাভাৰতত দক্ষৰ আগত শিৱই পাশুপাত ধৰ্মৰ কথা কোৱাৰ লগতে সংখ্যা যোগ সাধনাৰ কথাও ব্যক্ত কৰিছে।

পাশুপাত দৰ্শনৰ বিষয়ে 'সাৰদা তিলক' আৰু 'গণকাৰিতা' নামৰ তন্ত্ৰত কিছু কথা বৰ্ণোৱা আছে। গণকাৰিতা ৰচনা কৰিছিল আচাৰ্য ভাসবজ্ঞই। মধৱাচাৰ্য্যক সৰ্ব দৰ্শন সংগ্ৰহতো পাশুপাত ধাৰাৰ দৰ্শনৰ কথা সন্নিৱিষ্ট হৈছে। পাশুপাত দৰ্শনত কোৱা হৈছে যে ঈশ্বৰ ক্ৰিয়াশীল হ'লেও জগত সৃষ্টিৰ মূল কাৰণ তেওঁ নহয়। উপনিষদ বিৰোধী বুলি শংকৰাচাৰ্যই পাশুপাত ধাৰাত সমৰ্থন কৰা নাছিল।পাশৰ বন্ধন ছিন্ন কৰি অৰ্থাৎ লোভ, ক্ৰোধ আদি জয় কৰি ওঁকাৰ মন্ত্ৰৰ জপ আৰু যোগ ধ্যানৰ দ্বাৰা মুক্তি জ্ঞানৰ লক্ষ্যই পাশুপাত ধাৰাৰ দৰ্শন।

শৈৱ সিদ্ধান্ত বা তামিল শৈৱ ধৰ্ম

দক্ষিণ ভাৰতত যি বিশেষ ধৰণৰ শৈৱ সিদ্ধান্ত গঢ়ি উঠিছিল সেই মতবাদ শৈব সিদ্ধান্ত নামে পৰিচিত। সাধকসকলে অৱশ্য সচেতনভাৱে এই মতবাদ গঢ়ি তোলা নাছিল। তেওঁলোকে যি ঐতিহ্যৰ সৃষ্টি কৰিছিল পৰৱৰ্তী সময়ত চাৰিজন শৈৱচাৰ্য্যই তাৰ অৱলম্বনতে শৈৱ সিদ্ধান্ত গঢ়ি তুলিছিল। 'শিৱজ্ঞান বোধ'ম এই সম্প্ৰদায়ৰ মৌলিক গ্ৰন্থ (ত্ৰয়োদশ শতিকা)। শিৱজ্ঞান সিদ্ধি আৰু উমাপতিৰ শিৱ প্ৰকাশন এই সম্প্ৰদায়ৰ আন দুখন উল্লেখযোগ্য গ্ৰন্থ।

শৈৱ সিদ্ধান্তবাদীসকলে তেওঁলোকৰ তত্ত্বত কিছু বেদান্তৰ আৰু ন্যায় বৈশেষিক দৰ্শনৰ তত্ত্বও সমাহাৰ কৰিছিল যদিও শৈৱধৰ্মৰ সকলোতকৈ ডাঙৰ উপাদান সাংখ্যক পৰিত্যাগ কৰা নাছিল। তেওঁলোকৰ প্ৰধান তত্ব তিনিটা পতি (ঈশ্বৰ) পশু (জীৱ) আৰু পাশ(সংসাৰ বন্ধন) এই তিনিটা তত্ত্বই সৎ বা অস্তিত্ববান। ঈশ্বৰ যেনেকৈ বাস্তৱ, তেওঁৰ সৃষ্ট জগতো তেনেকৈ বাস্তৱ। ঈশ্বৰ স্বয়ং শিৱ যি স্বেচ্ছাই জগতৰ সৃষ্টি, স্থিতি আৰু সংহাৰ কৰি থাকে। তেওঁ সকলো প্ৰকাৰৰ পৰিণামহীন নহয়। শৈৱ সিদ্ধান্তবাদীসকলে বিশ্বাস কৰে যে কুমাৰে যেনেকৈ ঘট আদি সৃষ্টি কৰে তেনেকৈ ঈশ্বৰো জগত সৃষ্টিৰ নিমিত্ত কাৰণ। মৃত্তিকা যেনেকৈ কুমাৰৰ ঘটৰ উপাদন তেনেকৈ জগত সৃষ্টিৰ উপাদানৰ কাৰণ হৈছে মায়া। ইয়াতেই বেদান্তৰ প্ৰভাৱ অতি স্পষ্ট। ন্যায়

বৈশেষিক সকলৰ মতো প্ৰায় একে। জগতৰ ৰূপ সৃষ্টিৰ কাৰণ বিশ্লেষণ কৰি তেওঁলোকে ধাৰণা কৰে যে উপাদান কাৰণ প্ৰকৃতিৰ দ্বাৰাই সংঘটিত হৈছে। জগত জড় বা অচিত্ত। ঈশ্বৰ চেতন আৰু চিত। সেয়ে ঈশ্বৰ এই জগতৰ উপাদনৰ কাৰণ হ'ব নোৱাৰে। সেয়ে জড়ৰূপী মায়াই উপাদনৰ কাৰণ হ'ব লাগিব। পুনৰ প্ৰশ্ন আহে যে জড় মায়ানো সৃষ্টি হ'ল কেনেকৈ? মায়া কি ঈশ্বৰৰ দৰে চিৰন্তন? তেতিয়া হ'লে ঈশ্বৰ তাৰ স্ৰষ্টা হ'ব নোৱাৰে। দ্বিতীয়তে ঈশ্বৰ যদি মায়াৰ সৃষ্টি তেতিয়াহ'লে চৈতন্যময়ৰ পৰাই জড় বস্তুৰ সৃষ্টি হ'ব লাগিব। চৈতন্যৰ পৰা জড়ৰ উদ্ভৱ কেনেকৈ হ'ব পাৰে যদি তৰ্কৰ খাতিৰতো মানি লোৱা হয়, তেতিয়াহ'লে ঈশ্বৰ পৰিণামী হ'ব লাগিব। কিন্তু ঈশ্বৰতো অপৰিনামী।

তৃতীয়তে, মায়া যিহেতু জড় বা অচিৎ সেই কাৰণে ই স্বয়ংক্ৰিয় হ'ব নোৱাৰে। তাৰ কাৰণে চেতন পৰিচালনাৰ প্ৰয়োজন আছে। ঈশ্বৰে সেইটো কেনেকৈ কৰে?

এই সমস্যাবোৰৰ সমাধান কৰিব নোৱাৰি কেইটামান কল্পিত ধাৰণাৰে সৃষ্টি ৰহস্য ব্যাখ্যা কৰিছে। মায়াক তেওঁলোকে দুটা ভাগত বিভক্ত কৰে। শুদ্ধ মায়া আৰু অশুদ্ধ মায়া। ঈশ্বৰ বা শিৱই পোনপতীয়াকৈ মায়াৰ দ্বাৰা কাম নকৰে। তেওঁৰ চিৎ শক্তিৰ দ্বাৰাই ক্ৰিয়া কৰে। এনেদৰে শিৱৰ দ্বাৰা চালিত হৈ মায়াই নিজৰ পৰাই সমূহ তত্ত্ব সৃষ্টি কৰে আৰু তত্ত্ববোৰে প্ৰকৃতিৰ বিৱৰ্তন ঘটাই জগত সৃষ্টি কৰে। ধৰ্মৰ ফালৰ পৰা শৈৱ সিদ্ধান্তবাদীসকল চৰম ভক্তিবাদী। তেওঁলোকৰ মতে চৰ্য্যা, ক্ৰিয়া, যোগ আৰু জ্ঞানৰ দ্বাৰা আত্মাৰ মুক্তি হয়, চৰ্য্যা মাৰ্গৰ সাধকে নিজকে ঈশ্বৰৰ দাস বুলি ভাবিব পাৰিলে ঈশ্বৰ প্ৰাপ্তি হয়। পৰৱৰ্তী পৰ্য্যায়ত অৰ্থাৎ ক্ৰিয়া মাৰ্গত সাধকে ঈশ্বৰৰ লগত বেছি আত্মীয়তা অনুভৱ কৰে আৰু নিজকে ঈশ্বৰৰ সৎ পুত্ৰ বুলি ধাৰণা কৰে। ইয়াৰ পিছৰ পৰ্য্যায়ত অৰ্থাৎ যোগ মাৰ্গত এই সম্পৰ্ক আৰু ঘনিষ্ঠ হয় আৰু তেতিয়া ঈশ্বৰৰ সখাৰূপে বিবেচনা কৰে। পৰৱৰ্তী পৰ্য্যায়ত অৰ্থাৎ জ্ঞান মাৰ্গত ভক্তই পৰিপূৰ্ণতা লাভ কৰে। তেতিয়া শিৱৰ উপলব্ধি হয় যাৰ অৰ্থ মুক্তি বা মোক্ষ। প্ৰথম স্তৰ সালোক্য, দ্বিতীয় স্তৰ সামীপ্য, তৃতীয় স্তৰ সাৰূপ্য আৰু চতুৰ্থ স্তৰ হৈছে সাযুজ্য স্তৰ।

কাশ্মীৰী শৈৱবাদ

কাশ্মীৰী শৈৱবাদৰ উদ্ভৱ খ্ৰীষ্টীয় নৱম শতাব্দীত। এই মতবাদৰ মতে বেদ প্ৰামান্য নহয়। এই মতবাদীসকলে জাতিবেদ নামানে। ত্ৰিৰ আৰু প্ৰত্যাভিজ্ঞা এই তিনিটা আদৰ্শই কাশ্মীৰী শৈৱবাদক প্ৰভাৱান্বিত কৰিছে আৰু তিনিটা নামেৰে এই মতবাদক বুজোৱা হয়। ই হৈছে শিৱশক্তি অনু অথবা পতি পাশ পশু। এই ত্ৰিতত্ব শৈৱধৰ্মৰ অন্য শাখাতো বিদ্যমান থাকিলেও কাশ্মীৰী শৈৱবাদত জীৱ আৰু জড় জগত শিৱৰ লগত অভিন্ন। শিৱ যিদৰে নিজে জীৱ আৰু জগতৰ আকাৰত প্ৰতিভাত হয়, সেই ৰূপান্তৰৰ পদ্ধতিৰ নাম স্কন্দ। সত্যভিজ্ঞা বুলিয়ে বুজোৱা হয় পৰমাত্মা বা শিৱৰ লগত জীৱাত্মাৰ অভিজ্ঞতাৰ উপলব্ধিৰ ৰূপায়ণ।

শিৱ সূত্ৰৰ প্ৰণেতা বসুগুপ্ত (৮২৫ খৃঃপূঃ) কাশ্মীৰ শৈৱবাদৰ প্ৰবক্তা হিচাপে কথিত। তেওঁৰ শিষ্য কল্লটে 'স্পন্দ সৰ্বস্ব' গ্ৰন্থৰ শিৱপুত্ৰ অনুসৰণত কাশ্মীৰী শৈৱবাদৰ তাত্বিক ভিত্তি স্থাপন কৰে। বসুগুপ্তৰ অন্য শিষ্য সোমানন্দই শিৱ দৃষ্টি নামৰ গ্ৰন্থৰ লিখক। পৰৱৰ্তী আচাৰ্যসমূহৰ মাজত ঈশ্বৰ প্ৰত্যাভিজ্ঞা কাৰিতাৰ লিখক উৎপ, কণ্ঠ আৰু অভিনৱ গুপ্ত উল্লেখযোগ্য। অভিনৱগুপ্ত আছিল ৪১খন গ্ৰন্থৰ লিখক। অভিনৱ গুপ্তৰ অৱদান দুফালৰ পৰা অভিনৱ। প্ৰথমে তেৱেঁই ৬০খন শৈৱ গ্ৰামৰ লগত অদ্বৈত শৈৱবাদৰ সকলো দিশৰ যোগসূত্ৰ স্থাপন কৰে। দ্বিতীয়তে তেওঁ অদ্বৈত শৈৱবাদৰ ওপৰত ভিত্তি কৰি ভাৰতীয় সৌন্দৰ্য্য তত্ত্ব প্ৰতিষ্ঠা কৰে। অভিনৱ গুপ্তৰ ৰচনাকাল খৃষ্টীয় (৯৪১-১০১৫) পৰ্যন্ত আছিল। কাশ্মীৰী শৈৱবাদৰ বিষয়ে লিখা তেওঁৰ শ্ৰেষ্ঠতত্ব গ্ৰন্থ হ'ল পৰমাৰ্থসাৰ। পৰৱৰ্তী কাশ্মীৰী শৈৱবাদী লোকসকলৰ মাজত 'প্ৰত্যাভিজ্ঞাহৃদয়'ৰ লিখক খেমৰাজ (১০৪০ খ্ৰীঃ) আছিল। শৈৱধৰ্মৰ বিভিন্ন শাখাৰ মতানুযায়ী কাশ্মীৰী শৈৱবাদৰ চৰম সত্ত্বা শিৱ বা শম্ভু। তেওঁ সকলো জীৱৰ আত্মাস্বৰূপ, অপৰিবৰ্তনীয় আৰু চিৰন্তনভাৱে পূৰ্ণ। তেওঁৰ বিশুদ্ধ চৈতন্য আৰু চৰম অভিজ্ঞতা পৰমেশ্বৰ। তেওঁ সকলো অস্তিত্বৰ ভিত্তি, জীৱৰে সৰ্বমূল। তেওঁ অনাদি আৰু এক, সচল, অচল সকলোতে তেওঁৰ অধিষ্ঠান। স্থান আৰু কালে তেওঁক সীমাবদ্ধ কৰিব নোৱাৰে। তেওঁ সকলো অতিক্ৰম কৰে। তেওঁ বিশ্বময় আৰু বিশ্বোত্তীৰ্ণ। তেওঁ অনন্ত।

বিশুদ্ধ চৈতন্য স্বৰূপে শিৱ জগতৰ নিমিত্ত আৰু উপাদন কাৰণ। ইয়াত কাৰণ আৰু কাৰ্যৰ কোনো তফাৎ নাই। কিন্তু ইয়াতো প্ৰাচীন সমস্যা বৰ্তমান। বিশুদ্ধ চৈতন্যস্বৰূপ ব্ৰহ্মাৰ পৰা কেনেকৈ জড় জগতৰ সৃষ্টি হ'ব পাৰে, ইয়াৰ উত্তৰত প্ৰত্যাভিজ্ঞা শাস্ত্ৰত আভাস্বাদৰ কথা কোৱা হয়। এই মত অনুযায়ী ঈশ্বৰ সম্পূৰ্ণ স্বাধীন আৰু নিৰপেক্ষ। যি নিজৰ ইচ্ছা শক্তিৰ দ্বাৰা বিশ্বজগত সৃষ্টি কৰে। সৃষ্ট জগত তেওঁৰেই প্ৰতিচ্ছবি। আপাত দৃষ্টিত তেওঁৰ লগত জগতৰ যি পাৰ্থক্যবোধ সেয়া ভ্ৰান্তিৰ কাৰণেহে হয়। সৃষ্ট জগত আৰু জীৱৰ লগত তেওঁৰ কোনো পাৰ্থক্য নাই। দাপোণত প্ৰতিবিম্বিত ছবিয়ে যেনেকৈ দাপোণক কলুষিত নকৰে বা কোনো ৰেখা বা ছাপ পেলাব নোৱাৰে তেনেকৈ তেওঁৰ মহিমাকো বিন্দুমাত্ৰ কলুষিত কৰিব নোৱাৰে।

বিশ্বজগতৰ প্ৰকাশ হয় শিৱৰ শক্তিৰ জৰিয়তে। স্ত্ৰীৰূপিনী এই শক্তি শিৱৰ পৰা পৃথক নহয়। এই শক্তি বহুধৰণৰ। প্ৰধানকৈ পাঁচ ধৰণৰ চিৎ, আনন্দ, ইচ্ছা, জ্ঞান আৰু ক্ৰিয়া। শক্তিৰ প্ৰকাশতে জগতৰ প্ৰকাশ হয়। শক্তি লুপ্ত হ'লেই জগত লুপ্ত হ'ব। সৃষ্টি আৰু প্ৰলয় সংঘটিত হয় ইটোৰ পাছত সিটোকৈ। ইয়াৰ আদিও নাই অন্তও নাই।

জীৱ আচলতে ঈশ্বৰৰ পৰা পৃথক নহয়। কিন্তু অজ্ঞানৰূপ তমসাৰ দ্বাৰা আচ্ছন্ন হৈ থাকে কাৰণে ঈশ্বৰৰ লগত থকা ঐক্য জীৱই উপলব্ধি কৰিব নোৱাৰে। গুৰুৰ উপদেশ মতেহে জীৱৰ অজ্ঞানতা দূৰ হয় আৰু তেতিয়াই বুজিব পাৰে যে ঈশ্বৰৰ লগত তেওঁৰ ভেদ নাই। তেতিয়াই চিত্তৰ উপলব্ধি হয় চিৰশান্তি, চিৰ আনন্দ।

স্পন্দ শাস্ত্ৰ মতে আৰু প্ৰত্যাভিজ্ঞা দৰ্শন অনুসাৰে ঈশ্বৰৰ লগত একাত্মবোধেই জীৱনৰ মুক্তিৰ প্ৰাথমিক উপায়। কাশ্মীৰী শৈৱবাদত আচাৰ, অনুষ্ঠান, আসন, প্ৰাণায়ামো অপ্ৰয়োজনীয়।

কাশ্মীৰী শৈৱবাদৰ মুখ্য হৈছে পূৰ্ণতাৰ মূল অৱস্থাৰ বিশুদ্ধ চৈতন্যলৈ প্ৰত্যাৱৰ্তন। অভিনৱ গুপ্তৰ মতে, দ্বৈতমূলক ধাৰণাসমূহৰ অৱসান ঘটিলেই জীৱ ব্ৰহ্মাৰ লগত মিল হৈ যায়। যেনেকৈ পানী পানীৰ লগত, গাখীৰ গাখীৰৰ লগত লীন হৈ যায়। উপাদানসমূহ তেনেকৈ একমাত্ৰ পৰমসত্তা শিৱতে বিলীন হৈ যায়। যিজনে নিজক শিৱৰূপে উপলব্ধি কৰিব পৰে তেওঁ দুখ আৰু বিভ্ৰান্তিমুক্ত হয়।

কাপালিক ধাৰা

পুৰাণ আৰু মহাকাব্যবোৰত শৈৱ ধাৰাৰ বিভিন্ন সম্প্ৰদায়ৰ উল্লেখ কৰোতে কাপালিক শাখাৰো কথা উল্লেখ কৰা হৈছে। কোনো কোনো স্থানত তেওঁবিলাকক 'সোম সিদ্ধান্তিন' বা শিৱশাসন বুলিও কোৱা হৈছে।

কাপালিক ৰূপত শিৱক যিয়ে উপাসনা কৰে তেওঁলোকেই কাপালিক। আচলতে কাপালিক শব্দটো আহিছে কপাল অৰ্থাৎ নৰমুণ্ডৰ খোলাৰ পৰা। কাপালিক সন্ন্যাসীবোৰে নিজ ধৰ্ম বুজাবলৈ হাতত এটি নৰমুণ্ডৰ খোলা হৈ ফুৰে। বৃহৎ সংহিতাৰ মতে কাপালিকসকলে নৰমুণ্ডত আহাৰ খায়। ব্ৰাহ্মণৰ লাওখোলাত মদিৰা পান কৰে। ডিঙিত নৰদেহৰ হাড়েৰে মালা পিন্ধে, যজ্ঞতো নৰমাংস আহুতি দিয়ে।

কুৰ্ম পুৰাণে কাপালিক, পাশুপাত, সোম লাকুলা আদি ধাৰণাবোৰৰ বেদবাহ্য আখ্যা দিছে। এই সোম সিদ্ধান্ত বা কাপালিক ধাৰা পাশুপাত সম্প্ৰদায়ৰে এটি ভাগ বুলি বহুতো পণ্ডিতে ক'ব খোজে। 'ঈশান গুৰু পদ্ধতি' 'তন্দ্ৰাধিকাৰ নিৰ্ণয়' আৰু 'দৰ্শন কণিকা সংগ্ৰহে'ও এই ধাৰাৰ বিষয়ে উল্লেখ কৰিছে। পণ্ডিত ভি এছ পাঠকৰ মতে 'উমাসহিত চন্দ্ৰশেখৰ' ৰূপৰ শিৱকে এই ধাৰাৰ বিশ্বাসীসকলে উপাসনা কৰিছিল।

কাপালিকসকলৰ বিষয়ে মৈত্ৰী উপনিষদতেই প্ৰথম সাহিত্যিক বৰ্ণনা পোৱা গৈছে। তেওঁবিলাকক তস্কৰ বা চোৰ হিচাপে বৰ্ণনা কৰা হৈছে, আনকি তেওঁলোকৰ লগত বাস কৰিব নালাগে বুলিও উল্লেখ কৰিছে।

কিছুমান পণ্ডিতৰ মতে কাপালিক পন্থা বহু বেছি প্ৰাচীন পন্থা। 'বৌদ্ধ কুম্ভভঙ্গ' গ্ৰন্থত উল্লেখ আছে কিছুমান সন্ন্যাসীয়ে লগত লাওখোলা লৈ ফুৰিছিল আৰু শ্মশানত বাস কৰিছিল। কাপালিকসকলৰ তেওঁলোকেই অগ্ৰজ আছিল বুলি নিঃসন্দেহে ক'ব পৰা যায়।

ব্ৰহ্মসূত্ৰৰ টীকাকাৰ ৰামানুজৰ মতে কাপালিক আৰু কালামুখ দুটা পৃথক ধাৰা আৰু হাতত লাওখোলা লৈ ফুৰাবোৰ কালামুখ সম্প্ৰদায়ৰ লোক।

শিৱ পুৰাণত কোৱা হৈছে যে শিৱৰ মত কাপালিকসকলে দৃঢ়ভাৱে মানি লৈছিল। কিন্তু কুৰ্ম পুৰাণত কাপালিকসকলক পাশুপাত ধাৰাৰ পৰা পৃথক বুলি কোৱাৰ উপৰিও অন্য শৈৱধাৰাৰ পৰাও পৃথক বুলি কৈছে। তন্ত্ৰৰ

দ্বাৰা প্ৰভাৱিত ধাৰাবোৰক পাশুপাত ধাৰাই নিন্দা কৰিছিল। কিন্তু একেখন পুৰাণতে কাপালিকসকলৰ শিৱবিশ্বাসী এক গুৰুত্বপূৰ্ণ ধাৰাও বোলা হৈছে। বৃহৎ সংহিতাৰ প্ৰচাৰক উৎপলৰ দিনলৈকে (দশম শতাব্দী) কাপালিক ধাৰা জনপ্ৰিয় নাছিল। আনহাতেদি কাপালিক ধাৰাৰ লোকক গোড়াপন্থীসকলে পাষণ্ডী বুলিও নিন্দা কৰিছিল। কাপালিকসকলে মূৰত জঁটা ৰাখিছিল, ককাঁলত ৰচীৰে বান্ধি গোপনে খৰ্গ ৰাখিছিল। গাত ভস্ম সানিছিল, লগত গৰুৰ শিং এটাও লৈ ফুৰিছিল আৰু সেই শিঙেৰে বাদ্যও বজাইছিল আৰু তাৰে পানীও খাইছিল। পঞ্চমকাৰ কাপালিকসকলৰ মাজত প্ৰচলন আছিল। নাৰী-পুৰুষে মুকলিভাৱে ঘূৰা-ফুৰা কৰিছিল। তেওঁলোকে শৈৱ বুলি কয় যদিও আচলতে দেৱী চামুণ্ডাৰে ভয়ংকৰ অন্যৰূপ 'কাপালিনী'ৰ পূজা বামাচাৰভাৱে কৰিছিল। অতি মানৱবীয় অলৌকিক আৰু ভয়ংকৰ শক্তি লাভ কৰিবৰ কাৰণে তেওঁবিলাকে এই সাধনাত ৰত হৈছিল। পাছৰ কালত শিৱ উপাসক 'অঘোৰধাৰ' কাপালিৰ পৰাই ওলোৱা এটি ধাৰা।

দৈত্য দানৱৰ আচাৰৰ দৰে ভয়ংকৰ সাধনাত লিপ্ত (নৰবলি, নৰমাংস, যজ্ঞত আহুতি, নৰমাংস ভক্ষণ আদিকে ধৰি) কাপালিকসকলৰ দুটা ভাগ হৈছে— ব্ৰহ্মাণীয় আৰু অব্ৰাহ্মণীয় কাপালিক। এটা ভাগে ভয়ংকৰ আচাৰ নীতিবোৰ ত্যাগ কৰিছিল, বৈদিক পন্থাক স্বীকৃতি দিছিল আৰু জাতিভেদ মানিছিল। ইটো ভাগে জাতিভেদ নামানিছিল আৰু বৈদিক পন্থাকো স্বীকৃতি নিদিছিল।

আনন্দগিৰিৰ 'শঙ্কৰ বিজয়ত' কোৱা হৈছে যে কাপালিৰ এটা ভাগে জঁটাধাৰী শিৱৰ অৰ্ধচন্দ্ৰ আকৃতিৰ এবিধ অলংকাৰ আৰু ডিঙিত স্ফটিকৰ মালা পিন্ধিছিল। তেওঁলোকৰ উপাস্য দেৱতা ভৈৰৱ সৃষ্টি, পালন আৰু সংহাৰৰ দেৱতা, তেওঁলোকে বাকীবোৰ দেৱতাক ভৈৰৱৰ অধীনত থৈছিল।

ভৈৰৱসকলৰ বেলেগ বেলেগ আঠটা ভাগ—অসিতাংগ, ৰুৰু, চণ্ঠ, ক্ৰোধ, উন্মত্ত, কাপাল, ভীস্ম আৰু সংহাৰ ভৈৰৱ। উন্মত্ত ভৈৰবীসকলৰ গাত ভস্ম, ডিঙিত মুণ্ডমালা, জঁটা, হাতত লাওখোলা আৰু ডম্বৰু। কাপালিকৰ দিগম্বৰ নামৰ ভাগে মানুহৰ লিংগ-যোনিৰ পূজা স্থূলভাৱেই কৰিছিল।

সংস্কৃত সাহিত্যত কাপালিকসকলৰ নিষ্ঠুৰতম কাব্যবিলাকৰ ভয়াবহ বৰ্ণনা পোৱা যায়। ভৱভূতিৰ 'মালতী মাধৱ' বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায় 'কপালকুণ্ডলা' আৰু 'অঘোৰ ঘণ্টা'ৰ চৰিত্ৰৰ যোগেদি ভয়ংকৰ কাৰ্যাৱলী বৰ্ণিত হৈছে। দাণ্ডীৰ দশকুমাৰ চৰিত্ৰতো একে ভয়াবহ বৰ্ণনা পোৱা যায়।

কিছুমান কাপালিকে যোগ সাধনাৰ দ্বাৰা কিছুমান তান্ত্রিক সাধনাৰ দ্বাৰা অষ্টসিদ্ধি লাভ কৰি তাৰ দ্বাৰা অলৌকিক কার্য সম্পাদন কৰিছিল বুলি 'প্রবোধচন্দ্রোদয়'ত কোৱা হৈছে। পতঞ্জলিৰ যোগসূত্রতো একেই কথা কোৱা হৈছে।

'কালিকা পুৰাণ'ত (কামৰূপত বিৰচিত পুৰাণ) আছে যে কাপালিকে মানুহৰ মাংস, মদ আদিৰে উপাস্য দেৱতাৰ পূজা কৰে। ব্রাহ্মণৰ লাওখোলাত মদিৰা পান কৰে। একেখন পুৰাণতে ব্যক্ত হৈছে যে যদিহে উপাসকসকলে চ'ত মাহৰ চতুৰ্দশী তিথিত মৌ, ফলমূল, মাছ, মাংস আৰু তেজেৰে মহাভৈৰৱৰ উপাসনা কৰে, তেতিয়া ভক্তসকলৰ মনোবাঞ্ছা পূৰণ হয়।

শ্মশানত ভস্ম গাত সনা কাপালিৰ লগত নাৰী কাপালিকসকলে সম্ভোগত লিপ্ত হৈছিল বুলি 'গাথা সপ্তশতী'ত পোৱা যায়।

প্রথম শতিকাৰ পৰা পঞ্চম শতিকাৰ ভিতৰত ৰচিত হালৰ গ্রন্থত কাপালিকৰ বর্ণনা আছে। প্রখ্যাত বৌদ্ধগ্রন্থ 'ললিত বিস্তাৰ' ত্রিশূল, কমণ্ডলু, লাওখোলা আৰু ঘটভংগ লৈ ফুৰা কাপালিকৰ বর্ণনা পোৱা যায়। খ্রীষ্টিয় প্রথম শতিকামানতে কাপালিক সম্প্রদায় এটা উল্লেখযোগ্য সম্প্রদায় হিচাপে গণ্য হৈছিল বুলি বৰাহমিহিৰৰ বর্ণনাতে পোৱা যায়।

ষষ্ঠ-সপ্তম শতিকাত পাশুপাত ধাৰা পাঞ্জাৱ আৰু উত্তৰ-পশ্চিম ভাৰতত বৰ জনপ্রিয় হৈছিল। হিউৱেনচাঙে কাপিস্য আৰু অন্য স্থানত এই পন্থাৰ লোকসকলক লগ পাইছিল। এইসকলে মূৰত নৰমুণ্ড আৰু গলত হাড়ৰ মালা পিন্ধিছিল। শংকৰাচার্যই উজ্জয়িনী ভ্রমণৰ সময়ত অস্থিৰ মালা পিন্ধা কাপালিকৰ প্রাধান্য সেই স্থানত লক্ষ্য কৰিছিল। কাপালিকসকলৰ বাসস্থান পাঞ্জাৱ বুলি সর্ব বর্মণৰ তামৰ ফলিত পোৱা যায়। ভূমিদান লিপিত ব্রহ্মোত্তৰ মাটি দানৰ উল্লেখ আছে। দান পোৱা ব্রাহ্মণসকলে ত্রিপুৰান্তক শিৱ বা কপালেশ্বৰ শিৱৰ কাৰণে অথর্ববেদ অধ্যয়ন আৰু অনুসৰণ কৰিছিল।

কামৰূপ, নেপাল, ৰাজস্থান, উদয়পুৰ, মহাৰাষ্ট্র আদি স্থানত ৰামাচাৰী পাশুপাত আৰু কাপালিক গ্রন্থৰ অস্তিত্ব যথেষ্ট আছিল। যেনেকৈ পাঞ্জাৱত ব্রাহ্মণ কাপালিসকলৰ প্রাদুর্ভাৱ অধিক আছিল তেনেকৈ অব্রাহ্মণ কাপালিকৰ প্রাদুর্ভাৱ আছিল দাক্ষিণাত্যত। কাপালিকসকলৰ ধর্মীয় দর্শনত তেওঁলোকে পাশুপাতৰ দৰেই সাংখ্য দর্শনৰ প্রকৃতি মহৎ কথাটো মানিছিল। ওঁকাৰ ধ্বনিৰে

যোগো অভ্যাস কৰিছিল। পাশুপাত সম্প্ৰদায় যেনেকৈ পাশৰ (মালা, কৰ্ম, মায়া, বোধশক্তি) পৰা মুক্তি কল্পনা কৰিছিল তেনেকৈ কাপালিক সম্প্ৰদায়ৰো লক্ষ্য আছিল দুখৰ পৰা মুক্তি আৰু মোক্ষ। তেওঁলোকে ধাৰণা কৰিছিল যে যিবোৰ ছয় মুদ্ৰাৰ অন্তৰ্নিহিত কথা জানে, মুদ্ৰা ব্যৱহাৰৰ কৌশল জানে তেওঁ হ'ল ডিঙিত পিন্ধা হাৰ, অলংকাৰ, কাণৰ অলংকাৰ, স্ফটিকৰ মণি, ভস্ম আৰু উপবীত। তেওঁলোকৰ মতে যি ভক্তই মোক্ষ পায় তেৱেঁই শিৱ। তেৱেঁই পাৰ্বতীৰ নিচিনা সৌন্দৰ্য্যৰ লগত অপাৰ সুখ অনুভৱ কৰে। এইফালৰ পৰা তেওঁলোকৰ লক্ষ্য কাম সাধনা।

আগমান্ত শৈৱ ধৰ্ম

খৃষ্টীয় একাদশ বা দ্বাদশ শতিকাত দক্ষিণ ভাৰতত আগমান্ত শৈৱ ধৰ্মৰ প্ৰতিষ্ঠা হয়। এই মত মূলতঃ শৈৱ সিদ্ধান্ত অনুগামী। কিন্তু এই মাৰ্গত সাধকসকলে তন্ত্ৰৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল।

গোদাবৰী নদীৰ পাৰ আছিল এই মাৰ্গৰ এলেকা। চোল বংশৰ ৰজাসকল এই আগমান্ত শৈৱ ধৰ্মৰ পৃষ্ঠপোষক আছিল। এই মতৰ প্ৰধান প্ৰামাণ্য গ্ৰন্থ হৈছে দ্বাদশ শতিকাত অঘোৰ শিৱচাৰ্যই ৰচনা কৰা 'ক্ৰিয়া কৰ্ম দ্যোতিনী' ইয়াৰ বাহিৰেও ত্ৰিলোচন শিৱাচাৰ্যৰ 'সিদ্ধান্ত সাদাৱলী' আৰু নিগম জ্ঞান দেৱৰ 'জীনোদ্ধাৰ দশকম' আগমান্ত শৈৱসকলে বেদৰ ওপৰত গুৰুত্ব নিদিয়ে। ২৮খন আগম শাস্ত্ৰই (বেছিভাগেই অপ্ৰকাশিত)। এওঁলোকৰ নিজাশাস্ত্ৰ যি তেওঁলোকৰ মতে মহাদেৱৰ পঞ্চমুখৰ পৰা নিৰ্গত। 'কামিকাগম' 'বিজয়াগম' কিৰনাগম বাতুলাগম প্ৰভৃতি সেই ২৮খন শাস্ত্ৰৰ অন্তৰ্গত।

আগমান্ত শৈৱসকলে জাতিভেদ নামানে। সেই কাৰণে অপমাৰ্গী নাস্তিক আৰু সুদ্ৰ নামৰ সম্প্ৰদায়বোৰে তেওঁলোকক নিন্দা কৰিছিল। গুৰুকৰণ আৰু দীক্ষাক তেওঁলোকে গুৰুত্ব দিছিল। দীক্ষাৰ যোগ্যতাৰ কাৰণে দেৱীৰ কৃপাৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব। দীক্ষাৰ পিছত তেওঁলোক শিৱৰ অনুকৰণত নতুন নাম দিয়া হৈছিল।

দীক্ষা তিনি প্ৰকাৰৰ— সময় দীক্ষা, বিশেষ দীক্ষা আৰু নিৰ্বাণ দীক্ষা।

সৰ্বসাধাৰণৰ কাৰণে নিৰ্দিষ্ট আছিল সময় দীক্ষা। পাছত দুটা উন্নততৰ মানসিকতা সম্পন্নসকলৰ বাবেহে।

সময় দীক্ষাকাৰীসকলে গুৰু আৰু শিৱ লিংগ পূজা কৰে আৰু তেওঁলোকক দাসমাৰ্গী বোলা হয়। অৰ্থাৎ ঈশ্বৰৰ দাস বা সেৱক। এইসকলক শৈৱ সিদ্ধান্ত অনুযায়ী চৰ্য্যামাৰ্গ বোলা হয়।

বিশেষ দীক্ষা অধিকাৰীসকল পুত্ৰক নামে পৰিচিত। তেওঁলোক ক্ৰিয়া আৰু যোগৰ অধিকাৰী। তেওঁলোকে ঈশ্বৰৰ লগত বেছি অন্তৰংগতা দাবী কৰে। নিৰ্বান দীক্ষিতসকল আৰু উচ্চ স্তৰৰ জ্ঞান আৰু যোগৰ অধিকাৰীসকলক নিৰ্বাণ দীক্ষা দিয়া হৈছিল।

আগমান্ত শৈৱসকলো শৈৱ সিদ্ধান্তসকলৰ দৰেই পতি, পশু আৰু পাশ এই ত্ৰিতত্বৰ বিশ্বাসী আছিল। তেওঁলোকৰ মতে পতি বা শিৱ জীৱ বা পশুৰ কাৰ্যৰ দ্বাৰা প্ৰভাৱিত হৈ সৃষ্টি কাৰ্যত অগ্ৰসৰ হয়। তেওঁ সৰ্বজ্ঞ, কৰ্ম আৰু মলাদি মুক্ত হ'লেও কৰ্ম নিৰপেক্ষৰ কাৰণ নহয়। জাত বা জীৱাত্মাৰ প্ৰতি আগমান্ত শৈৱ ধৰ্মত সৰ্বাধিক গুৰুত্ব আৰোপ কৰা হৈছে। মানসিক শক্তিভেদে জীৱ বা পশু তিনি প্ৰকাৰ ঃ বিজ্ঞানাকল, প্ৰলয়াকল আৰু সকল। বিজ্ঞানাসকল সৰ্বশ্ৰেষ্ঠ, ইও দুই প্ৰকাৰৰ—সমাপ্ত কলুষ আৰু অসমাপ্ত কলুষ। সমাপ্ত কলুষসকল বিদ্যেশ্বৰ নামে পৰিচিত। পাশ আৰু বন্ধন চাৰি প্ৰকাৰৰ—মল, কৰ্ম, মায়া আৰু কোষ। মলে জীৱৰ জ্ঞান আৰু ক্ৰিয়া আচ্ছন্ন কৰি ৰাখে। মল কামনা কৰি কৰা কাৰ্যৰ নাম কৰ্ম। মায়া স্থূল বস্তু আৰু ই জগতৰ উপাদন কাৰণ। চতুৰ্থটি শিৱ প্ৰদত্ত ক্ষমতা যাক প্ৰয়োগ কৰি জীৱই বন্ধন মুক্ত হয়।

আগমান্ত শৈৱসকল আচাৰ অনুষ্ঠানত বিশ্বাসী। দীক্ষাৰ উপৰিও মন্ত্ৰৰ সাধনা, পূজা, অষ্টাসিদ্ধি লাভৰ নানা প্ৰক্ৰিয়া আৰু প্ৰাণায়াম ধ্যান, সমাধি, ষটচক্ৰ প্ৰভৃতি তেওঁলোকৰ ক্ৰিয়াকাৰ্যৰ অন্তৰ্গত।

আগমান্ত শৈৱসকলে শৈৱ সিদ্ধান্তীসকলৰ লগত একমত জীৱ আৰু ঈশ্বৰ পৃথক সত্তা আৰু জড় জগতৰ উপাদান কাৰণ মায়াচৰ্যা, ক্ৰিয়া যোগ আৰু জ্ঞানৰ দ্বাৰা মুক্ত হৈ জীৱ শিৱৰেই অনুগত হৈ প্ৰথমে মহাগণ পতিত্ব আৰু পৰিণামত তেওঁৰ সামীপ্য লাভ কৰে।

প্ৰাচীন কামৰূপত শৈৱ ধৰ্মৰ প্ৰভাৱ

প্ৰাচীন কামৰূপৰ সকলো ৰাজপৰিয়াল আৰু প্ৰজাসকল শিৱভক্ত আছিল। নৃপতিকলে শিৱ মন্দিৰ বনাবলৈ মাটিবাৰী দান কৰিছিল আৰু দানপাত্ৰসমূহ শিৱৰ প্ৰতি উপনিৰ্মিত বুলি লিপিবদ্ধ কৰা হৈছিল। মুঠতে দ্বাদশ আৰু ত্ৰয়োদশ শতিকালৈ শৈৱ ধৰ্মই অসমৰ প্ৰধান ধৰ্মগ্ৰন্থ আছিল। ত্ৰয়োদশ শতিকামানৰ পৰা শিৱৰ লগতে শক্তিপূজা বা দুৰ্গাপূজা প্ৰচলন হ'বলৈ ধৰে। প্ৰাগজ্যোতিষৰ ৰজা নৰকাসুৰে শৈৱ ঘটাসুৰক বধ কৰি সিংহাসন লৈয়েই কামাখ্যাত দেৱী পূজাৰ প্ৰচলন কৰিছিল।

দেওধাই বুৰঞ্জী আৰু দবং ৰাজবংশাৱলী মতৰ প্ৰতিষ্ঠাতা বিশ্বসিংহই ১৪২৭ খ্ৰীষ্টাব্দত সিংহাসনত আৰোহণ কৰিছিল। তেওঁৰ পিতৃ হাৰিয়া মণ্ডল মেচ সম্প্ৰদায়ৰ এজন সাধাৰণ কৃষক আছিল। তেওঁৰ মাতৃ হীৰা পৰম শিৱভক্ত আছিল। হীৰাক পাৰ্বতীৰ অৱতাৰৰূপে গণ্য কৰা হৈছিল। হীৰাৰ লগত শিৱই হাৰিয়া মণ্ডলৰ ৰূপত ৰতি ক্ৰিয়া কৰাৰ ফলত এটি পুত্ৰ সন্তান জন্মে যাৰ নাম ৰখা হৈছিল বিষ্ণু। এই বিষ্ণুৱেই পিছত শিৱ সিংহ নাম লৈ ৰাজপাটত উঠে। ইয়াৰ পৰাই এইটো অনুমান কৰিব পাৰি যে কিৰাতসকলৰ বিভিন্ন গোষ্ঠীৰ মাজত শিৱ অত্যন্ত প্ৰিয় দেৱতা আছিল। শিৱৰ জীৱনধাৰণৰ প্ৰণালীৰ পৰা এইটো অনুমান কৰিব পাৰি যে হিন্দুসকলে শিৱতত্ত্ব কিৰাতসকলৰ পৰাহে ধাৰ কৰা। শিৱসিংহ দুৰ্গাৰো ভক্ত আছিল। তেওঁ প্ৰত্যেকদিনে আহাৰৰ আগে আগে দুৰ্গা, শিৱ আৰু হৰিৰ মন্ত্ৰস্তৱ কৰিহে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰিছিল! শিৱসিংহৰ পুত্ৰ ৰজা নৰনাৰায়ণে শিৱ আৰু দুৰ্গাৰ ভক্ত আছিল। এই বিশ্বাস এতিয়ালৈকে কোচ, মেচ আদি কিৰাত গোষ্ঠীৰ মাজত প্ৰচলিত হৈ আছে।

আহোমসকল অসমলৈ অহাৰ পূৰ্বে ধৰ্মীয় বিশ্বাসত বৌদ্ধ ধৰ্মী আছিল। তেওঁলোকে হীনযান বৌদ্ধমত মানিছিল আৰু অহিংসাৰ পূজাৰী আছিল। তেওঁলোকে ভগৱানৰ কোনো প্ৰতীকৰ ওপৰত বিশ্বাস নকৰিছিল। কিন্তু তেওঁলোকৰ ধৰ্ম বিশ্বাসত কোনো প্ৰকাৰ গোড়ামী নাছিল। তেওঁলোকৰ প্ৰধান লক্ষ্য আছিল তেওঁলোকৰ অধীনলৈ অহা প্ৰজাসকলৰ লগত সু-সম্বন্ধ স্থাপন, আইন শৃংখলৰ সবলীকৰণ আৰু ৰাজনৈতিক প্ৰচাৰ আৰু প্ৰসাৰৰ

ওপৰত গুৰুত্ব। আহোম ৰাজপ্ৰসাদত প্ৰথম হিন্দু ধৰ্মৰ প্ৰৱেশ ঘটে স্বৰ্গদেউ চুকাফা বা বামুণীকোঁৱৰৰ দিনত। তেওঁৰ জন্ম হৈছিল এটা ব্ৰাহ্মণ পৰিয়ালত আৰু তাতেই ডাঙৰ-দীঘল হৈছিল। সেয়ে কৃতজ্ঞতাৰ চিন স্বৰূপে তেওঁ ব্ৰাহ্মণসকলক যথেষ্ট সন্মান কৰিছিল। তেৱেঁই প্ৰথম স্বৰ্গদেউ যিয়ে ব্ৰাহ্মণ সমাজৰ নিৰ্দেশ আৰু ৰীতিমতে সিংহাসন আৰোহণ কৰিছিল। এই হিন্দু প্ৰথা তেওঁৰ উত্তৰাধিকাৰী চুহুংমুং বা দিহিঙিয়া ৰজা (১৪৯৭-১৫৪১) চুকাফা বা প্ৰতাপসিংহ (১৬০১-১৬৪১) আৰু সুতমালা বা জয়ধ্বজ সিংহ (১৬৪৮-১৬৬৩) প্ৰবলভাৱে প্ৰতিষ্ঠা কৰিছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ (১৬৯৫-১৭১৪) দিনত আহোম ৰাজ্য এখন পূৰ্ণ হিন্দুৰাজ্য হিচাপে পৰিগণিত হৈছিল আৰু আহোমসকলে অসমীয়া ভাষা গ্ৰহণ কৰি সম্পূৰ্ণভাৱে অসমীয়া হৈ পৰিছিল। এই সকলো ৰাজপৰিয়াল শিৱভক্ত আছিল আৰু স্বৰ্গদেউ ৰুদ্ৰসিংহই শিৱপুৰাণ এখনো ৰচনা কৰিছিল। কিন্তু তেওঁৰ পুত্ৰ শিৱসিংহই পাৰ্বতীক গোসাঁইৰ ওচৰত শৰণ লোৱাৰ পৰা শক্তি পূজাৰ প্ৰাবল্য বাঢ়িবলৈ ধৰে। অৱশ্যে শৈৱ আৰু শাক্তৰৰ মাজত মতানৈকৰও নঘটা নহয়। স্বৰ্গদেউ লক্ষ্মী সিংহৰ দিনত এই মতানৈক্য প্ৰকট হৈছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ আগলৈকে শিৱপূজা হিন্দুসকলৰ বাবে প্ৰধান ধৰ্ম আছিল। শ্ৰীমন্ত শংকৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞা নিজে শিৱভক্ত আছিল আৰু তেওঁ শিঙৰীৰ যোগেশ্বৰ মন্দিৰত পূজাৰ ফলতহে পুত্ৰ লাভ কৰিছিল। সেয়ে তেওঁৰ পুত্ৰৰ নাম শংকৰ ৰাখিছিল, যি শিৱৰেই আন এটা নাম। শ্ৰীমন্ত শংকৰদেৱে নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিলেও শিৱ মাহাত্ম্য একেবাৰে বাদ দিয়া নাছিল যিটো তেওঁৰ লিখনিৰ পৰা বুজিব পাৰি। অৱশ্যে তেওঁ হৰি আৰু হৰৰ মিলনাত্মক ৰূপৰ ওপৰতহে আস্থা ৰাখিছিল।

বড়ো-কছাৰীসকলে বিশ্বাস কৰে যে তেওঁলোকৰ উৎপত্তি বাথৌ শিৱৰায়াক পৰা হৈছে যি শিৱৰে নামান্তৰ। কছাৰী বুৰঞ্জী মতে কছাৰীসকলৰ প্ৰথম পিতৃ শিৱ। ত্ৰিপুৰাৰ ৰাজপৰিয়ালত তেওঁলোকে শিৱৰ বংশধৰ বুলি দাবী কৰে। দেউৰী-চুতীয়াসকলে গিৰগিৰানী বা শিৱদেৱা বংশধৰ বুলি কয়। ডিমাছাসকলৰ বাবে শিৱৰ নাম শিৱৰায়। তিৱাসকলৰ প্ৰধান গুৰু হ'ল শিৱ-পাৰ্বতী। ৰাভাসকলে শিৱৰ নাম ৰাখিছে লনৰজা আৰু লঞ্জদেৱ। তেওঁলোকে শিৱৰ প্ৰতীক হিচাপে এটা শিল ৰাখে। সোণোৱাল কছাৰীসকলে শিৱক স্মিৰিংৰজা বা বৈথা আৰু কাৰ্বিসকলে মহাদৈ হিচাপে পূজা কৰে।

অসমীয়া লিখিত সাহিত্যত শিৱ

অসমৰ প্ৰাক শংকৰী যুগৰ লিখিত সাহিত্যৰ ভিতৰত মাধৱ কন্দলীৰ দ্বাৰা ৰচিত বুলি খ্যাত হোৱা 'দেৱজিত' নামৰ পুথি হেমসৰস্বতীৰ 'হৰগৌৰী সংবাদ, কবিৰত্ন সৰস্বতীৰ 'জয়দ্ৰথ বধ' আদি প্ৰধান। মনকৰ দুৰ্গাবৰ আৰু সুকবি নাৰায়ণ আদিৰ মনসা কাব্যত শৈৱ ধৰ্মৰ প্ৰভাৱ সুস্পষ্ট ৰূপত পোৱা যায়। শ্ৰীমন্ত শংকৰদেৱৰ সমসাময়িক পীতাম্বৰ দ্বিজৰ উষা পৰিণয় কাব্যত শিৱ মাহাত্ম্য ৰূপায়িত হৈছে। এই কাব্যতে হৰিহৰৰ মিলন তথা অভেদতত্ত্ব ৰূপায়ণ কৰা হৈছে। প্ৰকৃততে নৱ বৈষ্ণৱ ধৰ্মৰ সময়ছোৱাত ৰচিত বিভিন্ন সাহিত্যত হৰিহৰৰ তথা শিৱ বিষ্ণুৰ ভেদ বুদ্ধি আঁতৰাই একে পৰম সত্যৰে বিভিন্ন ৰূপ বুলি স্বীকৃতি দি বহল, উদাৰ দৃষ্টিভংগী লোৱা দেখা যায়। শ্ৰীশংকৰদেৱৰ কীৰ্তন ঘোষাত গোৱা কেইটামান পদ এই ক্ষেত্ৰত উল্লেখযোগ্য।

গুণ নাম যত বিষ্ণু শিৱৰ—ভিন্ন বুদ্ধি কৰে, যি নৰ
নামৰ সিও মহা অপৰাধী নৰকত পৰে দেৱে নবাধি

আকৌ—

কেশৱ শিৱ শিৱ ঘুষিয়ো সদায়
ৰাম নাম বিনা বান্ধৱ নাই

শ্ৰীমন্ত শংকৰদেৱে 'অমৃত মন্থন' ব্যাখ্যা কৰাত কালকূত বিষক লৈ সৃষ্টি হোৱা সমস্যা আৰু মহাদেৱৰ দ্বাৰা সেই বিষ ভক্ষণৰ কথা তথা সদাশিৱৰ মাহাত্ম্য সস্পষ্ট ৰূপত পোৱা গৈছে। ইয়াৰ উপৰিও কীৰ্তন ঘোষাৰ ষোড়ষ বৰ্ণনত শিৱৰ মাহাত্ম্যৰ প্ৰশংসা প্ৰকাশ পাইছে। অৱশ্য উৰেষা বৰ্ণনখিনি বহু পণ্ডিতে প্ৰক্ষিপ্ত ৰূপত কীৰ্তন ঘোষাত স্থান পোৱা বুলিও ক'ব খোজে। কীৰ্তনঘোষাৰ হৰমোহন উপাখ্যানত কিদৰে বিষ্ণুৰ মোহিনীৰূপ দেখি শিৱ উলংগ আৰু উন্মাদৰ দৰে ব্যৱহাৰ কৰিছিল সেই বিষয়ে বিশেষ বৰ্ণনা আছে। ইয়াৰ কিছু উদ্ধৃতি—

বিষ্ণুৰ আগত মই পৰম অজ্ঞানী।
জিনিলোহে মায়া বুলিলোহো গৰ্ববাণী।।

ইসে অহংকাৰে কৰে হৃদয়ত তাপ।
হৰি হৰি স্মৰণে খণ্ডো ইটো পাপ।।
এহি বুলি মৌন ভৈলা দেৱতা ঈশান।
কৰিবে লাগিলা মনে মাধৱৰ ধ্যান।।

কবি অনন্ত কন্দলিৰ 'কুমাৰ হৰণ কাব্য' শিৱৰে মহিমা প্ৰকাশক। কংশাৰী কবিৰ 'কিৰাত পৰ্বত' শিৱ মহিমা কীৰ্তিত হৈছে। কবিৰাজ ৰামনাৰায়ণ চক্ৰৱৰ্তীৰ 'শঙ্খচূড় বধ' ৰামচন্দ্ৰ পাত্ৰৰ 'যোগিনীতন্ত্ৰ' বা মণিকূট গ্ৰন্থ, বাসুদেৱ দ্বিজৰ 'হৰগৌৰী সংবাদ' শৈৱ কবি সনাতন দাসৰ 'হিতোপদেশ কথা' আৰু জয়ৰাম দাসৰ শীতলা পুথিত শিৱ মহিমা ৰচিত হৈছে। অজ্ঞাত লিখকৰ 'হৰগৌৰীৰ বিবাহ' বা 'কালিকা পুৰাণ'ত হৰগৌৰীৰ বিবাহৰ আকৰ্ষণীয় চিত্ৰ সংস্কৃত কালিকা পুৰাণৰ আলমত হ'লেও বেছি ভাগ লোকৰ ধাৰণাকেই ফুটাই তুলি লোকৰঞ্জন কৰা হৈছে। আন এজন অজ্ঞাত লিখকৰ 'গুপ্তমণি' পুথিত হৰিহৰৰ একাত্ম প্ৰতিপন্ন কৰা হৈছে।

ৰামানন্দ দ্বিজৰ 'মহামোহ কাব্য'ত শিৱৰ মহিমা পৰিস্ফুট। এই কাব্যত মহামোহক পৰিচয় দি শংকৰৰ অংশ ত্ৰৈলোক্যতে বীৰ সাৰ বুলি কোৱা হৈছে। হৰিকান্ত দ্বিজৰ ব্ৰহ্মাকৈৱৰ্ত পুৰাণখনতো শিৱ মহিমা কীৰ্তিত হৈছে। দ্বিজ বৈদ্যনাথৰ (কোচ বিহাৰ ৰাজসভাৰ কবি) শিৱ পুৰাণৰ আংশিক অনুবাদ, কবিচন্দ্ৰ দ্বিজৰ 'কাম কুমাৰ হৰণ' ৰাজা ৰাজেশ্বৰ সিংহৰ দিনত কবি ৰুচিনাথ কন্দলীৰ অনুদিত 'শ্ৰীশ্ৰীচণ্ডী'ত শিৱ মাহাত্ম্য, শিৱনাথৰ শ্ৰীশ্ৰীচণ্ডীৰ আখ্যানতো শিৱ মহিমা কীৰ্তিত হৈছে। লক্ষ্মীনাথ দাসৰ 'কুমাৰ হৰণ নাট' দীননাথ দ্বিজৰ শঙ্খচূড় বধতো শিৱৰ স্থান উল্লেখনীয়। এইবোৰ উপৰিও অসমীয়া লোক সাহিত্য অৰ্থাৎ ওজাপালি, লোকগীত আদিত শিৱক নানাৰূপত যেনে কৃষ্ণৰূপে, কামিনী প্ৰিয়ৰূপে, তাতীৰূপে, কৃষকৰূপে, বুঢ়া গোহাঁইৰূপে, পগলা ভঙুৱা, ভূত-প্ৰেত আকৃতি, শ্মশানবাসী ৰূপেও দেখুওৱা হৈছে। মুঠতে শিৱ লোকৰ জ্ঞান আৰু লোক কৃষ্টিৰ প্ৰতিষ্ঠা হিচাপে মানুহৰ অন্তৰত যিদৰে প্ৰৱেশ কৰিছে আন কোনোৱে দেৱতাৰ ক্ষেত্ৰত সেইটো দেখা নাযায়। শিৱ অসমীয়া নাৰী সমাজৰ অতি প্ৰিয় দেৱতা। আমাৰ পৰম্পৰাত দৰা-কইনাক আশীৰ্বাদ দিওতে হৰগোৰীৰ বসতি হওক বুলি কোৱা হয়। হৰগৌৰী দৰিদ্ৰ হ'লেও তেওঁলোকৰ ইজনৰ প্ৰতি সিজনৰ অনুৰাগ অতি প্ৰবল। সতীৰ মৃত্যুৰ

পিছত তেওঁৰ মৃতদেহ কান্ধত তুলি লৈ শিৱই উন্মাদ হৈ ঘূৰি ফুৰা কথাটোৱে মানুহৰ মনত দকৈ চাপ বহুৱাইছে আৰু গভীৰ পত্নীপ্ৰেমৰ উদাহৰণ স্বৰূপ হৈছে। সেয়ে হ'বলা শিৱৰাত্ৰিৰ দিনাখন সকলো শিৱ মন্দিৰত অসংখ্য ভক্তৰ সমাগম হয়। বিশেষকৈ নাৰীৰ।

কিন্তু ওপৰত বৰ্ণোৱা তথ্যবোৰ সত্বেও বৰ্তমান কালত অসমত শিৱ পূজাৰ প্ৰাধান্য নাই বুলিয়েই ক'ব পাৰি। মন্দিৰৰ ভিতৰত কেৱল আনুষ্ঠানিক ক্ৰিয়া কৰ্মৰ বাহিৰে ৰাজহুৱাভাৱে শিৱ পূজা পতা দেখা নাযায়। তাৰ তুলনাত দুৰ্গা পূজা বহু পয়োভৰে ৰাজহুৱাভাৱে পালিত হয়। শিৱ পূজা আৰু শক্তি পূজা এক হোৱাৰ ফলত আৰু নৱবৈষ্ণৱ আন্দোলনৰ প্ৰৱল ধুমুহাৰ কাৰণে এই অৱস্থা হোৱা বুলি অনুমান কৰিব পাৰি।

— o —

সূৰ্য্য দেৱতা ঃ সৌৰ ধৰ্ম

হিন্দুসকলৰ ত্ৰিদেৱ ধাৰণাৰ লগত পঞ্চ দেৱতাৰ মতবাদও প্ৰচলিত আছে। ত্ৰিদেৱ হ'ল ব্ৰহ্মা, বিষ্ণু আৰু হৰ। পঞ্চ দেৱতাৰ ভিতৰত উক্ত তিনি প্ৰধান দেৱতাৰ উপৰিও সূৰ্য্য আৰু গণপতিৰ স্থান। এই পাঁচজনৰ ভিতৰত একমাত্ৰ সূৰ্য্যই দৃশ্য প্ৰকৃতিৰ শক্তি। ভাৰতত প্ৰাচীন কালৰ পৰাই সূৰ্য্য পূজা প্ৰচলিত আছে। ঋকবেদত দুস্থানীয় দেৱতা সূৰ্য্যক স্থাৱৰ আৰু জঙ্গম সকলোৰে প্ৰাণ বোলা হৈছে।

'সূৰ্য্য আত্মা জগতাস্ত স্থুৰশ্চ' (১ঃ১১৫ঃ১ ঋকবেদ)। আমি সকলোৱে জানো যে স্থাৱৰ বৃক্ষলতা পৰ্বত আদিৰ স্থিতি সূৰ্য্যৰ ওপৰত নিৰ্ভৰশীল, ঠিক সেইদৰে সূৰ্য্য প্ৰাণী জগতৰে অৰ্থাৎ জংগম শ্ৰেণীৰো ধাৰক। 'যত জীৱ জংগম কীট-পতংগ অগ নগ জগ তেৰি কায়া' মহা পুৰুষ শংকৰদেৱৰ এই বৰগীতৰ দ্বাৰা চৰাচৰ জগতৰ উৎপত্তিৰ এক অবাঙ মনম গোচৰ ব্ৰহ্মৰ আভাস পোৱা যায়। ব্ৰহ্মৰ পৰা জাত ব্যক্তৰূপৰ সূৰ্য্যৰ কল্পনা সৃষ্টি তত্ত্বৰ পিছৰ চাপ। বেদৰ দেৱতাসমূহক যাস্কই তিনিটা পৰ্যায়ত বিভক্ত কৰিছে—পৃথিবী স্থানীয়, অন্তৰীক্ষ স্থানীয় আৰু দুস্থানীয় বা মহাকাশ স্থানীয়। এই বিভাগ অনুসাৰে সূৰ্য্য দুস্থানীয় দেৱতা।

ঋকবেদৰ দশতি সূক্তত সূৰ্য্য স্তুতি কৰা হৈছে। সূৰ্য্য সমগ্ৰ চৰাচৰ জগতৰ আত্মা বুলি বৰ্ণিত হৈছে। (সূৰ্য্য আত্মা জগতস্থ স্থূষশ্ব) তেওঁ মিত্ৰ বৰুণ আৰু অগ্নিৰ চক্ষু স্বৰূপ। তেওঁ বহুদৰ্শী, দূৰদৰ্শী আৰু সৰ্বদৰ্শী। প্ৰত্যেক পদাৰ্থকে তেওঁ অৱলোকন কৰে আৰু প্ৰাণী বৰ্গৰ সৎ আৰু অসৎ উভয়বিধ কৰ্মৰ লগত তেওঁৰ পৰিচয় আছে। সূৰ্য্যৰ পথ অনেকেই প্ৰস্তুত কৰি থাকে। তেওঁলোকৰ ভিতৰত বৰুণ, আদিত্য, মিত্ৰ আৰু অৰ্যমন প্ৰধান। পুষা তেওঁৰ দূত। উষা তেওঁৰ প্ৰকাশ কাৰণ তেওঁ উষাৰ কোলাৰ পৰাই প্ৰকাশিত হয়। কোনো এক সময়ত এই উষাই সূৰ্য্যৰ পত্নী। সূৰ্য্যৰ লগত একাধিক দেৱতাৰ সম্বন্ধ বৈদিক ঋষিসকলে স্বীকাৰ কৰিছে। ইন্দ্ৰ তেওঁৰ জনক কাৰণ সূৰ্য্য ইন্দ্ৰৰ সাহায্যতে আকাশত পৰিভ্ৰমণ কৰে। ইন্দ্ৰ সোমে সূৰ্য্যৰ উজ্জ্বলতা প্ৰদান

কৰিছে। ইন্দ্ৰই বৰুণৰ কাৰণে আৰু মিত্ৰ বৰুণৰ কাৰণে আকাশত স্থান সংৰক্ষণ কৰিছে। সোমেই সূৰ্য্যক অন্তৰীক্ষত স্থাপনকাৰী। অগ্নি সূৰ্য্যালোকক দীপ্ত কৰি অন্তৰীক্ষলৈ প্ৰেৰণ কৰে। বিশ্ব স্ৰষ্টা ধাতা সূৰ্য্যৰ নিৰ্মাতা। অংগিৰাই নিজস্ব ক্ৰিয়াৰ দ্বাৰা সূৰ্য্যৰ স্থান সুৰক্ষিত কৰিছে। এশ নামেৰে অশ্বই বা হৰিত নামৰ সপ্ত অশ্বই তেওঁৰ ৰথৰ বাহক।

সূৰ্য্যৰ লগত অৰুণৰ সম্বন্ধও পুৰাণতে প্ৰথম উল্লেখিত হৈছে। সূৰ্য্যোদয়ৰ প্ৰাক্‌কালত পৃথিৱীৰ সূৰ্য্যৰ অসহ্য তাপৰ পৰা ৰক্ষা কৰিবলৈ ব্ৰহ্মাই অৰুণক নিযুক্ত কৰিছিল। তপোবিঘ্ন নঘটিবৰ কাৰণে কাশ্যপ পুত্ৰ অৰূপে সূৰ্য্যৰ ৰথ পৰিচালনা কৰে। সূৰ্য্যৰ ৰথৰ অশ্বসমূহ অতি দ্ৰুতগতিসম্পন্ন। নিমিষতে তিনিশ যোজন দৌৰিব পাৰে, সেয়ে এদিনৰ পৰিশ্ৰমতেই তেওঁলোকে ক্লান্ত হৈ পৰে তেতিয়া এমাহৰ কাৰণে অশ্ববোৰৰ স্থলত বিষ্ণুনাম সূৰ্য্য ৰথ পৰিবহণৰ কাৰণে নিযুক্ত হয়। সূৰ্য্য হস্তপদবিশিষ্ট এটি প্ৰাণী। সুৰ্বচনা নামৰ পত্নীৰ লগত তেওঁ কালতিপাত কৰে। একাধিক পানীয় গ্ৰহণত তেওঁৰ আসক্তিৰ প্ৰকাশ পোৱা যায়। সূৰ্য্যই জ্ঞান প্ৰদান কৰ, মুকবধিৰক মুখৰ কৰে আৰু বিভিন্ন বিবাদ আদি বিষয়ত সাক্ষীৰূপে পৰিগণিত হয়।

ৰামায়ণ আৰু মহাভাৰতত সূৰ্য্যৰ অলৌকিক শক্তিৰ বিষয়ে বিভিন্ন কাৰ্যাৱলীৰ উল্লেখ আছে। হৰিমেধ তপস্বীৰ কন্যা ধ্বজৱৰ্তী পশ্চিম দিগন্তলৈ ধাৱিত হ'বলৈ ধৰাত সূৰ্য্যৰ অজ্ঞাতেই তেওঁৰ গতিবেগ স্তব্ধ হৈছিল। সীতাৰ হৰণ হোৱা বুলি জানিব পাৰি ৰামচন্দ্ৰই সীতাৰ অৱস্থানৰ বিষয়ে জনাবলৈ সূৰ্য্যক অনুৰোধ কৰিছিল। সূৰ্য্যই জমদগ্নিৰ পত্নীৰ দাহৰ কাৰণ। এই কথাত ক্ৰোধিত হৈ মুণি জমদগ্নিয়ে সূৰ্য্যক শাপ দিবলৈ উদ্যত হোৱাত সূৰ্য্য মুণিৰ ছদ্মবেশ ধাৰণ কৰি মুণিক এই অনিষ্ট কাৰ্য্যৰ পৰা বিৰত হ'বলৈ পৰামৰ্শ দিছিল। কিয়নো সূৰ্য্যই সপ্তদীপা বসুমতীৰ পালক। জমদগ্নিৰ অভিপ্ৰায় আছিল যে সূৰ্য্যই মধ্যাহ্ন গগণৰ নিমিষৰ কাৰণেও গতিহীন হ'লে তেওঁ সূৰ্য্যক বিদ্ধ কৰি পেলাব। কিন্তু ছদ্মবেশীৰ পৰামৰ্শত তেওঁ ক্ৰোধ সংবৰণ কৰিছিল। তেতিয়া সূৰ্য্য প্ৰসন্ন হৈ তেওঁৰ তীব্ৰ তেজত যাতে জমগ্নিয়ে কষ্ট নাপায় তাৰ কাৰণে তেওঁৰ ছত্ৰ আৰু পাদুকা দান কৰিছিল।

ঋকবেদত সূৰ্য্য আৰু তেওঁৰ সমগোত্ৰীয় দেৱতাসকলৰ সংখ্যা কম নহয়। যেনে সূৰ্য্য, সবিতা, পুষণ, বিবস্বত, ভগ, মিত্ৰ আৰু বিষ্ণু প্ৰভৃতি।

তেওঁলোকৰ লগত পিছত আৰু যুক্ত লৈ অৰ্থমা, ত্বষ্টা, দক্ষ, মাৰ্তক্ত, ধাতা, ৰুদ্ৰ, ইন্দ্ৰ আৰু বৰুণ আদি। এওঁলোকৰ পৰাই আদিত্য গোষ্ঠীৰ উদ্ভৱ হয়। সৌৰ দেৱতাসকলৰ ভিতৰত সৰ্বাগ্ৰে উল্লেখযোগ্য মিত্ৰ। ইৰানীয় আৱেস্তাত এওঁ মিথ্ৰ নামে পৰিচিত আৰু বৰুণৰ চক্ষু হিচাপে কল্পিত। ঋকবেদত সূৰ্য্য আবেস্তাৰ দ্ৰুতগামী অশ্বৰ অধিকাৰী আৰু অহুৰ মজদাৰ চক্ষু হিচাপে উল্লিখিত হৈছে। সাবিতৃ আৰু সবিতা সূৰ্য্য দেৱতা বিখ্যাত গায়ত্ৰী মন্ত্ৰ তেওঁৰ উদ্দেশ্যই নিবেদিত। ব্ৰাহ্মণসকলৰ ত্ৰিসন্ধ্যাত আহ্নিকাকৃত্য আৰু গায়ত্ৰী মন্ত্ৰত সূৰ্য্যৰ প্ৰভাৱ অতি জটিল। তৈত্তিৰীয় আৰণ্যকত আদিত্যমণ্ডল আৰু ওন্মধ্যস্ত সৰ্বভূতৰ অধিপতি স্বয়ম্ভু ব্ৰহ্মস্বৰূপ আদিত্য পুৰুষ বুলি বৰ্ণিত হৈছে। মৈত্ৰায়নী সংহিতাত শতৰুত্ৰিয় উপক্ৰমণিকাত সূৰ্য্য গায়ত্ৰী বিদ্যমান গৃহ্য সূত্ৰসমূহত সূৰ্য্যক ত্ৰাণকৰ্তা, ঐশ্চৰ্য্য আৰু যশ প্ৰদানকাৰী হিচাপে বৰ্ণনা কৰা হৈছে। ব্ৰহ্মপুৰাণত সূৰ্য্যৰ দ্বাদশ নামৰ ব্যাখ্যা আৰু প্ৰত্যেক নামৰ পৃথক পৃথক মাহাত্ম্যৰ আখ্যায়িতা দিয়া হৈছে। এওঁলোক হ'ল ইন্দ্ৰ, ধাতা, গৰ্জন্য, ত্বষ্টা, পূষণ, অৰ্যমা, ভগ বিবস্বান, বিষ্ণু, অংশুমান, বৰুণ আৰু মিত্ৰ। ইন্দ্ৰ নামক প্ৰথম মূৰ্তি দেৱগণৰ শত্ৰুসংহাৰ কৰি দেৱৰাজত্বৰ বিৰাজ কৰে। দ্বিতীয় ধাতাৰূপে প্ৰজাপতিত অধিষ্ঠিত হৈ বাৰিধাৰা বৰ্ষণ কৰে। ত্বষ্টাৰূপ চতুৰ্থ মূৰ্তি বনস্পতি আৰু ঔষধি সমূহত বিৰাজমান। পূৰা নামক পঞ্চম মূৰ্তি অন্নত অৱস্থিত হৈ সদায় প্ৰজাসকলক পোষণ কৰোৱায়। ষষ্ঠ মূৰ্তিৰ নাম অৰ্বমা তেওঁ বায়ুৰ আকাৰত সংসৰণশীল হৈ দেৱদণ্ডৰ আশ্ৰয় লয়। ভগ নামৰ সপ্তম মূৰ্তি ভূতলত আৰু দেহধাৰীসকলৰ দেহৰ ভিতৰত অৱস্থান কৰে। অষ্টম মূৰ্তি বিবস্বানে অগ্নিত প্ৰতিষ্ঠিত হৈ প্ৰাণীসকলৰ ৰিপুসংহাৰত সদায় ব্যস্ত থাকে। আংশুমান নামৰ দশম মূৰ্তিয়ে বায়ুত প্ৰতিষ্ঠিত হৈ প্ৰজাসকলক প্ৰমোদিত কৰে। বৰুণ নামৰ একাদশ মূৰ্তি জলত অৱস্থান কৰি প্ৰজাক পোষণ কৰে। সূৰ্য্য অন্তিম মূৰ্তি মিত্ৰ নামেৰে খ্যাত। এওঁ লোকসকলৰ হিতৰ কাৰণে অৱস্থান কৰে। এইভাৱে এই দ্বাদশ মূৰ্তিৰ দ্বাৰা পৰমাত্মা সূৰ্য্যদেৱেই জগৎ ব্যাপি বিৰাজ কৰি আছে। ভবিষ্য পুৰাণৰ মতে সূৰ্য্যই পৰমাত্মা। সকলো বেদতে তেওঁৰ প্ৰাধান্য। তেওঁ সকলোতকৈ বৃহৎ আৰু মহৎ। জন্ম-মৃত্যুৰ পৰা তেওঁ মুক্তি প্ৰদান কৰে। জীৱন দশাত শাৰীৰিক সৌন্দৰ্য্য প্ৰদান কৰে। আৰণ্যক গ্ৰন্থতো সূৰ্য্যৰ বহুল উল্লেখ পোৱা যায় আৰু দেখা যায় সূৰ্য্যৰ প্ৰতি স্থিতি আৰু

দুই এটা আখ্যামূলক বৰ্ণনা আৰণ্যকত আদিত্য আৰু মিত্ৰ দুয়োটা নামেৰে একেজন দেৱতাৰ শক্তি আৰু কাৰ্য্যৰ ওজস্বী বৰ্ণনা আছে। আদিত্য প্ৰাণীৰ প্ৰাণ শক্তি, ওজস্বিতা, বল যশস্যা, নয়ন আৰু শ্ৰবনেন্দ্ৰিয়ৰ কাৰ্যকাৰক। (আদিত্য তেজো বলং যশচক্ষু ঃ শ্ৰোতম ১, ১৫, ১) তৈত্তিৰীয় সংহিতাত পুৰাণ প্ৰসিদ্ধ দক্ষযজ্ঞ ভংগৰ আখ্যানৰ পূৰ্বৰূপ দেখা যায়। এসময়ত প্ৰজাপতি দক্ষই এক বিৰাট যজ্ঞৰ আয়োজন কৰিছিল। সেই যজ্ঞলৈ ব্ৰহ্মা আৰু ৰুদ্ৰ একেলগে গৈছিল। দক্ষই ব্ৰহ্মাৰ প্ৰতি শ্ৰদ্ধা দেখুৱাই আৰু ব্ৰহ্মায়ো দক্ষৰ প্ৰতি যথোচিত সন্মান দেখুৱাই যজ্ঞথলীত বহিল। ৰুদ্ৰই দক্ষৰ প্ৰতি মুঠেই সন্মান নেদেখুওৱা বাবে ৰুদ্ৰৰ আচৰণত দক্ষই অতিশয় অপমানিত বোধ কৰিলে আৰু তেৱোঁ ৰুদ্ৰৰ প্ৰতি সন্মান নেদেখুৱালে। বৰং ৰুদ্ৰৰ ঘোৰ নিন্দা কৰিবলৈহে ধৰিলে। দক্ষৰ নিন্দাত ৰুদ্ৰ খঙত জ্বলি-পকি উঠিল। ক্ৰুদ্ধ ৰুদ্ৰৰ পৰা বীৰভদ্ৰ নামৰ ভীষণ আকৃতিৰ এজন পুৰুষ ওলাই আহিল। বীৰভদ্ৰই দক্ষযজ্ঞ ভাঙি-ছিঙি লণ্ড-ভণ্ড কৰিবলৈ আগবাঢ়োতে উপস্থিত পূষণ (সূৰ্য্য) দেৱতাই দুই হাত মেলি বীৰভদ্ৰক আগভেটি ধৰিলে। বাধা পাই বীৰভদ্ৰৰ খং দুগুণে চৰিল আৰু একেপাত কাণতলীয়া চৰতে পুষাৰ দুয়োপাৰি দাঁত সৰালে। তেতিয়াৰ পৰা পুষা সোলা হ'ল। সেই দেখি পুষাক পিছলৈ যজ্ঞত চাউল পিহি কোমল আহাৰ খাবলৈ দিয়া হ'ল। ইয়াৰ পিছত ভগ দেৱতাই কিনো হৈছে বুলি চাব খোজোতেই বীৰভদ্ৰই ঘোকোটা মাৰি ভগৰ চকু দুটা উলিয়াই পেলালে। ভগ অন্ধ হ'ল। এই আখ্যানেই পুৰাণত পল্লবিত হৈছে। সতীৰ দেহত্যাগ অংশৰ যোগত দক্ষ যজ্ঞ ভংগ আখ্যানে শিৱৰ মহিলা প্ৰকাশ কৰিছে। বৈদিক আখ্যান যে সূৰ্য্যৰ আখ্যান তাত সন্দেহ নাই।

পুৰাণসমূহত সূৰ্য্যৰ একাধিক আখ্যান আখ্যায়িকাৰ ভিতৰত প্ৰসিদ্ধতম 'সূৰ্য্য সংজ্ঞা ছায়ন' সংবাদ। অধিকাংশ পুৰাণত এই কাহিনী পোৱা যায়। মাৰ্কণ্ডেয় পুৰাণৰ কাহিনীটো তলত দিয়া ধৰণৰ—

বিশ্বকৰ্মাৰ কন্যা সংজ্ঞা সূৰ্য্যৰ পত্নী। তেওঁৰ গৰ্ভত মনু, যম আৰু যমুনাৰ জন্ম হ'ল। কিন্তু সংজ্ঞাই ক্ৰমে পতিৰ তেজ সহ্য কৰিব নোৱাৰা হৈ পিতৃগৃহলৈ যাবলৈ সংকল্প কৰিলে আৰু নিজ শৰীৰকে ছায়াৰূপে নিৰ্মাণ কৰিলে আৰু তেওঁক ক'লে, 'তুমি মোৰ নিচিনা সূৰ্য্যৰ গৃহত অৱস্থান কৰা। এই তিনি বালক-বালিকাৰ প্ৰতিপাল কৰিবা আৰু সূৰ্য্যই কেতিয়াবা সুধিলে

ক'বা যে তুমিয়েই সংজ্ঞা। ছায়াই তেতিয়া উত্তৰ দিলে যে সূৰ্য্যই যি পৰ্যন্ত তেওঁৰ কেশকৰ্ষন নকৰে অথবা তেওঁক অভিশাপ নিদিয়ে সেই পৰ্য্যন্তহে তেওঁ সংজ্ঞাৰ আদেশ পালন কৰিব। ইয়াৰ পিছত সংজ্ঞা পিতৃগৃহলৈ মনে মনে গুচি গ'ল আৰু কিছুদিন তাত অৱস্থান কৰিলে। কিন্তু তেওঁৰ পিতৃয়ে এদিন ক'লে যে বিবাহিতা স্ত্রীয়ে স্বামীক এৰি পিতৃ গৃহত বেছি দিন থকাটো অশোভন আৰু সেয়ে তেওঁক পতিগৃহলৈ যাবলৈ আদেশ দিলে। কিন্তু সংজ্ঞাই সূৰ্য্য তাপ বহনৰ কাৰণে আৰু ভীত হৈ অন্যৰূপ লৈ উত্তৰমেৰু লৈ গমন কৰি তাত তপস্যাত ব্রতী হ'ল। ইফালে সূৰ্য্যই ছায়াকেই সংজ্ঞা জ্ঞান কৰি এই দ্বিতীয় পত্নীৰ দ্বাৰা দুই পুত্র আৰু এটি কন্যা সন্তান উৎপাদন কৰিলে। কিন্তু ছায়াই নিজৰ সন্তাসকলৰ প্রতি যিমান স্নেহশীল সংজ্ঞাৰ পুত্র-কন্যাৰ প্রতি তেনেকুৱা নাছিল। মনুৱে এইবোৰ জানিও বিশেষ প্রতিবাদ কৰা নাছিল। কিন্তু যমে ক্ষমা কৰিব নোৱাৰিলে। এদিন ক্রোধান্বিত হৈ বিমাতৃক পদাঘাত কৰিবলৈ উদ্যত হ'ল। তেতিয়া ছায়াই ক'লে যে মই তোমাৰ পিতাৰ পত্নী তথাপি তুমি মোক পদাঘাত কৰিবলৈ ওলাইছা। সেই হেতু তোমাৰ দুই পদ পতিত হ'ব। যম জননীৰ প্রদত্ত এই শাপ শ্রৱণ কৰি ভীত হৈ পিতৃৰ ওচৰত সকলো কথা নিবেদন কৰিলে। তেতিয়া সূৰ্য্যৰ আদেশত ছায়াই সকলো বৃত্তান্ত প্রকাশ কৰিবলৈ বাধ্য হ'ল।

সূৰ্য্যই সকলো কথা জানিব পাৰি সংজ্ঞাক ফিৰাই অনাৰ মানসেৰে শহুৰৰ ঘৰত উপস্থিত হ'ল। তাত সংজ্ঞাৰ বিষয়ে সকলো কথা অৱগত হ'ল আৰু তেওঁৰ অনুৰোধত বিশ্বকৰ্মাই তেওঁৰ তেজ ক্ষয় কৰি দিয়াত তেওঁ অশ্বৰূপ ধাৰণ কৰি উত্তৰমেৰুলৈ গমণ কৰি ধ্যানমগ্ন সংজ্ঞাৰ লগত মিলিত হ'ল। এই মিলনৰ ফলত অশ্বিনী কুমাৰদ্বয় আৰু ৰেৱন্তৰ জন্ম হ'ল। সূৰ্য্যৰ আৰু সংজ্ঞাই নিজৰূপ ধাৰণ কৰি পুনৰ সূৰ্য্যালয়লৈ উভতি আহিল। ঐতিহাসিকসকলে এই কাহিনী বিশেষভাৱে আলোচনা কৰি উত্তৰমেৰুত যে সূৰ্য্যতাপ অতি মৃদু আৰু অলপ দিনৰ কাৰণেহে দৃষ্ট হয় এই ভৌগোলিক সত্য উপস্থাপিত কৰিছে আৰু এই কথা বৈজ্ঞানিকসকলেও সমৰ্থন কৰিছে।

শাম্ব উপ-পুৰাণত মগ বা মগী ব্ৰাহ্মণৰ উল্লেখ মতে শাম্বই পাৰস্য দেশৰ পৰা সূৰ্য্যৰ মূৰ্ত্তি আনি মিত্রবনত বা বৰ্তমানৰ মূলতানত (পাকিস্তান) স্থাপন কৰাৰ বিশেষ বিৱৰণ পোৱা যায়। কাহিনী মতে পিতৃ অভিশাপত

কৃষ্ণপুত্ৰ শাম্বৰ কুষ্ঠৰোগ হৈছিল আৰু তেতিয়া শাম্বই সূৰ্য্য উপাসনাৰ দ্বাৰা ৰোগমুক্ত হৈ পাৰস্য দেশৰ পৰা সূৰ্য্য মূৰ্তি আনি প্ৰতিষ্ঠিত কৰিছিল। কিন্তু স্থানীয় ব্ৰাহ্মণসকলে সূৰ্য্যপূজা কৰিবলৈ অমান্তি হোৱাত শাম্বই পাৰস্য দেশৰ মগী ব্ৰাহ্মণসকলক এই পূজাৰ বাবে নিযুক্ত কৰা কাৰ্যৰ ঐতিহাসিক বিশ্লেষণে বাস্তৱ সত্যলৈ আঙুলিয়ায়।

ভৱিষ্য পুৰাণত থকা দীঘলীয়া 'আদিত্য হৃদয় স্তোত্ৰ'ত কুৰুক্ষেত্ৰ যুদ্ধত জয়লাভৰ বাবে শ্ৰীকৃষ্ণই অৰ্জুনক দান কৰে। ভগৱান শ্ৰীকৃষ্ণৰ উক্তি এনে ধৰণৰ—

সৰ্বমংগল মাংগলং, সৰ্বপাপ প্ৰনাশনমঃ।
সৰ্বৰোগ প্ৰশমন মায়ুবৰ্ধন মুত্তসম।।
অমিত্ৰদমনং পাৰ্থ সংগ্ৰামে জয়বৰ্ধ নমঃ।
বুদ্ধিনং ধন পুস্তনামাদিত্য হৃদয়ং শুদ্ধ।।

প্ৰাক বৈদিক যুগৰ সূৰ্য্য উপাসনাৰ সঠিক সময় নিৰ্ণয় কৰিব নোৱাৰি। মানুহে সূৰ্য্যৰ ৰাতিক দিন আৰু দিনক ৰাতি কৰিব পৰা শক্তি দেখি, গছ-লতাৰ সৃষ্টি আৰু শস্য উৎপাদন কৰিব পৰা ক্ষমতা দেখি, পোহৰ আৰু উত্তাপৰ উৎস বুলি অবাক বিস্ময়েৰে লক্ষ্য কৰি সূৰ্য্যৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাই উপাসনা কৰাৰ প্ৰবৃত্তিত তৎপৰ হৈছিল। কৃষি, অৰ্থনীতি যেতিয়া আৰম্ভ হ'ল তেতিয়াৰ পৰা সূৰ্য্য পোহৰৰ শক্তি, উৰ্বৰতা আৰু বৰষুণৰ উৎস বুলি ভাৰতবৰ্ষতো স্বীকৃতি দিবলৈ আৰম্ভ কৰিলে। সেয়ে শিলৰ গুহাত কিছুমান আৱিষ্কাৰেহে শিলৰ অস্ত্ৰ-শস্ত্ৰ বা হাথিয়াৰত অথবা এনেয়ো শিলত সূৰ্য্যৰ প্ৰতীক ৰূপ অংকণ কৰাৰ চেষ্টা লৈছিল। নৱপ্ৰস্তৰ যুগতে ইউৰোপতো আকাশ আৰু সূৰ্য্য উপাসনাৰ এটা বিস্তৃতধাৰা গঢ় লৈ উঠিছিল। সূৰ্য্য কেৱল চিকাৰী আৰু মাছমৰীয়াৰে পৰম প্ৰভূ, পৰম সহায়ক নাছিল। মাটি চহাই খেতি কৰা সকলে তেওঁৰ শক্তিক দিনেদিনে নিৰীক্ষণ কৰিছিল। শিলত অঁকা ছবিৰ ভিতৰত অৰ্ধবৃত্ত এটাৰ ওপৰত সূৰ্য্য ৰশ্মিৰ দৰে অঁকা আৰু তলত মনুষ্য মূৰ্তি এটাই দুয়োখন হাত ওপৰলৈ তুলি প্ৰণাম কৰাৰ ভংগীত দেখুওৱা হৈছে। শিলত অঁকা এই ছবি মধ্যপ্ৰদেশৰ ৰায়গড় জিলাৰ নাহৰপল্লী ষ্টেছনৰ উত্তৰ-পশ্চিমৰ সিংহনুৰ অঞ্চলত থকা মন্দা নৈৰ পূবফালে থকা পাহাৰত দেখা গৈছে যে পূৰ্ণজ্যোতিৰে সূৰ্য্য তাত প্ৰতিভাত। ইউৰোপৰ নৱপ্ৰস্তৰ যুগৰ

কিছুমান শৈলচিত্ৰতো একে চিত্ৰ পোৱা যায়। পৰ্টুগালৰ পালাপিন্টা ডেকাৰ্লওটো (Pala Pinta Decarlao) একেধৰণৰ নৱপ্ৰস্তৰ যুগত বসতিপূৰ্ণ এলেকাতো একে চিত্ৰ পোৱা গৈছে। নৱপ্ৰস্তৰ যুগৰ হাথিয়াৰৰ ভিতৰত বেল্লৰী জিলাৰ কপগল্লু (Kapagallu) পাহাৰত এটা ছয় ৰশ্মিৰেখাযুক্ত তৰা পোৱা গৈছে যিটোক পণ্ডিতসকলে ছয় ঋতুৰ প্ৰতীক বুলি কৈছে। একেধৰণৰ বৃত্তাকাৰ সূৰ্য্য প্ৰতীক আৰু স্বস্তিকা কালিকটৰ ওচৰত এডলাকত (Adlak) পোৱা গৈছে। এই স্বস্তিকা চিহ্ন, স্পেইন, পৰ্টুগাল, গ্ৰীচ আৰু আমেৰিকাতো পোৱা গৈছে। স্বস্তিকাৰ চাৰি বেহুৰ অৰ্থ হ'ল—মাজৰাতি উদয় সূৰ্য্য, ৰাতিপুৱাৰ উদযৰ সূৰ্য্য, দুপৰৰ উদয়ৰ সূৰ্য্য আৰু অপৰাহ্নৰ সূৰ্য্য বুজোৱা হৈছে আৰু এইটোৱেই সূৰ্য্যই পূবৰ পৰা পশ্চিমলৈ গতি কৰাৰ কথাও বুজোৱা হৈছে।

স্বস্তিকা প্ৰাণ, উৰ্বৰতা আৰু সমৃদ্ধিৰ প্ৰতীক স্বস্তিকাক যদি সূৰ্য্যৰ প্ৰতীক বুলিও ধৰা হয় তেন্তে এই স্বস্তিকাৰ চিহ্ন এটা ত্ৰয়ৰ মাডাৰ গড়েচৰ মূৰ্তি এটাৰ যোনি প্ৰদেশত পোৱা গৈছে। স্বস্তিকা চক্ৰৰে প্ৰটোটাইপ কাৰণ স্বস্তিকাৰ বাহুকেইটা বঢ়াই দিলে বৃত্তৰ মাজৰ চাৰি ৰেখা (Spoke) থকা এটা চক্ৰ হয আৰু সেই চক্ৰই হৈছে গতি থকা আৰু গতি নথকা সকলো বস্তুৰে আধাৰ। দক্ষিণ আমেৰিকাৰ প্ৰাচীন মায়া সভ্যতাৰ শিল এটাত স্বস্তিকা আৰু এখন সেটব কাহী অংকিত চিত্ৰ পোৱা গৈছে। ভিয়েনাত থকা এটা ফুলদানিৰ ওপৰত এই স্বস্তিকা টিকতো এপল' দেৱতাৰ (গ্ৰীচ সূৰ্য্য দেৱতাৰ) বুকুৰ ওপৰত অলংকাৰ হিচাপে দেখুওৱা হৈছে। চীনৰ সম্ৰাজ্ঞী (৬৮০-৭০৪ খ্ৰীঃ) উইয়ে এই স্বস্তিকা চিহ্ন ডিঙিৰ হাডৰ লকেট হিচাপে ব্যৱহাৰ কৰিবলৈ আদেশ দিছিল। তিব্বতৰ বানপাছ (Banpas) প্ৰজাতিয়েও এইটো সৌৰ চিহ্ন হিচাপে ব্যৱহাৰ কৰিছিল।

সিন্ধু উপত্যকাত পোৱা প্ৰাচীন সূৰ্য্য উপাসনাৰ পৰিচয় হৰপ্পা মহেঞ্জোদাৰো লথাল ৰূপাৰ ৰংপুৰ আৰু কালীবাগান আদি স্থানত পোৱা গৈছে। স্বস্তিকা, চক্ৰ, ৰশ্মি যুক্তবৃত্ত, চকু, চৰাই আৰু ষাড়গৰু আদি প্ৰতীকত সূৰ্য্য উপাসনাৰ পৰিচয় আছে। হৰপ্পাৰ একস্থানৰ চাৰি নম্বৰ Sevenchu এখন শ্বিল্ড পোৱা গৈছে। সেই বৃত্তটোৰ ওচৰত থকা পশু এটাই অতি কৃতজ্ঞতাৰে বৃত্তটো চাই আছে। স্বস্তিকা আৰু বৃত্তৰ দৰেই চকুও সূৰ্য্যৰ প্ৰতীকৰূপে পোৱা গৈছে। মৃত্যুৰ পিছত সূৰ্য্যলৈ চকুৰ ৰশ্মি গুচি যায় বুলি এটা বিশ্বাস আছে।

হৰপ্পাত পোৱা দুটা সূৰ্য্য প্ৰতীকৰ ভিতৰত প্ৰথমটো বৃত্তাকাৰৰ ওপৰত বাৰখিলা পাত দেখা যায় যিটোৱে বাৰ মাহ বুজাইছে। দ্বিতীয়টোত এটা বৃত্তৰ ভিতৰত এজন দেৱতা দেখা গৈছে—তেওঁৰ চাৰিওফালে সাত নক্ষত্ৰৰ চিহ্ন আছে যাক সপ্তৰ্ষি বুলি তথা বৰষুণৰ ইংগিত বাহক বুলি অথৰ্ব বেদত কোৱা হৈছে।

আনন্দগিৰিৰ 'শংকৰ বিজয়' গ্ৰন্থত ছয় প্ৰকাৰ সৌৰ সম্প্ৰদায়ৰ উল্লেখ পোৱা যায় যে কিছুমানে সূৰ্য্যক ব্ৰহ্মস্বৰূপ আৰু জগৎ কাৰক হিচাপে উদীয়মান সূৰ্য্যক উপাসনা কৰিছিল। দ্বিতীয় সম্প্ৰদায়ে সংহাৰকৰ্তা হিচাপে মধ্যগগণৰ সূৰ্য্যক উপাসনা কৰিছিল, তৃতীয় ভাগে সৃষ্টি উৎসৰ দেৱতা হিচাপে অস্তগামী সূৰ্য্যক, চতুৰ্থই পূৰ্বোক্ত তিনি প্ৰকাশককে একেলগে, পঞ্চমে সূৰ্য্যমণ্ডলৰ কেন্দ্ৰস্থ পুৰুষ মূৰ্তিৰ আৰু ষষ্ঠই সম্পূৰ্ণ সূৰ্য্যমণ্ডলক। এওঁলোকে কপাঁলত, বুকুত আৰু হাতত মণ্ডলাকৃতি সূৰ্য্যচিহ্ন ধাৰণ কৰিছিল।

সূৰ্য্য উপাসনাৰ প্ৰাৰম্ভিক স্তৰৰ স্বৰূপ আছিল প্ৰতীকাত্মক। চক্ৰ, পদ্ম আৰু গোলাকাৰ সুবৰ্ণপাত্ৰ আদি সাধাৰণতে সূৰ্য্য প্ৰতীকৰূপে পুঁজিত হৈছিল। মূৰ্ত্তিৰূপে সূৰ্য্য প্ৰতিমাৰ প্ৰাচীনতম নিৰ্দৰ্শন বৌদ্ধগয়াত পোৱা যায়। চাৰিটি ৰথৰদ্বাৰা বাহিত আৰু একচক্ৰ ৰথত সূৰ্য্যৰ অৱস্থিতি। তেওঁৰ ওচৰত উষা আৰু প্ৰতুষা আৰু এক অন্ধকাৰৰূপী দৈত্য। ভাজাৰ বৌদ্ধ গুহাতো অনুৰূপ মূৰ্তি দেখিবলৈ পোৱা যায়। উৰিষ্যাৰ মণ্ডগিৰিত খ্ৰীষ্টিয় প্ৰথম শতকত নিৰ্মিত, অনন্ত গুহাতো প্ৰায় একেধৰণৰ মূৰ্তি পোৱা গৈছে। গন্ধাৰত প্ৰাপ্ত সূৰ্য্য প্ৰতিমাৰ অন্যতম প্ৰধান বৈশিষ্ট হৈছে মূৰ্তিৰ ভৰি দুখনত পিন্ধা বুটজোতা। এইটো নিশ্চয় বৈদেশিক প্ৰভাৱৰ ফল। মথুৰাৰ সূৰ্য্য মূৰ্তিতো এনেকুৱা দৃশ্য দেখা যায়। লম্বা কোট, পেণ্ট আৰু বুটজোতা শোভিত সূৰ্য্যমূৰ্তি কেতিয়াও ভাৰতীয় নিদৰ্শন হ'ব নোৱাৰে। গুপ্তযুগৰ আদি কালতো এনেকুৱা বৈদেশিক সূৰ্য্যমূৰ্তি বৈদেশিক প্ৰভাৱ বিলুপ্ত হ'বলৈ আৰম্ভ হ'ল আৰু ভাৰতীয় পৰিগ্ৰহ হ'বলৈ ধৰিলে। ৰাজশাহী জিলাৰ নিয়ৎপুৰ আৰু কুমাৰপুৰত মধ্য ভাৰতৰ ভূমৰ নামৰ স্থানত পৌৰাণিক সূৰ্য্যমূৰ্তি দেখিবলৈ পোৱা যায়। এইবিলাকে মৎস্যপুৰাণ আৰু বৃহৎসংহিতাৰ গ্ৰন্থৰ সূৰ্য্যমূৰ্তিৰ বৰ্ণনাৰ লগত মিলে। কিন্তু দক্ষিণ ভাৰতৰ সূৰ্য্যপ্ৰতিমা নিজস্ব বৈশিষ্টত সমুজ্জ্বল। তামিলনাডুক উত্তৰত গুদ্ৰিমল্লমত পৰশুৰামৰ মন্দিৰত সূৰ্য্যমূৰ্তি এই

প্ৰসংগত উল্লেখযোগ্য। ইয়াত সূৰ্য্যৰ লগত অৰুণ আৰু সপ্ত অশ্ব নাই। শৰীৰৰ গুপুত ভাগ বস্ত্ৰহীন ভৰি দুখনো নগ্ন আৰু হস্তদুখনত পদ্ম। দক্ষিণ ভাৰতৰ অন্যান্য সূৰ্য্যমূৰ্তিবোৰো অনুৰূপ। পল্লৱ বংশৰ ৰাজত্বকালত অথবা তাৰ পৰৱৰ্তী সময়তো সূৰ্য্যমূৰ্তি বিলাকত ইৰানীয় সূৰ্য্যপূজাৰ প্ৰভাৱ পৰিলক্ষিত নহয়।

চীনা পৰিব্ৰাজক হিউৱেনচাং, আৰব ভূতত্ত্ববিদ আল এড্ৰিচি, আবু ইসক আল ইস্তস্ৰি আৰু আন আন পণ্ডিতৰ সাক্ষাৎকাৰৰ পৰা জনা যায় যে মূলতানত এক প্ৰকাণ্ড সূৰ্য্যমন্দিৰ আছিল আৰু তাৰ সূৰ্য্য মূৰ্তিটোৱেও সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল। কোনো কোনো পুৰাণত মথুৰাত সাম্বৰ দ্বাৰা প্ৰতিষ্ঠিত সাম্বাদিত্য নামে প্ৰসিদ্ধ সূৰ্য্যমূৰ্তিৰ কথাও স্থান পাইছে। ঐতিহাসিকসকলে এইবোৰ কাহিনী, মন্দিৰ আৰু মূৰ্তিৰ পৰা অনুমান কৰে যে ইয়াত ইৰানীয় সূৰ্য্যপূজাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে। বৃহৎ সংহিতাৰ 'মগাংশ্চ সৰ্বিতুঃ' অংশই প্ৰত্যক্ষভাৱে প্ৰমাণ কৰে যে ইৰানৰ পৰা অহা সূৰ্য্যোপাশক পুৰোহিতসকলেই ভাৰতত 'মগ' নামে প্ৰসিদ্ধ। সূৰ্য্য মন্দিৰৰ মধ্যযুগীয় ভগ্নাৱশেষ এতিয়াও ভাৰতৰ পশ্চিমৰ গুজৰাটৰ পৰা আৰম্ভ কৰি পূবে উৰিষ্যাৰ কোনাৰক পৰ্যন্ত বৰ্তমান। গুপ্ত সম্ৰাট প্ৰথম কুমাৰ গুপ্ত আৰু সুন্দ গুপ্তৰ সময়ত প্ৰসাৰিত তাম্ৰলেখা হুলাধিপতি মিহিৰকুলৰ গোৱালিয়ৰ প্ৰস্তৰ লেখা আৰু দ্বিতীয় জীৱিত গুপ্তৰ কালত পোৱা শিলালিপি আদিত মধ্যপ্ৰদেশৰ পশ্চিম ভাগত উত্তৰ প্ৰদেশৰ কুলান্দসহৰ আৰু গোৱালিয়ৰ আৰু বিহাৰৰ সাহাবাদত সুপ্ৰতিষ্ঠিত সূৰ্য্য মন্দিৰ পৰিচয় প্ৰদান কৰে। বলভীৰ মৈত্ৰাকাধিপতিৰ অন্যতম মহাৰাজ ধৰপট্ট, থানেশ্বৰৰ পুষ্যভূটি বংশীয় নৃপশ্ৰেষ্ঠ প্ৰভাকৰ বৰ্দ্ধন, আদিতৰ বৰ্দ্ধন ৰাজবৰ্দ্ধন পৰম সূৰ্য্য ভক্ত আছিল। সুতৰাং ইয়াৰ পৰা বুজা যায় যে অনেক প্ৰাচীন ৰাজবংশ সূৰ্য্য উপাসক আছিল। উৰিষ্যাৰ কোনাৰক মন্দিৰ ত্ৰয়োদশ শতিকাত নৰসিংহ নৃপতিৰ আদেশত নিৰ্মিত হৈছে। ললিতাদিত্য নিৰ্মিত কাশ্মীৰৰ মাৰ্তণ্ড মন্দিৰো এসময়ত বিখ্যাত আছিল। বহুকেইটা প্ৰাচীন ৰাজবংশই সূৰ্য্যৰ পৰা উদ্ভূত। কুৰুবংশৰ পূৰ্বপুৰুষৰ নাম সংবৰণ। তেওঁ অতি প্ৰসিদ্ধ সূৰ্য্য উপাসক আছিল। ৰামচন্দ্ৰৰ বংশ অৰ্থাৎ ৰঘুবংশটো সূৰ্য্যবংশ বুলিয়ে কোৱা হয়।

বাৰশ শতিকাৰ পৰা সূৰ্য্য উপাসনাৰ লগত জড়িত কথাবোৰ ক্ৰমান্বয়ে

পৃথক হ'বলৈ ধৰিলে। পঞ্চাযতন মন্দিৰ আৰু ভাস্কৰ্য্যৰ একে ধৰণৰ ধাৰক বিভিন্ন ঠাইত পৰিলক্ষিত হ'ল। এই ঐকান্তিক ধাৰাটো ইছলামীয় তৰংগৰ বিৰুদ্ধেহে যেন প্ৰত্যাহ্বান। সেই সময়ত বহুতো সূৰ্য্য মন্দিৰ মুছলমানসকলে ভাঙি পেলালে। হিন্দুসকলেও সূৰ্য্য মন্দিৰবোৰ হয় শৈৱ নহয় শাক্ত অথবা বৈষ্ণৱ মন্দিৰলৈ পৰিৱৰ্তন কৰিলে। তথাপিও সূৰ্য্য উপাসনা একেবাৰে অষ্টমিত নহ'ল। সম্ৰাট আকবৰ ধৰ্মীয় ক্ষেত্ৰত অতি সহনশীল আছিল। তেওঁৰ ধৰ্মৰ প্ৰতি থকা উদাৰ নীতিৰ কাৰণে সকলো ধৰ্মই সেই সময়ত বিকশি উঠিছিল আৰু আকবৰ নিজেই ধৰ্মপ্ৰাণ সূৰ্য্য উপাসক আছিল আৰু মুছলমানসকলৰ মাজতো তেওঁৰ দিনত সূৰ্য্যপূজা জনপ্ৰিয় হৈ উঠিছিল। দিনৰ তিনি সন্ধ্যা আৰু মাজৰাতি সূৰ্য্য উপাসনা কৰিবলৈ তেওঁ প্ৰজাবোৰক সঁহাৰি জনাইছিল। তেওঁৰ ওচৰত সূৰ্য্যৰ এহেজাৰ এটা সংস্কৃত নাম আছিল আৰু সেই নামেৰে প্ৰতিদিন তেওঁ উপাসনাও কৰিছিল।

ভাৰতৰ জনজাতীয় লোকসকলো যিহেতু প্ৰকৃতি উপাসক আছিল সেয়ে সূৰ্য্যও তেওঁলোকৰ উপাসনাৰ ভিতৰত পৰিছিল। সূৰ্য্যৰ বহু জনজাতীয় লোকে স্ৰষ্টা আৰু পৰম শক্তি বুলি ভাবিছিল। মধ্য ভাৰতৰ চাওতাল, মুণ্ডা, হো, খাগেৰ আৰু বিহাৰৰ জনজাতিয়ে সিংৰগা অৰ্থাৎ পৰম ঈশ্বৰ বুলি সূৰ্য্যক মানে। চাওতালসকলে সূৰ্য্যক ধৰ্মেশ বা ধৰিত্ৰীৰ পতি বুলি বিশ্বাস কৰে। মাল পাথাৰীয়ে সূৰ্য্যক 'বৈৰু' বুলি কয়। পশ্চিমবংগৰ ভূমিজ আৰু উৰিষ্যাৰ বণ্ডোচসকলে সূৰ্য্যক সৰ্বশক্তিমান বুলি ভাবে। চোৱাৰাসকলে মানুহৰ সৃষ্টিকৰ্তা বুলি সূৰ্য্যক গণ্য কৰে। জোৱাত্‌বোৰৰ বিশ্বাসত সূৰ্য্য ধৰ্মদেৱতা। শবৰবোৰে সূৰ্য্যক সকলো দেৱতাৰ ভিতৰত শ্ৰেষ্ঠ বুলি ভাবে। অসমত গাৰো আৰু কছাৰীসকলে সূৰ্য্যক স্বৰ্গত থকা শাসনকৰ্তা বুলি ভাবে। অৰুণাচলতো সূৰ্য্য দেৱতা সৰ্বশক্তিমান।

মাৰ্কণ্ডেয় পুৰাণত উল্লেখ আছে যে সূৰ্য্য উপাসনাৰ কাৰণে কামৰূপ সৰ্বোত্তম স্থান। এই পুৰাণৰ ১০৯ অধ্যায়ত ৰাজবৰ্ধনৰ কাহিনীত উল্লেখ আছে যে যেতিয়া ৰজা ৰাজ্যবৰ্ধন বৃদ্ধ হ'ল তেওঁ অৰণ্যলৈ গমন কৰিলে। তেওঁৰ ৰাজ্যৰ কিছুমান ব্ৰাহ্মণে ৰজাৰ যৌৱন ঘূৰাই আনিবৰ কাৰণে সূৰ্য্যক উপাসনা কৰিব ধৰিলে। তেওঁলোকে পূজা কৰি থাকোতে সুদমন নামৰ এজন গন্ধৰ্বৰ আবিৰ্ভাৱ হয় আৰু তেওঁ ব্ৰাহ্মণসকলক কামৰূপত সূৰ্য্য উপাসনা কৰিবলৈ

পৰামৰ্শ দিয়ে। সুদাসনে কামৰূপত অৱস্থিত কালগুৰু বৃক্ষৰে আচ্ছাদিত এটা পাহাৰত সূৰ্য্য উপাসনা কৰিবলৈ উপদেশ দিলে। কালিদাস, বাণভট্ট আৰু কিছুমান কামৰূপৰ ৰজাৰ লিপিত কালাগুৰু অথবা অগৰুৰ উল্লেখ পোৱা যায়। উপৰোক্ত এই সূৰ্য্যক্ষেত্ৰ অধ্যায়ৰ পৰা এই কথা জনা যায় যে মাৰ্কণ্ডেয় পুৰাণৰ (চতুৰ্থ পঞ্চম খ্ৰীঃ) পৰা আৰম্ভ কৰি কালিকা পুৰাণ, যোগিনীতন্ত্ৰ আৰু পুৰণি অসমীয়া সাহিত্যলৈকে কামৰূপত সূৰ্য্য উপাসনাৰ উল্লেখ যথেষ্ট পোৱা যায়। তেজপুৰৰ পৰা তিনি মাইল নিলগত দপৰ্বতীয়া মন্দিৰৰ শিলৰ দুৱাৰ ভাস্কৰ্য্যৰ সৈতে সাদৃশ্য থকা কাৰ পাটলিপুত্ৰ আৰু বাৰানসীত ভাস্কৰ্য্যৰ সাদৃশ্য থকা দেখা যায়। আনুমানিক গুপ্ত যুগৰ এই মন্দিৰটো শিৱৰ নামত প্ৰচলিত যদিও ই প্ৰথমতে সূৰ্য্য মন্দিৰেই আছিল বুলি বহু পণ্ডিতে অনুমান কৰে। দপৰ্বতীয়ৰ চিত্ৰপটৰ কেউকাষে দিয়া ফুলাম নক্সাত এটি সুন্দৰ সূৰ্য্য পদ্মাসনত উপবিষ্ট, হাতত পদ্ম ফুল আৰু দুয়োকাষে দুগৰাকী সহচাৰী। দপৰ্বতীয়াত থকা শিৱ মন্দিৰটো যে সূৰ্য্য মন্দিৰ আছিল তাত থকা তিনিটা পেনেলৰ মাজৰটো সূৰ্য্য দেৱতাৰ মূৰ্তিয়ে প্ৰমাণ কৰে। এই মন্দিৰটো নিশ্চয় খজুৰাহো মন্দিৰৰ আৰ্হিত সজা হৈছিল।

গহপুৰৰ সূৰ্য্যৰ মূৰ্তি আৰু গুৱাহাটীৰ শুক্ৰেশ্বৰ জনাৰ্দনৰ মন্দিৰৰ উত্তৰ ভাগে ব্ৰহ্মপুত্ৰৰ পাৰত পদ্মাসনত উপবিষ্ট জনাৰ্দনৰ মূৰ্তিৰ উপৰিও গণেশ, দুৰ্গা, মণি আৰু সূৰ্য্য মূৰ্তি দেখা যায়। কামৰূপৰ মদন কামদেৱ মন্দিৰৰ বিশাল ভগ্নাস্তুপেও এই মন্দিৰ যে সূৰ্য্য মন্দিৰৰ ভগ্নাৱশেষ তাৰ ধাৰণা জন্মায়। মৈথুন মূৰ্তিবোৰে উৰ্বৰতা বৃদ্ধিৰ কামনা সূচায়। গোলাঘাট জিলাৰ নেঘেৰীটিং অঞ্চলতো এটা সূৰ্য্য মন্দিৰ আছিল। সূৰ্য্য মন্দিৰটোৰ অৱস্থিতি এক বৃহৎ শিৱ মন্দিৰৰ ওচৰত আছিল। বিষ্ণু দেৱী আৰু গণেশৰ দেৱালয়ো তাত আছিল। কাৰণ এইবোৰ পঞ্চায়তন জাতীয় মন্দিৰ। চিত্ৰাচলৰ নৱগ্ৰহ মন্দিৰৰ ওচৰত এটা সূৰ্য্য মূৰ্তি পোৱা গৈছে। এই সূৰ্য্য এখন ডাঙৰ ৰথৰ ওপৰত উপবিষ্ট আৰু ৰথ সপ্ত অশ্বই টানি নিছে। তেওঁ কবচ পৰিহিত। হস্তত পদ্ম আৰু বক্ষ আৱৰি আছে ঢালে। মূৰত দীঘল চিধা চুলি আৰু মূৰৰ পাছফালে প্ৰভামণ্ডল।

অসমত এতিয়ালৈকে পোৱা সূৰ্য্য মূৰ্তি কালিকা পুৰাণত পোৱা বৰ্ণনাৰ ধৰণৰ। শোণিতপুৰ জিলাৰ গহপুৰ মৌজাৰ গলচেপা অঞ্চলত এটা দুই ফুট

ওখ মূৰ্তি উদ্ধাৰ হৈছে। এই মূৰ্তি ক'লা গ্ৰেনাইট পাথৰৰ আৰু ইয়াৰ নিৰ্মাণশৈলীও কালিকা পুৰাণৰ অনুগামী। এই মূৰ্তিত কীৰ্তিমুখ, নিৰ্মালাধাৰী মাধৱ আৰু পিংগল দেখা যায়। ইয়াত সূৰ্য্য দণ্ডায়মান হৈ উদীচ বেশত আছে। অনুমান কৰিব পাৰি যে এই মূৰ্তি কোনো সূৰ্য্য মন্দিৰত অৱস্থিত আছিল। গোৱালপাৰাৰ শ্ৰীসূৰ্য্য পাহাৰৰ ওচৰত মৰনৈ অঞ্চলত এটা সূৰ্য্য মূৰ্তি উদ্ধাৰ হৈছে, যিটো ৰাজ্যিক সংগ্ৰাহলয়ত সংৰক্ষিত আৰু এই মূৰ্তি সূৰ্য্য পাহাৰত থকা ধ্বংসস্তুপৰ ভিতৰৰ এটা মন্দিৰত প্ৰতিষ্ঠাপিত আছিল।

উত্তৰ-পূব শদিয়া অঞ্চলত এটা সপ্ত অশ্বই টনা সূৰ্য্য মূৰ্তি আৱিষ্কৃত হৈছে। গুৱাহাটীৰ আমবাৰী অঞ্চলৰ খনন কাৰ্য্যতো এটা সূৰ্য্য মূৰ্তি পোৱা গৈছে। গুৱাহাটীৰ নৰকাসুৰ পাহাৰত দুটা ব্ৰঞ্জৰ সূৰ্য্য মূৰ্তি আৱিষ্কাৰ হৈছে। এই মূৰ্তি দুটাও ৰাজ্যিক সংগ্ৰহালয়ত ৰখা হৈছে।

ওপৰোক্ত বিৱৰণবোৰৰ পৰা সহজে অনুমান কৰিব পাৰি যে প্ৰাচনীকালত সমগ্ৰ অসমতে সূৰ্য্য পূজা ব্যাপকভাৱে চলিছিল। দিক্কৰবাসিনী অঞ্চল অসমৰ পূব প্ৰান্ত। দিক্কৰৰ অৰ্থ সূৰ্য্য। কন্দলী ৰজাও সূৰ্য্য ৰজা আছিল। সূৰ্য্যৰ পতাকাখনৰ নাম ধৰ্ম। সূৰ্য্যৰ সহস্ৰ নামৰ এটা নামো ধৰ্ম কন্দলী।

সূৰ্য্য উপাসকসকলে সূৰ্য্যক তিনি প্ৰকাৰে পূজা কৰিছিল। পৰম ব্ৰহ্মৰূপে, গৃহৰাজৰূপে আৰু বিষ্ণু সূৰ্য্য বা সূৰ্য্য্য নাৰায়ণ অথবা আদিত্য নাৰায়ণৰূপে। প্ৰথম অৱস্থাত সূৰ্য্যক পশু বলিদানেৰেও পূজা কৰা হৈছিল। এইটো ইণ্ডোইৰানীয় প্ৰথা। ইয়াৰ বৈদিক প্ৰমাণ সাহিত্যতো আছে। সূৰ্য্যক গ্ৰহৰূপে পূজা কৰাৰ বিধান কিছু বেলেগ আছিল। পূজাৰ পৰলৌকিক আৰু ইহলৌকিক ভাগ দুটা। সূৰ্য্যৰ বিষ্ণুৰ লগত একাত্ম কৰা হ'ল আৰু তেৰেঁই সূৰ্য্য নাৰায়ণ, আদিত্য নাৰায়ণ বা বিষ্ণু সূৰ্য্য নাম পালে। এতিয়াৰ সূৰ্য্য পূজাত তিনিটা ভাগৰ সমন্বয় দেখা যায়। সেয়া হৈছে বৈদিক, তান্ত্ৰিক আৰু পৌৰাণিক। হিন্দু ধৰ্মৰ যি চিৰন্তন সমন্বয় সেই সময়ত সূৰ্য্য পূজাতো তাৰেই প্ৰভাৱ পৰিলক্ষিত হয়।

বাল্মীকি কৃত সংস্কৃত ৰামায়ণৰ অনুবাদ চৈধ্য শতিকাত মাধৱ কন্দলিয়ে কৰিছিল। এই অপ্ৰমাদী কবিজনো আছিল সূৰ্য্যবিপ্ৰ। এনেদৰে হৰিহৰ আতা, শ্ৰীধৰ, কবি পীতাম্বৰ আদিও সূৰ্য্যবিপ্ৰ আছিল বুলি জনশ্ৰুতি আছে।

গোৱালপাৰা জিলাৰ সূৰ্য্য পাহাৰ অতি বিখ্যাত। ইয়াৰ ধ্বংসাৱশেষৰ পৰা দুই-এটা সূৰ্য্য মূৰ্তি উদ্ধাৰ হ'লেও ইয়াত বৈজ্ঞানিক পদ্ধতিত খনন কাৰ্য চলালে আৰু বহু তথ্য উদ্ধাৰ হোৱাৰ সম্ভাৱনা প্ৰবল। তেনেদৰে যোগীঘোপাৰ দুগ্ধনাথ পাহাৰ ভৈচুঁড় পাহাৰ আৰু কচুদোলা আদি ঠাইতো খনন কাৰ্য্য চলোৱাৰ প্ৰয়োজন আছে। প্ৰাচ্য তত্ত্ব গৱেষণাৰ কাম পশ্চিমীয়া দেশত বিশেষকৈ জাৰ্মান আদি দেশত বিশাল ৰূপত কৰা হৈছে। ভাৰততো এই কামৰ আৰম্ভণি কৰোতাসকলে পাশ্চাত্য দেশৰেই মনীষীসকল। এই দিশত ভাৰতৰ ঠায়ে ঠায়ে অলপ-অচৰপ কাম হ'লেও অসমত এনে অধ্যয়ন বা চিন্তা বৰ কম।

ইয়াৰ পিছত সূৰ্য্য সম্বন্ধীয় দুই-এটা লোককথা সূৰ্য্য দেৱতাৰ স্তুতিপত্ৰৰ সামৰণি মাৰিবলৈ ওলাইছোঁক।

এবাৰ কুন্তীভোজ ৰজাৰ ওচৰলৈ ঋষি দুৰ্বাসা আহিছিল। তেতিয়া ৰাজকন্যা কুন্তীয়ে ঋষিক বহু প্ৰকাৰে শুশ্ৰূষা কৰিলে। ঋষি দুৰ্বাসাই অতি প্ৰসন্ন হৈ এটা বৰ দিলে। তেওঁ যিকোনো দেৱতাক প্ৰাৰ্থনা কৰিলে সেই প্ৰাৰ্থনা অব্যৰ্থভাৱে সিদ্ধি হ'ব। ৰাজকন্যা কুন্তীয়ে বৰটোৰ প্ৰমাণ চাবলৈ সূৰ্য্য দেৱতাক আহ্বান কৰিলে। তৎক্ষণাৎ তেওঁৰ আগত সূৰ্য্য দেৱতা বিদ্যুৎময় পোহৰেৰে আবিৰ্ভাৱ হ'ল আৰু কুন্তীক বৰ প্ৰাৰ্থনা কৰিবলৈ ক'লে। কুন্তীয়ে একো নভবাকৈ এটি পুত্ৰ কামনা কৰিলে। সূৰ্য্যদেৱে তথাস্তু বুলি কৈ অন্তৰ্ধান হ'ল। কুন্তীৰ পুত্ৰ তেওঁৰ কাণৰ পৰা জন্ম হ'ল কাৰণে নাম হ'ল কৰ্ণ। এই পুত্ৰৰ গাত জন্মৰ পৰাই কবচ আৰু কৰ্ণত কুণ্ডল আছিল। অবিবাহিতা কুন্তীয়ে ভয়ত আৰু লাজত এই সন্তানটিক এটি পাত্ৰত ভৰাই উটুৱাই দিলে। পিছত পুত্ৰ সন্তানহীন ৰথ চালক অধিৰথ আৰু তেওঁৰ পত্নী ৰাধাই তুলি লৈ ডাঙৰ-দীঘল কৰে। এই পুত্ৰ কৰ্ণয়ে পিছত নিজ ভ্ৰাতৃ পাণ্ডৱসকলৰ বিৰুদ্ধে কৌৰৱৰ লগৰীয়া হৈ যুদ্ধ কৰি অৰ্জুনৰ হাতত নিহত হয়।

মহাভাৰতত আৰু অন্য এটা কাহিনীত উল্লেখ আছে যে যেতিয়া পাণ্ডৱসকলে তেৰ বছৰৰ বনবাসত আছিল তেতিয়া যুধিষ্ঠিৰে সূৰ্য্যদেৱতাক প্ৰাৰ্থনা কৰোতে প্ৰসন্ন হৈ এটা সদাপূৰ্ণ অন্নপাত্ৰ প্ৰদান কৰিছিল। যাৰ সহায়ত যিমান অতিথি আহে সিমানকে ভোজন কৰাব পাৰে।

এবাৰ বিন্ধ্য পৰ্বতৰ বৰফেৰে আবৃত হিমালয়ক দেখি ঈৰ্ষা উপজিল।

বিন্ধ্যৰ এই কাৰণেই ঈৰ্ষা উপজিল যে সূৰ্য্য হিমালয়ৰ ওপৰেদি পূবা-পশ্চিমা গতি কৰি সদায় হিমালয়ক সন্মানিত কৰে। সূৰ্য্যৰ প্ৰদক্ষিণ সীমা মনুপৰ্ধান আৰু যবকৃতৰ পুত্ৰই নিৰ্ধাৰিত কৰি দিছিল। বিন্ধ্যপৰ্বত সূৰ্য্যৰ ওপৰত ক্ৰোধান্বিত হ'ল এই কাৰণেই যে সূৰ্য্য বিন্ধ্য পৰ্বতৰ ওপৰৰ বাটেৰে নাযায়। এই কথা বিন্ধ্য পৰ্বতে খঙেৰে সোধাত সূৰ্য্য উত্তৰ দিলে যে তেওঁৰ গতিপথ বিশ্ব ব্ৰহ্মাণ্ডৰ গৰাকী ঈশ্বৰে নিৰ্ধাৰিত কৰি দিছে। বিন্ধ্যই এই কথাত সন্তুষ্ট নহৈ সূৰ্য্যপথ অৱৰোধ কৰিবলৈ ক্ৰমান্বয়ে পৰ্বত উচ্চ হোৱাৰ ফলত দক্ষিণ ভাৰতত সূৰ্য্য ৰশ্মি নপৰা হ'ল। এই ঘটনা দেখি দেৱতা আৰু ঋষিবোৰে ভয়তে অগস্ত্য ঋষিক অৱগত কৰিলে। অগস্ত্য ঋষি বিন্ধ্য পৰ্বতৰ গুৰু আছিল। তেতিয়া অগস্ত্য মুনিয়ে বিন্ধ্য পৰ্বতলৈ গ'ল আৰু বিন্ধ্য পৰ্বতে তেওঁক সন্মান জনাবৰ বাবে মূৰ দোৱালে। অগস্ত্যই তেওঁক ক'লে যে তেওঁ ঘূৰি নহা পৰ্যন্ত বিন্ধ্যই তেনেকৈ মূৰ দোৱাই থাকক। অগস্ত্য সেই ফালেদি আৰু কেতিয়াও উভতি নাহিল। বিন্ধ্য তেতিয়াৰ পৰা সেই অৱস্থাতে আছে আৰু দক্ষিণ ভাৰতৰ মানুহেও সূৰ্য্য ৰশ্মি উপভোগ কৰি আছে।

বিষ্ণু পুৰাণ আৰু বায়ু পুৰাণত যজুৰ্বেদ যে দুটা ভাগত বিভক্ত সেই সম্পৰ্কে এটা সুন্দৰ উপাখ্যান পোৱা যায়। বেদ বিদ্যাত বহুল প্ৰসাৰৰ উদ্দেশ্যে এবাৰ মহৰ্ষি বেদব্যাসে তেওঁৰ শিষ্যবৃন্দ শৈল, বৈশম্পায়ন, জৈমিনি আৰু সুমন্ত ঋষিক যথাক্ৰমে ঋক, যজু, সাম আৰু অথৰ্ববেদৰ শিক্ষাদান কৰে। বৈশম্পায়নে বেদব্যাসৰ পৰা যজুৰ্বেদ আয়ত্ত কৰি তেওঁৰ শিষ্য, যাজ্ঞবল্ক্য প্ৰভৃতিক ইয়াৰ বিদ্যা দান কৰিছিল। পুৰণি প্ৰথামতে মেৰু পৰ্বতৰ শিখৰত অনুষ্ঠিত হোৱা বেদ সন্মিলনৰ ঋষিসকলৰ উপস্থিত থকাতো কৰ্তব্য আছিল। অন্যথা তেওঁলোকে ব্ৰহ্মহত্যাৰ দৰে পাপৰ ভাগী হ'ব লগা হৈছিল। এবাৰ ঋষি বৈম্পায়নে বিশেষ অসুবিধাবশতঃ এই সন্মিলনত উপস্থিত থাকিব নোৱাৰি শিষ্যসকলৰ মাজৰ পৰাই কোনোবাই সন্মিলনত যোগদান কৰি ব্ৰহ্মহত্যাসম পাপ নিবাৰণ কৰিব পাৰিব নেকি সুধিলে। শিষ্য যাজ্ঞবল্ক্যই গুৰুক ক'লে— 'ভগৱান আপোনাৰ শিষ্যসকলৰ এনে বিদ্যাবত্তা বা তপ প্ৰভাৱ নাই যাৰ দ্বাৰা আপোনাৰ ব্ৰাহ্মহত্যা পাপ নিবাৰিত হ'ব। মোক আপুনি আদেশ কৰক মই কঠোৰ তপস্যাৰ দ্বাৰা আপোনাৰ এই মহাপাপ দূৰ কৰিম।' তেনে অহংকাৰপূৰ্ণ বচন শুনি বৈশম্পায়নে যাজ্ঞবল্ক্যক গুৰুৰ পৰা লাভ কৰা

বিদ্যা ঘূৰাই দি তাৰ পৰা আঁতৰি যাবলৈ আদেশ দিলে। গুৰুদেৱৰ আদেশ মতে গুৰুৰ পৰা লাভ কৰা বেদবিদ্যা উদ্‌গীৰণ কৰিলে। এই উদগণ্য বিদ্যা গুৰুৱে শিষ্যসকলক নির্দেশ দিয়াত তেওঁলোকে তৈত্তিৰী চৰাইৰ ৰূপ ধৰি সেই বিদ্যা গ্রহণ কৰিলে। কালক্রমত নিজ নিজ সম্প্রদায়ৰ মাজত সেই বিদ্যা প্রচাৰ কৰিলে। তৈত্তিৰী চৰাইৰ ৰূপ ধৰি বান্তবিদ্যা গ্রহণ কৰিলে এই কাৰণে যে মনুষ্য শৰীৰৰ পৰা উদ্‌গীর্ণ বস্তু গ্রহণ কৰা অসম্ভৱ। উদ্‌গীর্ণ বস্তু যিহেতু দুষিত সেয়েহে যজুর্বেদৰ এই সংহিতাৰ কৃষ্ণ যজুর্বেদ আৰু তৈত্তীৰিয় সংহিতা বোলা হয়। বেদবিদ্যা শূন্য হৈ যাজ্ঞবল্ক্যই মনৰ দুখত কাল কটাবলৈ ধৰিলে।

এদিন হঠাতে যাজ্ঞবল্ক্যই দিব্যজ্ঞান লাভ কৰিলে যে তেওঁ বেদবিদ্যাযুক্ত সূর্য্য দেৱতাৰ পৰা বিদ্যা লাভ কৰিব পাৰিব। সেই মতে তেওঁ নমঃ 'সবিত্রে দ্বাৰায মুক্তেৰ মিত তেজসে'। ঋক, যজু, সামৰূপায় ত্রীয় ধামান্তনে নমঃ। এই মন্ত্র উচ্চাৰণ কৰি সূর্য্য· দেৱতাৰ ধ্যানত ৰত হ'ল। যাজ্ঞবল্ক্যৰ আৰাধনাত সূর্য্যদেৱ সন্তুষ্ট হৈ তেওঁক বেদবিদ্যা দান কৰিলে। সূর্য্যৰ পৰা লাভ কৰা এই বেদ ভাগ শুক্ল যজুর্বেদ বা বাজসনেয়ী সংহিতা নামে অভিহিত হ'ল। বাজশব্দৰ অর্থ হ'ল সূর্য্যৰ ৰশ্মি অথবা অন্ন আৰু মণি শব্দই ধন সম্পদ বুজাই। এতেকে সূর্য্যৰ শুভ ৰশ্মিৰ পৰা শ্রেষ্ঠ ধন সম্পদ ৰূপ যি বেদৰ প্রকাশ সেয়ে বাজসনেয়ী সংহিতা।

বিষ্ণু পুৰাণৰ এটা কাহিনীত উল্লেখ আছে যে নিঘ্নৰ পুত্র সত্রাজিতে সূর্য্যৰ একান্ত ভক্ত আছিল। তেওঁৰ ভক্তিৰ কাৰণে সূর্য্যই তেওঁক এটি উজ্জ্বল মণি উপহাৰ দিছিল যিটো মণিক স্যমন্তক মণি বুলি জনা গৈছিল। এই মণিটোৰ এটা বিশেষত্ব আছিল যে ভাল মানুহৰ লগত থাকিলে সেই লোকজনৰ ঘৰ সোণেৰে উপচি পৰে আৰু তেওঁৰ দোপত দোপে উন্নতি হয় আৰু বেয়া মানুহৰ লগত থাকিলে ৰত্নটোৱে মানুহক ধ্বংস কৰে। কৃষ্ণই এই মণি চুৰ কৰিব বুলি ভয়ত সত্রাজিতে তেওঁৰ ভাতৃ প্রসেনক সেই মণিটো দিছিল। প্রসেন এজন অসাধু মানুহ আছিল আৰু তেওঁ এদিন সেই মণি পিন্ধি চিকাৰলৈ যাওঁতে এটা সিংহই তেওঁক বধ কৰিলে আৰু মণিটো লৈ গ'ল। ভালুকৰ ৰজা জাম্ববন্তে সেই সিংহটো বধ কৰি সেই মণি নিজৰ ওচৰত ৰাখিলে। কৃষ্ণই জাম্ববন্তৰ লগত যুদ্ধ কৰি সেই মণি উদ্ধাৰ কৰি সত্রাজিতক ঘূৰাই দিলে। সত্রাজিতে কৃতজ্ঞতাবশতঃ তেওঁৰ কন্যা সত্যভামাক কৃষ্ণলৈ

বিয়া দিলে। যিহেতু সত্যভামাৰ শতধনবান নামৰ এজন পুৰুষলৈ বিয়া দিব বুলি চুক্তি কৰা হৈছিল সেই খণ্ডতে শতধনবানে সত্ৰাজিতক বধ কৰিলে আৰু সেই মণিটো লৈ গ'ল। কৃষ্ণ আৰু বলোৰামে শতধনবানৰ পৰা এই মণি খোজাত তেওঁ সেই মণি অক্ৰূৰক দান কৰিলে। পিছত কৃষ্ণই শতধনবানক বধ কৰিলে। অক্ৰূৰে যেতিয়া এই মণি ধাৰণ কৰিলে তেতিয়া এনে এটা পৰিবেশ হ'ল যে তেওঁ যেন অলৌকিক পোহৰৰ মালা এডালহে ধাৰণ কৰিছে অথবা তেওঁ নিজেই সূৰ্য্যস্বৰূপ হ'ল।

'হিৰন্ময়েন পাত্ৰেশ সত্যস্য পিহিতঃ সুখম
তত্বং পুষন্ন পাৰন্ত সত্যধৰ্ময়ি দৃষ্টয়ে
ঈশোপনিষদ।

— o —

গণপতি গণেশ ঃঃ গাণপত্য ধৰ্ম

পঞ্চদেৱতাৰ অন্তিম দেৱতা গণপতি প্ৰাচীন বৈদিক কালৰ পৰাই স্বীকৃত আৰু পূজিত হৈ আহিছে। ঋকবেদৰ দ্বিতীয় মণ্ডলত প্ৰসিদ্ধ গণপতিমন্ত্ৰত তেওঁৰ বিষয়ে কোৱা হৈছে যে তেওঁ গণৰপতি, কবিসকলৰ শ্ৰেষ্ঠ আৰু ব্ৰাহ্মণস্পতিক (বাণীৰ স্বামী) আৰু সেই ভাবেই তেওঁক স্তুতি কৰা হৈছে। গণপতি অগ্নিৰ নিচিনা গৃহপতি আৰু ব্ৰাহ্মণস্পতি আৰু সকলো প্ৰাৰ্থনাৰ উৰ্দ্ধত। কেতিয়াবা কেতিয়াবা তেওঁক অগ্নিৰ লগত এক অভিন্নৰূপে কল্পনা কৰা হৈছে আৰু কেতিয়াবা উভয়ৰ বৈসাদৃশ্য পৰিস্ফুট। পলিসকলক যুদ্ধত পৰাভূত কৰি ইন্দ্ৰই যেতিয়া গাই গৰুবোৰ উদ্ধাৰ কৰিছিল গণপতিয়ে তেওঁক সেই যুদ্ধত সহায় কৰিছিল।

বেদান্ত দৰ্শনৰ মুখ্য ব্ৰহ্মাতত্বৰ লগত পৰৱৰ্তী কালত তেওঁৰ সাম্য বা সামীপৎ লক্ষণীয়। যি সময়ত হিন্দুসকলৰ ষড় দৰ্শনৰ ৰচিত হ'ব ধৰিলে ব্ৰহ্মাস্পতি অথবা গণপতি এই নামটোৱে সেই সময়ত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। বৃহদাৰণ্যক ব্ৰহ্মণস্পতিৰ অৰ্থত এনেদৰে প্ৰদৰ্শিত হৈছে—

'এষ এব ব্ৰহ্মাস্পতিৰ্বাগ বৈ ব্ৰহ্মা
তস্যা এব্য পতিস্তু স্নাদু ব্ৰহ্মণস্পতি।
বাগ বৈ বৃহতী তস্যা এষপতি স্তস্মাদু বৃহস্পতি
(অত এব এৰেই ব্ৰহ্মণস্পতি, বাকেই ব্ৰহ্মা, এই বাকৰ
পতি, সুতৰা ব্ৰহ্মণস্পতি বাক অতি বৃহৎ এও
তাৰেই পতি সেই কাৰণেই বৃহস্পতি)

পুৰাণৰ কালত গণেশ এজন অতি জনপ্ৰিয় দেৱতাৰূপে প্ৰতিষ্ঠিত হয়। পৌৰাণিক কালত গণেশৰ আকৃতিৰ যি বৈশিষ্ট প্ৰতিভাত হৈছে তাৰ কিছু অংশ বৈদিক সাহিত্যতো পোৱা যায়। উদাহৰণ স্বৰূপে ক'ব পাৰি যে দন্তী, একদন্ত, বক্ৰ তুণ্ড, মহাহস্তী আদি পুৰাণ প্ৰসিদ্ধ উপলক্ষণবোৰ বৈদিক যুগতো যে সুস্পষ্ট স্বীকৃতি পাইছিল তলত দিয়া মন্ত্ৰৰ পৰা প্ৰমাণিত হয়।

'আ তুন ইন্দ্ৰ ক্ষুমন্তং চিত্ৰং প্ৰভা? সংগৃভায়।
মহাহস্তী দক্ষিণেন
একদন্তায় বিখহে বক্ৰতুণ্ডায় ধীমহি
তন্নোদন্তী প্ৰচোদয়াৎ।'

সেয়ে এই কথা অনস্বীকাৰ্য যে বৈদিক ব্ৰহ্মণস্পতি বা গণস্পতিয়েই পৌৰাণিক কালত গণেশত পৰিণত হৈছে। ধীৰে ধীৰে এই দেৱতাৰ বিকাশ সাধন হৈছিল। কিন্তু পুৰাণ ৰচনাৰ সময়ত কিছু নতুন ৰূপ দৃষ্টিগোচৰ হয়।

অধিকাংশ পুৰাণতেই গণেশ পাৰ্বতীৰ জ্যেষ্ঠপুত্ৰ ৰূপে কথিত হৈছে। তেওঁৰ বৰ্তুলাকাৰ দেহ আৰু দুই-চাৰি অথবা অষ্টহস্ত প্ৰসিদ্ধ। তেওঁৰ জন্ম সম্বন্ধে সকলো পুৰাণেই একে প্ৰকাৰ বাৰ্তা বহন নকৰে। ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ দুই স্থানতে দুই প্ৰকাৰ উপাখ্যান দেখিবলৈ পোৱা যায়। শিৱৰ লগত বিবাহৰ পিছত বহুদিন সন্তানাদি নোহোৱা পাৰ্বতী অতি দুখত কাল কটাইছিল। তেতিয়া পতিৰ আদেশত তেওঁ পুত্ৰাৰ্থে ব্ৰত অনুষ্ঠান আৰম্ভ কৰিলে। মাঘ মাহৰ শুক্লা ত্ৰয়োদশীৰ পৰা প্ৰতিদিন পুষ্প সুবৰ্ণ তিলৰ দ্বাৰা বিষ্ণুৰ আৰাধনা আৰম্ভ কৰিলে। প্ৰতিদিন এক সহস্ৰ ব্ৰাহ্মণৰ সেৱা সৎকাৰ কৰিলে। অন্তৰ শুদ্ধ ৰাখি ধ্যানপৰায়ণ হৈ গংগা তীৰত যজ্ঞানুষ্ঠান কৰিলে। সনৎকুমাৰ এই যজ্ঞৰ পুৰোহিত হ'ল আৰু মহাসমাৰোহৰ যজ্ঞ সমাপন হ'ল। কিন্তু তথাপি সন্তান লাভ নোহোৱাত পাৰ্বতীয়ে অতি বিষমচিত্তে যেতিয়া কালাতিপাত কৰিছিল তেতিয়া এদিন দৈববাণী হ'ল যে যিহেতু পাৰ্বতীয়ে অতি নিষ্ঠাৰে বিষ্ণুক শ্ৰদ্ধা-ভক্তি প্ৰদৰ্শন কৰিছে গতিকে অনতিপলমে তেওঁৰ এক বিষ্ণুতুল্য পুত্ৰ লাভ হ'ব। কালক্ৰমত সেই দেববাণী সত্য হ'ল। পাৰ্বতী এক অনিন্দকান্তি পুত্ৰ সন্তানৰ জননী হ'ল! অন্যান্য সকলো দেৱতাৰ লগতে শনিও নৱজাতকক দৰ্শন কৰিবলৈ আগমন কৰিলে। শনিয়ে কিন্তু নৱজাত পুত্ৰৰ মুখৰ ফালে নাচাই মুখ ঘূৰাই ৰাখিলে কিয়নো তেওঁৰ মনত আছিল তেওঁৰ পত্নীৰ অভিশাপৰ কথা। বিষ্ণুৰ ধ্যানত মগ্ন থকাৰ কাৰণে পত্নীৰ প্ৰতি মনোযোগ দিব নোৱাৰা কাৰণে শনি পত্নীয়ে পতিক অভিশাপ দিছিল যে যাৰেই মুখৰ ফালে শনিৰ দৃষ্টি পৰে তাৰেই মুখ ভস্মীভূত হ'ব। কিন্তু পাৰ্বতীৰ অনুৰোধ আৰু উপৰোধ উপেক্ষা কৰিব নোৱাৰি নৱজাতকৰ ফালে শনিয়ে দৃষ্টি দিয়াত স্ত্ৰীৰ অব্যৰ্থ অভিশাপ ফলিয়ালে আৰু শিশুৰ মুখ দগ্ধীভূত হ'ল। পাৰ্বতীৰ

অনুশোচনা আকুল ক্রন্দনত অভিভূত হোৱাত বিষ্ণুৱে গৰুড়ৰ পৃষ্ঠত আৰোহণ কৰি পুষ্পভদ্ৰাৰ তীৰত আবিৰ্ভাৱ হ'ল আৰু তাত থকা নিদ্রিত এক হস্তীৰ মস্তক কৰ্তন কৰি নৱজাতকৰ দেহৰ লগত সংযুক্ত কৰি দিলে। সেয়ে এই শিশুৰ নাম হ'ল গজানন।

ব্ৰহ্মবৈৱৰ্ত পুৰাণৰ আন এক কাহিনী মতে শিৱৰ লগত আদিত্যৰ কলহৰ ফলত আদিত্য নিহত হ'লেও পুনৰায় মৃত সঞ্জীৱনী মন্ত্ৰৰ দ্বাৰা প্ৰাণ ফিৰাই পালে। ইয়াৰ কাৰণে কাশ্যপ ক্ৰুদ্ধ হৈ অভিশাপ প্ৰদান কৰাত গণেশৰ মুণ্ডচ্ছেদ হ'ল। পিছত ইন্দ্ৰৰ ঐৰাৱতৰ মস্তক কৰ্তন কৰি গণেশৰ দেহৰ লগত যুক্ত কৰি দিয়া হ'ল। ইন্দ্ৰৰ বাহন বিনষ্ট হোৱা কাৰণে ইন্দ্ৰপত্নী শচী বিলাপ কৰিবলৈ আৰম্ভ কৰাত বিষ্ণুৱে তেওঁক নতুন ঐৰাৱত সৃষ্টি কৰি দান কৰিলে। শিৱ পুৰাণৰ আখ্যান আৰু অলপ বেলেগ ধৰণৰ। গণেশৰ জন্মৰ পিছত পাৰ্বতীয়ে এদিন স্নানাগাৰত প্ৰৱেশ কৰাৰ সময়ত গণেশক নিৰ্দেশ দিছিল যে স্নানৰ সময়ত যাতে কোনো ব্যক্তিয়ে কক্ষত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে তেওঁক দ্বাৰপাল নিযুক্ত কৰা হ'ল। শিৱই সেই সময়ত প্ৰৱেশ কৰিব খোজোতে গণেশে তেওঁকো প্ৰৱেশত বাধা দিলে। তেতিয়া শিৱই ক্ৰুদ্ধ হৈ গণেশৰ মস্তক কৰ্তন কৰি পেলালে। পাৰ্বতী ওলাই আহি সেই দৃশ্য দেখি ক্ৰন্দন কৰি বিলাপ কৰিবলৈ ধৰিলে, কাৰণ তেওঁৰ নিৰ্দেশমতেই গণেশে সকলোৰে প্ৰৱেশ পথ নিষিদ্ধ কৰিছিল। অৱশেষত পাৰ্বতীক প্ৰবোধ দান কৰি শিৱই বৰ দিলে যে প্ৰথম দৃষ্ট প্ৰাণীৰ মুণ্ডই গণেশৰ দেহত সংযুক্ত হ'ব। হস্তীয়েই প্ৰথম দৃষ্ট প্ৰাণী কাৰণে গণেশৰ লগত হস্তীৰ মুণ্ড সংযোজিত হ'ল।

বৰাহ পুৰাণৰ অনুসাৰে শিৱৰ দ্বাৰাই গণেশৰ জন্ম হয়। ইয়াত পাৰ্বতীৰ কোনো অংশ নাই। যজ্ঞৰ বিঘ্ন দ্ৰৱীভূত কৰিবৰ কাৰণে ঋষি-মুনিসকলে শিৱৰ ওচৰত প্ৰাৰ্থনা কৰিলে আৰু শিৱৰ মুখৰ ঔজ্জ্বল্যৰ পৰাই এক অনিন্দ সুন্দৰ কুমাৰৰ জন্ম হ'ল। সেই কুমাৰৰ দিব্যকান্তি দৰ্শন কৰি উমাই ঈৰ্ষাৰ বশৱৰ্তী হৈ অভিশাপ প্ৰদান কৰিলে আৰু তাৰ ফলতেই নবজাত কুমাৰ গজাননপ্ৰাপ্তি আৰু বিনায়ক আৰু গণমুখ্য পদ লাভ।

মৎস্য পুৰাণত গণেশৰ গজাননপ্ৰাপ্তি সম্বন্ধে বেলেগ কাহিনীৰ উল্লেখ আছে। স্নানৰ সময়ত পাৰ্বতীয়ে তৈলপদাৰ্থ আৰু শৰীৰত অন্যান্য পদাৰ্থ

গ্ৰহণ কৰি এক মনুষ্যাকৃতি গঠন কৰি গংগাজলাদিৰ দ্বাৰা প্ৰাণ সঞ্চাৰ কৰিলে আৰু সেই নতুন প্ৰাণীটোৱে গজাননৰূপে পৰিচিত আৰু প্ৰসিদ্ধ হ'ল।

গণেশৰ একদন্তৰ কাৰণ সম্পৰ্কেও পুৰাণকাৰসকলে নীৰৱতা অৱলম্বন কৰা নাই। এদিন মহাদেৱভক্ত পৰশুৰাম কৈলাশলৈ প্ৰভুক দৰ্শন কৰিবলৈ গৈছিল। তেওঁৰ হাতত আছিল স্বয়ং মহাদেৱ প্ৰদত্ত কুঠাৰ। হৰ-পাৰ্বতীয়ে সেই সময়ত বিশ্ৰাম কৰি আছিল কাৰণে গণেশে তেওঁক প্ৰৱেশত বাধা দান কৰিলে। উভয়ৰ মহাকলহ আৰম্ভ হ'ল। প্ৰথমে বাহুযুদ্ধ, দন্তাদন্তি আৰু মুষ্টিযুদ্ধ। প্ৰথমে গণেশ জয়ী হ'ল। তেতিয়া উপায়ন্তৰ হৈ পৰশুৰামে ক্ৰুদ্ধ হৈ তেওঁক কুঠাৰাঘাত কৰিলে। এই কুঠাৰ পিতৃদত্ত কাৰণে গণেশে ইয়াৰ সন্মানাৰ্থে স্বেচ্ছাই এটা দন্ত বিসৰ্জন দিলে। পাৰ্বতীয়ে সেই দৃশ্য দেখি অতি ক্ৰোধান্বিত হৈ পৰশুৰামক অভিশাপ দিবলৈ উদ্যত হোৱাত শ্ৰীকৃষ্ণই বালকৰ বেশত আহি পাৰ্বতীক সন্তুষ্ট কৰি বাৰণ কৰিলে আৰু ব্ৰহ্মাই পাৰ্বতীক আশ্বাস দিলে যে সকলো দেৱতাৰ পূৰ্বতে গণেশ পুজিত হ'ব। সেই ব্যৱস্থা আজিকালিও সকলো পূজাৰ সময়ত দেখা যায়।

গণেশৰ জন্ম আৰু কাৰ্যাৱলী সম্বন্ধে স্বন্দ পুৰাণৰ কাহিনী বিশেষভাৱে উল্লেখনীয় আৰু প্ৰণিধানযোগ্য। দ্বাপৰ কলিৰ সন্ধিক্ষণত স্ত্ৰী, শুদ্ৰ, কামাসক্ত আৰু পাপাচাৰী সকলেও সোমনাথ তীৰ্থত সোমেশ্বৰৰ দৰ্শনৰ পুণ্যৰ ফলত স্বৰ্গত প্ৰৱেশ লাভ কৰিবলৈ সমৰ্থ হৈছিল। সোমনাথ দৰ্শনৰ ফলত স্বৰ্গদ্বাৰ উন্মুক্ত বুলি উপলব্ধি কৰি লোকে তাত ভিৰ কৰিবলৈ আৰম্ভ কৰিলে। ফলত সাধুসংগ, শাস্ত্ৰপাঠ, সদাচাৰ, দান, যজ্ঞ, তপস্যা ইত্যাদি সকলো বন্ধ হৈ গ'ল। আবালবৃদ্ধ বণিতা, ইতৰ, ভদ্ৰ, স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলো স্বৰ্গত উপস্থিত হ'বলৈ ধৰিলে। এই দৃশ্য দেখি স্বৰ্গাধিপতি ইন্দ্ৰ অত্যন্ত বিব্ৰত বোধ কৰিলে। এনেকুৱা অৱস্থা চলি থাকিলে দেৱগণেই এদিন স্বৰ্গৰ পৰা বিদায় ল'ব লাগিব এই আশংকা কৰি শিৱক ইন্দ্ৰই প্ৰাৰ্থনা জনালে এই ব্যৱস্থাৰ প্ৰতিকাৰ কৰিবলৈ। ইন্দ্ৰই আৰু ক'লে সকলো মনুষ্যই ইতিমধ্যে কোৱাকুই কৰিব ধৰিছে তেওঁলোকেই শ্ৰেষ্ঠ আৰু স্বৰ্গৰাজ তেওঁলোকৰেই। মৃত্যুৰাজ যম পৰ্যন্ত স্তম্ভিত আৰু বিস্মিত। কিয়নো তেওঁৰ যমপুৰী প্ৰায় শূন্য। সপ্ত নৰকত কোনো লোক নাই। শিৱই উত্তৰ দিলে সোমনাথ দৰ্শন কৰিলে স্বৰ্গপ্ৰাপ্তি অৱশ্যম্ভাবী। তেৱেঁই মনুষ্যসকলক সেই বিষয়ে প্ৰতিশ্ৰুতি দিছে

আৰু তেওঁ নিজে সেই প্ৰতিশ্ৰুতি ভংগ কৰিব নোৱাৰে। শিৱই দেৱগণক পাৰ্বতীক প্ৰসন্ন কৰিবলৈ উপদেশ দিলে। তেওঁ নিশ্চয় কোনো উপায় উলিয়াব পাৰিব। তেতিয়া দেৱতাসকলে পাৰ্বতীৰ ওচৰলৈ গৈ প্ৰাৰ্থনা আৰম্ভ কৰিলে। পাৰ্বতীয়ে ক'লে, 'আপোনালোকৰ প্ৰাৰ্থনা শ্ৰৱণ কৰি মই মুগ্ধ হৈছোঁ। এই সময়ত মোৰ শৰীৰৰ পৰা এটা পুৰুষ নিৰ্গত হৈছে। সেই পুৰুষেই সোমনাথ মন্দিৰত সৰ্বসাধাৰণ প্ৰৱেশ অবৰুদ্ধ কৰি ৰাখিব।' এই নৱনিৰ্মিত পুৰুষেই গণেশ। তেতিয়া সকলো দেৱতাই স্তৱস্তুতি আৰম্ভ কৰাত গণেশ সন্তুষ্ট হৈ দেৱতাসকলৰ ইপ্সিত বস্তু কি জানিব বিচাৰিলে। তেতিয়া দেৱতাসকলে গণেশক প্ৰাৰ্থনা জনালে যে তেওঁ মনুষ্যসকলৰ স্ত্ৰী, পুত্ৰ, বিত্ত সম্পদাদিৰ লোভ প্ৰদৰ্শন কৰি তেওঁলোকক সোমনাথ গমনৰ পৰা নিবৃত্ত কৰে। গণেশে তাকে কৰিলে। মৰ্ত্যলোকবাসী সোমনাথ দৰ্শনৰ পৰা বিৰত হ'ল। ইয়াৰ ফলত দ্ৰুতগতিৰে মনুষ্যৰ স্বৰ্গাগমন বন্ধ হ'ল। দেৱতাসকলে স্বস্তিৰ নিস্বাস পেলালে আৰু সকলো দেৱতাৰ পূজাৰ আগত গণেশ সন্মানিত আৰু পূজিত হ'ব বুলি ঘোষণা কৰিলে।

সৌদগল প্ৰভৃতি পুৰাণত গজানন সম্বন্ধে যি ব্যাখ্যা আগবঢোৱা হৈছে সেয়া সম্পূৰ্ণ আধ্যাত্মিক। ধ্যান, ধাৰণা, সমাধি আদিৰ দ্বাৰা যোগী যʼলৈ গমণ কৰে সেয়া হʼল 'গ' যʼৰ পৰা বিম্ব-প্ৰতিবিম্বভাবে প্ৰাণাত্মক জগত উৎপন্ন কৰে সেয়া হʼল 'জ' অৰ্থাৎ গজ শব্দৰ অৰ্থ নিৰুপাধিক ব্ৰহ্ম। শৰীৰৰ শ্ৰেষ্ঠ আৰু উত্তম অংশ মস্তক। গণেশৰ উপৰিভাগ গজাকৃতি অৰ্থাৎ নিৰুপাধিক ব্ৰহ্ম, ইযাক মায়াৰ দ্বাৰা অতিক্ৰম কৰিব নোৱাৰি। গণেশৰ নিম্নাংশ মনুষাকৃতি। মনুষ্য জীৱ সোপাধিক ব্ৰহ্ম। অধোভাগ উপৰিভাগৰ তুলনাত নিকৃষ্ট। অৰ্থাৎ নিৰুপাধিক ব্ৰহ্ম, নিত্য, শুদ্ধ, বুদ্ধ, মুক্ত আৰু সোপাধিক ব্ৰহ্ম আৰু এই দুয়োটাৰ সমন্বয়তে 'তৎ তম্ অসি'। এই মহাকাব্যত গণেশৰ আকাৰ চিন্তনৰ মাধ্যমত এই 'তৎ তম্ অসি' বাৰে বাৰে উচ্চাৰিত হৈছে। সেই পদটি মায়া মানবছিন্ন শুদ্ধ চৈতন্য নিৰুপাধিক ব্ৰহ্মৰ বাচক। 'তম্' পদটোৱে ছিন্ন শুদ্ধ চৈতন্য নিৰুপাধিক ব্ৰহ্মৰ বাচক। 'তম্' পদটোৱে উপাধিবিশিষ্ট ব্ৰহ্ম অৰ্থাৎ জীৱৰ সংকেত কৰে। এই দুই পদাৰ্থৰ 'অসি' পদ প্ৰতিপাদ্য সমন্বয় গণপতিৰ ক্ষেত্ৰত প্ৰত্যক্ষ প্ৰমাণিত হয়। গণেশ পুৰাণৰ অন্তৰ্গত গণপতি সহস্ৰ নামৰ মাজতো এনেকুৱা অৰ্থৰেই সংকেত পোৱা যায়। ইয়াত কোৱা হৈছে—

তত্ত্বনাং পৰমং তত্ত্বং পদ নিৰূপিতঃ।
তাৰকান্ত সংস্থানস্তাৰকস্তা কান্তকঃ।।
মৌদগল পুৰাণতো কথিত হৈছে—
কণ্ঠধো মায়মা যুক্তো মস্তকঃ
ব্ৰহ্মবাচকম্।

গণেশ চতুৰ্ভূজ। এক হাতেৰে স্বৰ্গৰ দেৱতাক দ্বিতীয় হাতেৰে পাৰ্থিৱ মনুষ্যকুলক, তৃতীয় হস্তৰ দ্বাৰা অসুৰক আৰু চতুৰ্থ হস্তৰ দ্বাৰা নাগসকলক ৰক্ষা কৰে। এইভাৱে গণেশে চাৰি হস্তৰ দ্বাৰা নিখিল মানৱৰ কল্যাণ সাধন কৰে। অনুৰূপভাৱে তেওঁক মুনিষবাহন প্ৰভৃতি বিবৰণাত্মক উপাধিৰো আধ্যাত্মিক ব্যাখ্যা বিভিন্ন পুৰাণত পোৱা যায়। মানৱ গৃহ্যসূত্ৰ আৰু যাজ্ঞবল্ক্য সংহিতাতো গণপতিৰ বিঘ্ননিবাৰক ৰূপটোৰ ইংগিত পোৱা যায়।

বৃহৎ সংহিতাৰ প্ৰতিমালক্ষণ অধ্যায়ত গণপতি মূৰ্তিৰ যি বৰ্ণনাত্মক লক্ষণ প্ৰদৰ্শিত হৈছে ভাৰত আৰু বৰ্হি ভাৰতত প্ৰাপ্ত গণেশৰ বিভিন্ন মূৰ্তিৰ লগত তাৰ সাদৃশ্য আছে। এইবোৰ প্ৰাচীনতম মূৰ্তি দ্বিভূজ, হয় দণ্ডায়মান নহয় উপৱিষ্ট। একদন্ত গজানন মূৰ্তিৰ বিৱৰণ প্ৰাচীন আৰু নবীন উভয় গ্ৰন্থতেই পোৱা যায়। অমৰাৱতীত প্ৰাপ্ত দ্বিতীয় শতকৰ গণেশ মূৰ্তিয়েই প্ৰাচীনতম বুলি পণ্ডিতসকলে অনুমান কৰে। মালাধাৰী এই গণেশৰ মূৰ্তিৰ অৱশ্য পৰৱৰ্তীকালত ৰচিত মূৰ্তি শাস্ত্ৰত উক্ত গণপতি লক্ষণৰ লগত বিশেষ সাদৃশ্য দেখা নাযায়। ভূমৰ নামক স্থানত শিৱ মন্দিৰত প্ৰাপ্ত গণপতি মূৰ্তি খ্ৰীষ্টিয় ষষ্ঠ দশকৰ। এই মূৰ্তিৰ পৰণত উপবীত, ঘণ্টাৰ মালা, ঘণ্টাৰ হাৰ, কেয়ুৰত অঙ্গদ আৰু পদবন্ধনী। মূৰ্তিটো দ্বিভূজ। মধ্য প্ৰদেশৰ উদয়গিৰি গুহাত প্ৰাপ্ত গণেশ মূৰ্তিও প্ৰাচীন। চতুৰ্ভূজ গজাননৰ মূৰ্তি বৰ্হিভাৰতত জাভাত প্ৰসিদ্ধ। ইয়াত পোৱা এটি মূৰ্তি দ্বিদল পদ্মৰ ওপৰত উপবিষ্ট। মূৰ্তিটোৰ অৱয়ৱত বিভিন্ন অলংকাৰৰ অৱস্থান শিল্পীৰ নৈপুণ্যৰ পৰিচায়ক। উৰিষ্যাৰ ময়ুৰভঞ্জ জিলাৰ প্ৰাপ্ত গণেশ দণ্ডায়মান মূৰ্তিবোৰ অন্যতম শ্ৰেষ্ঠ নিদৰ্শন। এই অঞ্চলৰ অন্যত্ৰ প্ৰাপ্ত অষ্টভূজ গণেশ মূৰ্তিও উল্লেখযোগ্য। ৰাজস্থানৰ যোধপুৰৰ ওচৰত ঘতিয়ল নামৰ স্থানত চাৰিটি গণেশমূৰ্তিৰ তলত লিখা আছে তাৰ পৰা জানিব পাৰি যে এই দেৱতা ব্যৱসায় বাণিজ্যৰ সিদ্ধিদাতা আৰু স্থানীয় বণিক সম্প্ৰদায়ৰ দ্বাৰা ৰচিত হৈছিল। গণেশৰ

সিদ্ধিদাতা ৰূপটি ভাৰতবৰ্ষৰ বণিক সম্প্ৰদায়ৰ পৰম পূজ্য। আনকি বৌদ্ধ আৰু জৈনসকলে সিদ্ধিদাতা গণেশক স্বীকাৰ কৰে, সন্মানো কৰে। হলৰ দ্বাৰা নিৰ্মিত 'গাথা সপ্তসতী' আৰু ভৱভূতিৰ 'মালতী মাধৱ' গ্ৰন্থত গণেশ সম্বন্ধে যথেষ্ট তথ্য পোৱা যায়। মালতী মাধৱ গ্ৰন্থৰ প্ৰথম অধ্যায়ত হস্তীমুখ থকা গণেশৰ কথা কোৱা হৈছে। গণেশৰ বিষয়ে বহু তান্ত্ৰিক গ্ৰন্থতো বিৱৰণ পোৱা যায়। তান্ত্ৰিক শাস্ত্ৰবোৰ হ'ল তন্ত্ৰসাৰ সাৰদাতিলক তন্ত্ৰ, 'ৰুদ্ৰ জামাল' আৰু মহানিৰ্বাণ তন্ত্ৰ। গায়ত্ৰী তন্ত্ৰত কোৱা হৈছে যে গণেশেই তন্ত্ৰশাস্ত্ৰবোৰ শিৱৰ আদেশত ৰচনা কৰিছিল। বৈষ্ণৱ সংহিতাৰ ভিতৰত যি গণেশ সংহিতা পোৱা যায় সেয়া বোধকৰো গাণপত্য সম্প্ৰদায়ে সৃষ্টি কৰিছিল।

গণেশ যে এজন অতি জনপ্ৰিয় দেৱতা সেইটো তেওঁৰ প্ৰশংসাৰ বিষয়ে লিখা অজস্ৰ স্তোত্ৰৰ পৰাই প্ৰমাণিত হয়। প্ৰকৃতপক্ষে সংস্কৃত স্তোত্ৰৰ অধিক সংখ্যক স্তোত্ৰই গণেশ সম্বন্ধে লিখা। ইয়াত উল্লেখ কৰিব পাৰি যে পুষ্পদন্ত ৰচিত 'গণেশ মহিমা স্তোত্ৰ' ৰুদ্ৰ জামালৰ গণেশ স্তৱৰাজ সাৰদাতিলক তন্ত্ৰৰ গণপতি স্তোত্ৰ, মৎস্য, পদ্ম, বৰাহ আৰু ব্ৰহ্মবৈৰ্ত্ত পুৰাণৰ গণেশ স্তোত্ৰ আৰু শংকৰাচাৰ্য ৰচিত গণেশ পঞ্চৰত্ন আৰু গণেশ ভূজঙ্গ, নৱম শতিকাৰ আনন্দগিৰি ৰচিত 'শংকৰ বিজয়'ত ছয় প্ৰকাৰ গাণপত্য শাখাৰ উল্লেখ আছে। অৱশ্যে এই ছয় শাখাৰ এতিয়া প্ৰমাণ পাবলৈ একো নাই। কিন্তু তথাপি সকলো হিন্দু ধৰ্মানুষ্ঠানত গণেশ হৈছে প্ৰথম পুজিত দেৱতা।

গণপতি দেৱৰ উত্তমাংগ অৰ্থাৎ শিৰোদেশ বা মুখমণ্ডল হস্তীযুক্ত হোৱাৰ তাত্ত্বিক অৰ্থও নোহোৱা নহয়। তাৎপৰ্যপূৰ্ণ দৃষ্টিৰে চালে দেখা যায় যে হস্তীৰ গাত মহাযোগীৰ লক্ষণসমূহ বিদ্যমান। হাতীয়ে সদায় অতি ধীৰ-স্থিৰভাৱে গন্তব্য পথলৈ গৈ থাকে। উৎপাত কৰিলেহে হাতীয়ে বিঘ্ন দূৰ কৰাৰ কাৰণে নিজৰ পৰাক্ৰম প্ৰকাশ কৰে। নতুবা সাধাৰণ বিষয়ে ভ্ৰূক্ষেপ নকৰে। 'হাতী চলে বাজাৰসে কুত্তা ভুকে হাজাৰ' ইত্যাদি দোহা প্ৰবচন তাৰেই প্ৰমাণ।

হাতীৰ দেহৰ তুলনাত চকু দুটা নিচেই সৰু আৰু কাণ দুখন অতি বহল। যোগী ব্যক্তিয়ে বাহ্য দৃষ্টিৰ পৰা নিজক আঁতৰ কৰি ক্ৰমাৎ অন্তদৃষ্টি মুখী হয় আৰু সদ্ গুৰুৰ আদেশ শুনাৰ কাৰণে উৎকৰ্ণ হৈ থাকে আৰু আদেশ অনুযায়ী সকলো কামত নিৰন্তৰে ব্ৰতী হয়। হাতীৰ শুৰ অতি দীঘল যাৰ

দ্বাৰা হাতীয়ে উশাহ-নিশাহ অৰ্থাৎ শ্বাস-প্ৰশ্বাস লোৱাৰ কাম সমাধান কৰে। হাতীয়ে সুৰ দীঘল হোৱা বাবে সুদীৰ্ঘ সময়ৰ কাৰণে শ্বাস-প্ৰশ্বাসৰ কাম বন্ধ কৰি ৰাখিব পাৰে। ইয়ে হৈছে প্ৰাণায়মৰ অন্যতম এক প্ৰক্ৰিয়া 'কুম্ভৰাৰে' লক্ষণ। হাতীৰ গাৰ বৰণ মেঘৰ ৰঙৰ দৰে। বিষ্ণুৰ মূৰ্তিৰ স্তৱস্তুতি কৰোতে শান্তাকাৰ ভূজগ শয়নম ইত্যাদি ধ্যানমন্ত্ৰত মেঘবৰ্ণ শুভাংগম অভিহিত গাৰ বৰণৰ কথা স্মৃতিপটলৈ আহে। গতিকে মহাযোগীৰ গাত থকা গুণসমূহে ব্যৱহাৰিক ক্ষেত্ৰত হাতীৰ গাত বিদ্যমান বাবে গণেশ দেৱতাৰ ধ্যান বা বন্দনা বা আৰতিৰ ক্ষেত্ৰত স্বাভাৱিকতে ধ্যেয়মূৰ্তি ৰূপে মহাযোগীৰ কথা সততে অন্তৰাকাশত উদ্ভাসিত হয়।

পৰৱৰ্তীকালত ব্যাসদেৱৰ মহাভাৰতৰ লিপিকাৰৰূপে গণেশ খ্যাত হয়। মহাভাৰতৰ প্ৰথমতে পোৱা যায় যে ব্ৰহ্মাৰ পৰামৰ্শ মতে ব্যাসদেৱে তেওঁৰ মুখনিসৃত মহাভাৰতীয় কথাবোৰ লিপিবদ্ধ কৰিবলৈ গণেশক অনুৰোধ কৰে। গণেশ সন্মত হয় এই চৰ্তত যে লিখাৰ সময়ত তেওঁ যাতে ৰৈ থাকিব নালাগে। ব্যাসো সন্মত হয় এই চৰ্তত যে গণেশে কোনোটো শ্লোকেই নুবুজাকৈ লিখিব নোৱাৰিব। উভয়েই উভয় চৰ্তত সন্মত হয়। ব্যাসদেৱে মাজে মাজে কঠিন শ্লোকৰ অৱতাৰণা কৰে। গণেশে তাৰ অৰ্থ বুজাৰ কাৰণে চিন্তা কৰোতে বিৰাম ল'বলগীয়া হয় আৰু সেই অৱকাশতে ব্যাসে নতুন প্ৰয়োজনীয় শ্লোকৰ উদ্ভৱ কৰে।

গণেশৰ প্ৰতিজ্ঞা আছিল তেওঁ বিয়া নকৰায়। কিন্তু তুলসীয়ে তেওঁক স্বামীৰূপে পাবলৈ ব্যাকুল হৈ তেওঁক প্ৰেম নিবেদন কৰে। গণেশে ক্ৰুদ্ধ হৈ তুলসীক অভিশাপ দিয়ে এনেদৰে—'তুমি যি ৰূপে কামাতুৰা, তুমি দেৱভোগ্যা নহয়, অসুৰভোগ্যা হ'বা।' তুলসীয়ে গণেশক অভিশাপ দিলে যে তুমি প্ৰতিজ্ঞা ভংগ কৰি বিবাহ কৰাবলৈ বাধ্য হ'বা।' গণেশে যথাক্ৰমে দুবাৰ বিবাহপাশত আৱদ্ধ হৈছিল। গণেশৰ দুজনী পত্নী, এজনী সিদ্ধি আৰু আনজনী বুদ্ধি। তুলসীৰ বিবাহ হৈছিল শঙ্খচুড় নামৰ এক অসৰৰ লগত। এই কাজিয়াৰ পৰা গণেশৰ পূজাত তুলসী ব্যৱহাৰ নহয়।

গণেশৰ বাহন হ'ল এন্দুৰ। ইয়াৰো এটা তাৎপৰ্য আছে। গণেশ হৈছে গণশক্তিৰ মূল বা প্ৰতীক। ইয়াত সৰু-বৰৰ ভেদাভেদ নাই। সকলোৰে প্ৰতি সমভাৱ ইয়াৰ লক্ষ্য। সেই বাবেই গণেশে সৰু বুলি ঘৃণা নকৰি এন্দুৰক তেওঁৰ

লগত ৰাখিছিল বা বাহন হিচাপে ব্যৱহাৰ কৰিছিল। আনহাতে, হাতী আৰু এন্দুৰৰ মাজত যদিও মহাকায় আৰু ক্ষুদ্ৰৰ পাৰ্থক্য দেখা যায় তথাপি হাতীৰ যেনে শক্তি, সৰু প্ৰাণী হিচাপে এন্দুৰৰ শক্তিও কম বুলি ধৰিব নোৱাৰি। গণেশে এবাৰ চোৰ কৰিছিল সেই কথা জননীয়ে গম পাই তেওঁক বৰকৈ তিৰস্কাৰ কৰিছিল, অৱশ্যে তেওঁ ধন-ৰত্ন চুৰ কৰা নাছিল। চুৰ কৰিছিল এটা মাত্ৰ মন্ত্ৰ। কিন্তু তেওঁৰ বাহন হ'ল চোৰৰ চৰ্দাৰ, ৰাতিটোৰ ভিতৰতে ক'ৰ বস্তু ক'লৈ নিয়ে ঠিক নাই।

ওঁকাৰ বীজমন্ত্ৰ লৈ জনসাধাৰণৰ সৰ্বাংগীণ উন্নতিৰ কাৰণে সগুণ আকাৰ ৰূপ ধাৰণ কৰা পাৰ্বতী নন্দন গণেশ ভগৱা, মহাৰাষ্ট্ৰৰ পৰমপ্ৰিয় অবাধ্য দেৱতা বুলি জনাজাত। এই উৎসৱৰ প্ৰচলন কেতিয়াৰ পৰা হ'ল কোৱা কঠিন। মহাৰাষ্ট্ৰৰ কোকণ আৰু গোমণ্টক প্ৰদেশৰ ঘৰে ঘৰে শ্ৰীগণেশৰ জন্মোৎসৱ পৰম্পৰাগতভাৱে চলি আছে। এই অঞ্চলৰ অৱস্থাপন্ন প্ৰায় প্ৰত্যেক গাঁৱতেই গণেশ মন্দিৰ দেখা যায়। বৰ্তমান গণেশ ভক্ত সমাজৰ খ্যাতনামা অষ্ট বিনায়ক এই কোংকন প্ৰান্ততে বিদ্যমান।

মহাৰাষ্ট্ৰত শ্ৰীগণেশৰ জন্মতিথি পালন কৰা হয় ভাদ্ৰ পদ শুক্লা চতুৰ্থীৰ দিনা। সেইদিনা পুৱা ঘৰে ঘৰে গণেশ মূৰ্তিৰ বিধিগত প্ৰাণ প্ৰতিষ্ঠা কৰি উৎসৱ আৰম্ভ কৰা হয়। পৰিয়ালৰ অন্যান্য চাকৰি-ব্যৱসায় কৰা সকলোৰে শ্ৰীগণেশক সেৱা কৰাৰ উদ্দেশ্যে নিজৰ গাঁৱত উপস্থিত হোৱা প্ৰথা আজিও আছে। মন্ত্ৰবিধ সমাপন হোৱাত চাউল, গুড়, নাৰিকলেৰে বনোৱা মোদক নামৰ মিঠাই নৈবদ্য অৰ্পণ কৰি শংখ, ঘণ্টা, তাল আদিৰ সৈতে সকলো পৰিয়ালৰ সদস্যই আৰতি প্ৰদান কৰে। গধূলি আকৌ আৰতি, প্ৰসাদ, ভজন, কীৰ্তন, সংগীত আদি মূৰ্তিৰ সন্মুখত প্ৰদৰ্শন কৰে। দ্বিতীয় দিনা দুপৰীয়া ভোজন-বিশ্ৰাম কৰি শ্ৰীসোৰমা বাপাক (মহাৰাষ্ট্ৰৰ সম্বোধন কৰা গণেশৰ নাম) উক্ত পূজাৰে বিদায় দি পুখুৰী বা নদীত মূৰ্তি বিসৰ্জন দিয়ে। গাঁৱৰ মন্দিৰ প্ৰাংগণত সমূহীয়াভাৱে সুকীয়া উৎসৱত ভজন-কীৰ্তন আদি কাৰ্যক্ৰম সম্পন্ন কৰা হয়।

সাৰ্বজনীন কাৰ্য্যক্ৰমত অথৰ্বশীৰ্ষ পাঠৰ সহস্ৰাৱৰ্তন কৰা আৰু 'দেৱে নামৰ এখন বিশেষ কাৰ্যক্ৰম ধৰ্মীয় পৰিবেশত আয়োজন কৰা হয়। বেদাধ্যায়নৰ পূৰ্ব প্ৰাথমিক অভ্যাসস্বৰূপে দেৱে অতি শ্ৰৱণীয় আৰু তত্বগধুৰ

কাৰ্যসূচী গোৱা নাগপুৰ, পুণে আদি স্থানত পৰম্পৰা প্ৰাপ্ত সাৰ্বজনীন উৎসৱত সমূহীয়া গীত আৰু আৰতিৰো কাৰ্যক্ৰম থাকে।

স্বাধীনতা আন্দোলনৰ সময়ত লোকমান্য তিলকৰ প্ৰেৰণাত ধৰ্মীয় গণেশ উৎসৱ সমাজত শ্ৰদ্ধা আৰু ভক্তি ভাৱ, সামাজিক কু-প্ৰথা নিৰ্মূলন আৰু ৰাষ্ট্ৰীয় জাগৰণ কৰাৰ উদ্দেশ্য সুকীয়াৰূপে প্ৰতিভাত হ'ল। নগৰ-মহানগৰ আদি ঠাইত শ্ৰীগণেশ মূৰ্তিৰ সন্মুখত ৰাষ্ট্ৰীয় মনোভাবাপন্ন ভাষণ, ইতিহাস, বাত্ময় ৰাষ্ট্ৰীয় গীত প্ৰদৰ্শন, নাটক, নৃত্য আদি কাৰ্যক্ৰমৰ আয়োজন কৰি স্বাধীনতা আন্দোলনত এক গুৰুত্বপূৰ্ণ অৱদান লোকমান্যই আগবঢ়াই। সেই সময়ত গণেশ উৎসৱত যোগদান কৰা বিশিষ্ট ব্যক্তিসকল আছিল দেশভক্ত নেতা দামোদৰ সবৰকাৰ, নাগপুৰ হিন্দুসভাৰ নেতা ভা মুঞ্জে, গোপাল গণেশ আগৰকাৰ, ভা-মেলপতি ৰাপট ন্যায়মূৰ্তি ৰানাদে আৰু গোখলে আদি।

গণেশ উৎসৱত দেশভক্তিপূৰ্ণ পৱাজ নামক বৰ ৰসপূৰ্ণ গানৰ কাৰ্যক্ৰমৰ জৰিয়তে যুৱশক্তিৰ বিশেষ সংস্কাৰ হৈছিল। ৰাষ্ট্ৰীয় কীৰ্তন হিচাপে ব্ৰিটিছ্ দণ্ডাধাৰী অত্যাচাৰৰ বিৰুদ্ধে জাগৰণৰ কাৰ্য্য গণেশোৎসৱৰ জৰিয়তে হৈছিল। নাগপুৰৰ শ্ৰীমন্ত ৰঘুজীৰাজে ভাছলেৰ ৰাজপ্ৰসাদত গণেশ উৎসৱত বেদমন্ত্ৰও গায়ন হৈছিল। বডোডৰা সংস্থানত যুৱকসকলৰ বাবে সূৰ্য্য নমস্কাৰ প্ৰতিযোগিতা হৈছিল। প্ৰতিযোগিতাত বিজেতাসকলে মহাৰাজৰ লগত ভোজনৰ সন্মান পাইছিল।

স্বাধীনতাপ্ৰাপ্তিৰ পিছত স্বাধীন ভাৰতৰ সন্মুখত উদ্ভৱ হোৱা ভাষাভিত্তিক বিভাজন ধৰ্ম আৰু অৰ্থ সমাজবাদ নে সাম্যবাদ, গোৱা মুক্তি সংঘৰ্ষ, এই সমস্যাবিলাকৰ আলোচনা গণেশ উৎসৱত স্থান পাইছিল। লগতে অস্পৃশ্যতা নিবাৰণ, ভাৰত-চীন সংঘৰ্ষ আদিৰ বিষয়েও গণেশভক্তসকল যথেষ্ট সজাগ হৈছিল। অভিৰূপ লোকসভা নামৰ ভাৰতীয় সংসদৰ আবৃত্তি ১৯৬০চনৰ উৎসৱত প্ৰস্তুত কৰা হৈছিল।

সামাজিক জীৱনৰ বিবিধ প্ৰশ্নৰ বিষয়ে মৌলিক চিন্তন প্ৰশ্নৰ নিবাৰণত জীৱন উৎসৰ্গ কৰা বৰেণ্য ব্যক্তিৰ দৰ্শন মাৰাঠী সাৰ্বজনীন উৎসৱত হোৱাৰ বাবে নতুন প্ৰজন্ম নিশ্চয় লাভবান হৈছে। সাময়িক পৰিৱৰ্তনশীলতাৰ লগত উৎসৱৰ স্বৰূপ সলনি হ'লেও মহাৰাষ্ট্ৰৰ আবাল বৃদ্ধ, ধৰ্মপ্ৰাণ সমাজ ভগৱান

শ্ৰীগণেশৰ কৃপাত সমগ্ৰ দেশৰ একাত্মবোধ আৰু ৰক্ষণাৰ্থে থিয় হ'বলৈ সমৰ্থ হৈছে। প্ৰতি বছৰে সাৰ্বজনীনভাৱে দহ দিন এনে ধৰণে ভগৱান শ্ৰীগণেশৰ লগত আনন্দ আৰু ভক্তিপূৰ্ণ পৰিবেশত অতিবাহিত কৰি অনন্ত চতুৰ্দশী দিনা ওচৰত থকা জলাশয়, নৈ, বা সাগৰৰ পাৰত সামূহিক পুনৰগমনৰ নিমন্ত্ৰণ জনাই ভগৱান শ্ৰীগণেশক ভাবপূৰ্ণ বিদায় দিয়া হয়।

— o —

তন্ত্ৰশাস্ত্ৰ আৰু শিৱশক্তি

ভাৰতবৰ্ষ এখন ধৰ্মপ্ৰধান দেশ। প্ৰথম ধৰ্মভাৱনাৰ, কেৱল ধৰ্মভাৱনাই নহয় মানৱ সভ্যতাৰো আৰম্ভণি হৈছিল এই দেশত বেদৰ যুগতে। বেদেই আধ্যাত্ম বিদ্যাৰ মন্দিৰ প্ৰৱেশদ্বাৰ। লৌকিক যুক্তি তৰ্কৰ উৰ্ধত অলৌকিক তত্বৰ প্ৰক্ষেপনেই বেদৰ বেদত্ব। বেদৰ দুটা ভাগ কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ড। সংহিতা আৰু মন্ত্ৰভাগ কৰ্মকাণ্ডৰূপে জনা যায়। এই ভাগত যজ্ঞাদিৰ নিয়ম প্ৰণালী আদিৰ বিস্তৃত বিৱৰণ আছে আৰু ইয়াৰ মাধ্যমেৰে তেতিয়াৰ ঋষিসকলে আধ্যাত্মিক সাধনাত ব্ৰতী হৈছিল যদিও সেই কৰ্ম লগত জড়িত আছিল কেৱল ৰজা মহাৰজা আৰু পুৰোহিত শ্ৰেণীৰ ব্ৰাহ্মণসকল। সাধাৰণ জনগণৰ ওপৰত ইয়াৰ প্ৰভাৱ নাছিল কাৰণেই কিছুমান ঋষিয়ে গভীৰ অৰণ্যত বহি নানা চিন্তাভাৱনা আৰম্ভ কৰিলে আৰু তৰেই ফলশ্ৰুতি ব্ৰহ্মজ্ঞানাত্মক শাস্ত্ৰ উপনিষদ বা জ্ঞানকাণ্ড। জ্ঞান কাণ্ডৰ প্ৰবীণ প্ৰবক্তা যাজ্ঞবল্ক্য প্ৰমুখ্যে বহুতো ঋষিৰ ব্ৰহ্ম আৰু আত্মা সম্পৰ্কীয় বিচাৰ বিমৰ্ষ চলিছিল। তদুপৰি জনক প্ৰভৃতি ক্ষত্ৰিয় ৰাজৰ্ষিসকলে এই বিষয়ত মনোনিৱেশ কৰিছিল। জ্ঞানকাণ্ডৰ পিছত আহিল পুৰাণ আৰু ইতিহাস। ইয়াৰ মূল বেদ হলেও গল্প, আখ্যান আৰু আদিৰ মাধ্যমেৰে সৰ্বসাধাৰণৰ ওপৰত প্ৰভাৱ পেলাবলৈ চেষ্টা চলোৱা হ'ল আৰু ইয়াৰ ফলতেই পুৰাণ পাঠৰ কেন্দ্ৰ ৰূপে দেশত ঠায়ে ঠায়ে গঢ়ি উঠিল নানান ধৰ্ম মন্দিৰ আৰু তীৰ্থস্থান। পুৰাণৰ যুগতে বেদৰ সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ আদি অনন্ত নিৰাকাৰ অব্যক্ত ব্ৰহ্মাৰ সগুণ ৰূপৰ আৱিৰ্ভাৱ হৈ বৈষ্ণৱ শৈৱ, শাক্ত সৌৰ আৰু গাণপত্য আদি ৰূপলৈ একেজন দেৱতাই অব্যক্ত ব্ৰহ্মাৰ প্ৰতিনিধি হৈ মানৱ মনত বিৰাজ কৰিব ধৰিলে। এইবোৰৰ লগতে আহিল তন্ত্ৰশাস্ত্ৰও, যাক বৈদিকসকলে বেদবাহ্য বুলি জ্ঞান কৰে।

তন্ত্ৰ ইয়াৰ অৰ্থ আৰু বিভাগ ঃ

বিভিন্ন অভিধান বা শব্দবোৰৰ মতে তন্ত্ৰ শব্দটোৰ বিভিন্ন অৰ্থ প্ৰতিপাদিত হৈছে। একে অৰ্থৰ তুল্যাৰ্থক প্ৰতি শব্দক এনে ধৰণে বুজোৱা হৈছে— (১) কুতুম্বক্ৰিয়া বা আত্মীয় স্বজনৰ প্ৰতি কৰ্তব্য (২) সিদ্ধান্ত

(৩) ঔষধি (৪) প্ৰধান বা মুখ্য (৫) পৰিচ্ছদ (৬) শ্ৰুতি কথা (শ্ৰুতিৰ এটা শাখা) (৭) হেতু (৮) অভয়াৰ্থ প্ৰযোজক (উদ্দেশ্য প্ৰণোদিত ক্ৰিয়া) (৯) ইতি কৰ্তব্য (কৰিবলগীয়া কৰ্তব্য) (১০) ৰাষ্ট্ৰ (১১) প্ৰবন্ধ (১২) শপট (১৩) ধন (১৪) গৃহ (১৫) কুল (১৬) শাস্ত্ৰ বিশেষ শতপঠ ব্ৰাহ্মণ আৰু তাণ্ড্য ব্ৰাহ্মণৰ তন্ত্ৰক সাৰবস্তু বুলি বুজোৱাৰ চেষ্টা কৰা হৈছে। তন্ত্ৰ এনে এবিধ শাস্ত্ৰ যিয়ে বিশেষ কিছুমান তত্ব বা মতবাদ সমৰ্থন কৰে, অতীন্দ্ৰিয়বাদী এবাৰতে উচ্ছাৰিত পদাংশ, দৰ্শনশাস্ত্ৰ সম্বন্ধীয়, সম্ভাৱনীয়তা চিন্তা আৰু গুপ্ত ৰহস্য সম্বন্ধীয় কথাবোৰত প্ৰাধান্য দিয়ে। এইবোৰ কিন্তু দীক্ষিত শিষ্যৰ কাৰণেহে।

কিছুমান পণ্ডিতৰ মতে তন্ত্ৰ শব্দটোৰ তন্ ধাতুৰ পৰা উৎপত্তি হৈছে। উভয়বাদী তন্ ধাতুৰ তনু বিস্তাৰে তনোতি তনুতে কৰ্মব্যবত তায়তে তনকৈত্ বিস্তাৰতে জ্ঞানম মনেক। অৰ্থাৎ ইয়াৰ দ্বাৰা জ্ঞানৰ পৰিসৰ বৃদ্ধিপ্ৰাপ্ত হয়। এই অৰ্থৰ যিকোনো শাস্ত্ৰই তন্ত্ৰ বুলি কব পাৰি যেনে শাংখ্য আৰু ন্যায় বৈশেয়িক শাস্ত্ৰক কলিপ তন্ত্ৰ আৰু গৌতম তন্ত্ৰ বলি কব পাৰি। অগ্নিবেশৰ লগত সক্ৰান্ত আয়ুৰ্বেদিক অগ্নিবেশ তন্ত্ৰ বুলিও কোৱা হয়। কিছুমানৰ মতে তন্ত্ৰ এনে শাস্ত্ৰ যিয়ে তত্ব আৰু মন্ত্ৰৰ ওপৰত প্ৰাধ্যন্য দিয়ে। কিছুমান পণ্ডিতৰ মতে তন্ত্ৰ শব্দটো তনু শব্দৰ পৰা আহিছে যিয়ে যোগ সাধনাৰ দ্বাৰা শৰীৰটোক ৰক্ষা কৰে। পণ্ডিত হৰিপ্ৰসাদ শাস্ত্ৰীৰ মতে তন্ত্ৰ শব্দই ছুটি কৰা বুজায়। অৰ্থাৎ ই বীজগণিত সম্পৰ্কীয় মন্ত্ৰবোৰ ছুটি কৰি বুজাই দিছিল, যিবিলাক সাধাৰণতে বহুত দীঘল। কিছুমান পণ্ডিতে তন্ত্ৰ শব্দটো ত্ৰৈ পালনে ত্ৰৈ ধাতুৰ পৰা তন্ত্ৰ শব্দটো ওলোৱা বুলি কয়। যিটোৰ অৰ্থ হ'ল ৰক্ষা কৰা আৰু ই এনে শাস্ত্ৰক বুজায় যিয়ে শিষ্যসকলক ৰক্ষা কৰে।

তন্ত্ৰ শাস্ত্ৰবোৰ মোতামুতিভাৱে দুভাগত বিভক্ত, যেনে— আগম আৰু নিগম। যিবিলাক পাৰ্বতীয়ে শিষ্য হিচাপে প্ৰশ্ন কৰে আৰু শিৱই গুৰু হিচাপে উত্তৰ দিয়ে সেইবোৰ আগম আৰু ইয়াৰ ওলোটাবোৰ নিগম। তন্ত্ৰ আৰু দুটা ভাগত বিভক্ত যেন- সদাগম আৰু অসদাগম অৰ্থাৎ সৎ আৰু অসৎ। বিবিলাক কথা য'ত পূজা, সেৱা আদি নিৰ্দিষ্ট নিয়ম কল্পনাৰ মাজেদি কৰাৰ লক্ষ্য থাকে সেইবোৰ সৎ আৰু তেনেকুৱা লক্ষ্য নথকাবোৰ অসৎ। ইয়াৰ আৰু দুটা ভাগ হ'ল আস্তিক বা বৈদিক আৰু আনটো হ'ল নাস্তিক বা অবৈদিক। আস্তিক বিধক আৰু তেওঁলোকৰ দেৱতাৰ গুৰুত্বৰ ওপৰত নিৰ্ভৰ কৰি কেবাটাও

ভাগত বিভক্ত কৰা হৈছে যেনে- শাক্ত, সৌৰ গাণপত্য আৰু বৈষ্ণৱ। তন্ত্ৰ শাস্ত্ৰবোৰ আৰু দহ ভাগত বিভক্ত কৰা হৈছে। দহ মহাবিদ্যাৰ নামানুসাৰে ইয়াৰ ভিতৰত সদাচিত তন্ত্ৰ শ্ৰীবিদ্যা বুলি জনা যায়। তন্ত্ৰ শাস্ত্ৰবোৰ আৰু দুটা ভাগত বিভক্ত যেনে হিন্দুতন্ত্ৰ আৰু অহিন্দুতন্ত্ৰ। অহিন্দু তন্ত্ৰবোৰে বৌদ্ধ আৰু জৈন তন্ত্ৰবোৰ বুজায়। তন্ত্ৰ শাস্ত্ৰবোৰ ধৰ্মীয় যুগৰ ভিত্তিৰে ভাগ কৰা হৈছে যেনে- বৰাহ কল্প আৰু কাল কল্প।

তন্ত্ৰশাস্ত্ৰ প্ৰস্তুতিৰ কাৰণ কি?

সাধাৰণতে এটা প্ৰশ্ন উদয় হ'ব পাৰে বা হয় যে ইমানবোৰ ব্ৰাহ্মণগ্ৰন্থ বিদ্যমান থকা সত্ত্বেও তন্ত্ৰশাস্ত্ৰ ৰচনাৰ প্ৰয়োজন কিয় হ'ল? ইয়াৰ উত্তৰত তান্ত্ৰিকসকলে কৰ খোজে যে বেদ আৰু পিছত ৰচিত বহু শাস্ত্ৰই গুপ্ত অৰ্থাৎ সাধাৰণ জনগণৰ আয়ত্তৰ বা শিক্ষাৰ বাহিৰত। ব্ৰাহ্মণীয় দৰ্শনৰ ধাৰাটো সৰ্বসাধাৰণৰ বাবে দুৰ্বোধ্য। শাস্ত্ৰসন্মত আনুষ্ঠানিক ক্ৰিয়াবোৰ অতি কঠোৰ আৰু বহু সংযমৰ প্ৰয়োজন। এইবোৰ কাৰণত সেইবোৰে সংসাৰী মানুহ যিবিলাক বিভিন্ন জীৱিকা নিৰ্বাহৰ কামত ব্যস্ত থাকে তেওঁলোকৰ মন স্পৰ্শ কৰিব নোৱাৰিলে। ব্ৰাহ্মণ শাস্ত্ৰবোৰ ব্যক্তিগত স্বাধীনতাৰ পৰা মানুহক বঞ্চিত কৰিছিল আৰু শূদ্ৰ আৰু উচ্চ নীচ সকলো জাতৰ নাৰীকো ধৰ্মীয় কৰ্মবোৰত বাধা প্ৰদান কৰিছিল।

এইবোৰ কাৰণতে তন্ত্ৰশাস্ত্ৰ ৰচনাৰ প্ৰয়োজন অনুভৱ কৰা হ'ল যাৰ দ্বাৰা সহজ সৰলভাৱে তন্ত্ৰবোৰ ব্যাখ্যা কৰি সাধাৰণ বুদ্ধিৰ মানুহৰ বাবে বুজিব পৰা হয় আৰু ধৰ্মীয় সংস্কাৰৰ পৰা শূদ্ৰ আৰু স্ত্ৰী জাতিয়ে মুক্তি পায়। এইবোৰ যদিও বেদ বিৰোধী নহয় তথাপি বেদৰ কঠিন আৰু কঠোৰ কৰ্মপ্ৰণালীৰ ই বিৰোধিতা কৰে যাতে ধৰ্মীয় ব্যৱস্থা সহজ আৰু সৰল হয়। তন্ত্ৰই স্বাভাৱিক অনুভূতিবোৰ যেনে মদ্যপান আৰু নাৰীসম্ভোগ আদি স্বীকাৰ কৰে। তেওঁলোকে মানুহৰ দেহটো ক্ষুদ্ৰ জগৎ বুলি গণ্য কৰে আৰু কৰ খোজে ই বিশ্ব ব্ৰহ্মাণ্ডত যি আছে সকলো মানৱ দেহতে আছে। সেইবোৰে বহু সময়ত মানুহৰ সাধনাৰ প্ৰথম অন্তৰায় হয়। মানুহৰ শৰীৰটোত যি বিপুল শক্তি আছে সেয়া ঠিকমতে ব্যৱহাৰ কৰিব পাৰিলে সাধকে অসাধ্য সাধন কৰিব পাৰে। ইয়াৰ দ্বাৰা মানুহে অলৌকিক শক্তি লাভ কৰিব পাৰে যি শক্তিক তেওঁলোকে কুণ্ডলিনী জাগ্ৰত শক্তি বুলি কয়। কুণ্ডলিনী শৰীৰৰ মধ্য ভাগত সৰ্পৰূপে থাকে। তন্ত্ৰত আৰু এটা উদ্দেশ্য আৰম্ভ হ'ল অৰ্থাৎ

যেতিয়া সাধাৰণ মানুহ বৌদ্ধ ধৰ্মৰ নানা প্ৰলোভনীয় কথাত ভোল হৈ সেই ধৰ্মৰ প্ৰতি প্ৰবলভাৱে আকৃষ্ট হ'ব ধৰিছিল, বৌদ্ধসকল বিভিন্ন লালসাত লিপ্ত হৈ বহু বিশৃঙ্খল আৰু ব্যভিচাৰ আৰম্ভ কৰিছিল তেতিয়া তান্ত্ৰিকসকলে বৌদ্ধধৰ্মৰ প্ৰবাহৰ পৰা বাধা দিবলৈ পঞ্চমকাৰ প্ৰথা প্ৰচলন কৰিছিল। সেই পঞ্চমকাৰ হ'ল মদ, মাংস, মাছ, মৈথুন আৰু মুদ্ৰা। এই বিষয়ে আলোচনা পিছত হ'ব।

তন্ত্ৰৰ ভিতৰত বস্তু ঃ

তন্ত্ৰৰ ভিতৰত বস্তু তিনি প্ৰকাৰ যেনে— (ক) আগম— (১) সৃষ্টি, প্ৰলয়, দেৱপূজা, সাধনা, পুৰশ্বৰণ সৎকৰ্ম (মৰণ, বশীকৰণ, ৰিদ্দেশ আৰু শান্তি ইত্যাদি) (২) যমল— সৃষ্টি, জ্যোতিষ, অক্ষয়ন, নিত্যকৰ্ম, একমশ্ৰুত, বৰ্ণভেদ, জাতিভেদ আৰু যুগধৰ্ম ইত্যাদি। (৩) তন্ত্ৰ— সৃষ্টি, প্ৰতিসৃষ্টি, তন্ত্ৰনিৰ্ণয়, দেৱতকৃতী, তীৰ্থ, আশ্ৰম, ব্ৰাহ্মণ, প্ৰাণী, লোকৈসনা, মন্ত্ৰ দেৱোৎপত্তি, কল্পবৃক্ষ, জ্যোতিষ, পুৰাণ আখ্যান, কোষ, ব্ৰত, হৰচক্ৰ, স্ত্ৰী-পুৰুষ লোকৈসনা, ৰাজধৰ্ম, দণ্ডধৰ্ম, যুগধৰ্ম, ব্যবহাৰবিধি আধ্যাত্মবৰ্ণন ইত্যাদি।

তন্ত্ৰৰ ভিতৰত বস্তুখিনি বহলভাৱে চালে তলত দিয়া চাৰিটা ভাগতো বিভক্ত কৰিব পাৰি যেনে—

(ক) জ্ঞান— ইয়াৰ ধৰ্মীয় আৰু একেশ্বৰবাদী ধ্যান ধাৰণাই ঠাই পাইছে আৰু কেতিয়াবা অদ্বৈতবাদী ধাৰণাও এই অংশত দৰ্শনশাস্ত্ৰ সম্বন্ধীয় চিন্তা যাৰ দ্বাৰা শব্দ, আদিৰ অলৌকিক ব্যক্তিৰ উমান পোৱা যায়।

(খ) যোগ— যাৰ দ্বাৰা মনক নিয়ন্ত্ৰণ ৰাখি অলৌকিক শক্তিৰ অধিকাৰী হ'ব পাৰি।

(গ) ক্ৰিয়া— যাৰ দ্বাৰা মূৰ্তি নিৰ্মাণ আৰু মঠ মন্দিৰ নিৰ্মাণৰ কাম কৰা হয়।

(ঘ) চাৰ্য্য— পূজা অৰ্চনা, লৌক উৎসৱ আৰু সামাজিক দায়িত্বৰ কথা কোৱা হৈছে। তন্ত্ৰ কাৰ্যক্ৰমণিকা স্পষ্টভাৱে ওপৰোক্ত বিভাগতে শেষ নহয়। তন্ত্ৰৰ মতে পূজাক তিনিটা ভাগত ভগাব পাৰি। যেনে প্ৰতীক পূজা, মন্ত্ৰ পূজা আৰু স্বৰ পূজা যিটো শ্ৰেষ্ঠ আৰু মনৰ দ্বাৰাইহে ইয়াক সাধন কৰিব পৰা যায়।

তন্ত্ৰ সাহিত্যবোৰ দুই প্ৰকাৰৰ যেনে এটা ভাগ ধৰ্মীয় আৰু আনটো ভাগ জনপ্ৰিয়। জনপ্ৰিয় ভাগটোৰ থাকে মেজিক বা অলৌকিক কৰ্ম, মন্ত্ৰ, মুদ্ৰা, মণ্ডল, ন্যাস, চক্ৰ আৰু মন্ত্ৰ ইত্যাদি। তন্ত্ৰৰ উদ্দেশ্য প্ৰধানত দুটা যেনে মানুহৰ বন্ধনৰ পৰা মুক্তি আৰু সিদ্ধি। সংস্কাৰবাদী ব্ৰাহ্মণ্য ধৰ্ম আৰু তন্ত্ৰৰ প্ৰভেদ এয়ে যে প্ৰথমটোৱে ত্যাগত বিশ্বাস কৰে কিন্তু তন্ত্ৰই ভোগতহে বিশ্বাসী।

তন্ত্ৰৰ বিশ্বাস মতে শৰীৰটোত পাঁচটা কোষৰ সমষ্টিময়। তন্ত্ৰৰ মতে মানৱ দেহাটোৰ ভিতৰত ছটা চক্ৰ আছে যেনে- মূলাধাৰ, মূলাধাৰৰ ওপৰত স্বাধীস্থান, নাভীৰ মণিপুৰ, হৃদয়ত অনাহত, কণ্ঠত বিশুদ্ধ বা ভাৰতী আৰু চকুৰ ভূৰৰ মাজৰখিনি অজনা। চক্ৰভেদে আৰু সৎচক্ৰ ভেদৰ কথা সঘনাই তন্ত্ৰত উল্লেখিত হৈছে।

ভেদে কৰ্মৰ প্ৰকাশক বুজায় যিটো শৰীৰ আৰু মনক সতেজ ৰাখি সিদ্ধিৰ পথত আগবঢ়োৱাৰ বাবে প্ৰয়োজন। ব্ৰহ্মবন্ধ হৈছে মূৰৰ মাজত অৱস্থিত যাৰ পৰাই মানুহৰ মৃত্যুৰ সময়ত শেষ নিশ্বাস ওলাই যায়।

মানুহৰ প্ৰকৃতি ঃ

গুণানুসাৰে মানুহৰ প্ৰকৃতি তিনি ভাগত বিভক্ত যেনে— সত্ব, ৰজ আৰু তম। মানৱ চৰিত্ৰৰ বিচিত্ৰতাৰ কাৰণে এজন সৎগুৰুৰ প্ৰয়োজন হয়। গুৰুৱে শিষ্যক প্ৰকৃতি অনুযায়ী একোটা মন্ত্ৰদান কৰি শিষ্যক দীক্ষা দিয়ে। মানুহৰ প্ৰকৃতি অনুসৰি তেওঁলোকক কোৱা হয় পশুভাব, বীৰভাব আৰু দিব্যভাব। কলিযুগত কোন ভাবৰ মানুহৰ সংখ্যা বেছি সেই কথা লৈ মতভেদ দেখা যায়। মহানিৰ্বাণ তন্ত্ৰৰ মতে বীৰভাবৰ লোকৰ সংখ্যাই বেছি আৰু বাকী দুটা ভাবৰ মানুহৰ সংখ্যা নগন্য। ৰামতোসনৰ দ্বাৰা প্ৰণীত প্ৰণতোসনী গ্ৰন্থৰ এক উদ্ধৃতিৰ পৰা জনা যায় যে কলি যুগত দিব্য আৰু বীৰভাবৰ মানুহৰ সংখ্যা অতি কম। এই মতান্তৰ সত্বেও দুয়োটা মতবাদে দিব্যভাবৰ মানুহৰ সংখ্যা এই যুগত নিচেই কম এই কথাটো স্বীকাৰ কৰে।

সাধনা পঞ্চতত্ত্ব ঃ

সাধনাৰ অৰ্থ হ'ল সিদ্ধিৰ কাৰণে অৱলম্বন কৰা পথ যেনে— পূজা, শাস্ত্ৰজ্ঞান, জপ বা ধ্যান, তপ অৰ্থাৎ প্ৰায়চিত্ত আৰু মন্ত্ৰ ইত্যাদি। কৌল শাখাৰ

তন্ত্ৰমতে সাধক বা সাধিকাৰ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি যেনে—

(ক) **প্ৰকৃতি বিৰদাৰী ঃ** যিবোৰ দান, আৰু পঞ্চতন্ত্ৰ মতে অনুষাঙ্গিক কৰ্ম কৰে।

(খ) **মধ্যমা কৌলিক ঃ** প্ৰকৃতিৰ নিচিনা তেওঁলোকৰ মনবোৰ ধ্যান জ্ঞান আৰু মনোযোগৰ ফালে আকৃষ্ট।

(গ) **কৌলিকত্তম ঃ** যিসকলে আনুষ্ঠানিক পূজা পাৰ্বনৰ উৰ্দ্ধত বিশ্বনিয়ন্তাৰ কাৰণে ধ্যান কৰে।

পঞ্চতত্ব বা পঞ্চমকাৰ ঃ

আগতো উল্লেখ কৰি অহা হৈছে যে পঞ্চমকাৰ হ'ল, মদ, মাছ, মাংস, মুদ্ৰা আৰু মৈথুন। তন্ত্ৰৰ এই প্ৰথাটো বহু পণ্ডিতে দুৰ্ঘোৰভাৱে সমালোচনা কৰি কয় যে ই এটা অশ্লীল আৰু কুৰুচিপূৰ্ণ প্ৰথা যাৰদ্বাৰা সাধকৰ মন দিকভ্ৰান্ত হৈ বহু ব্যভিচাৰী প্ৰথাৰ জন্ম ল'ব পাৰে। কিন্তু তান্ত্ৰিকসকলৰ মতে এই সাধনাত ব্যক্তিৰ গুণানুসাৰে বা সাধ্যানুসাৰে বেলেগ বেলেগ প্ৰথাৰ বিধান আছে। যেনে বীৰ ভাবৰ সাধকসকলে পঞ্চমকাৰৰ আক্ষৰিত অৰ্থতে প্ৰয়োগ কৰে আৰু তাৰ দ্বাৰা প্ৰগতিৰ পথত আগবাঢ়ি যায়। কিন্তু পশুভাবৰ সাধকসকলে দাবৰ পানী বা গাখীৰ মদৰ পৰিৱৰ্তে ব্যৱহাৰ কৰে। তেওঁলোকে ৰঙা তিল, মচুৰ আদি মাছৰ পৰিৱৰ্তে ব্যৱহাৰ কৰে। মাংসৰ পৰিৱৰ্তে আদা, তিল, লৱণ আৰু নহৰু আদি খায়। মুদ্ৰা হ'ল তেওঁলোকৰ কাৰণে চাউল আৰু বালি ইত্যাদি। মৈথুনৰ পৰিৱৰ্তে ভক্তই তেওঁ এটা শিশুৰ নিচিনাকৈ দুৰ্গা দেৱীৰ চৰণত আত্মসমৰ্পণ কৰিব লাগে। দিব্য ভাবৰ সাধকসকলৰ বাবে মদ হ'ল মাতালৰূপে বিশ্বনিয়ন্তাৰ প্ৰশস্তি যিটো যোগসাধনৰ প্ৰক্ৰিয়াত সাধিত হয় আৰু তেতিয়া তেওঁ বহিৰ্জগতৰ লগত সংযোগহীন হৈ পৰে। তেওঁলোকৰ কাৰণে মাংস হ'ল সেইটো প্ৰক্ৰিয়া যিটোৰ দ্বাৰা তেওঁ তেওঁৰ সকলো কৰ্ম ব্ৰহ্মাৰ ওচৰত অৰ্পণ কৰে। মাছৰ অৰ্থ হ'ল সেই সাত্বিক জ্ঞান যাৰ দ্বাৰা তেওঁ সকলো প্ৰাণীৰ লগত সংযোগ স্থাপন কৰি তেওঁলোকৰ সুখ-দুখৰ সমভাগী হয়। মুদ্ৰাৰ অৰ্থ হ'ল সকলো প্ৰকাৰ দুষ্কাৰ্যৰ পৰা আঁতৰত থকা। যিটোৱে মানুহৰ প্ৰগতি বাধাগ্ৰস্ত কৰে। মৈথুনৰ অৰ্থ হ'ল মূলাধাৰত অৱস্থিত কুন্দলিনীক শিৱৰ মাজভাগত থকা চক্ৰৰ লগত সংযোজিত কৰা।

কুলাৰ্ণক তন্ত্ৰই তলত দিয়া ধৰণে পঞ্চমকাৰৰ বিষয়ে আগবঢ়াইছে। যেনে মূলাধাৰত থকা কুণ্ডলিনী শক্তিৰ শিৱৰ লগত আৰু শিৱৰ মাজত থকা কুণ্ডলিনী শক্তিৰ শিৱৰ লগত আৰু শিৱৰ মাজত থকা চক্ৰৰ লগত মিলনৰ ফলস্বৰূপে উদ্ভাৱণ হোৱা ৰস। তেৱেঁই মাংস ভক্ষণ কৰে যিয়ে জ্ঞান অস্ত্ৰৰ দ্বাৰা সকলো আপচু ব্স্তু ধ্বংস কৰি তেওঁ মনটো সৰ্বেশ্বৰ শিৱৰ ফালে আগবঢ়াই লৈ যায়। তেৱেঁ মাছ খায় যিয়ে তেওঁৰ সকলো অনুভূতি দমণ কৰি সেইবোৰত আত্মাত নিবেদন কৰে। মৈথুনৰ অৰ্থ হ'ল সৰ্বেশ্বৰী শক্তিৰ আত্মাৰ লগত মিলন। মৈথুনৰ প্ৰত্যক্ষ হোৱা সকলো দ্বৈত ভাবৰ প্ৰতীক আৰু প্ৰকৃত মিলন। তান্ত্ৰিকসকলে এই প্ৰথাৰ সমালোচকসকলৰ প্ৰত্যাহ্বান জনাই কয় যে পঞ্চমকাৰ দৰ্শনখিনি সুক্ষ্মভাৱে নিৰীক্ষণ কৰিলে দেখিব যে ই মানৱৰ পশুশক্তিৰ অপপ্ৰয়োগত কেতিয়াও প্ৰশ্ৰয় নিদিয়ে আৰু ই প্ৰেয়ৰ পৰা শ্ৰেয়লৈ যোৱাৰ মাৰ্গৰহে এটা ধাৰাৰ আৰম্ভণি। কিন্তু ইয়াৰ শেষ বস্তু নহয়। এজন সাধকৰ পঞ্চমকাৰ গুৰুৰ সুচিন্তিত বিচাৰৰ পাচত দিয়া অনুমতি অবিহনে কোনেও প্ৰয়োগ কৰিব নোৱাৰে। পঞ্চমকাৰ পথত আগবাঢ়িব হ'লে সাধকে তেওঁৰ শৰীৰ, মন আৰু শ্বাস-প্ৰশ্বাসৰ ওপৰত নিয়ন্ত্ৰণ ৰাখিব লাগিব। শৰীৰ নিয়ন্ত্ৰণৰ কাৰণে বিভিন্ন আসন কৰিব লাগিব আৰু মনটো ভাবনাৰ দ্বাৰা উদ্বুদ্ধ কৰিব লাগিব আৰু শ্বাস-নিশ্বাস নিয়ন্ত্ৰণৰ কাৰণে প্ৰাণায়াম কৰিব লাগিব। স্নান, তৰ্পণ, সন্ধ্যা, পূজা আৰু হোম এই পাঁচটি ক্ৰিয়া আৱশ্যই পালনীয়।

কুণ্ডলিনী যোগ ঃ

তান্ত্ৰিক সাধনাৰ মুখ্য কথাই হ'ল কুণ্ডলিনী যোগ। মানুহৰ শৰীৰত সুপ্তভাৱে থকা আধ্যাত্মিক শক্তিকেই কুণ্ডলিনী বোলা হয়। কুণ্ডলিনীৰ মূলধাৰে সৰ্পৰ নিচিনা মেৰিয়াই থকা বুলি বিশ্বাস কৰা হয়। এই কুণ্ডলিনী জাগ্ৰত কৰি এজন সাধকে মানৱ জীৱনৰ উচ্চ স্তৰ পাব পাৰে। যেতিয়া কুণ্ডলিনী জাগ্ৰত হয় গোটেই পৰিবেশটোত এটা সংগীতৰ লহৰ যেন লাগে যিটোক কোৱা হয় কুণ্ডলিনীৰ কুজন বা সংগীত। ব্যক্তিগত কুণ্ডলিনীৰ উপৰিও তন্ত্ৰই মহাকুণ্ডলিনীৰ কথাও কয়। ব্যক্তিগত কুণ্ডলিনীয়ে মানুহৰ ব্যক্তিত্বৰ বিকাশ ঘটায় কিন্তু কোনো সাধকে যদি মহাকুণ্ডলিনী যোগ আয়ত্ত কৰিব পাৰে তেনেহ'লে তেওঁ ভাবাতীত অৱস্থাপ্ৰাপ্ত হৈ গোটেই বিশ্বজগতৰ লগত মিলিব পাৰে। মহাকুণ্ডলিনী হ'ল বিশ্বব্ৰহ্মাণ্ডৰ আধাৰ।

পূজা ঃ

তান্ত্রিক পূজাৰ প্রধান উপাদান হ'ল ধ্যান আৰু জপ। পূজাৰ বাবে উছৰ্গা কৰা বস্তু পাঁচ প্রকাৰৰ পৰা ওঠৰ প্রকাৰ হ'ব পাৰে। তন্ত্রই কিন্তু আটাইতকৈ বেছি প্রাধান্য দিয়ে 'মনসা পূজা'ত। বাস্তৱত এই পূজা বাহ্যিক পূজাতকৈ বহু উচ্চ খাপৰ। তন্ত্রৰ পূজাত সাধকে তেওঁ পূজা কৰা প্রতীকৰ লগত একান্ত হ'ব লাগে। তন্ত্রৰ মতে মনসা পূজা নহ'লে বাহ্যিক পূজাৰ কোনো অর্থ নাই। শাক্তনন্দ তৰঙ্গিনীৰ মতে নিজৰ অন্তৰত থকা ভগৱানৰ কথা পাহৰি বাহিৰত ভগৱানক বিচৰাতো অৰ্থহীন। আত্ম নিবেদনেই হ'ল পূজাৰ মূলমন্ত্র।

সিদ্ধি ঃ

সাধনাৰ দ্বাৰা পোৱা সিদ্ধি বহু প্রকাৰ যে মন্ত্রসিদ্ধি, বাক্যসিদ্ধি ইত্যাদি। মন্ত্রসিদ্ধিৰ অর্থ হ'ল সাধকে মন্ত্রৰ দ্বাৰা লাভ কৰা উদ্দেশ্যৰ সফলতা। বাকসিদ্ধিৰ অর্থ হ'ল শব্দ উচ্চাৰণৰ দ্বাৰা সাধকে লাভ কৰা অব্যর্থ অৱস্থা। আধ্যাত্মিক জীৱনৰ পৰিপূর্ণতা লাভ কৰি সাধকে আঠ প্রকাৰৰ সিদ্ধি লাভ কৰে। যেনে— (১) অনিমা অর্থাৎ এটা পদার্থক অনুপৰিমাণ ভাব হোৱা। (২) মহিমা যাৰ দ্বাৰা সাধকে ইচ্ছা মতে এটা বস্তুৰ আকাৰ বঢ়াব পাৰে। (৩) লঘিমা যাৰ দ্বাৰা সাধকে অত্যাধিক লঘুতা অনুভৱ কৰে। (৪) গৰিমা যাৰ দ্বাৰা অত্যাধিক ওজন অনুভৱ কৰে (৫) প্রাপ্তি যাৰ দ্বাৰা সাধকে যি কোনো মনোবাঞ্চিত বস্তু ইচ্ছা কৰিলে পাব পাৰে। (৬) প্রাকাশ্য অর্থাৎ ইচ্ছা। (৭) ইশিত্ব অর্থাৎ আনৰ ওপৰত অধিকাৰ বিস্তাৰ কৰা (৮) ইশ্বত অর্থাৎ আনক বশীভূত কৰিব পৰা ক্ষমতা। কিন্তু আটাইতকৈ ডাঙৰ সিদ্ধি হ'ল মহানির্বাণ বা মোক্ষ।

মন্ত্র ঃ

তন্ত্রত মন্ত্রৰ প্রাধান্য অতি বেছি। ভগৱানক মন্ত্রৰ দ্বাৰাই অনুভৱ কৰা হয় আৰু যিটোৱে হৈছে মোক্ষৰ উপযুক্ত পথ। মন্ত্রক এইদৰে কোৱা হয় যে ই সিদ্ধি লাভ কৰা সাধকক মননৰ দ্বাৰা বা বিশ্বজ্ঞানৰ দ্বাৰা পুর্ণজন্ম চক্রৰ পৰা উদ্ধাৰ কৰে। মন্ত্র অ-ৰ পৰা ক্ষ অক্ষৰ ভিতৰত সীমাবদ্ধ। এইটোকে

বীজ বুলি কোৱা হয়। বীজ মন্ত্ৰ সাধকে দীক্ষাৰ সময়ত গুৰুৰ পৰা লাভ কৰে। ই ইপ্সিত বিগ্ৰহৰ প্ৰতীক। গুৰুৱে বীজমন্ত্ৰ শিষ্যৰ অন্তৰত সোমাই দিয়ে যিটো ভগৱানৰ কৰুণাত শুদ্ধ হৈ আছে।

যোগ ঃ

তান্ত্ৰিক যোগ সাধাৰণতে দুই প্ৰকাৰ যেনে হঠযোগ আৰু সমাধিযোগ। প্ৰথমটোৱে শাৰীৰিক যোগপ্ৰথা যাৰ দ্বাৰা মনক নিয়ন্ত্ৰণত ৰাখিব পাৰি। ইয়াত পাঁচটা অনুষংগিক ভাগ আছে। যেনে—

(১) যম—ইন্দ্ৰিয়ৰ নিয়ন্ত্ৰণ আৰু অহিংসা ইত্যাদি।

(২) নিয়ম —শাস্ত্ৰ অধ্যয়ন আৰু ভগৱানৰ ধ্যান।

(৩) প্ৰণায়াম —উশাহ-নিশাহ নিয়ন্ত্ৰণ।

(৪) আসন —বিভিন্নভাবে বহি কৰা ক্ৰিয়া।

(৫) প্ৰত্যাহাৰ —বাহ্যিক জগতৰ পৰা ইন্দ্ৰিয়সমূহক আঁতৰাই অন্তৰ্মুখী কৰা। সমাধিযোগ ছয় প্ৰকাৰৰ। যেনে ধ্যানযোগ, নাদযোগ, ৰসানন্দ যোগ, লয়সিদ্ধিযোগ, ভক্তিযোগ আৰু ৰাজযোগ। পাতঞ্জলিৰ যোগসূত্ৰ আৰু তান্ত্ৰিক যোগৰ পাৰ্থক্য বিদ্যমান। তন্ত্ৰৰ মতে শক্তি আৰু তত্বৰ কোনো পাৰ্থক্য নাই যিহেতু শক্তিয়ে সকলো বিপদৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰি যোগীক সৰ্বেশ্বৰ শিৱৰ ওচৰলৈ লৈ যায়। পাতঞ্জলিয়ে প্ৰকৃতিৰ বাহিৰে আন কোনো শক্তিক স্বীকাৰ নকৰে।

শিৱ আৰু শক্তি ঃ

যদিও তন্ত্ৰশাস্ত্ৰৰ সৰ্বোচ্চ দেৱী হ'ল শক্তি কিন্তু শিৱ নোহোৱাকৈ শক্তি সম্পূৰ্ণ নহয়। শিৱ আৰু শক্তি অবিচ্ছেদ্য আৰু ইটো-সিটোৰ লগত সদায় জড়িত। শিৱ আৰু শক্তি প্ৰকৃতপক্ষে এজনেই। তেওঁলোক দুয়ো নিৰাকাৰ ব্ৰহ্মৰ দুটা বিভিন্ন প্ৰকাশহে অৰ্থাৎ পুৰুষ আৰু প্ৰকৃতি। কিন্তু এওঁলোক সাংখ্য দৰ্শনৰ পুৰুষ আৰু প্ৰকৃতিৰ পৰা বিভিন্ন।

শিৱ আৰু শক্তি অবিচ্ছেদ্য যিদৰে জুই আৰু তাপ, চেনি আৰু মিঠা, গাখীৰৰ বগা ৰং অভিন্ন। তন্ত্ৰ শাস্ত্ৰমতে শিৱ আৰু শক্তি পৰমব্ৰহ্মৰ শক্তি। কিন্তু শক্তিকেই সৰ্বোচ্চ দেৱী বুলি স্বীকাৰ কৰা হয় এই কাৰণে যে ঐশ্বৰিক শক্তিৰ দ্বাৰাই এই বিশ্বব্ৰহ্মাণ্ড সৃষ্টিও হৈছে আৰু শাসিত হৈ আহিছে। কিন্তু

তথাপিও শক্তি সৰ্বোচ্চ স্থান দিয়াই বুজায় যে ব্ৰহ্মাত মাতৃত্ব আৰোপ কৰা হৈছে। যদিও ই ব্ৰহ্মাৰ পিতৃত্বৰ ধাৰণাৰ নিচিনাই যুক্তিপূৰ্ণ। ভগৱান যে পিতৃ আৰু মাতৃও এই ধাৰণালৈয়ে কালিদাসে তেওঁ ৰঘুবংশ কাব্যত তেওঁৰ প্ৰকাশ ক্ষমতা পূৰ্ণতাৰ কাৰণে ভগৱান পিতৃ আৰু মাতৃ দুয়ো ৰূপত প্ৰাৰ্থনা কৰিছে।

দাৰ্শনিক ব্যাখ্যা মতে, শক্তি হ'ল ভগৱানৰ গতি শক্তি আৰু শিৱ ভগৱানৰ বা ব্ৰহ্মাৰ জঠৰ অৱস্থা। ইজন-সিজনৰ পৰা অবিচ্ছিন্ন। তন্ত্ৰৰ মতে সৃষ্টি মায়াৰ সৃজন নহয়, সৃষ্টি হ'ল বাস্তু কাৰণ ই ভগৱানক প্ৰকাশ কৰে আৰু সেই কাৰণে ব্ৰহ্ম আৰু সৃষ্টিৰ গভীৰ সম্বন্ধ আছে কাৰ্য আৰু কাৰণ ৰূপে।

বহু মানুহৰ মনত ভ্ৰান্ত ধাৰণা আছে যে শিৱ আৰু শক্তি আৰ্যদেৱ আৰু দেৱী নহয়। যি ভূত, পিশাচৰ দেৱতা আৰু কালী আদিম মানৱৰ দস্যুৰাণীৰ দৰে সময়ৰ পৰিৱৰ্তনৰ লগে লগেহে তেওঁলেকে হিন্দু ধৰ্মক্ষেত্ৰত সোমাই পৰিছে আৰু আৰ্য দেৱ-দেৱী বুলি স্বীকৃত হৈছে। বৰ্তমান কিন্তু তেওঁলোক হিন্দু ধৰ্ম আন দেৱ-দেৱীতকৈ নিম্নমানৰ নহয়। বৰঞ্চ ব্ৰহ্মা, বিষ্ণুৰ সমকক্ষ। কিন্তু এইটো স্বীকাৰ কৰিবই লাগিব যে আমাৰ দেশৰ আদিম বৰ্বৰ অধিবাসীসকল তেওঁলোকৰ ধৰ্মীয় বিশ্বাস সহজতে কেতিয়াও ত্যাগ নকৰে। পাহাৰ পৰ্বতৰ পাদদেশত আৰু গভীৰ অৰণ্যত দেখা পোৱা বৰ্বৰ অধিবাসীসকলক যাৰ এই দেশৰ আদিম আধিবাসী বুলি গণ্য কৰিব পাৰি আৰু যিসকলে এদিন আৰ্য্যসকলৰ আক্ৰমণৰ সন্মুখত তিষ্টিব নোৱাৰি পাহাৰ-জংঘলত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল। এইসকলৰ পূজা পদ্ধতিৰ শিৱ আৰু কালীৰ কোনো অস্তিত্ব বিচাৰি পোৱা নাযায়। তেওঁলোক প্ৰায় সকলোৱেৰ জড়োপাশক আৰু শিল বা গছগছনি বিলাকহে পূজা কৰে। তেওঁলোকৰ দুখ-দুৰ্দশা, অপায়-অমংগল আদিৰ পৰা প্ৰতিকাৰ বিচাৰি তেওঁৰ ওজাৰ মন্ত্ৰ-তন্ত্ৰ আৰু বলি-বিধানতহে বিশ্বাস কৰে। কোনো ডাক্তৰী চিকিৎসা তেওঁলোকে বিশ্বাস নকৰে। সেয়ে শিৱ আৰু কালী এসময়ত তেওঁলোকৰ দেৱ-দেৱী আছিল বুলি বিশ্বাস কৰা টান।

শিৱ প্ৰকৃততে আদিতে দ্ৰাৱিড়সকলৰ দেৱতা আছিল আৰু দ্ৰাৱিড়সকল শিক্ষা-দীক্ষা কোনো গুণতে আৰ্য্যসকলতকৈ কম নাছিল। কিন্তু সাধাৰণ লোকৰ সুবুদ্ধিৰ পৰিণামত হিন্দুৰ ত্ৰিদেৱতাৰ এজন হ'ল যেনে—ব্ৰহ্মা, বিষ্ণু আৰু শিৱ।

ব্ৰহ্মাত কোনো গুণ আৰোপ কৰিব নোৱাৰি ব্ৰহ্মা গুণহীন আৰু আৰোপহীন। সেয়ে ঋকবেদৰ পুৰুষ শুক্তৰ পৰা উপনিষদলৈ তেওঁ বিৰাজমান। তেওঁৰ পদো সকলোতে থাকে আৰু যেতিয়াই দুজন মানুহে একেলগে থাকে তাত তৃতীয়জন হিচাহে ব্ৰহ্মা থাকে। এইটো শ্ৰীমদ্ভাগৱত গীতাৰ বিশ্বৰূপ দৰ্শনত শ্ৰীকৃষ্ণই সুন্দৰভাৱে প্ৰকাশ কৰিছে। হিন্দু সাধকসকলে সাধনৰ পথত নিস্পৃহতাক যথেষ্ট গুৰুত্ব দিয়ে। শিৱ হ'ল নিস্পৃহতাৰ প্ৰতীক। তেওঁ যোগী আৰু সন্ন্যাসীসকলৰ মহান আদৰ্শ। তেওঁ লোভৰ অতীত সোণ আৰু ছাই তেওঁৰ মানত একে। বিষ আৰু অমৃতৰ তেওঁৰ ক্ষেত্ৰত কোনো পাৰ্থক্য নাই। নিস্পৃহতা সেই ভাবৰ পৰাই আহে যে পৃথিৱীৰ সকলো বস্তু অনিত্য, এদিন নোহোৱান হৈ যাব। একোৱেই স্থায়ী নহয় আৰু সকলো বস্তু এদিন বাষ্পৰ নিচিনা উৰি যাব আৰু তাৰ পৰাই আমাৰ দুখ-দুৰ্দশা, শোক আদিৰ জন্ম হয়। কিন্তু শিৱ হ'ল ধ্বংসৰ দেৱতা, তেওঁৰ বিশ্ব ধ্বংস কৰোতা ব্ৰহ্মাৰ প্ৰতিধিনি। তেওঁ অন্তৰত ধ্বংস শক্তি গুপ্ত অৱস্থাত থাকে। যি মুহূৰ্ততে সেই শক্তি জাগি উঠে তেতিয়া কিন্তু বিশ্ব ধ্বংস হয়। তেওঁ ধ্বংসৰ দেৱতা হৈয়ো নিজে কিন্তু মৃত্যুহীন অৰ্থাৎ মৃত্যুঞ্জয়। তন্ত্ৰৰ মতে সৃষ্টি যেতিয়া ধ্বংস হয় শক্তিয়ে তেতিয়া বিশ্বক তুলি ধৰে আৰু ভাবাতীত শিৱৰ লগত মিলিত হয়। যেতিয়া শক্তিয়ে মহাকালক প্ৰলয়ৰ সময়ত ধ্বংস কৰে তেতিয়া তেওঁ কালী নামে জনা যায়। মহা প্ৰলয়ৰ পিছত একমাত্ৰ তৃম বা অব্যক্ত প্ৰকৃতি হিচাপে তেওঁ বৰ্তমান থাকে। এই বিশ্বব্ৰহ্মাণ্ডখন তেওঁৰ ইচ্ছাতে ব্ৰতী থাকে। তেওঁ সকলোৰে আৰম্ভণি। তেওঁৰ বহু নাম যেনে দুৰ্গা, কালী, তাৰা, যোড়শী, ভুৱনেশ্বৰী, ধৈমৱতী, বগলা, ভৈৰৱী, ছিন্নমস্ত, মাতংগী, কমলা, মায়া, মহামায়া ইত্যাদি।

বৌদ্ধতন্ত্ৰ আৰু হিন্দুতন্ত্ৰৰ প্ৰভেদ ঃ

হিন্দুতন্ত্ৰ আৰু বুদ্ধতন্ত্ৰৰ মাজত গভীৰ পাৰ্থক্য এয়ে যে হিন্দু তন্ত্ৰই বুদ্ধৰ অহিংসাবাদত বিশ্বাস নকৰে। তেওঁলোক বিশ্বাস কৰে যে জীৱন ধাৰণ কৰিবলৈ কোনো নহয় কোনো প্ৰকাৰ হিংসাৰ প্ৰয়োজন হয়। আমাৰ জীৱন ধাৰণৰ কাৰণে যি খাদ্য আমি খাওঁ সেইবোৰো জীৱই। যেতিয়া আমি কোনো গছৰ খল খাওঁ তেতিয়া গছ ডালৰ প্ৰতি হিংসাকেই বুজায়। যেতিয়া আমি গৰু পোৱালিটোলৈ বঞ্চিত কৰি গাখীৰ খাওঁ সেয়াও হিংসা। সেয়ে নিজক বচাই ৰখাবলৈ হিংসা আৱশ্যম্ভাৱী। হিন্দু তন্ত্ৰ আৰু বুদ্ধ তন্ত্ৰ ৰিজাই চালে

বহু সামঞ্জস্য আৰু বহু অসামঞ্জস্য চকুত পৰে। হিন্দু ধৰ্মৰ ঈশ্বৰৰ কল্পনা বুদ্ধসকলে নামানে। বৌদ্ধ তন্ত্ৰত শক্তি আৰু শাক্ত সম্বন্ধে কোনো উল্লেখ নাই। হিন্দুতন্ত্ৰৰ শিৱ আৰু শক্তিৰ অৰ্থাৎ পুৰুষ আৰু নাৰী তত্বৰ পৰিৱৰ্তে বুদ্ধ তন্ত্ৰই 'উপায়' আৰু 'প্ৰজ্ঞা' বুলি কয়। বৌদ্ধসকলৰ শূন্যবাদ হিন্দুতন্ত্ৰই বিশ্বাস নকৰে। অৱশ্যে মূল্য লক্ষ্য আৰু তাৰ উপায় সম্বন্ধে দুয়ো তন্ত্ৰৰ যথেষ্ট মিলো দেখা যায়। মন্ত্ৰ, গুৰু আৰু মণ্ডল আদিৰ বিষয়ে দুয়োৰো মত একেই।

হিন্দুতন্ত্ৰ বা শক্তিবাদ বৌদ্ধ তন্ত্ৰতকৈ বহু প্ৰাচীন। বহু পণ্ডিতে অৱশ্যে ক'ব খোজে যে ব্ৰহ্মানন্দৰ তাৰা ৰহস্য আৰু বৃন্দাবনৰ তন্ত্ৰসাৰ এই দুই গ্ৰন্থ বৌদ্ধ তন্ত্ৰৰ প্ৰভাৱত ৰচিত। বহু পণ্ডিতে ভাবে যে সপ্তম শতাব্দীৰ বুদ্ধ মনীষী নাগ্ৰাজুলি ভাৰতবৰ্ষত মহাচীনতাৰ প্ৰচাৰ কৰিছিল। এইটোও দাবী কৰা হয় যে ওম হিম, স্ত্ৰিম, হুম, কট আদি হিন্দু তন্ত্ৰই বৌদ্ধ তন্ত্ৰৰ পৰা ধাৰ কৰা। বহু পণ্ডিতে এইটোও ক'ব খোজে যে হিন্দু নাৰী মহাচীনতা প্ৰচাৰ কৰি দিয়া কালী আদি দেৱীৰ নামবোৰ বৌদ্ধ তন্ত্ৰত আছিল। বৌদ্ধ তন্ত্ৰই পৌৰাণিক দেৱ-দেৱী যেনে গণেশ আৰু সৰস্বতীক স্বীকাৰ কৰে। এইবোৰ তৰ্কযুদ্ধৰ পৰা আঁতৰত থাকিও এইটো নিশ্চয়কৈ ক'ব পাৰি যে হিন্দু তন্ত্ৰ আৰু বৌদ্ধ তন্ত্ৰই ইটোৱে সিটোৰ পৰা বহু তত্ব গ্ৰহণ কৰিছিল।

চীনা তিনিজন প্ৰখ্যাত পৰিব্ৰাজক কোনেও ভাৰতত বৌদ্ধ তন্ত্ৰৰ প্ৰভাৱৰ বিষয়ে কোনো মতামত ব্যক্ত কৰা নাই। দ্বিতীয়তে গুহ্যসমাজ তন্ত্ৰ আৰু মঞ্জুশ্ৰীমূলকঞ্চ বৌদ্ধ তন্ত্ৰৰ এই দুখন শাস্ত্ৰৰ বাহিৰে আন কোনো শাস্ত্ৰ বা পুথি ৬৫০ খ্ৰীষ্টাব্দৰ আগেয়ে ৰচিত হোৱাৰ প্ৰমাণ নাই। কিন্তু হিন্দুতন্ত্ৰৰ ৬০০ খ্ৰীষ্টাব্দৰ আগৰ পৰা প্ৰচলন থকাৰ প্ৰমাণ আছে।

তন্ত্ৰ আৰু বৈষ্ণৱ ধৰ্ম ঃ

তন্ত্ৰক ভাগ ভাগ কৰিলে আমি দেখা পাওঁ বৈষ্ণৱ তন্ত্ৰৰ এটা বিশিষ্ট অংশ আছে। সেয়ে তন্ত্ৰৰ প্ৰভাব কেৱল বৈষ্ণৱ ধৰ্ম নহয় আন আন ধৰ্মৰ ওপৰতো আছে। বৈষ্ণৱসকলৰ পঞ্চৰাত্ৰ প্ৰথাত শাক্ততন্ত্ৰৰ লগত বহু সমাঞ্জস্য দেখা যায়। যেনে আদ্যশক্তিৰ তাত যোনিৰূপে প্ৰকাশ কৰা হৈছে। অহিৰ্বুদ্ধসংহিতাত শক্তিক লক্ষ্মীৰ প্ৰতিৰূপ যোনি বুলি কোৱা হৈছে। তন্ত্ৰইয়ো কয় যে লক্ষ্মী অৰ্থাৎ পৰাশক্তি মূলাধাৰত বাস কৰে।

তন্ত্ৰই মানুহৰ শৰীৰটো ঈশ্বৰৰ আবাসভূমি বুলি বিশ্বাস কৰে। মনুষ্য শৰীৰত বিভিন্ন চক্ৰ আৰু পদ্ম শক্তিধাম আৰু শিৱধামতেই ভগৱানৰ নিবাস বুলি ভবা হয়। কিছুমান পুৰাণত আকৌ গকুলত এটা সহস্ৰপাতৰ পদ্ম পদ্মফুলত ভগৱান থাকে বুলি কোৱা হৈছে। তন্ত্ৰৰ মতে এই পদ্মৰ নাম সহস্ৰপদ্ম।

তন্ত্ৰ ধৰ্মৰ পীঠস্থানসমূহ ঃ

দক্ষ যজ্ঞত সতীৰ দেহত্যাগ কাহিনীটো প্ৰায় সকলো পুৰাণতে বৰ্ণিত হৈছে। জোঁৱাইৰ ওপৰত অসন্তুষ্ট হৈ দক্ষই এটা যজ্ঞানুষ্ঠান পাতিছিল আৰু শিৱক নিমন্ত্ৰণ কৰা নাছিল। এই কথাত অত্যন্ত অপমানিত বোধ কৰি শিৱৰ স্ত্ৰী সতীদেৱীয়ে স্বামীৰ হকা-বাধা উপেক্ষা কৰিও যজ্ঞলৈ আহিছিল পিতৃৰ পৰা কৈফিয়ৎ বিচাৰিবলৈ। কিন্তু সতীক দেখাৰ লগে লগে দক্ষই ভীষণ ক্ৰোধান্বিত হৈ নানাভাৱে শিৱক তিৰস্কাৰ কৰিবলৈ আৰম্ভ কৰিলে। স্বামীৰ অপমান সহ্য কৰিব নোৱাৰি সতীয়ে যজ্ঞস্থলতে দেহত্যাগ কৰিছিল। এই খবৰ পাই শিৱই খণ্ডতে তেওঁৰ অনুচৰসকলক লৈ আহি দক্ষযজ্ঞ লণ্ড-ভণ্ড কৰি সতীৰ দেহ কান্ধত তুলি লৈ উন্মাদৰ দৰে নৃত্য কৰি পৃথিৱী পৰিভ্ৰমণ কৰিব ধৰিলে। বিষ্ণুৱে ইয়াৰ ফলত পৃথিৱী ধ্বংসৰ আশংকা কৰি তেওঁৰ সুদৰ্শন চক্ৰৰ দ্বাৰা সতীৰ দেহাটো কাটি খণ্ড খণ্ড কৰি পেলাই দিলে। ৫২ স্থানত সতীৰ অংগবোৰ পৰিছিল আৰু তাতেই কালক্ৰমত একোটা তান্ত্ৰিক পীঠস্থান গঢ়ি উঠে য'ত সতীৰ আৰু শিৱৰ মূৰ্তিও স্থাপিত হৈছে। এই পীঠস্থানসমূহত উল্লেখযোগ্য পীঠবোৰ হ'ল প্ৰাগজ্যোতিষপুৰ (বৰ্তমান কামৰূপৰ গুৱাহাটী নীলাচল পাহাৰত) হিংগুলাজ (কৰাচীৰ পৰা ৯০ মাইল উত্তৰত) জ্বালামুখীত (পাঞ্জাৱত), নামি, উজ্জয়িনী, প্ৰভাস, গোডাবৰী, গণ্ডকী, কৰতোয়া, শ্ৰীপৰ্বত (হিন্দুকুশৰ তলত লাজখৰ ওচৰত) বৃন্দাবন, কালীঘাট, (কলিকতা), কিৰাট, চিলেট, নৈহাটী, অমৰ নাথ (কাশ্মীৰ), ৰত্নাৱলী (মাদ্ৰাছ), মিথিলা, চিত্তল, উজনী, পুস্কৰ (আজমীৰৰ ওচৰত), নেপাল, মগধ, জয়ন্তী, টিপেৰা, কুৰুক্ষেত্ৰ, বক্ৰেশ্বৰ, যশোৰ, বাৰানসী, শ্ৰীলংকা আদি। ইয়াৰ পৰা দেখা যায় যে গৰিষ্ঠসংখ্যকে পীঠস্থান বংগ দেশত অৱস্থিত য'ত তান্ত্ৰিক মতবাদে সমূহ ৰাইজৰ যথেষ্ট সমাদৰ পাইছিল। সমাজৰ উচ্চ শ্ৰেণীৰ হিন্দুসকলৰ মাজত শাক্ত ধৰ্মই আৰু নিম্নশ্ৰেণীৰ লোকৰ মাজত

শৈৱ ধৰ্মই যথেষ্ট বিস্তাৰ কৰিছিল আৰু আজিও কৰি আছে। সপ্তম শতাব্দীৰ পৰা দ্বাদশ শতাব্দী লৈ বৌদ্ধ ধৰ্মই হিন্দু সমাজক বৰকৈ আলোড়িত কৰিছিল। যেতিয়া বৌদ্ধ ধৰ্ম ভাৰতৰ পৰা বিতাৰিত হ'ল মহাযান বৌদ্ধসকলে শাক্ত ধৰ্মক আৰু হীনযান বৌদ্ধসকলে শৈৱধৰ্মক আঁকোৱালি ল'লে।

তন্ত্ৰ ধৰ্মৰ বহু শাস্ত্ৰও বংগদেশত ৰচিত হয় যিবিলাকে তন্ত্ৰৰ মাজত সোমোৱা বহু ব্যভিচাৰী প্ৰথা নিৰ্মূল কৰিবলৈ সমৰ্থ হয়। তন্ত্ৰৰ এই ব্যভিচাৰী প্ৰথাবোৰৰ কাৰণে এটা সময়ত ইয়াক গুপ্ত কৈ ৰখা হৈছিল। অতি গুৰুত্বপূৰ্ণ শাস্ত্ৰবোৰ হ'ল—শ্যামা ৰহস্য, তাৰা ৰহস্য, চামুণ্ডা তন্ত্ৰ আৰু নীলতন্ত্ৰ ইত্যাদি। পিছৰ যুগত তন্ত্ৰসাৰ আৰু শক্তানন্দ তৰঙ্গিনী নামে দুখন অতি গুৰুত্বপূৰ্ণ শাস্ত্ৰ প্ৰণয়ন হয়। যি দুখন এতিয়া তন্ত্ৰৰ বিষয়ে আপুৰুগীয়া গ্ৰন্থ বুলি বিবেচনা কৰা হয়।

কিছুমান তন্ত্ৰশাস্ত্ৰৰ পৰা যিবোৰ দেশলৈ বা স্থানলৈ তন্ত্ৰ বিয়পি পৰিছিল তাৰ বিশেষ বিবৰণ পোৱা যায। এই শাস্ত্ৰবোৰ তন্ত্ৰক স্থান বিশেষে দুটা ভাগত ভাগ কৰিছে যেনে কাদ্ধি আৰু হাস্বি। যিবোৰক শক্তিৰ প্ৰকাশ আৰু বিমৰ্ষ ৰূপক বুজায। যিবোৰ দেশত কাছি প্ৰথাটো জনপ্ৰিয়তা অৰ্জন কৰে সেইবোৰ হ'ল তৰংগ, বংগ, কলিংগ, কেৰালা, কাশ্মীৰ, কামৰূপ, মহাৰাষ্ট্ৰ, সৌৰাষ্ট্ৰ, দ্ৰাবিড, টেলেঙ্গানা, মালযাদ্ৰি, কৰ্ণাটক, আবন্তী বিদৰ্ভ, আহিৰ, মানৱ, চোলা, কোলা, কম্বোজ, বিদেহ, বহ্নিকা, কিৰাট, কৈৰাটা, আইৰুক, ভোট, চীন, মহাচীন, নেপাপ, শিলচৰ, গৌড, কোশল, মগধ, স্বোতকাল, কুন্তল, হুন, কনকনা, কেকয, সুৰচেল, কৌবৰ, সিংহল, পুলিণ্ড, কচ্ছ, মদ্ৰ, সৌভিৰ লালা, বৰাৰা, মৎস্য আৰু সিন্ধ।

যিবোৰ দেশত হাদি প্ৰথাটো প্ৰচলিত আছিল সেই দেশবোৰ হ'ল—অংগ, বংগ, কলিংগ, সৌভিৰক, কাশ্মীৰ, কম্বোজ, সৌৰাষ্ট্ৰ, মগধ, মলয়, সিংহল, ভোনকা, ভিদো, কৰ্ণাটক, লতা, মালতা, পনতা, অন্ধক, পুলিন্দাক, হুল, কৌৰ, গন্ধাৰ, বিদৰ্ভ, বিদেহ, বাহ্লিক, বৰবপৰী, ৰেকয, কোশল, কুন্তল, কিৰাট, সুৰচেন, সেবৰ, বনতা, তনকনা, কনকনা, মৎস, মদ্ৰ, ময়ছা, সৈন্ধৱ, প্ৰৰাশিৰ, দৈৰজাল, সবল, জালা, জলন্ধৰ, সপ্ত আৰু সিন্ধু।

ওপৰৰ লিষ্টৰ পৰা এইটো বুজা যায় যে তান্ত্ৰিক উপসনাৰ ধাৰাটো ভাৰতৰ বাহিৰৰ আন বহু দেশলৈ বিয়পি গৈছিল। যেনে বাহ্যিক (বলখ),

কিৰাট (কিৰাট কাব্যৰ) পাহাড়ী ৰাজবোৰ, ভোট (তিব্বত) চীন, মহাচীন, (মংগোলীয়), ময়দা (মেড়িয়া) পৰ্শভাষিক, (পাৰস্য) অভৈক (ইৰাক), কম্বোজ, হুন, যবন, গান্ধাৰ, নেপাল ইত্যাদি। আনকি বহু অনাৰ্য দেশৰ কথাও ওপৰৰ লিষ্ট দুখনত পোৱা যায়। যেনে পুলিন্দ, কিৰাট, বৰবেৰা, টকনা, আভীৰ আৰু কুন্তন ইত্যাদি। বিভিন্ন পুৰাণত আৰু বিশেষকৈ শিৱ পুৰাণসমূহ তন্ত্ৰশাস্ত্ৰৰ বিশদ বিৱৰণ পোৱা যায়। মহাভাৰত আৰু ৰামায়ণতো তন্ত্ৰৰ উল্লেখ আছে। সেয়ে এইটো অনুমান কৰিব পাৰি যে তন্ত্ৰশাস্ত্ৰৰ অৱস্থিতি বেদৰ পিছতেই।

— o —

অষ্টাদশ পুৰাণৰ নাম, তালিকা আৰু বিৱৰণ

কোনো কোনো পণ্ডিতৰ মতে পুৰাণৰ সংখ্যা শতাধিক আৰু আন বহুতৰ মতে বাসত্তৰ। তেওঁলোকে পুৰাণক চাৰি শ্ৰেণীত ভাগ কৰিছে, যেনে মহাপুৰাণ, উপপুৰাণ, পুৰাণ আৰু আতি পুৰাণ। প্ৰত্যেকটো ভাগতে ওঠৰখনকৈ গ্ৰন্থ আছে। কোনখন পুৰাণ প্ৰথমে ৰচিত হৈছিল আৰু কোনবোৰ পিছৰ কালৰ সেই কথা লৈ মতভেদ আছে। পুৰাণবিলাক প্ৰায় বোৰেই কাব্যৰূপে ৰচিত, অৱশ্যে কেইখনমান গদ্যতো ৰচিত হৈছে।

ওঠৰখন মহাপুৰাণ হ'ল— ব্ৰহ্ম, বিষ্ণু, বায়ু শ্ৰীমদ্ভাগৱত, পদ্মপুৰাণ, নাৰদ, মাৰ্কণ্ডেয়, অগ্নি, ভবিষ্য ব্ৰহ্মবৈৱৰ্ত, লিংগ, বৰাহ, স্কন্দ, বামণ, কুৰ্ম, মৎস্য গৰুড় আৰু ব্ৰহ্মাণ্ড পুৰাণ। অনুসংখ্যক পণ্ডিতৰ ভিতৰত দেৱীপুৰাণ, ভাগৱত পুৰাণ, শিৱ পুৰাণ আৰু বায়ুপুৰাণ সম্বন্ধে কিছু মতানৈক্য দেখা যায়। কিন্তু অধিক সংখ্যক পণ্ডিতৰ মতে ওপৰত উল্লিখিত পুৰাণ কেইখনকেই মহাপুৰাণ হিচাবে মান্যতা দিয়া হৈছে।

উল্লিখিত পুৰাণসমূহৰ পৰা পুৰাণ প্ৰভা (প্ৰথম খণ্ড) গ্ৰন্থত আমি ছয়খনৰ আলোচনা আগবঢ়াইছিলো। সেই কেইখন হ'ল— **(ক) ব্ৰহ্মপুৰাণ (খ) পদ্মপুৰাণ (গ) বিষ্ণু পুৰাণ (ঘ) ভাগৱত পুৰাণ, (ঙ) ব্ৰহ্মবৈৱৰ্ত পুৰাণ আৰু (চ) মৎস্য পুৰাণ**। বৰ্তমান গ্ৰন্থত বাকী বাৰখন পুৰাণৰ বিষয়ে আলোচনা আগবঢ়াবলৈ চেষ্টা কৰিম।

১। বায়ু পুৰাণ

অষ্টাদশ পুৰাণৰ ভিতৰত বায়ু অন্যতম প্ৰাচীন পুৰাণ। বানভট্টৰ সময়ত দেশত এই পুৰাণৰ ব্যাপক পঠন-পাঠনৰ প্ৰচলন আছিল। আলবেৰুনিয়ে তেওঁৰ ভাৰত ভ্ৰমণ বৃত্তান্তত বায়ু পুৰাণৰ লগত নিজৰ পৰিচয় প্ৰদান কৰিছে। বায়ু পুৰাণ

প্রক্রিয়া অনু ষগ, উপোদাঘাত আৰু উপসংহাৰ এই চাৰি ভাগত বিভক্ত। এই অধ্যায়বোৰৰ অনুসাৰে ইয়াৰ শ্লোক সংখ্যা ১০৯১১। কিন্তু বায়ু পুৰাণ সাক্ষ্য অনুসাৰে ইয়াৰ শ্লোক সংখ্যা হ'ব লাগে ২৩০০০ (ত্রয়োবিংশতি) সাহস্রনিলং। কালক্রমত হয়তো ইয়াৰ বহু শ্লোক হেৰাই গৈছে।

প্রক্রিয়া পাদত ঋষিযজ্ঞ, প্রকৃতি পুৰুষগত বিশ্ব সৃষ্টিৰ ক্রম আৰু ৰহস্য আৰু প্রকৃতি ক্ষোভৰ কথা অতি সংক্ষেপে কোৱা হৈছে। চাৰি পাদৰ ভিতৰত অনুষঙ্গ পাদতো সর্বপ্রেক্ষা বৃহৎ। ইয়াত প্রতিসন্ধি কীর্তনৰ অনন্তৰ চতুৰাশ্রম বিভাগ, দেৱাদি সৃষ্টি আৰু মন্বন্তৰ আলোচিত হৈছে। তাৰ পিছত চাৰিটা অধ্যায়ত পাশুপাত যোগ ইয়াৰ বৈশিষ্ট আৰু ঐশ্বর্য্য গুণ প্রদর্শিত হৈছে। ক্রমে ক্রমে সৌচাচাৰ যতিসকলৰ প্রায়চিত্ত, অৰিষ্ট নিৰূপণৰ পিছত আঠ অধ্যায়ত বিভিন্ন কল্পৰ অবতাৰণ কৰা হৈছে। ঋষিবংশ, দেববংশ, যুগধর্ম নিৰূপণ, স্বায়ম্ভুব নায়ক প্রথম মনুৰ বংশনুকীর্ত্তনৰ পিছত ৩৪ অধ্যায়ৰ পৰা ৪৯ অধ্যায়লৈ জম্বুদ্বীপৰ লগত নিখিল ভুবণ বিন্যাস অতি নিপুণ আৰু বিশদভাৱে আলোচিত হৈছে। তাৰ পিছত চাৰিটা অধ্যায়ত জ্যোতি সন্নিবেশ আৰু শেষত পিতৃবর্ণন, ঋষি লক্ষণ, চতুর্থ লক্ষণ আৰু বৈবস্বত মনুৰ বংশানুকীর্ত্তনৰ দ্বাৰা পৰিসমাপ্তি দেখুওৱা হৈছে। উপোদঘাত পাদৰ আৰম্ভ প্রজাপতি বংশানুকীর্ত্তনৰ দ্বাৰা, ৬৬-ৰ পৰা ৬৯ অধ্যায়ত কাশ্যপীয় প্রজাসৃষ্টিৰ বিস্তৃত বিবৰণ পোৱা যায়। তাৰ পিছত সেনানীৰ উৎপত্তি উক্ত হৈছে। ইয়াৰ পিছৰ সূদীর্ঘ এঘাৰটা অধ্যায়ত শ্রাদ্ধ বল্ক বিষয়ে বর্ণনা আছে। ইয়াত শ্রাদ্ধৰ লক্ষণ বিভিন্ন প্রকাৰৰ শ্রাদ্ধ, বিভিন্ন দিনত শ্রাদ্ধকর্ম প্রভৃতিৰ বিস্তাৰিত বিবৰণ আছে, ইয়াৰ পিছত বৈবস্ততা মনু বংশ কাহিনী অনুৰংগ পদত ইয়াৰ কেৱল ইংগিতহে আছিল। ইয়াৰ একাধিক অধ্যায়ত সেই কাহিনীৰ বিস্তৃত বিবৰণ দিয়া হৈছে। ইক্ষাকুবংশ, মৈথিলবংশ, সোমবংশ, অমাবসুবংশ বিস্তাৰিত ভাৱে বর্ণিত হৈছে। ইয়াৰ পিছত যথাতি চৰিত্র কার্তবীর্য্যর্জুন উপাখ্যান, জ্যামাস বৃত্তান্ত আৰু বিষ্ণুবংশ বর্ণিত হৈছে। এই পাদক সেই অধ্যায়টোৱে ঐতিহাসিক সকলৰ দৃষ্টি বৰকৈ আকর্ষণ কৰিছে। প্রাচীন ভাৰতৰ ৰাজনৈতিক ইতিহাস ৰচনাৰ কাৰণে ইয়াত বহুত তথ্য আছে। কথিত বিভিন্ন বংশাবলী বর্ণন প্রসংগত মৌর্য্য বংশ শিশুনাগ কাহিনী, গুপ্তবংশ ইত্যাদি বিস্তাৰিতভাৱে বর্ণিত হৈছে। উপসংহাৰ পাদটো সংক্ষিপ্ত। মন্বন্তৰ নিসর্গ, শিবপুৰ বর্ণনাৰ

পিছত প্ৰণয় কাহিনী ব্যক্ত হৈছে। এই ব্যপক ১০৪ অধ্যায়ত প্ৰত্যেকটোৰ মুঠ শ্লোক সমষ্টিৰ কথা কোৱা হৈছে। পৰিশেষত ১০৫ অধ্যায়ৰ পৰা ১১২ অধ্যায় পৰ্য্যন্ত গয়া মাহাত্ম্য পৰিবেশিত হৈছে।

বায়ু পুৰাণত যিবিলাক চৰিত্ৰ চিত্ৰিত হৈছে সেইবোৰ উপস্থাপনৰ নৈপুন্যত, ভাষাৰ লালিত্যত, ৰসৰ পৰাকাষ্ঠাত ধ্বনিবিচাৰত, বিদ্যত্ সমাজত চিৰন্তন স্থান অধিকাৰ কৰিছে। মূলতঃ শৈৱ পুৰাণ হলেও ইয়াত অন্য ধৰ্মৰ প্ৰতি যথেষ্ট সহনশীলতাৰ পৰিচয় পোৱা যায়।

এই পুৰাণৰ আদিতম অংশ বাদ দিলে বাকী অংশ সম্ভৱত ৪০০ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচিত হৈছিল। গয়ামাহাত্ম্যৰ শেষাংশ এই সময়ৰ বহু পৰৱৰ্তী কালত প্ৰক্ষিপ্তৰূপে সংযোজিত হৈছে আৰু এই সংযোজনৰ কাল সম্ভৱত একাদশ দ্বাদশ খ্ৰীষ্টাব্দ।

২। বামন পুৰাণ

বামন পুৰাণ অষ্টাদশ পুৰাণৰ ভিতৰত চতুৰ্দশ। ইয়াতেই কোৱা হৈছে 'চতুৰ্দশ বামন মাহৰগ্ৰাম' এইখন পুৰাণ মহাপুৰাণসমূহৰ ভিতৰত আয়তনত ক্ষুদ্ৰ আৰু নাৰদ পুৰাণৰ সাক্ষ্য অনুযায়ী ইয়াৰ দুটা ভাগ যেনে পূব আৰু উত্তৰ। উত্তৰাধৰ চাৰিটা সংহিতাৰ নাম যথাক্ৰমে মহেশ্বৰী, ভাগৱতী, সৌৰী আৰু গানেশ্বৰী। এই পুৰাণৰ পূব ভাগত ৯৫ টা অধ্যায় আৰু দশ সহস্ৰ শ্লোক আছে। ইয়াত মুখ্যাতঃ বিষ্ণুৰ বামন অৱতাৰৰ কাহিনী বৰ্ণিত হৈছে।

কিন্তু বৰ্তমান প্ৰচলিত বামন পুৰাণৰ শ্লোক সংখ্যা ৫৮১৫ আৰু ইয়াত কুৰ্মকল্পৰ কোনো উল্লেখ নাই। সহস্ৰ পুৰাণৰ মতে এই পুৰাণৰ মুখ্য বক্তা ব্ৰহ্মা হ'লেও ইয়াত নাৰদৰ প্ৰশ্নৰ উত্তৰ দিছে পুলস্ত ঋষিয়ে। সেয়ে পণ্ডিতসকলে ভাবে যে এই পুৰাণৰ উত্তৰ ভাগটো বৃহৎ বামন পুৰাণ নামে প্ৰচলিত কিন্তু সেইখন এতিয়াও প্ৰকাশ হোৱা নাই, যদিও বীৰ মিত্ৰোদয়ৰ পূজা প্ৰকাশ আচাৰ যত্নৰ দেৱপূজা প্ৰকৰণ ৰূপ গোস্বামী আৰু জীৱ গোস্বামীৰ গ্ৰন্থত বৃহৎ বামন পুৰাণৰ পৰা শ্লোক সংকলিত হৈছে।

লক্ষ্যণীয় বিষয় এই যে বামন পুৰাণ মূলত বৈষ্ণৱ পুৰাণ হ'লেও ইয়াত হৰললিত, বীৰভদ্ৰ, শিৱৰ কাল কালস্বৰূপতা ইত্যাদি শিৱ মাহাত্ম্যসুচন

অধ্যায়ো স্থান পাইছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে মূল বামন পুৰাণৰ কেইটামান অধ্যায় হয়তো শৈৱ সম্প্ৰদায়ৰ দ্বাৰা সংশোধিত আৰু পৰিমাৰ্জিত হৈছে।

বামন পুৰাণত বহু বিষয় বৰ্ণিত হোৱা নাই। যিবিলাক পৰিবেশিত হৈছে তাৰ ভিতৰত এইবোৰ প্ৰধান যেনে বৰ্ষাবৰ্ণন, দক্ষযজ্ঞ, শিৱৰ কাপালিত্ব, বদৰিকাশ্ৰমত নৰনাৰায়ণৰ তপস্যা, উৰ্বশীৰ উৎপত্তি, কামভস্ম, অন্ধকাসুৰ বৃত্তান্ত ভূৱনকোষ, নৰকবৰ্ণন, সদাচাৰ, অশ্বস্থ মাহাত্ম্য অশুণ্যশয়ন দ্বিতীয়াব্ৰত, বিষ্ণু পঞ্জৰস্তোত্ৰ, মহিষাসুৰ উপাখ্যান, অগস্ত্যৰ কাহিনী, কুৰুক্ষেত্ৰ তীৰ্থ মাহাত্ম্য, তপতী আৰু সংবৰণৰ গল্প, বামন চৰিত, সৰস্বতী বৃত্তান্ত আৰু স্তোত্ৰ, পৰশুৰামৰ দ্বাৰা ৰাম হ্ৰদ নিৰ্মাণ, মহাদেৱৰ শৰভাৰতাৰ, বেদৱতীৰ গল্প, মঙ্কনকৰ আখ্যান, কপালমোচন মাহাত্ম্য, ৰুষঙ্গুৰ কথা দালভৱকৰ কাহিনী, বশিষ্ঠপৰাহৰ বৃত্তান্ত, স্থানুতীৰ্থ মাহাত্ম্য, সৃষ্টি নিৰ্মাণ, বেণ আৰু পৃথুৰ উপাখ্যান, শিৱস্তুতি পাৰ্বতীৰ কাহিনী, বালখিল্যৰ গল্প, বিনায়কৰ জন্ম, শুম্ভনিশ্ৰম্ভ বধ, স্বন্দৰ জন্ম আৰু তাৰকা বধ, গালব মুণিৰ গল্প, সনকাদি মুণিৱ উৎপত্তি, শুক্ৰচাৰ্য্যৰ কাহিনী, দণ্ডকৰ আখ্যান, ভৈৰৱজন্ম, মৰুৎসকলৰ উৎপত্তি, ইন্দ্ৰকলি যুদ্ধ, বিষ্ণুৰ দ্বাৰা কালনেমি বধ, বন্ধুবধ, শ্ৰবণদ্বাদশী ব্ৰত কথা, গয়া মাহাত্ম্য, নক্ষত্ৰ পুৰুষ ব্ৰত, উপমন্যুৰ কাহিনী চন্দ্ৰৰ প্ৰতি দক্ষৰ অভিশাপ, চিত্ৰাঙ্গদাৰ বিবাহ, পুৰুৰবাব উপাখ্যান, শ্ৰীদাম চৰিত্ৰ আৰু বলি বামন সংবাদ।

বামন পুৰাণ যে এসময়ত ভাৰতবৰ্ষৰ প্ৰায় সকলো প্ৰান্ততে প্ৰচলিত আৰু বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিছিল ভাৰতৰ প্ৰান্তীয় ভাষাত লিখিত হস্তলিখিত পুস্তিকাৰ দ্বাৰা প্ৰমাণিত হয়। ইয়াৰ উপৰিও ৰামচন্দ্ৰ ভট্ট নামৰ জনৈক পণ্ডিতে কাশ্মীৰত বামন পুৰাণৰ টোকা লিখিছিল। চৌত্ৰিশমান খ্যাতনামা নিবন্ধ গ্ৰন্থত বামন পুৰাণ শ্লোক শ্ৰদ্ধাৰ সৈতে উল্লিখিত হৈছে।

উপৰোক্ত উল্লিখিত তথ্যসমূহে বামন পুৰাণৰ ৰচনাকাল, নিৰ্ণয়তাৰ সহায়তা কৰে। কালিদাসৰ কুমাৰ সম্ভৱত এই পুৰাণৰ প্ৰত্যক্ষ প্ৰভাৱ দেখা যায়। বামন পুৰাণত ৰবি, মংগল, বুধ, শুক্ৰ, শনি আদি দিনবোৰৰ নাম উল্লিখিত হৈছে। প্ৰত্নতাত্ত্বিকসকলৰ মতে ৪৮৪ খ্ৰীষ্টাব্দৰ পূৰ্বত বাৰ নামৰ ব্যৱহাৰ নাছিল। এইবোৰ কাৰণতে বামন পুৰাণৰ ৰচনাকাল ৯০০ খ্ৰীষ্টাব্দৰ পৰা ১০০০ খ্ৰীষ্টাব্দৰ ভিতৰত বুলি গণ্য কৰিব পাৰি।

৩। ব্ৰহ্মাণ্ড পুৰাণ

এই পুৰাণত ব্ৰহ্মাণ্ডৰ বৰ্ণনা আছে কাৰণে এই পুৰাণৰ নাম ব্ৰহ্মাণ্ড পুৰাণ। ব্ৰহ্মাণ্ডৰ বৰ্ণন প্ৰায় সকলো পুৰাণতে কম বেছি পৰিমাণে থাকিলেও এইখন পুৰাণত ব্যাপকভাৱে বিশেষ আকাৰত আলোচিত হৈছে। মৎস পুৰাণৰ মতে ব্ৰহ্মাই যি পুৰাণত ব্ৰহ্মাণ্ডৰ মাহাত্ম্য আলোচনা কৰিছিল সেয়েই ব্ৰহ্মাণ্ড পুৰাণ। ইয়াৰ মুঠ শ্লোক সংখ্যা ১২,২০০। ইয়াত ভৱিষ্যত কল্পৰ বিস্তাৰিত বিৱৰণ আৰু নাৰদ পুৰাণে ইয়াক প্ৰক্ৰিয়া, অনুষংগ, উপোদঘাত আৰু উপসংহাৰ এই চাৰি ভাগত বিভক্ত কৰিছে। প্ৰথম দুই পাদৰ নাম পূৰ্ব ভাগ, উৰোদষ্ণ, মধ্যম ভাগ আৰু উপসংহাৰ পাদ শেষ ভাগ বা উত্তৰ ভাগ। নাৰদ পুৰাণৰ অনুসাৰে এই পুৰাণৰ প্ৰৱক্তা বায়ু আৰু শ্ৰোতা ব্যাস। সেই কাৰণে ইয়াক বায়ুপ্ৰোক্ত ব্ৰহ্মাণ্ড পুৰাণ বোলা হয়।

প্ৰক্ৰিয়া পাদৰ ভিতৰত হিৰণ্য গৰ্ভৰ উৎপত্তিৰ বিৱৰণ আৰু বিভিন্ন লোককল্পন সবিস্তাৰে পৰিবেশিত হৈছে। অনুষঙ্গ পাদত মন্বন্তৰ আখ্যান মানসী-সৃষ্টিবিন্যাস, ৰুদ্ৰসৃষ্টি, মহাদেৱবিভূতি বৰ্ণনাৰ পিছত নিখিল বিশ্বৰ ভূগোল বিস্তৃতৰূপে উপস্থাপিত হৈছে। ইয়াৰ ভিতৰত জম্বুদ্বীপ আৰু তাৰ নদ-নদী পৰ্বতমালা, ভদ্ৰাশ্ব, কেতুমাল, চন্দ্ৰদ্বীপ, কিংপুৰুষবৰ্ষ, কৈলাশ, শাললিদ্বীপ, কুশদ্বীপ, ক্ৰোশ্বদ্বীপ, শাৰদ্বীপ, পুস্কৰদ্বীপ প্ৰভৃতি প্ৰধান। ইয়াৰ উপৰিও আদিতব্যুহ, বিভিন্ন গ্ৰহ সঞ্চাৰ, অমাবস্যা নিৰূপত্ৰ, যুগতত্ব নিৰ্ণয, যজ্ঞ প্ৰৱৰ্তন, ঋষি প্ৰবৰ প্ৰভৃতি উল্লেখযোগ্য। তৃতীয় উপোদঘাত পাদত এইবিলাক বৰ্ণনা পোৱা যায়, যেনে— সপ্তৰ্ষিকীৰ্তন, দেৱসকলৰ জন্ম, মৰুৎসকলৰ উৎপত্তি, ঋষিবংশ নিৰূপণ, শ্ৰাদ্ধকল্প, ইক্ষাকু বংশকাহিনী, যদুবংশ উপাখ্যান, যযাতি, কাৰ্তবীৰ্য্য, মগৰ ভাৰ্গৱ, আৰ্যক আদিৰ কাহিনী, দেৱাসুৰ সংগ্ৰাম, শ্ৰীকৃষ্ণ চৰিত্ৰ, বিষ্ণু মাহাত্ম্য, বৃষিবংশ, বলিবংশ আৰু কলিযুগৰ প্ৰধান প্ৰধান ৰজাৰ চৰিত্ৰ। চতুৰ্থ পাদ অৰ্থাৎ উপসংহাৰ পাদত বিভিন্ন বিষয়ৰ ভিতৰত কলিযুগৰ ৰাজ নিৰ্ণয়, কল্পপ্ৰলয় নিৰ্দেশ, কালমান, চতুৰ্দশ শ্লোক, নৰক বৰ্ণন, মনোমায়পুৰৰ আখ্যান, প্ৰাকৃতিক লয়, শৈৱপুৰ, ত্ৰিবিধ গুণৰ কাৰণে মানৱৰ বিভিন্ন গতি, পৰমাত্মা পৰম ব্ৰহ্মাৰ স্বৰূপ প্ৰভৃতি প্ৰধান।

ব্ৰহ্মাণ্ড পুৰাণত স্মৃতি শাস্ত্ৰৰ উপযোগী আলোচনা কম থকা কাৰণে অধিক সংখ্যক নিবন্ধকাৰৰ গ্ৰন্থত ইয়াৰ শ্লোকে স্থান পোৱা নাই। কেৱল মাত্ৰ জীমুত বাহনে তেওঁৰ কালবিবেক গ্ৰন্থত অপবাক্য আৰু বিজ্ঞানেশ্বৰৰ যাজ্ঞবল্ক্য সংহিতাৰ টীকাত, দেবন ভট্টৰ স্মৃতিচন্দ্ৰিকাত আৰু হেমাদ্ৰিৰ চতুৰ্বৰ্গ চিন্তামণি গ্ৰন্থত এই পুৰাণৰ কিছু শ্লোক উল্লেখ আছে।

পণ্ডিতসকলে গোদাবৰী নদীৰ অববাহিতা প্ৰদেশত এই পুৰাণ ৰচিত হৈছিল বুলি ভাবে। এই পুৰাণত কোৱা হৈছে যে গোদাবৰী নদীৰ প্ৰান্তৱৰ্তী প্ৰদেশ সৰ্বাপেক্ষা মনোৰম আৰু পৰম ৰমনীয়। পৰশুৰামৰ মহিমা আৰু গৌৰৱ এই পুৰাণৰ এক অনন্য সাধাৰণ অৱদান। পৰশুৰামৰ লগত গোদাবৰী অঞ্চলৰ বিশেষ সম্বন্ধ পুৰাণজ্ঞ সকলে জানে।

ব্ৰহ্মাণ্ড পুৰাণ খুব প্ৰাচীন বুলি সকলোৱে স্বীকাৰ কৰে। পণ্ডিতসকলৰ মতে ইয়াৰ ৰচনাকাল চতুৰ্থ শতাব্দী। মহাভাৰতত বিবৃত পৰশুৰাম চৰিত্ৰ এই পুৰাণত বিশ্লেষিত পৰশুৰাম চৰিত্ৰৰ তুলনামূলক আলোচনাই প্ৰমাণ কৰে যে ব্ৰহ্মাণ্ড পুৰাণৰ কাহিনীয়ে মহাভাৰতত আখ্যানৰ পৰিৱৰ্তিত ৰূপ। এই পুৰাণত ৰাজনীতি সম্বন্ধীয় একাধিক পৰিভাষিক শব্দ ব্যৱহৃত হৈছে। এই শব্দবোৰৰ ভিতৰত মহাৰাজাধিৰাজ এটা। গুপ্ত সম্ৰাটসকলৰ আমোলত ব্যৱহৃত মহাৰাজধিৰাজ পদটো বোধহয় এই পুৰাণৰ পৰাই গৃহীত হৈছে। পঞ্চম শতাব্দীত ভাৰতবৰ্ষৰ পৰা ব্ৰাহ্মণসকলে এই পুৰাণ যবদ্বীপলৈ লৈ গৈছিল। তাত প্ৰাচীন কবি ভাষাত ই অনুদিত হৈছিল। চতুৰ্থ শতাব্দীৰ পিছতো বহু শ বছৰ এই পুৰাণৰ পৰিমাৰ্জন আৰু পৰিবৰ্ধন হৈ বৰ্তমান আকাৰ পাইছে। সম্ভৱত ৮০০ৰ পৰা ৯০০ খ্ৰীষ্টাব্দৰ ভিতৰত এই পুৰাণে ৰূপ পাইছে।

৪। কুৰ্ম পুৰাণ

ভগৱান বিষ্ণুৱে কুৰ্মৰূপ ধাৰণ কৰি ইন্দ্ৰদ্যুম্ন নামৰ বিষ্ণুভক্ত ৰজাক যি পুৰাণৰ উপদেশ দিছিল তাৰেই নাম কুৰ্ম পুৰাণ। গোটেই পুৰাণখন ব্ৰাহ্মী, ভাগৱতী, সৌৰী আৰু বৈষ্ণৱী—এই চাৰি সংহিতাত বিভক্ত আছিল। এতিয়া মাত্ৰ ব্ৰাহ্মী সংহিতাহে পোৱা যায়। বাকী তিনিটাৰ কোনো সন্ধান পোৱা নাযায়। ব্ৰাহ্মী সংহিতাত মুঠ শ্লোকৰ সংখ্যা ছয় সহস্ৰ। ব্ৰাহ্মী সংহিতাৰ দুই

ভাগ যেনে পূৰ্বভাগ আৰু উত্তৰ ভাগ। পূৰ্বভাগত ৫২টা অধ্যায় আৰু উত্তৰ ভাগত ৪৪টা অধ্যায় আছে।

ভাগৱতী, সৌৰী আৰু বৈষ্ণৱী সংহিতা পোৱা নগ'লেও নাৰদ পুৰাণত ইয়াৰ এটা সংক্ষিপ্ত সাৰ প্ৰদত্ত হৈছে। সেই অনুযায়ী ভাগৱতী সংহিতা পাঁচটা ভাগত বিভক্ত আছিল আৰু সেই কাৰণে এই সংহিতাক পঞ্চপদী বোলা হৈছিল। বিভিন্ন বৰ্গৰ লোকৰ জীৱিকা অৰ্জনৰ উপায়ৰ কাহিনীৰ ইয়াত বিস্তৃত পৰিচয় পোৱা গৈছিল। সৌৰী সংহিতাত বশীকৰণ, মাৰণ, উচ্চাটন প্ৰভৃতি ছয় কৰ্ম অনুযায়ী ছয়টি ভাগত বিভক্ত আছিল। বৈষ্ণৱী সংহিতা চাৰি ভাগত বিভক্ত আছিল। চাৰিওটা সংহিতাৰ শ্লোক সংখ্যা ক্ৰমে ৬০০০, ৪০০০, ২০০০ আৰু ৫০০০।

সমগ্ৰ কূৰ্ম পুৰাণ ধৈৰ্য্যসহকাৰে অনুশীলন কৰিলে ইয়াৰ ভিতৰত প্ৰাচীন এক ধাৰা আৰু অপেক্ষাকৃত নতুন সোঁত এটা অনায়াসে পৰিলক্ষিত হয়। প্ৰাচীন ধাৰাটোৰ মূল সুৰ পূৰ্বভাগৰ প্ৰথম আৰু দ্বিতীয় অধ্যায়ত দেখিবলৈ পোৱা যায়। খুব সম্ভৱত মূলত ই পঞ্চৰাত্ৰসকলৰ দান আছিল কিন্তু পৰৱৰ্তী কালত শৈৱ পাশুপাতসকলে ইয়াক গ্ৰহণ কৰি ইয়াৰ ভিতৰত অনেক নতুন কাহিনী, উপাখ্যান, বিভিন্ন তীৰ্থস্থানৰ বিৱৰণ, নিজ সম্প্ৰদায়ৰ মাহাত্ম্য কীৰ্তন আৰু উদ্দেশ্য সিদ্ধিৰ কাৰণে সংযোজন কৰি দিছে। এই যোজনাবিলাক ইমান নিপুণভাৱে সংযোজন কৰিলে যে তাৰ ফলত মূল পাঞ্চৰাত্ৰসকলৰ ছবি প্ৰায় অস্পষ্ট হৈ পৰিল।

কূৰ্ম পুৰাণত কথা কাহিনীৰ স্থান নাই বুলিলেও হয়। উত্তৰ ভাগৰ কোনো অধ্যায়তে কথা কাহিনী দেখিবলৈ পোৱা নাযায়। পূৰ্ব ভাগত পৰিবেশিত কেইটামানৰ ভিতৰত বৰাহৰ দ্বাৰা পৃথিৱীৰ উদ্ধাৰ, উত্তানপাদৰ কাহিনী, দক্ষযজ্ঞৰ কথা আৰু বামনাবতাৰ লীলা প্ৰধান। কিন্তু আখ্যান-উপাখ্যান বাদ দিলে ইয়াৰ প্ৰচুৰ তথ্য পোৱা যায়। বৰ্ণাশ্ৰম বিভাগ প্ৰাকৃসৰ্গ, তমোময় সৰ্গ, ৰুদ্ৰসৰ্গ, অৰ্ধনাৰীশ্বৰ আদি সকলোৱে দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ উপৰিও ইয়াত পোৱা আনবোৰ হ'ল ঋষিবংশ, ইক্ষাকুবংশ, পুৰুৰুঞ্চবংশ, জয়ধ্বজ বৰ্ণনা, কাশী ওঁকাৰলিংগ, কপৰ্দাশ্বৰাদি লিংগ, মধ্যৰ্মেশ্বৰ লিংগ, প্ৰয়াগ আৰু যমুনা মাহাত্ম্য আৰু ভুৱনকোষ প্ৰধান। ভূগোল নিৰূপণ প্ৰস্তাৱত সপ্তদ্বীপ, গ্ৰহনক্ষত্ৰাদিৰ সন্নিবেশ, দ্বাদশ আদিত্য আৰু তাৰ কাল, সূৰ্য্যৰ

সপ্তৰশ্মি, মৰ্তলোক, ব্ৰাহ্মপুৰী কেতুমাল, হেমকুট, প্লব্যদ্বীপ, পুস্কৰতীৰ্থ আদি উল্লিখিত হৈছে। মন্বন্তৰ কাহিনী, ব্যাসকীৰ্তন আৰু মহাদেৱৰ অৱতাৰৰ কথাও বিবৃত হৈছে। বস্তুতঃ উত্তৰ ভাগৰ প্ৰয়োজনীয়তা দাৰ্শনিকতত্ব পৰিবেশনৰ কাৰণে। মহাভাৰতৰ গীতাৰ আদৰ্শত ইয়াত কীৰ্তিত হৈছে ঈশ্বৰ গীতা- প্ৰথমৰ পৰা একাদশ অধ্যায় পৰ্যন্ত ইয়াৰ বিস্তৃতি। এই পুৰাণৰ প্ৰথম অধ্যায়ত কথিত হৈছে যে ইয়াত ধৰ্ম, অৰ্থ, কাম আৰু মোক্ষৰ নিখিল মাহাত্ম্য পৰম ঈশ্বৰ ব্ৰহ্মা, মৰ্গ, প্ৰতিসৰ্গ, বংশ মন্বন্তৰ, বংশচৰিত আৰু দিব্য পুণ্য কথা আছে আৰু সেয়ে এই পৌৰাণিক কথা বেদজ্ঞানী ব্ৰাহ্মণৰ বৰণীয়। ইয়াৰ পৰাই সমগ্ৰ কুৰ্ম পুৰাণৰ ছবি পাঠকৰ সন্মুখত প্ৰতীয়মান হয়।

কুৰ্ম পুৰাণৰ জনপ্ৰিয়তাৰ প্ৰমাণ পোৱা যায়। নিবন্ধকাৰসকলৰ গ্ৰন্থৰ পৰা য'ত তেওঁলোকে এই পুৰাণৰ একাধিক শ্লোকৰ উদ্ধৃতি দিছে।

বৰ্তমান প্ৰচলিত পুৰাণৰ ৰচনাকাল বিভিন্ন তথ্য অনুযায়ী ৬০০ৰ পৰা ৮০০ খ্ৰীষ্টাব্দৰ ভিতৰত।

৫। গৰুড় পুৰাণ

গৰুড়ৰ পৰিচৰ্য্যাত সন্তুষ্ট হৈ এসময়ত বিষ্ণুৱে বৰ প্ৰদান কৰিছিল যে কোনো সময়ত গৰুড়ে কোনো পুৰাণৰ প্ৰবক্তা হ'ব পাৰিব। সেই কাৰণেই এই পুৰাণৰ নাম গৰুড় পুৰাণ। এই পুৰাণৰ শ্ৰোতা কাশ্যপ। পৰৱৰ্তী সময়ত বিষ্ণুৱে ৰুদ্ৰ, ব্ৰহ্মা, প্ৰভৃতি দেৱগণক এই পুৰাণৰ শিক্ষা দিছিল। ইয়াৰ পিছত ব্ৰহ্মাই শিকালে ব্যাসদেৱক আৰু দক্ষ আদিক। ব্যাসৰ পৰা শিকিলে সুতে আৰু তাৰ পিছত সুতে নৈমিষাৰণ্যত শৌনক আদি ঋষিসকলক এই পুৰাণ ব্যাখ্যা কৰে।

এই পুৰাণ পূৰ্ব আৰু উত্তৰ এই দুই ভাগত বিভক্ত। পূৰ্বখণ্ডৰ অধ্যায় ২৪৩ আৰু উত্তৰ খণ্ড ৪৫টা অধ্যায় আছে। মৎস্য পুৰাণৰ মতে ইয়াৰ শ্লোক সংখ্যা ১৮০০০। কিন্তু নাৰদ পুৰাণৰ মতে শ্লোক সংখ্যা ১৯০০০।

এই পুৰাণত অগ্নিপুৰাণৰ নিচিনা সকলো উপাদেয় বিদ্যাৰ সাৰ সংগৃহীত হৈছে। সেই কাৰণে ইয়াকো পৌৰাণিক বিশ্বকোষ আখ্যা দিব পাৰি। পূৰ্বখণ্ডত ধৰ্মশাস্ত্ৰৰ উপযোগী খণ্ড অংশৰ বিচাৰ দেখিবলৈ পোৱা যায়।

সেইবিলাকৰ ভিতৰত বিভিন্ন দেৱতাৰ পূজা যেনে—সূৰ্য্য, বিষ্ণু, লক্ষ্মী, নৰব্যুহ, শিৱ, গণপতি, গোপাল, শ্ৰীধৰ, সুদৰ্শন, হয়গ্ৰীৱ আৰু দুৰ্গা প্ৰধান। ১১৬০ৰ পৰা ১৪১ অধ্যায়ত আছে বিবিধ ব্ৰত যেনে অনঙ্গ ত্ৰয়োদশী, অখণ্ড দ্বাদশী, অগস্তাৰ্ঘ্য,, ৰম্ভা তৃতীয়া, চাৰ্তমাস্য মাহোপৱাস, ভীষ্মপঞ্চক, শিৱৰাত্ৰি, একাদশী, প্ৰতিপদৰ পৰা সপ্তমী, ৰোহিণ্যষ্টমী, বুধাষ্টমী, অশোকাষ্টমী, মহা নৱমী, বীৰ নৱমী, দশমন নৱমী, শাওণ দ্বাদশী আৰু দমন ত্ৰয়োদশী ইত্যাদি। যাজ্ঞকল্ক্য সংহিতাৰ সংক্ষিপ্ত সাৰ (৯৬-১০৩ অধ্যায়) নীতিসাৰ (১০৮ৰ পৰা ১১৫অধ্যায়) স্থান তৰ্পণ বৈশ্বদেব, সন্ধ্যা, শ্ৰাদ্ধ, সপিণ্ডকৰণ (২১৮ৰ পৰা ২২৪ অধ্যায়) বাস্তু প্ৰাসাদ আহ্নিক নিৰ্ণয় ইত্যাদি প্ৰধান।

ইয়াৰ উপৰি পাঁচ অধ্যায়ত গয়া মাহাত্ম্য, ৰুচি উপাখ্যান, চন্দ্ৰবংশ, সূৰ্য্যবংশ, পুৰুবংশ আৰু জন্মেজয়ৰ বংশকীৰ্তন উল্লেখযোগ্য। যুগধৰ্ম, নৈমিত্তিক প্ৰলয়, অষ্টাংগ যোগ, ব্ৰহ্মাতত্ব আৰু আত্মতত্বৰ কথাও কোৱা হৈছে। তেৰ অধ্যায়ত বিভিন্নৰত্ন যথা মুক্তাফল, পদ্মৰাগ, মৰকত, ইন্দ্ৰনীল, বৈধুৰ্য, পুষ্পৰাগ, কৰ্কেতন, ভীষ্মৰত্ন, পুলক, ৰুধিৱ, স্ফটিক আৰু বিদ্ৰুম পৰীক্ষা এই পুৰাণৰ অন্যতম বৈশিষ্ট। ব্যাকৰণ আৰু ছন্দ সম্বন্ধীয় ছটা অধ্যায় (২০৯-২১৪) বিশেষ প্ৰতিভাৰ পৰিচায়ক। কিন্তু গৰুড় পুৰাণৰ সকলোতকৈ আকৰ্ষণীয় হ'ল আয়ুৰ্বেদ শাস্ত্ৰৰ বিসদ আলোচনা। ইয়াত আয়ুৰ্বেদোক্ত আৱশ্যক নিদান আৰু চিকিৎসা, বিভিন্ন ৰোগ দুৰীকৰণৰ বাবে ঔষধৰ ব্যৱস্থা, পশু চিকিৎসা, আনকি বুদ্ধি নিৰ্মল কৰাৰ কাৰণেও ঔষধৰ ব্যৱস্থা দেখিবলৈ পোৱা যায়।

উত্তৰ খণ্টটো অপেক্ষাকৃতভাৱে ক্ষুদ্ৰ। ইয়াক প্ৰেতকল্প বোলা হয়। মৃত্যুৰ পিছত মানুহৰ কি গতি হয়, কোন যোনিত পুনৰ উৎপন্ন হৈ কি ভোগ কৰে এই বিলাক প্ৰশ্নৰ বিশেষভাৱে উত্তৰ দিয়া আছে। নৰকস্বৰূপ, গৰ্ভাৱস্থাত পকপ্ৰেত প্ৰেতসকলৰ বাসস্থান, প্ৰেতস্বৰূপ, মানুহৰ আয়ু আৰু সপিণ্ডকৰণ, শ্ৰাদ্ধবিধি প্ৰভৃতি বিস্তাৰিতভাৱে আলোচিত হৈছে। গোটেই উত্তৰ খণ্ডটো জাৰ্মান ভাষালৈ অনুদিত হৈছে।

এই পুৰাণৰ গুৰুত্ব বিভিন্ন নিবন্ধকাৰে স্বীকাৰ কৰিছে। ৰূপ গোস্বামীয়ে তেওঁৰ হৰি ভক্তিৰস, মৃত গ্ৰন্থত, গোপাল ভট্টই হৰিভক্তি বিলাসত, গদা ধৰে কালসাৰত, গোবিন্দানন্দই বৰ্ষক্ৰিয়া কৌমুদিত, শুদ্ধিক্ৰিয়া কৌমুদী আৰু

শ্ৰাদ্ধক্ৰিয়া কৌমুদী গ্ৰন্থত, ৰঘুনন্দনে স্মৃতি তত্ত্বত বাচস্পতি মিশ্ৰই তীৰ্থ চিন্তামণি পুস্তকত আৰু বল্লালসেনে এই পুৰাণৰ বহু শ্লোক ব্যৱহাৰ কৰিছে।

একাধিক কাৰণত মিথিলা গৰুড় পুৰাণৰ উৎপত্তিস্থল বুলি স্বীকাৰ কৰা হৈছে। বিভিন্ন তথ্যৰ ভিত্তিত এই পুৰাণৰ ৰচনাকাল ৭০০ৰ পৰা ৮০০ খ্ৰীষ্টাব্দ বুলি ধৰা হৈছে।

৬। মাৰ্কণ্ডেয় পুৰাণ

অষ্টাদশ পুৰাণৰ ভিতৰত মাৰ্কণ্ডেয় পুৰাণ আপোন বৈশিষ্টৰে সমুজ্জ্বল আৰু প্ৰসিদ্ধ। শ্ৰীশ্ৰীচণ্ডীৰ (দুৰ্গাসপ্তশতীত) এই পুৰাণৰ তেৰটা অধ্যায়ত আঠৰ পৰা নটা অধ্যায় পৰ্য্যন্ত কীৰ্তিত হৈছে। দুৰ্গাসপ্তশতীত দেৱীৰ তিনি ৰূপৰ বিৱৰণ পোৱা যায়। যেনে মহাকালী, মহালক্ষ্মী আৰু মহাসৰস্বতী। এই পুৰাণত মুঠ ১৩৪টা অধ্যায় আছে। মৎস্য পুৰাণৰ মতে ইয়াৰ শ্লোক সংখ্যা ন হাজাৰ হ'লেও বৰ্তমান প্ৰচলিত মাৰ্কণ্ডেয় পুৰাণ ৬৯০০ শ্লোকহে পোৱা যায়। এই পুৰাণত তিনিটা স্তৰ দেখা যায়। যেনে প্ৰথম অধ্যায়ৰ পৰা ৪২ অধ্যায় পৰ্যন্ত এই ৪২টা অধ্যায়ৰ বক্তা বিন্ধ্য পৰ্বতবাসী বিজ্ঞপক্ষী। ৪৩ অধ্যায়ৰ পৰা ১৩৪ অধ্যায়ত মাৰ্কণ্ডেয়ৰ লগত তেওঁৰ শিষ্য ক্ৰৌষ্টুকিৰ সংবাদ আলোচিত হৈছে। ইয়াৰ ভিতৰত ৮১ৰ পৰা ৯৩ অধ্যায় দুৰ্গাসপ্তশতীৰ এক সুকীয়া সত্বা আছে।

মাৰ্কণ্ডেয় পুৰাণত বৰ্ণিত বিষয়বস্তুৰ ব্যাপকতা আৰু বৈচিত্ৰ্যই পণ্ডিতসকলৰ দৃষ্টি আকৰ্ষিত কৰিছে। ইয়াত ধৰ্মশাস্ত্ৰৰ উপযোগী কথা যেনে, ৰাজধৰ্ম, বৰ্ণাশ্ৰম ধৰ্ম, গাৰ্হস্থ্য ধৰ্ম, সদাচাৰ, বজ্যাবজ্যবিচাৰ, নৈমিত্তিক শ্ৰাদ্ধ, পাৰ্বনশ্ৰাদ্ধ, কাম্যশ্ৰাদ্ধ অতি প্ৰয়োজনীয়। ভূগোল বৰ্ণনাৰ ভিতৰত মন্বন্তৰ কথন, জম্বুদীপবৰ্ণন, ভাৰতবৰ্ষ কথন আৰু বৰ্ণন, বিভিন্ন বৰ্ষবৰ্ণনা, কুৰ্মনিবেশ, উত্তৰ কুৰুবৰ্ণন অতি নৈপুণ্যতাৰে পৰিবেশিত হৈছে। দাৰ্শনিক তত্ব আলোচনা প্ৰসংগত আত্মবিবেক, যোগাধ্যায়, যোগসিদ্ধি, যোগচৰ্য্যাৰ ওঙ্কাৰ মাহাত্ম্য আদি অপূৰ্ব। প্ৰাচীনকালৰ প্ৰসিদ্ধ ব্ৰহ্মবাদিনী মদালসাৰ চৰিত্ৰ ইয়াত সবিস্তাৰে বৰ্ণিত হৈছে। মদালসাৰ নিজপুত্ৰ অলৰ্কক শৈশৱকালৰ পৰাই ব্ৰহ্মজ্ঞানত উদ্বুদ্ধ কৰিছিল আৰু তাৰ ফলতেই অলৰ্কই ৰজা হৈ জ্ঞানযোগৰ লগত ভক্তিযোগৰ

অসাধাৰণ সামঞ্জস্য বিধান কৰিছিল। এইবোৰৰ বাহিৰেও এই পুৰাণত প্ৰধানত নিম্নোক্ত বিষয়বোৰ দেখিবলৈ পোৱা যায়। চতুৰ্ব্যহৱতাৰ, বলদেৱৰ ব্ৰহ্মহত্যা, হৰিশ্চন্দ্ৰৰ উপাখ্যান, অড়িবকৰ যুদ্ধ, বিবিধ নৰক বৰ্ণনা, অনসূয়া-দণ্ডাত্ৰেয় কাহিনী, কুবলয়াশ্বৰ কথা, সৃষ্টি প্ৰকৰণ, বাৰুখিনীৰ আখ্যান, উত্তম, তামস, ৰৈবত, চাক্ষুষ বৈস্বত আৰু সাৰ্বনিক মন্বন্তৰৰ বৈশিষ্ট্য, ৰুচিৰ উপাখ্যান, সূৰ্য্য মাহাত্ম্য, নাভাগচৰিত কথা, বৎসন্তীয় কাহিনী খনিত্ৰৰ উপাখ্যান, বিবিংশ চৰিত, কবন্দসৰ আখ্যান অবীক্ষিতৰ কাহিনী, মৰুত উপাখ্যানৰ বিবিধ বিৱৰণ, নবিষ্যান্ত চৰিত আৰু দমৰ উপাখ্যান।

এই পুৰাণত আলোচিত ধৰ্মশাস্ত্ৰৰ সমুৰ্দ্ধয় অংশবোৰ পৰৱৰ্তী স্মৃতি নিবন্ধকাৰসকলক বহুলভাৱে প্ৰভাৱিত কৰিছে। লক্ষ্মীধৰৰ কৃত্যকল্পতৰুত অপৰাৰ্কৰ যাজ্ঞবল্ক টীকাত, বল্লাল মেনৰ অদ্ভুতসাগৰ আৰু দানসাগৰত, মদনপালৰ মদন পাৰিজাতত, শ্ৰীদত্ত উপাধ্যায়ৰ কৃত্যাচাৰ আৰু শ্ৰাদ্ধকল্পত, দেৱণভট্টৰ স্মৃতিচন্দ্ৰিকাত, হেমাদ্ৰিৰ চতুৰ্বৰ্গচিন্তামণিত মাৰ্কণ্ডেয় পুৰাণৰ পৰাই বহু শ্লোক উদ্ধৃত হৈছে। এই পুৰাণৰ ওপৰত মনু সংহিতাৰ প্ৰভাৱো দেখিবলৈ পোৱা যায। মহাভাৰতৰ শান্তি পৰ্বত পিতাপুত্ৰ সংবাদ নামৰ অধ্যায় লগত এই পুৰাণৰ ভাব আৰু ভাষাৰ যথেষ্ট সাদৃশ্য আছে। প্ৰকৃতপক্ষে মহাভাৰতৰ বীজৰূপী সংক্ষিপ্ত কাহিনী এই পুৰাণৰ, পত্ৰ, পুষ্প, শাখা, প্ৰশাখা বৰ্ধিত হৈ বিৰাট মহীৰূপ ধাৰণ কৰিছে।

এই পুৰাণৰ ৰচনাকাল সম্বন্ধে বিশেষ কোনো মতদৈধতা নাই। মহাভাৰতত মাৰ্কণ্ডেয় পুৰাণৰ ইংগিত থাকিলেও সেইখন যে বৰ্তমানৰ এই পুৰাণ সেই কথা মনলৈ নাহে। সকলোবোৰ তথ্য বিবেচনা কৰি এই পুৰাণ ৪০০-৫০০ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচিত বুলি পণ্ডিতসকলে অনুমান কৰে।

৭। অগ্নি পুৰাণ

অগ্নি পুৰাণক যদি সমগ্ৰ ভাৰতীয় বিদ্যাৰ বিশ্বকোষ বোলা হয় তথাপি অত্যুক্তি নহয়। লোকশিক্ষাৰ কাৰণে যিখিনি বিদ্যাৰ প্ৰয়োজন সেই সকলো বিদ্যাৰ সাৰ ইয়াত সংগৃহীত। সেয়ে ইয়াক পৌৰাণিক বিশ্বকোষ বুলিও ক'ব পাৰি। সেই কাৰণেই কোৱা হৈছে 'আগ্নেয়ে হি পুৰানেহস্মিন সৰ্বাঃ, বিদ্যাঃ

প্ৰদৰ্শিতা ঃ (অগ্নিপুৰাণ ৩৮৩/৫২) মুঠতে যি নাই অগ্নি পুৰাণত সি নাই পুৰাণত।

এই পুৰাণত ৩৮৩ টা অধ্যায় আছে। নাৰদ পুৰাণৰ মতে ইয়াৰ শ্লোক সংখ্যা ১৫০০০ টা। কিন্তু মৎস পুৰাণৰত সাক্ষ্য অনুসাৰে ১৬০০০। ইয়াত অৱতাৰবাদৰ কথা সংক্ষেপে বৰ্ণিত আছে। কিন্তু ৰামায়ণ আৰু মহাভাৰতৰ বিস্তৃত সাৰাংশ উপলব্ধ। বিভিন্ন মন্দি নিৰ্মাণৰ কলাকৌশল দেৱ, মূৰ্তি প্ৰতিষ্ঠা আৰু পূজাবিধি অতি নৈপুণ্য সহকাৰে আলোচিত হৈছে। জ্যোতিষ শাস্ত্ৰ, ধৰ্মশাস্ত্ৰ, বিভিন্ন প্ৰকাৰৰ ব্ৰত, ৰাজনীতি, আয়ুৰ্বেদ, অশ্বশাস্ত্ৰ, গোশাস্ত্ৰ, গজশাস্ত্ৰ প্ৰভৃতি শাস্ত্ৰৰ সুন্দৰ আলোচনা পোৱা যায়। নাটক ৰস ৰীতি নিৰ্দেশ, নৃত্যাদি, ৰংগকৰ্ম নিৰূপণ, অভিনয়াদি নিৰূপণ শব্দালংকাৰ, অৰ্থালংকাৰ, শব্দাৰ্থলংকাৰ, আলোচনা, কাব্যগুণ বিবেচন, কাব্যদোষ নিৰূপণ প্ৰভৃতি অলংকাৰ শাস্ত্ৰৰ তত্বমূলক আলোচনাৰ ভিতৰত সন্ধি, শব্দৰূপ, ধাতুৰূপ, স্ত্ৰীপ্ৰত্যয় কাৰক, সমাস তদ্ধিত ইত্যাদি স্থান পাইছে। আঠ অধ্যায়ত (৩২৮ অধ্যায় পৰা ৩৩৫ অধ্যায়) বিভিন্ন বৈদিক আৰু লৌকিক স্বন্দৰ স্বৰূপ লক্ষণ আৰু উদাহৰণ আলোচিত হৈছে। সাত অধ্যায় জুৰি কোষ কাব্যৰ সংক্ষিপ্ত আলোচনাই পাঠকক যথেষ্ট উপকৃত কৰে। নাম নিয়ম আসন প্ৰামায়ণে প্ৰত্যাহাৰ ধ্যান ধাৰণা সমাধি এই অষ্টাংগ যোগো আলোচিত হৈছে। শেষত অদ্বৈত বেদান্তৰ সাৰাংশ সংকলিত হৈছে আৰু শ্ৰীমদ্ভাগৱত গীতসাৰো উপস্থাপিত হৈছে।

অগ্নিপুৰাণে বহুকেইজন নিবন্ধাকাৰক প্ৰভাৱিত কৰিছে। দেৱন ভট্টৰ স্মৃতি চন্দ্ৰিকাত, মাধৱচাৰ্য্যৰ পৰাগৰ সংহিতাৰ ভাষ্যত, শূলপাণিৰ শ্ৰাদ্ধবিবেকত, গোবিন্দানন্দৰ বৰ্ষক্ৰিয়া কৌমুদিত, দানক্ৰিয়াকোমুদিত, শুদ্ধি ক্ৰিয়াকৌমুদি গ্ৰন্থত গদাধৰৰ কালসাৰত, ৰঘুনন্দনৰ স্মৃতিগ্ৰন্থত, গোপাল ভট্টৰ হৰিভক্তি বিলাসত, নৰসিংহ ৰাজপায়ীৰ নিত্যাচাৰ প্ৰদীপত, ৰূপ গোস্বামীৰ হৰিভক্তিসমূহতসিন্ধুৰ গ্ৰন্থত অগ্নিপুৰাণৰ পৰা একাধিক শ্লোক সংগৃহীত হৈছে।

অগ্নিপুৰাণৰ কাল নিৰ্ণয় জটিল নহয়। ভোজ ৰাজে তেওঁৰ সৰস্বতী কথাভাষণ গ্ৰন্থৰ কাৰণে অগ্নিপুৰাণকেই আদৰ্শ গ্ৰন্থ হিচাবে গ্ৰহণ কৰিছিল। তদুপৰি এই পুৰাণৰ ৰামায়ণ মহাভাৰত, হৰিবংশ আৰু বায়ুপুৰাণ গয়া মাহাত্ম্যৰ লগতো পৰিচিত আছিল। পিঙ্গলছন্দসুত্ৰ, অমৰকোষ, যুদ্ধজয়াৰ্ণব, পালকাপ্যৰ হস্তাযুদ্ধাদি, এই সকল গ্ৰন্থৰ বিষয় বস্তুত ইয়াত আলোচিত হৈছে। নাৰদস্মৃত

যাগ্যবল্ক্যস্মৃতি, বিষ্ণু পুৰাণৰ একাদিশ শ্লোক ইয়াত ব্যৱহাৰ কৰা হৈছে। একস্থানত শ্ৰীকৃষ্ণৰ দশাৱতাৰ ভিতৰত গণনা কৰা হলেও অন্য স্থানত হলধৰ অন্তৰ্ভুক্ত হৈছে। পণ্ডিতসকলে বলৰামৰ দশাবস্তাৰন্তৰ্ভুক্তি পৰৱৰ্তীকালৰ সংযোজন বুলি ভাবে। অনেকৰ মতে অগ্নিপুৰাণ কাব্যলংকাৰতত্ত্ব দণ্ডীৰ কাব্য দৰ্শনৰ অনুকৰণত ৰচিত। এইবোৰ কাৰণতে অগ্নিপুৰাণ খ্ৰীষ্টীয় নৱম শতিকাত সংকলিত বুলিও ভাবিব পাৰি।

৮। ভৱিষ্য পুৰাণ

ভৱিষ্যতত যিবিলাক ঘটনা দৃশ্য বা অনুষ্ঠিত হ'ব সেইবোৰ পূৰ্বৰ পৰা যি পুৰাণত বৰ্ণিত হৈছে সেই কাৰণেই এই পুৰাণে ভৱিষ্যপুৰাণ নাম পাইছে। কালে কালে দেশে-দেশে প্ৰধান প্ৰধান অনুষ্ঠিত ঘটনাবোৰৰ বিৱৰণ সেই কালৰ বা দেশৰ পণ্ডিতসকলৰ দ্বাৰা লিখিত শ্লোক এই পুৰাণত সংযোজিত হৈছে।

বায়ু পুৰাণৰ মতে যি পুৰাণত অঘোৰ কল্প বৃত্তান্ত প্ৰসংগত জগতস্থিতি আৰু আদিত্যৰ মাহাত্ম্যৰ কথা ব্ৰহ্মাই মনুক ব্যাখ্যা কৰিছিল আৰু য'ত ভূতবৰ্গৰ লক্ষণ বৰ্ণিত হৈছে তাকেই ভৱিষ্য পুৰাণ বোলা হয় আৰু ইয়াৰ শ্লোক সংখ্যা ১৪৫০০। অগ্নিপুৰাণত কোৱা হৈছে যে ভৱিষ্য পুৰাণ সূৰ্যৰ পৰা সম্ভূত। ইয়াত ভৱ-বক্তা আৰু শ্ৰোতা মনু। শ্লোক সংখ্যা ১৪০০০। নাৰদ পুৰাণৰ তথ্য অনুযায়ী অঘোৰকল্প বৃত্তান্তযুক্ত ভৱিষ্যপুৰাণ মনুক ব্ৰহ্মাই ব্যাখ্যা কৰিছিল। ইয়াৰ শ্লোক সংখ্যা ১৪০০০। ব্যাসে এই পুৰাণক ব্ৰাহ্ম, বৈষ্ণৱ, শৈৱ, সৌৰ আৰু প্ৰতিসৰ্গ এই পাঁচ ভাগত বিভক্ত কৰিছিল। কিন্তু বৰ্তমান প্ৰচলিত ভৱিষ্য পুৰাণ ব্ৰহ্মা আৰু মনুৰ প্ৰশ্ন আৰু উত্তৰ সম্বলিত নহয়। ইয়াত অঘোৰকল্পৰো কোনো উল্লেখ নাই। ই মুঠতে চাৰি ভাগত বিভক্ত, পাঁচ ভাগত নহয়। এই চাৰিটা ভাগৰ নাম ক্ৰমে—ব্ৰাহ্ম, মধ্যম, প্ৰতিসৰ্গ আৰু উত্তৰ। সেয়ে অনুমান কৰিব পাৰি যে বৰ্তমান ভৱিষ্য পুৰাণৰ মূল ভৱিষ্য পুৰাণৰ লগত কোনো সম্বন্ধ নাই।

এই পুৰাণৰ প্ৰথম অৰ্থাৎ ব্ৰাহ্মপৰ্বত প্ৰধানত শ্ৰোতা আৰু স্মাৰ্ত ধৰ্মৰ সবিশেষ পোৱা যায়। নানা বৈচিত্ৰ্যপূৰ্ণ বিষয় আৰু আখ্যান ইয়াত পৰিবেশিত

হৈছে। প্ৰথম অধ্যায়ৰ পৰা ৪৬ অধ্যায় পৰ্যন্ত অংশত চতুৰাশ্ৰমৰ বৰ্ণনা, চতুৰ্বৰ্ণৰ কৰ্তব্য, বিবিধ সংস্কাৰ, স্ত্ৰীজাতিকৃত্য পুৰুষ আৰু স্ত্ৰীসকলৰ শুভ আৰু অশুভ চিত্ৰ, এইসকল চিনৰ পৰিচায়ক ব্যাখ্যা, ব্ৰহ্মা, গণেশ, স্কন্ধ পুজাবিধি বিভিন্ন তিথি আৰু দিনত অনুষ্ঠিত কৰ্ম বিস্তৃতৰূপে পোৱা যায়। ইয়াৰ পিছত ৪৭০ ৰ পৰা ২১৫ অধ্যায় পৰ্যন্ত বিভিন্ন সৌৰব্ৰতৰ বিৱৰণ আছে। শাকদ্বীপৰ পৰা শাম্বই মগবিলাকক ভাৰতবৰ্ষলৈ আনিছিল আৰু তেওঁলোকৰ লগত ভোজ কন্যাবিলাকক বিয়া দিছিল। মগসকল সূৰ্য্য উপাসক আছিল আৰু তেওঁলোকে ভাৰতবৰ্ষৰ সূৰ্য্য মাহাত্ম্য প্ৰচাৰ কৰিছিল।

মধ্যম পৰ্বটি সম্পূৰ্ণৰূপে তান্ত্ৰিক পৰ্ব বুলিব পাৰি। ইয়াত যামল, ভামৰ প্ৰভৃতি বহুবিধ তন্ত্ৰৰ পৰিচয় উপযোগিতা আৰু প্ৰভাৱ মাহাত্ম্য বৰ্ণিত হৈছে। প্ৰতিসৰ্গ পৰ্বটো সম্পূৰ্ণ নতুন আৰু পৰৱৰ্তী সময়ত সংযোজিত। ইয়াত আদম, নোহা, যাকুতৰ গল্প কথা কথা বৰ্ণিত হৈছে। তৈমুৰুলং, নাদিৰশাহ আৰু তেওঁৰ বংশৰ কাহিনী বহুত অংশ অধিকাৰ কৰিছে। জয়চন্দ্ৰ পৃথীৰাজৰ ঐতিহাসিক কাহিনীও ইয়াত উল্লিখিত হৈছে। বৰাহমিহিৰ শংকৰাচাৰ্য, ৰামানুজ, মাধৱচাৰ্য, নিম্বাৰ্ক, জয়দেৱ, বিষ্ণুস্বামী, ভট্টোজিদীক্ষি আশন্দগিৰি, শ্ৰীচৈতন্য, নিত্যানন্দ, কবীৰ, নানক ৰুইদাস আদি ইতিহাস প্ৰসিদ্ধসকলৰ জন্ম আৰু কাৰ্য্যকলাপ নানা বিচিত্ৰ কাহিনীত বৰ্ণিত হৈছে! আনকি ভাৰতবৰ্ষত ইংৰাজ ৰাজত্ব, ওয়ৰেন হেষ্টিংস, পাৰ্লামেণ্ট, মহাৰাণী ভিক্টোৰিয়া আৰু কলিকতা আদি নামো পোৱা যায়। শেষ পৰ্বৰ নাম উত্তৰ পৰ্ব। ই নিজকে সতন্ত্ৰ পুৰাণ বুলি দাবী কৰি নাম দিছে ভৱিষ্য পুৰাণ। ইয়াত জম্বুদ্বীপৰ বৰ্ণনা, বিষ্ণুমায়া, কৰ্মবিপাক, বাচিক আৰু কায়িক পাপ, ব্ৰাহ্মণ পূজা, সদাচাৰ, কৃষ্ণ চৰিত্ৰ, বিভিন্ন ব্ৰত, মহোৎসৱ আৰু দান উল্লেখিত হৈছে।

ভৱিষ্য পুৰাণ বহু নিবন্ধকাৰৰ দ্বাৰা স্বীকৃত। তেওঁলোকৰ ভিতৰত অনন্ত ভট্টৰ বিধান পাৰিজাত, গদাধৰৰ কালসাৰ, ৰঘুনন্দনৰ স্মৃতিতত্ত্ব দুৰ্গা পূজাতত্ত্ব, গোবিন্দানন্দৰ বৰ্ষাক্ৰিয়া কৌমুদী, বাচস্পতি মিশ্ৰৰ কত্যচিন্তামণি, বিদ্যাপতি উপধ্যায়ৰ দুৰ্গাভক্তি তৰংগিণী, শূলপাণিৰ তিনিথবিবেক, ব্ৰতকাল বিবেক আৰু দুৰ্গোৎসক বিবেক, মাধৱাচাৰ্যৰ পৰাশৰ স্মৃতিৰ ভাষ্য আৰু কাল নিৰ্ণয়, চক্ৰেশ্বৰৰ তিথি নিৰ্ণয়, হেমাদ্ৰিৰ চতুবৰ্গচিন্তামণি, অপৰাৰ্কৰ যাজ্ঞবল্ক্য টীকা, জীমূতবাহনৰ কালবিবেক, ৰিজানেশ্বৰৰ মিতাক্ষৰা, কল্লাসসেনৰ দানসাগৰ, দেৱন ভট্টৰ স্মৃতিচন্দ্ৰিকা, শ্ৰীদত্ত উপাধ্যায়ৰ সময় প্ৰদীপ, শ্ৰাদ্ধকল্প, পিতৃভক্তি,

কুল্লুক ভট্টৰ মনুসংহিতাৰ টীকা উল্লেখযোগ্য। ইমান অধিক নিবন্ধকাৰৰ স্বীকৃতি আৰু ভৱিষ্যপুৰাণৰ উদ্ধৃতি এই পুৰাণৰ সৰ্ব ব্যাপকভাৱৰ জনপ্ৰিয়তাৰ পৰিচয় বহন কৰে।

ভৱিষ্যপুৰাণৰ ৰচনাকালৰ সঠিক নিৰ্ণয় কৰাটো কঠিন। ইয়াৰ বিভিন্ন অংশবোৰ বিভিন্ন সময়ত ৰচিত বা সংকলিত হৈছে। মোটামুটিভাৱে পণ্ডিতসকলে অনুমান কৰে যে এইখন ৫০০ খ্ৰীষ্টৰ পৰৱৰ্তী কালত ৰচিত। উত্তৰ পৰ্বৰ ৰচনাকাল ৮০০ খ্ৰীষ্টাব্দ। অৱশিষ্টৰ ভিতৰত অপেক্ষাকৃত প্ৰাচীন অংশ ১০০০ খ্ৰীষ্টাব্দৰ পৰা ১২০০ খ্ৰীষ্টাব্দৰ ভিতৰত। মোগল পাঠান আৰু বৃটিছ যুগৰ সংযোজন সম্বন্ধে অৱশ্যে কোনো তথ্য নিৰ্ণয় কৰাটো সম্ভৱপৰ নহয়।

৯। স্কন্দ পুৰাণ

যি পুৰাণত কাৰ্তিকেয় বা স্কন্দ শৈৱতত্ত্ব নিৰূপিত হৈছে তাৰেই নাম স্কন্দ পুৰাণ। অষ্টাদশ পুৰাণৰ ভিতৰত এইখন পুৰাণেই সৰ্বাপেক্ষা বৃহৎ আকাৰৰ। এই পুৰাণৰ খণ্ডাত্মক ভাগ আৰু সংহিতাত্মক ভাগ প্ৰসিদ্ধ। প্ৰথমোক্ত ভাগৰ ফালৰ পৰা বিচাৰ কৰিলে ইয়াত সাত খণ্ড প্ৰসিদ্ধ যেনে মহেশ্বৰ, বিষ্ণু, ব্ৰহ্মা, কাশী, আৱন্ত্য, নাগৰ আৰু প্ৰভাস। মহেশ্বৰ খণ্ডৰ তিনিটা উপবিভাগ— কেদাৰখণ্ড, কুমাৰিকা খণ্ড আৰু অৰুণাচল মাহাত্ম্য। বিষ্ণুখণ্ডত বেলটাচক মাহাত্ম্য পুৰোষোত্তমক্ষেত্ৰ মাহাত্ম্য, বদৰিকাশ্ৰম মাহাত্ম্য, কাৰ্তিকমাহ মাহাত্ম্য, মাৰ্গশীৰ্ষমাহ মাহাত্ম্য, ভাগৱত মাহাত্ম্য, বৈহাগমাহ মাহাত্ম্য আৰু অযোধ্যা মাহাত্ম্য এইকেইটা উপবিভাগ। ব্ৰহ্মাখণ্ড মূলত তিনি ভাগত বিভক্ত সেতু মাহাত্ম্য, ধৰ্মাৰণ্যখণ্ড আৰু উত্তৰ খণ্ড। কাশী খণ্ডৰ দুই অংশ পূৰ্বাদ্ধ আৰু উত্তৰাদ্ধ। আৱন্ত্য খণ্ডটোৰ তিনি ভাগ অৱন্তীক্ষেত্ৰ মাহাত্ম্য, চতুৰ শীতিলিংগ মাহাত্ম্য আৰু ৰেবাখণ্ড নাগৰ খণ্ড বিশ্বকৰ্মা উপাখ্যান। বিশ্বকৰ্মাৰ বংশামৎয়ন আৰু টিকেশ্বৰ মাহাত্ম্য এই তিনি ভাগত বিভক্ত। প্ৰভাস খণ্ডৰ চাৰিটা অংশ প্ৰভাসক্ষেত্ৰ মাহাত্ম্য, বস্ত্ৰাপথক্ষেত্ৰ মাহাত্ম্য, অৰ্বুদখণ্ড আৰু দ্বাৰকা মাহাত্ম্য। এই পুৰাণৰ মুঠ শ্লোক সংখ্যা এক লক্ষ।

স্কন্দ পুৰাণৰ বহু বিচিত্ৰ ভেদ, উপভেদ আৰু ইয়াৰ বিশাল ব্যাপকতা

দেখি ভাব হয় এই পুৰাণৰ প্ৰচলিত বিভিন্ন খণ্ডবোৰ পূৰ্বতে হয়তো কোনো বা কোনো সংহিতাৰ অন্তৰ্গত আছিল। ইয়াৰ প্ৰথম খণ্ড অৰ্থাৎ মহেশ্বৰ খণ্ডৰ কেদাৰ মাহাত্ম্য, দক্ষযজ্ঞ কথা, সমুদ্ৰ মন্থন, পাৰ্বতীৰ বিবাহ, কাৰ্তিকৰ জন্ম, কাৰ্তিকেয মাহাত্ম্য, ইন্দ্ৰদ্যম্নৰ আখ্যান, দমন চৰিত্ৰ, তাৰকাৰ লগত যুদ্ধ, ব্ৰহ্মাখণ্ডৰ স্থিতি আৰু মান, পাণ্ডৱসকলৰ তীৰ্থ যাত্ৰা, অৰুণাচল মাহাত্ম্য, মহিষাসুৰ বধ আদি প্ৰসিদ্ধ। দ্বিতীয় বৈষ্ণৱ খণ্ডত বৰাহ অৱতাৰ কথা, কমলাৰ উপাখ্যান, কুলালৰ আখ্যান, মাতঙ্গাজন সংবাদ, উৎকল পুৰোষোত্তম মাহাত্ম্য, অম্বৰীষৰ কাহিনী, নীলকণ্ঠৰ আখ্যান, ৰথযাত্ৰা, স্নানযাত্ৰা, গুণ্ডিচামাজন, দোলা উৎসৱ, বিভিন্ন যোগৰ কাহিনী, মোক্ষসাধন, বদৰিকা মাহাত্ম্য, ধুম্ৰকেশৰ গল্প, কাৰ্তিক দিনকৃত্য, পঞ্চভীস্মব্ৰত একাদশী মাহাত্ম্য, মথুৰা মাহাত্ম্য, শ্ৰীমদ্ভাগৱত মাহাত্ম্য, মাঘ মাহাত্ম্য, বৈহাগ মাহাত্ম্য, শ্ৰুতদেৱৰ চৰিত্ৰ, অক্ষয় তৃতীয়া ব্ৰত, অযোধ্যা মাহাত্ম্য আৰু আন আন পূণ্যতীৰ্থৰ কথা বৰ্ণিত হৈছে। তৃতীয় ব্ৰহ্মাখণ্ডৰ ভিতৰত ৰাক্ষস, লোহাসুৰ, তাৰকাসুৰৰ আখ্যান, বিষ্ণুৰ শাপ, মহাদেৱৰ তাণ্ডৱ নৃত্য, দক্ষযজ্ঞ আৰু চক্ৰতীৰ্থ, বেতাল তীথ, লক্ষীতীৰ্থ ধনুস্কোটী তীৰ্থ, ধৰ্মাৰণ্যতীৰ্থ, অপ্সৰা তীৰ্থ, ইন্দ্ৰেশ্বৰ প্ৰভৃতি তীৰ্থ মাহাত্ম্য, বৰ্ণাশ্ৰম বিভাগ, ধৰ্মমত্ব নিৰূপণ দেৱস্থান বিভাগ, জাতিভেদ নিৰ্ণয়, জ্ঞানযোগ আদি আলোচিত হৈছে। চতুৰ্থ খণ্ড অৰ্থাৎ কাশীখণ্ডত অগ্নিৰ উৎপত্তি গংগাৰ উৎপত্তি, তপোলোক, সত্যলোক প্ৰভৃতিৰ বৰ্ণনা কলাৱতীৰ কাহিনী, দিবোদাসৰ কথা, পঞ্চ নদীৰ উৎপত্তি, দুৰ্গাসুৰ জন্ম, বীৰেশ্বৰৰ কাহিনী, কাশীৰ বিখ্যাত পূণ্যস্থলৰ বিৱৰণ, সদাচাৰ নিৰূপণ, স্ত্ৰীলক্ষণ, কৃত্যকৃত্য নিৰ্ণয়, গৃহস্থৰ ধৰ্ম আদিৰ আলোচনাই ঠাই পাইছে। পঞ্চম আবন্ত্য খণ্ডৰ ম[illegible]েশ্বৰ, কপালমোচন, অন্ধকস্তুতি, হিৰণ্যাক্ষ বধ, ধৰ্মপুত্ৰ কাহিনী, জালে[illegible]ৰ কথা, শচীহৰণৰ কাহিনী, চিত্ৰসেনৰ গল্প, ৰোহিতাশ্বৰ কাহিনী, ধুন্ধুমাৰক গল্প, চ্যবনৰ উপাখ্যান, স্বৰ্গদ্বাৰ, দশাশ্বমেধ, বল্মীকেশ্বৰ, কেদাৰেশ্বৰ, কালভৈৰৱ, ৰুদ্ৰকুণ্ড, কুশস্থলী আদিতেশ্বৰ, চক্ৰতীৰ্থ আদি তীৰ্থস্থানৰ মাহাত্ম্য, প্ৰায়চিত্ত বিধি দেবদীক্ষা, শিৱস্তোত্ৰ প্ৰভৃতি বৰ্ণিত হৈছে। ষষ্ঠ নাগৰখণ্ডত হৰিচন্দ্ৰৰ কাহিনী, বৃত্তাসুৰ নিধন, জামদগ্নি আখ্যান, বিশ্বামিত্ৰ চৰিত্ৰ, সাবিত্ৰীৰ কাহিনী, অচনেশ্বৰ, গয়াতীৰ্থ, গোকৰ্ণ, পুস্কৰতীৰ্থ নৈমিষাৰণ্য বাৰানসী, বৃন্দাবন, গংগা, নৰ্মদা, সৰস্বতী নদীৰ মাহাত্ম্য, কেদাৰ প্ৰভৃতি ৬৮খন তীৰ্থৰ বিৱৰণ শ্ৰাদ্ধকল্প, অশুন্যশয়নব্ৰত আৰু শিৱৰাত্ৰি আদি অন্তৰ্ভুক্ত

হৈছে। সপ্তম খণ্ড অৰ্থাৎ প্ৰভাস খণ্ডত দ্বাৰকাৰ ভূগোল, জানিবলগীয়া কথা। ইয়াৰ দুই এটা কাহিনীৰ বাহিৰে বিভিন্ন পুণ্য ভূখণ্ডৰ বৰ্ণনাত্মক বিষয়।

স্কন্দপুৰাণ বহুজন পঠিত প্ৰাচীন পুৰাণ। বিভিন্ন প্ৰাচীন নিবন্ধগ্ৰন্থত এই পুৰাণৰ একাধিক শ্লোকৰ উদ্ধৃতি আছে। পদ্মপুৰাণৰ এক ঠাইত স্কন্দ পুৰাণৰ নামৰ উন্মোচন পোৱা যায়। বিভিন্ন নিবন্ধকাৰে ইয়াক ব্যৱহাৰ কৰিছে। এই পুৰাণত বাণ ভট্টৰ কাদম্বৰী গ্ৰন্থৰ প্ৰভাৱ স্পষ্ট। এইবিলাক প্ৰমাণৰ দ্বাৰা এই পুৰাণৰ ৰচনা কাল ৮০০ৰ পৰা ১০০০ খ্ৰীষ্টাব্দ বুলি স্থিৰ কৰা হৈছে।

১০। বৰাহ পুৰাণ

বৰাহ পুৰাণ প্ৰধানত বিষ্ণুপুৰাণ, বিষ্ণুভক্তসকলৰ প্ৰাৰ্থনা নিয়মাৱলী ইত্যাদি দেখিবলৈ পোৱা যায়। কিন্তু দুখৰ বিষয় যে ৰহস্য, স্কন্দ বা অগ্নিপুৰাণত বৰাহ পুৰাণৰ যি সাৰাংশ উদ্ধৃত হৈছে তাৰ লগত বৰ্তমান প্ৰচলিত পুৰাণখনৰ কোনো সাদৃশ্য নাই। সেয়ে বিদ্বদ্‌সমাজে ভাবে যে এইখন মূল বৰাহ্‌পুৰাণ নহয়। উল্লিখিত পুৰাণকেইখনত পোৱা যায় যে মানৱকল্প প্ৰসঙ্গত বিষ্ণুৱে নিবেদন কৰিছিল কিন্তু বৰ্তমান পুৰাণখনৰ বক্তা স্বয়ং বৰাহ আৰু ইয়াত মানৱকল্পৰ নাম গন্ধও নাই। পুৰাণৰ পাচটি লক্ষণো ইয়াত যথাযথভাৱে দেখিবলৈ পোৱা নাযায় মন্বন্তৰ, ৰাজবংশচৰিত আৰু ঋষিবংশানুচৰিত সম্পৰ্কে ইয়াত বিশেষ একো উল্লেখ নাই।

নাৰদ পুৰাণৰ মতে এই পুৰাণৰ পূৰ্ব আৰু উত্তৰ এই দু ভাগত বিভক্ত। বৰ্তমান প্ৰকাশিত আৰু প্ৰচলিত পুৰাণ বিভিন্ন সংকৰণৰ [illegible] ৱব পাৰি যে উত্তৰ ভাৰতীয় আৰু দাক্ষিণাত্য শাখা ভেদে দুই প্ৰকাৰ। প্ৰথমোক্ত সংস্কৰণত শ্লোক সংখ্যা, পাদ দশ সহস্ৰ আৰু দাক্ষিণাত্য সংস্কৰণত চতুৰ্বিংশ সহস্ৰ।

বিভিন্ন বিষয়বস্তুৰ বিৱৰণ অনুসাৰে বৰাহ পুৰাণ চাৰি ভাগত বিভক্ত কৰিব পাৰি। প্ৰথম পাদ ১ অধ্যায়ৰ পৰা ১১২ অধ্যায়, দ্বিতীয় পাদত ১১৩ ৰ পৰা ১৯২, তৃতীয় পাদত ১৯৩ ৰ পৰা ২১২ আৰু চতুৰ্থ পাদত ২১২ ৰ পৰা অন্তিম অধ্যায়। প্ৰথম পাদৰ বক্তা সুতে বৰাহ আৰু পৃথিৱীৰ কথোপকথন বৰ্ণনা কৰিছে। ই নিঃসন্দেহে পঞ্চৰাত্ৰ সম্প্ৰদায়ৰ দান। বিষ্ণু

আৰু হৰিৰ তুলনাত নাৰায়ণ নমটো একাধিকবাৰ শ্ৰদ্ধাৰ সৈতে গৃহীত। বাসুদেৱ বা কৃষ্ণৰ নাম উল্লেখেই নাই। 'ওঃ নমো নাৰায়ণ' এয়েই মূলমন্ত্ৰ। দ্বিতীয় পাদৰ বক্তা সনৎকুমাৰ। ইয়াত পৃথিৱী সংবাদ আৰু বৰাহ-পৃথ্বি সংবাদ পৰিবেশিত হৈছে। এই পাদত ভাগৱত সম্প্ৰদায়ৰ প্ৰভাৱ অনায়াসে লক্ষ্য কৰা যায়। বিষ্ণু উপাসক সকলক ভাগৱত বুলি কোৱা হৈছে। ভাগৱতসকল সৰ্বত্ৰ পূজিত আৰু সন্মানিত। ওঃ নমোঃ বাসুদেবায় এই মন্ত্ৰও এঠাইত দেখা যায়। তৃতীয় পাদৰ নাম ধৰ্মসংহিতা। ৰাজা জন্মেজয় আৰু বৈশম্পায়ন মুণিৰ কথোপকথন সুতে বৰ্ণনা কৰিছে। প্ৰথম দুয়োটা পাদৰ এই পাদৰ কোনো সম্বন্ধ থকা যেন নালাগে। ৰাজা জন্মেজয়ৰ বা অশ্বমেধ যজ্ঞৰ কাহিনী স্বতন্ত্ৰৰূপে ইয়াত বৰ্ণিত হৈছে। চতুৰ্থ পাচটি সম্পূৰ্ণ শৈৱ বলি কব পাৰি। সনৎকুমাৰ আৰু ব্ৰহ্মাৰ প্ৰশ্নোত্তৰ ইয়াত সুতৰ দ্বাৰ বৰ্ণিত। শিৱ মাহাত্ম্য, যিবোৰ স্থানত শিৱৰ পূজা হয় সেইবোৰৰ বৰ্ণনা। যি ৰজাসকলৰ বংশধৰসকলে লিংগপূজা জনপ্ৰিয় কৰিছিল তেওঁলোকৰ কাহিনী ইয়াত পৰিবেশন কৰা হৈছে।

বৰাহ পুৰাণত একাধিক বৈচিত্ৰ্যপূৰ্ণ কাহিনীৰ সমাহাৰ দেখা যায়। অন্যান্য উপাখ্যানৰ ভিতৰত ৰভ্য চৰিত্ৰ, গৌৰীৰ উৎপত্তি, বিনায়কৰ কথা বিভিন্ন নাগসকলৰ কাহিনী, সূৰ্য্য কুবেৰ আদি দেৱতাৰ কথা, আদ্যাশক্তিৰ দ্বাৰা মহিষাসুৰৰ বিজয়, শ্বেতোপাখ্যান অগস্ত্যগীতা, ৰুদ্ৰ গীতা, শ্ৰাদ্ধব্ৰত তীৰ্থ, প্ৰয়চিত্ত তত্ত্ব, মথুৰা মাহাত্ম্য, যম লোকৰ বৰ্ণনা, ঋষিপুত্ৰসকলৰ কাহিনী, গোকৰ্ণতীৰ্থৰ মাহাত্ম্য, বিভিন্ন বিষ্ণুব্ৰত আৰু নাচিকেতাৰ কাহিনী উল্লেখযোগ্য। ইয়াত ভিন ভিন মাহৰ দ্বাদশীৰ লগত বিভিন্ন অৱতাৰ সম্বন্ধে বৰ্ণিত হৈছে যেনে আঘোণ মাহত মৎস্য অৱতাৰ পুহ মাহ কুৰ্ম অৱতাৰ আৰু আহিন মাহত পদ্মনাভৰ লগত সংলিষ্ট বুলি দেখুওৱা হৈছে। কিন্তু কাতি মাহৰ লগত কাৰো সম্বন্ধ নাই।

প্ৰসিদ্ধ নিবন্ধকাৰ যিসকলে বৰাহ পুৰাণৰ পৰা যথেষ্ট শ্লোক উদ্ধাৰ কৰিছে তেওঁলোকৰ ভিতৰত গোপাল ভট্ট, বল্লালসেন, বিদ্যাকৰ ৰাজবংশী, বাচস্পতি মিশ্ৰ, শূলপাণি, চণ্ডেশ্বৰ, হেমাদ্ৰি, অপৰাক, জীমূত বাহন, মদনপাল, আনন্দতীৰ্থ মাধবাচাৰ্য্য, দেবন ভট্ট আৰু অনিৰুদ্ধ ভট্টৰ নাম উল্লেখযোগ্য।

এই পুৰাণৰ প্ৰথম তিনিটা পাদ উত্তৰ ভাৰতত আৰু চতুৰ্থ পাদটি নেপালত ৰচিত হৈছিল বুলি পণ্ডিত সকলে অনুমান কৰিছে। চতুৰ্থ পাদৰ লেখক বা কবিৰ বাসস্থান আছিল নেপাল বা তৎসমীপৱৰ্তী প্ৰদেশ।

বৰাহ পুৰাণৰ চাৰি পদ একে সময়ত ৰচিত হোৱা নাই এয়ে পৌৰাণিক সকলৰ সিদ্ধান্ত। এই পুৰাণতকৈ ভৱিষ্য পুৰাণ নিশ্চয় প্ৰাচীন কাৰণ ইয়াত ভৱিষ্য পুৰাণৰ নাম উল্লেখ কৰি কোৱা হৈছে যে সূৰ্য্যৰ নতুন মন্দিৰ নিৰ্মাতাৰ নাম শাম্ব। যমুনাৰ দক্ষিণত কালপ্ৰিয়ত (বৰ্তমান কানপুৰৰ ওচৰত) আৰু মূলতান (বৰ্তমান পাকিস্তানৰ অন্তৰ্গত) তিনিটা সূৰ্য্যমন্দিৰ স্থাপনৰ কথা বৰাহ পুৰাণত পোৱা যায়। এয়া ভৱিষ্য পুৰাণৰ কাহিনীৰ উল্লেখমাত্ৰ। ইয়াৰ উপৰি বিষ্ণু পুৰাণৰ তৃতীয় অংশৰ চতুৰ্দশ আৰু পঞ্চদশ অধ্যায় বৰাহ পুৰাণ ত্ৰয়োদশ আৰু চতুৰ্দশ আৰু পঞ্চদশ অধ্যায়ক যথেষ্টভাৱে প্ৰভাৱিত কৰিছে। এই পুৰাণত দুই বাৰ ভাগৱত নামো উল্লেখ কৰা হৈছে।

এইসকল কাৰণ আৰু বিভিন্ন নিবন্ধকাৰৰ দ্বাৰা উদ্ধৃতি সন্মুখত ৰাখি পণ্ডিতসকলে সিদ্ধান্ত কৰিছে এনেদৰে প্ৰথম পাদত প্ৰায় সকলো অংশ ৪০০ খ্ৰীষ্টাব্দত ৰচিত। ৯০-৯৬ আৰু ৯৯ এই কেইটা অধ্যায়ৰ ৰচনাকাল ১১০০ খ্ৰীষ্টাব্দ। দ্বিতীয় পাদৰ মূল অংশ সম্ভৱত ৮০০ ৰ পৰা ১০০০ খ্ৰীষ্টাব্দ। তৃতীয় পাদটি বোধহয় ৯০০ ৰ পৰা ১১০০খ্ৰীষ্টাব্দত আৰু চতুৰ্থ পাদৰ ৰচনাকাল ১১০০ খ্ৰীষ্টাব্দৰ পিছত।

১১। লিংগ পুৰাণ

লিংগ পুৰাণ শৈৱ পুৰাণসমূহৰ মুখ্যতম। লিংগ উপাসক সকলৰ এইখন আদৰ্শ গ্ৰন্থ। শিৱৰ মূৰ্তিৰ লগত ঈশান, অঘোৰ, বামদেৱ, তৎপুৰুষ আৰু জাত এই পঞ্চমূৰ্তিৰ উপাসনা এই পুৰাণত বৰ্ণিত হৈছে। এইখন পুৰাণৰ সাম্প্ৰদায়িক মনোভাৱ অতি প্ৰবল। ইয়াৰ একাধিক স্থলত বৰ্ণিত হৈছে শিৱনিন্দাকাৰীসকলৰ যিয়ে জিভা উলিয়াই পেলাব তেওঁলোকে এক বিংশকুলে সৈতে উদ্ধাৰ হৈ শিৱলোক প্ৰাপ্ত হ'ব। শিৱনিন্দুকক হত্যা কৰি প্ৰাণ ত্যাগ কৰিলেও শিৱলোক পাব। বিষ্ণু উপাসক বা অন্য দেৱতাৰ ভজন কৰা

সকলতকৈ শিৱ ভক্ত সহস্ৰগুণে শ্ৰেষ্ঠ। এই পুৰাণৰ মতে বিষ্ণুৱে স্বয়ং। উচ্চ কণ্ঠে শিৱৰ স্তুতি কৰিছিল আৰু শিৱ সহচৰ নন্দীয়ে বিষ্ণুৰ নৰসিংহ অৱতাৰক যুদ্ধত পৰাজিত কৰিছিল।

মৎস্য, স্কন্ধ আৰু অগ্নিপুৰাণৰ মতে লিংগ পুৰাণ আগ্নেয়কল্পতকথাশ্ৰিত আৰু মহেশ্বৰ মুখোচ্চাৰিত কিন্তু বৰ্তমান পোৱা পুৰাণৰ বক্তা ব্ৰহ্মা আৰু ঈশান কল্পাতিত কাহিনীৰ বৰ্ণনা পোৱা যায়। এই বৈসাদৃশ্য দেখি পণ্ডিতসকলে ভাবে যে এইখন পুৰাণ প্ৰাচীন লিংগপুৰাণ নহয়। সেইকাৰণে তেওঁলোকে এই পুৰাণক প্ৰাচীন লিংগ পুৰাণৰ পৰিমাৰ্জিত বা বিবৰ্ধিত সংস্কৰণ বলি কব খোজে। ইয়াৰ প্ৰমাণ বিষ্ণু পুৰাণত পোৱা যায়, য'ত কোৱা হৈছে যে দ্বাপৰ যুগত একাদশ বিভিন্ন লিংগ পুৰাণ স্পষ্ট হ'ব। তদুপৰি এই পুৰাণক সদাচাৰ সম্পৰ্কীয় শ্লোকসমূহ অবিকল বায়ু পুৰাণৰ উদ্ধৃতি। পূৰ্বভাগৰ চত্বাবিংশ অধ্যায়টো প্ৰধানত কৰ্মপুৰাণ আৰু মৎস্য পুৰাণৰ দ্বাৰা প্ৰভাৱিত।

এই পুৰাণৰ বিষয়সূচীৰ অধিকাংশ শিৱ মাহাত্ম্য সূচক। তাৰ ভিতৰত লিংগ ভক্তি মাহাত্ম্য, নিন্দিকেশ্বৰ পূজা, ত্ৰিপুৰদাহ, দক্ষযজ্ঞ, জলন্ধৰবধ, মদনদাহ, পাশুপাত ব্ৰত আৰু উমামহেশ্বৰ ব্ৰত উল্লেখযোগ্য। যিখিনি শিৱ মাহাত্ম্যৰ লগত প্ৰত্যক্ষ যুক্ত নহয় সেই সকলৰ ভিতৰত যোগদৰ্শন, যোগি প্ৰশংসা, চতৰ্মুখ পৰিমাণ, ভূবনকোষ, জ্যোতিশ্চক্ৰ, দেৱদানব সৃষ্টি বংশানুচৰিত, শৌচাচাৰ, প্ৰায়চিত্ত. অৰিষ্ট কথন আৰু উপমন্যুচৰিত প্ৰধান।

এই পুৰাণ পূৰ্ব আৰু উত্তৰ এই দুই ভাগত বিভক্ত। পূৰ্বভাগৰ ৯২ টা অধ্যায়ত বাৰানসী আৰু ইয়াৰ সম্বন্ধযুক্ত নানা তীৰ্থৰ বিবৰণ আছে। বিভিন্ন ছন্দত কাশীৰ বিভিন্ন উদ্যানৰ অতি মনোৰম সাহিত্যিক বৰ্ণনা পোৱা যায়। সেই যুগত ইয়ে আছিল পাশুপাতসকৰ কেন্দ্ৰ। উত্তৰ ভাগৰ চতুৰ্বিংশতি অধ্যায় প্ৰায় সকলোখিনি গদ্যত লিখা। উত্তৰ ভাগত আলোচিত বিষয়সমূহৰ ভিতৰত অম্বৰীষ মাহাত্ম্য, দীক্ষাবিধি, শিৱ পূজাবিধান আৰু ব্যাখ্যা, অভিষেক নিয়ম, নানা বস্তুৰ দান মহিমা ইয়াৰ ত্ৰয়োদশ অধ্যায়ত শিৱৰ অষ্টমূৰ্তিৰ বৈদিক নাম উল্লেখিত হৈছে। পৃথিৱীব্যাপক শিৱ মূৰ্তিৰ শৰ্ব, জনমূৰ্তিৰ নাম ভব, অগ্নি মূৰ্তি, পশুপতি, বায়ু মূৰ্তি ঈশান, আকাশ মূৰ্তি ভীম, সূৰ্য্য মূৰ্তি ৰুদ্ৰ। সোম মূৰ্তি মহাদেৱ আৰু যজমান মূৰ্তি উগ্ৰ। শৰ্বপত্নী বিকেশী পুত্ৰ অঙ্গাৰত, ভবপত্নী উমা, পুত্ৰ শুক্ত, স্বাহা পশুপতিৰ পত্নী, পুত্ৰ ষনমুখ, ঈশনীপত্নী

শিবা, পুত্ৰ মনোদক, ভীমৰ পত্নী দশৰ্দীক আৰু পুত্ৰ সৰ্গ। ৰুদ্ৰ পত্নীৰ নাম সুৰ্বচলা পুত্ৰ সনৈশ্বৰ, সোমপাত্ৰী ৰোহিনী আৰু পুত্ৰ বুধ আৰু উগ্ৰপত্নী হ'ল দীক্ষা আৰু পুত্ৰৰ নাম সন্তান।

এই লিংগ পুৰাণৰ পৰা বিভিন্ন শ্লোক যিসকল নিবন্ধকাৰে নিজ নিজ গ্ৰন্থত উদ্ধৃতি দিছে তেওঁলোকৰ ভিতৰত ৰূপগোস্বামী, লক্ষ্মীধৰ, গোপাল ভট্ট, নৰসিংহ বাজপায়ী, বিদ্যাকৰ বাজপায়ী, মাধবাচাৰ্য্য, হেমাদ্ৰি, বল্লাল সেন, দেবনভট্ট আৰু বন্দ্যঘটীয় সৰ্বানন্দ উল্লেখযোগ্য। এইবোৰ তথ্য পুৰাণ যে অত্যন্ত অৰ্বাচীন নহয় সেইটো প্ৰমাণিত হয়। ইয়াৰ উপৰি এই পুৰাণৰ নৱম অধ্যায়ত বৰ্ণিত যোগান্তবায়ে সেই কথা সমৰ্থন কৰে। এই পুৰাণ সম্পূৰ্ণভাৱে ব্যাসভাষ্যৰ ওচৰত ঋণী। প্ৰকৃতপক্ষে এই পুৰাণৰ ওপৰত যোগভাষ্যৰ প্ৰভাৱ কোনোমতে অস্বীকাৰ কৰিব নোৱাৰি। এইবোৰ কাৰণত লিংগপুৰাণৰ ৰচনাকাল আনুমানিক ১০০০ খ্ৰীষ্টাব্দ বুলি ধৰি ল'ব পাৰি।

১২। নাৰদ পুৰাণ

নাৰদ পুৰাণ আৰু বৃহন্নাদীয় পুৰাণ নামৰ দুইখন গ্ৰন্থই বৰ্তমান প্ৰচলিত আছে। কিন্তু ভালকৈ বিচাৰ কৰিলে দেখা যায় যে প্ৰথমটি দ্বিতীয়টিৰ বৃহত্তৰ ৰূপ বা দ্বিতীয়টি প্ৰথমটিৰ সংক্ষিপ্ত সংস্কৰণ। নাৰদ পুৰাণৰ প্ৰথমৰ পৰা ৪৩ অধ্যায় হুবহু বৃহন্নাৰদীয় পুৰাণৰ আদিৰ পৰা অন্ত। গতিকে আমি সংক্ষিপ্ত সংস্কৰণ পৰিত্যাগ কৰি নাৰদ পুৰাণৰ বিষয়ে আলোচনা কৰিম।

এই পুৰাণ পূব আৰু উত্তৰ এই দুই ভাগত বিভক্ত। পূব ভাগত মুঠ চাৰিটা পাদ আৰু একশ পচিশটা অধ্যায় আছে। উত্তৰ ভাগত মুঠ ৮২টা অধ্যায়, সম্পূৰ্ণ শ্লোক সংখ্যা ২৫০০০। যদিও সাধাৰণভাৱে এই পুৰাণৰ বক্তা সুত আৰু মুণিসকল শ্ৰোতা, তথাপি ইয়াত দেখা যায় বিভিন্ন পাদৰ বক্তা বিভিন্ন মুনি— যেনে প্ৰথম পাদৰ বক্তা সনক, দ্বিতীয় পাদৰ সনন্দ, তৃতীয় ভাগৰ সনৎ কুমাৰ আৰু চতুৰ্থ সনাতন এই চাৰিওটা পাদৰেই শ্ৰোটা নাৰদ। উত্তৰ ভাগত বশিষ্ঠই মান্ধাতাক ব্যাখ্যা কৰিছে।

বৰ্তমান প্ৰচলিত নাৰদ পুৰাণখনে স্মৃতি নিবন্ধকাৰসকলক যে যথেষ্ট প্ৰভাৱিত কৰিছে তাত সন্দেহ নাই। কিয়নো গোপাল ভট্টই তেওঁৰ

হৰিভক্তিবিলাসত, গদাধৰে তেওঁৰ কালসাৰত, ৰঘুনন্দনে তেওঁৰ স্মৃতিতত্বত, গোবিন্দানন্দই তেওঁৰ শ্ৰাদ্ধক্ৰিয়া কৌমুদীত, বাচস্পতি মিশ্ৰই তেওঁৰ তীৰ্থচিন্তামণি গ্ৰন্থত, মদনলালে তেওঁৰ মদন পাৰিজাতত, মাধৱাচাৰ্যই তেওঁৰ পৰাশৰ ভাষ্যত, মোদ্ৰি তেওঁৰ চতুবৰ্গ চিন্তামণি গ্ৰন্থত দেবন ভট্টই তেওঁৰ স্মৃতিচন্দ্ৰিকাত বায়ু পুৰাণৰ যথেষ্ট শ্লোক প্ৰমাণস্বৰূপে উপস্থাপিত কৰিছে।

এই পুৰাণৰ পূব ভাগৰ প্ৰথম পাদত যথাক্ৰমে সুতপৌনক সংবাদ, সংক্ষেপে সৃষ্টিবৰ্ণন আৰু নানা পুণ্য ধৰ্মকথা। দ্বিতীয় পাদত মোক্ষ ধৰ্ম আৰু মোক্ষক উপায়, বিভিন্ন বেদান্তৰ পৰিচয় আৰু শুকোৎপত্তি। তৃতীয় পাদত পশুপাশ বিমোচন, তান্ত্ৰিক দীক্ষা, মন্ত্ৰশোধন মন্ত্ৰোদ্ধাৰ, দীক্ষা, প্ৰয়োগ, কবচবিধি, গণেশ, সূৰ্য্য আৰু বিষ্ণুদেৱৰ সহস্ৰস্তোত্ৰ আৰু শিৱশক্তি পৰিচয়। চতুৰ্থ পাদত পঞ্চলক্ষণাত্মক পুৰাণৰ নাম পৰিচয় আৰু সাৰাংশ, বিভিন্ন মাহ বা তিথিত দানবিধি আৰু দানফল, সৰ্বপাপৰিনাসক প্ৰতিপদ প্ৰভৃতি ব্ৰত বিস্তাৰিতভাৱে উপস্থাপিত কৰা হৈছে। উত্তৰ ভাগত নিম্নোক্ত বিষয়বোৰ আলোচিত হৈছে। একাদশী ব্ৰত, বশিষ্ঠ মান্ধাতা সংবাদ, সপ্তমৰ পৰা সপ্তত্ৰিংশত অধ্যায় পৰ্য্যন্ত বিখ্যাত বিষ্ণুভক্ত ৰাজা ৰুক্মাঙ্গদৰ সুন্দৰ চৰিত্ৰ গাথাঁ আৰু মোহিনীৰ উৎপত্তি, বসুসকলৰ অভিশাপ, জাহ্নবীকাহিনী, কালী আৰু পুৰষোত্তম ক্ষেত্ৰ আৰু গয়াধামৰ মাহাত্ম্য, প্ৰয়াগ, কুৰুক্ষেত্ৰ হৰিদ্বাৰ, বদৰিকাশ্ৰম, কামাখ্যা, প্ৰভাস প্ৰভৃতি, তীৰ্থযাত্ৰা, গৌতম কাহিনী, বেদ পাঠস্তৱ, সেতুবন্ধ, নৰ্মদাতীৰ্থ, অবন্তী, মথুৰা বৃন্দাবন আদি তীৰ্থৰ মাহাত্ম্য আৰু বসুসকলৰ অনন্ত ব্ৰহ্মালোক গমণ।

প্ৰকৃততে ই যে এখন বৈষ্ণৱপুৰাণ তাত কোনো সন্দেহ নাই। নাৰদ পুৰাণত বৌদ্ধধৰ্মৰ বিশেষভাৱে নিন্দা কৰা হৈছে, একস্থলত কোৱা হৈছে যে যদি কোনোবাই ভীষণ বিপদত পৰিও বৌদ্ধ মন্দিৰত প্ৰৱেশ কৰে, শত প্ৰায়চিত্ত কৰিলেও তেওঁৰ নিস্তাৰ নাই। কুমাবিল ভট্টই তেওঁৰ মীমাংসা গ্ৰন্থত (সপ্তম শকিতা) যুক্তি-তৰ্কৰ দ্বাৰা বৌদ্ধমত খণ্ডন কৰি এইবোৰৰ তীব্ৰ নিন্দা কৰিছে। গতিকে এই সকলোবোৰ কথা বিবেচনা কৰি এই পুৰাণৰ ৰচনা কাল ৯০০ খ্ৰীষ্টাব্দৰ পৰা ১০০০ খ্ৰীষ্টাব্দ বুলি অনুমান কৰিব পাৰি।

— *সমাপ্ত* —

আগকথা আৰু ভূমিকাৰ শুধৰণি তালিকা

গ্ৰন্থৰ পৃষ্ঠা	পৃষ্ঠাৰ লাইন	অশুদ্ধ	শুদ্ধ
৫	১	কৃত্যবিদ্য	কৃতবিদ্য
৫	৩	গানপত্য	গাণপত্য
৫	৩	তন্দ্ৰোক্ত	তন্ত্ৰোক্ত
৫	৪	প্ৰতেকৰ	প্ৰত্যেকৰে
৫	১২	স্থূল	স্থূল
৫	১৬	যুক্তি	মুক্তি
৬	১৮	মনো মনঃ	নমো নমঃ
৬	২২	এইয়েই	এয়েই
৬	২৭	আকাখা	আকাঙ্ক্ষা
৭	৬	ঈশ্বৰৰ প্ৰাপ্তিৰ	ঈশ্বৰ প্ৰাপ্তিৰ
৭	২৪	ব্ৰহ্মাবাদৰ	ব্ৰহ্মবাদৰ
৮	২৭	ৰাযায়ণ	ৰামাযণ
৯	২৮	ৰিপৰিনাম	বিপৰি নাম
১২	২৭	মৰ্গ	মাৰ্গত
১২	২৮	জঁটত	জঁটাত
১৩	৬	বানৰ	বাণৰ
১৪	২১	শকিতাত	শতিকাত
১৫	২৯	সূক্ষ্ম	সূক্ষ্ম
১৬	১৯	অনুষ্ঠানদিৰ	অনুষ্ঠানাদিৰ
১৬	১৯	উদ্ধগতিৰ	উৰ্দ্ধগতিৰ
১৬	২৬	শৈবসিদ্ধান্ত	শৈবসিদ্ধান্তৰ
১৭	১৮	নিৰূপন	নিৰূপণত
১৭	২১	হিহেতুকে	যিহেতুকে
১৭	২৪	স্তপ্ত	গুপ্ত
১৮	৩	মনকৰিবলীয়া	মনকৰিবলগীয়া
১৮	৯	ব্যৱস্থা	ব্যৱস্থাৰে
১৮	১২	সম্প্ৰদায়ৰ বোৰ	সম্প্ৰদায়বোৰ
১৮	২২	বহস্পতি	বৃহস্পতি
১৯	১৫	ভৱনেশ্বৰী	ভুবনেশ্বৰী
২০	৯	উপস্যতাৰ	উপাস্যতাৰ
২০	১৫	কত্যায়নী	কাত্যায়নী
২১	৩০	সৰ্বপূজত	সৰ্বপূজ্য
২২	১০	যাজ্ঞবলকো	যাজ্ঞবল্ক
২৩	১১	উদ্দেশ্য	উদ্দেশ্যে

আগকথা আৰু ভূমিকাৰ শুধৰণি তালিকা

গ্ৰন্থৰ পৃষ্ঠা	পৃষ্ঠাৰ লাইন	অশুদ্ধ	শুদ্ধ
২৩	১৩	গন্থত	গ্ৰন্থত
২৪	৪	আন্তৰিক	অন্তৰীক্ষ
২৪	৬	ঋষিসকল	ঋষিসকলে
২৪	১১	বিষ্ণ	বিষ্ণু
২৪	১২	অগস্তই	অগস্ত্যই
২৪	১৭	মাৰ্কণ্ডেয় পুৰাণ	মাৰ্কণ্ডেয় পুৰাণত
২৪	২৫	তন্দ্ৰসাৰ	তন্ত্ৰসাৰ
২৫	১০	অন্তৰিক্ষৰে	অন্তৰীক্ষৰে
২৫	১১	জোতিময়	জ্যোতির্ময়
২৬	১	অষ্টাক্ষাৰী	অষ্টাক্ষৰী
২৬	২, ৪, ৫	সূৰ্য	সূৰ্য্য
২৬	৫	মুনতানত	মূলতানত
২৬	১২	ত্ৰিতাপৰিষ্ট	ত্ৰিতাপক্লিষ্ট
২৬	২২	তন্দ্ৰতে	তন্ত্ৰতে
২৭	১৭	আকাঙ্খা	আকাঙ্ক্ষা
২৭	২৭	গ্ৰন্থাকাৰ	গ্ৰন্থকাৰ
২৯	৩	শুভাকাংশী	শুভাকাঙ্ক্ষী
২৯	১৬	কাৰণ	কাৰণত
৩০	১৬	গণপত্য	গাণপত্য
৩০	২১	কুৰ্ম	কূৰ্ম
৩১	১	উপধ্যয়দেৱে	উপাধ্যায়দেৱ

বিশেষ কাৰণত গ্ৰন্থখন ছপাশালৰ পৰা খৰধৰকৈ আনিবলগীয়া হোৱা কাৰণে ছপাত বহু ভুল ধৰা পৰিল। তাৰ বাবে আমি পাঠক-পাঠিকাৰ ওচৰত ক্ষমাভিক্ষা প্ৰাৰ্থী। সেয়ে শুধৰণি তালিকা এখন লগত দিয়া হ'ল—

গ্ৰন্থৰ পৃষ্ঠা	পৃষ্ঠাৰ লাইন	অশুদ্ধ	শুদ্ধ
৩৫	২০	থৱ	ল'ব
ঐ	২৫	ঐশ্বৰ্য্যমান	ঐশ্বৰ্য্যবান
৩৬	১৮	মুক্ত	মুক্ত
	২২	সুব্ৰত	সুব্ৰত
	২৬	স্ত্ৰোত্ৰ	স্তোত্ৰ
	২৮	ত্ৰিভূবন	ত্ৰিভুবন
		ত্ৰিণয়ণ	ত্ৰিনয়ণ
	২৯	তৈতিৰিয়	তৈত্তিৰীয়
৩৭	৪	ভূবন	ভুবন
	৫	হৃছে	হৈছে
	৮	অবশ্য	অৱশ্যে
	২২	গংগাৰ	গংগাত
	২২	পলায়ণ	পলায়ন
৩৮	১২	ত্ৰিণয়ণ	ত্ৰিনয়ণ
	২৯	ধাৰিনী	ধাৰীণি
৩৯	৮	পুৰাণকাব	পুৰাণকাৰ
	১৩	উবা	উমা
	১৬	আলিংগণ	আলিংগন
	২৫	সত্ত্য	সত্ত্ব
৪০	৪	প্ৰভূ	প্ৰভু
	ঐ	ধ্যনস্ত	ধ্যানস্ত
	২৪	কাঞ্চী পুৰাণত	কাঞ্চী পুৰমত
৪১	৯	পানি গ্ৰহণ	পাণি গ্ৰহণ
	১২	ষোড়ষ	ষোড়শ
৪২	১১	শিবত	শিৱক
	২৯	পৰ	পৰা
	৪	হ্লস্য	লাস্য
৪৩	২৫	ক্ৰিয়বোৰ	ক্ৰিয়াবোৰ
৪৫	৩	অদৈতবাদী	অদ্বৈতবাদী
৪৬	৫	তত্ত্ব	তত্ত্ব
	১০	নেপথ্যচাৰিনী	নেপথ্যচাৰিণী
	১২	সুদ্ধ	শুদ্ধ
৪৭	২৩	উজাস্য	উপাস্য
৪৯	২৩	উপাদন	উপাদান

গ্ৰন্থৰ পৃষ্ঠা	পৃষ্ঠাৰ লাইন	অশুদ্ধ	শুদ্ধ
৫০	১৫	পোণপতীয়া	পোনপটীয়া
৫১	২	জাতিবেদ	জাতিভেদ
৫২	১	উপাদন	উপাদান
	৮	প্ৰতিবিস্মিত	প্ৰতিবিম্বিত
৫৪	২৯	কপালুকগুলা	কপালকুণ্ডলা
৫৫	২৪	ৰামাচাৰী	বামাচাৰী
৫৭	৮	নিৰ্বান	নিৰ্বাণ
৫৮	২	নৃপতিকলে	নৃপতিসকলে
	৪	ধৰ্মগ্ৰন্থ	ধৰ্ম
	৯	১৪২৭	১৫১৫
	১৩	বিষ্ণু	বিশু
৫৯	৬	চুকাফা	ছুহুংফা
	৭	সুতমালা	ছুতামলা
	১২	পাৰ্বতীক	পৰ্ব্বতীয়া
	১৪	মতানৈকৰও	মতানৈক্যও
	২৪	শিবৰায়ক	শিবৰায়ৰ
৬০	১৮	কালকুত	কালকুট
	২০	ষোড়ষ	ষোড়শ
৬১	১৬	ব্ৰহ্মকৈবৰ্ত্ত	ব্ৰহ্মবৈবৰ্ত্ত
	১৯	অনুদিত	অনূদিত
	২৮	হৰ গোবী	হৰগৌৰী
৬২	৮	ৰাজহৰভাবে	ৰাজহৰাভাবে
৬৩	২	বিষ্ণ	বিষ্ণু
	৭	সুৱৰ্ণ	সুবৰ্ণচ
৬৪	৮	অৰূপ	অৰূণে
	২১	মুণি	মুনি
৬৫	১৩	গৰ্জ্জন্য	পুৰ্জ্জন্য
	১৭	পুৰা	পুষা
৬৬	১১	ক্ৰুব্ধ	ক্ৰুদ্ধ
	২০	মহিলা	মহিমা
৬৭	১০	সন্ত্ৰাসকলৰ	সন্তানসকলৰ
	২১	গমণ	গমন
	২৩	পুন্নৰ	পুনৰ
৬৮	২১	অংকণ	অংকন
৬৯	১২		
৭০	৯	মধ্যগগণৰ	মধ্যগগনৰ
	১০	পূবোক্ত	পূৰ্বোক্ত

গ্ৰন্থৰ পৃষ্ঠা	পৃষ্ঠাৰ লাইন	অশুদ্ধ	শুদ্ধ
৭০	২৪	কালতো	কালতে
	৩০	তামিলনাডুক	তামিলনাডুৰ
৭২	৫	অষ্টমিত	অস্তমিত
	১৩	সূৰ্য্যৰ	সূৰ্য্যক
৭৫	৭	কৰোতাসকলে	কৰোতাসকল
৭৬	৫	সূৰ্য্য	সূৰ্যই
৭৭	৩	তৈত্তিৰী	তিত্তিৰী
৭৯	১২	ব্ৰহ্মাস্পতি	ব্ৰাহ্মণস্পতি
৮০	৯	অষ্টহষ্ট	অষ্টহস্ত
৮৩	৬	সৰ্বসাধাৰণ	সৰ্বসাধাৰণৰ
৮৪	১৫	উপৰিষ্ট	উপবিষ্ট
৮৫	১৮	পুজিত	পূজিত
	২২	বিঘ্ন	বিঘ্ন
৮৬	২	সুৰ	শুৰ
	১৩	ব্যাসদেৱ	ব্যাসদেৱে
	২৪	অসৰ	অসুৰ
	২৬	গশেন	গণেশ
৮৭	১১	কোকণ	কোংকণ
	২৩	সম্বোধন	সম্বোধন
৮৮	১৬	ভাছলে	ভোছলে
৯০	৭	কৰ্মলগত	কৰ্মৰলগত
৯১	৩	শপট	শপত
	১৮	ছুটি	ছুটী
	২২	মোতামুতিভবাৰ	মোটামুতিভাৱে
৯২	৩	বলি	বুলি
	২২	মদ্যপাণ	মদ্যপান
৯৪	২২	নগন্য	নগণ্য
৯৬	৬	দমণ	দমন
	১০	সমালোচনসকলৰ	সমালোচনাসকলক
	২৫	কুজন	কুজন
৯৮	১২	ধ্যনযোগ	ধ্যানযোগ
১০০	৪	হিচাহে	হিচাবে
	১০	নোহোৱান	নোহোৱা
	১৩	শুপ্ত	সুপ্ত
	১২	প্ৰতিধিনি	প্ৰতিনিধি
	২৭	খল	ফল
	২৮	পোৱালিটোলৈ	পোৱালিটোক

গ্ৰন্থৰ পৃষ্ঠা	পৃষ্ঠাৰ লাইন	অশুদ্ধ	শুদ্ধ
১০৩	১২	কাদ্ধি	কাছি
	ঐ	হ্যস্বি	হ্যদি
	১৬	নেপাপ	নেপাল
১০৬	৭	পাদতো	পাদটো
	১৯	সূদীৰ্ঘ	সুদীৰ্ঘ
১০৭	১	প্ৰণথ	প্ৰলয়
	১৬	উত্তৰাধন	উত্তৰাৰ্ধৰ
১০৮	১২	বশিষ্ঠপৰাহৰ	বশিষ্ঠপৰাশৰ
১১০	৩	জীমুত	জীমূত
	৭	ৰমনীয়	ৰমণীয়
	২০	কুৰ্মপুৰাণ	কূৰ্মপুৰাণ
১১১	২৪	প্ৰক্কসৰ্গ	প্ৰাকৃতসৰ্গ
	২৬	পুৰুৰধ্ণবংশ	পুৰুৰবাবংশ
১১২	২৪	খগু	খগুত
১১৩	৭	যাজ্ঞাবল্ক্য	যাজ্ঞবল্ক্য
	১৪	বৈধুৰ্য	বৈদুৰ্য
	২১	খণ্টটো	খগুটো
	২৯	কৌমুদি	কৌমুদী
১১৫	৭	কবন্দসব	কৱন্ধম
	১১	বল্লালমেন	বল্লালসেন
১১৬	২৩	ৰাজপায়ী	বাজপায়ী
	২৬	কথাভাষণ	কণ্ঠাভৰণ
১১৭	১	যাগ্যবল্ক	যাজ্ঞাবল্ক্য
	৩	দশবস্তাৰ	দশবতাৰ
১১৮	১৮	ওয়ৰেন	ওয়াৰেণ
	২০	সতন্দ্ৰ	সতন্ত্ৰ
১২২	১০	বলি	বুলি
	১১	দ্বাৰ	দ্বাৰা
১২৪	১০	পূৰাণক	পুৰাণক
১২৫	১	পত্ৰী	পত্নী
	২৪	শ্ৰোটা	শ্ৰোতা
১২৬	১৭	পুৰযোত্তম	পুৰুষোত্তম
	২০	গমণ	গমন
	২৫	শকিত	শতিকা

যিবোৰ শব্দ শুদ্ধ কৰা হ'ল সেইবোৰ শব্দ একে পৃষ্ঠাত বা আনপৃষ্ঠাত থাকিলেও শুদ্ধ বুলি ধৰি ল'ব কিয়নো সেইবোৰ এই লিষ্টৰ অন্তৰ্ভুক্ত কৰা হোৱা নাই। দাবি, কমাৰ ভুলবোৰ শুদ্ধ কৰাটো সম্ভৱপৰ নহ'ল।

গ্ৰন্থকাৰ

সহায়ক গ্ৰন্থসমূহ

ইংৰাজী

1. Tantras– Their philosophy and occult secrets : By D.N. Bose & Hiralal Halda.
2. Tantras in Bengal : By Dr. S.C. Banerjee.

বঙালী

(১) তন্ত্ৰসাৰ— কৃষ্ণানন্দ ন্যায়বাগীশ
(২) পুৰাণ পৰিচয়— ডক্টৰ অশোক চট্টোপাধ্যায়
(৩) পুৰাণ সমগ্ৰ

অসমীয়া

(১) দেৱী ভাগৱত (মুখ্যপুৰাণ)— শ্ৰীগৌৰীকান্ত শৰ্মা
(২) দেৱী— ড° নিৰ্মলপ্ৰভা বৰদলৈ
(৩) শিৱ— ঐ
(৪) সূৰ্য্য— ঐ

— ০ —